অশান্ত ঘূৰ্ণী

তৰুলতা দত্তবৰুৱা

দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী - ৭৮১০০১

অশান্ত ঘূৰ্ণী

তৰুলতা দত্তবৰুৱা

প্ৰকাশক ঃ দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী–৭৮১০১১

প্ৰথম প্ৰকাশ : আগষ্ট, ১৯৭৬

মূল্য : ছয় টকা

মুদ্ৰাকৰ : শ্ৰীগুৰু প্ৰেছ
গুৱাহাটী-৭৮১০১১

পাতনি

সন্ধ্যাদীপ বাজখোৱা পুলিছৰ উচ্চপদস্থ বিষয়াৰ পত্নী। সুন্দৰী আধুনিকা সন্ধ্যাক এদিন পুৱা মৃত অৱস্থাত পোৱা গৈছিল তেওঁৰ বাস ভৱনৰ খট্‌খটিৰ কাষত আগফালৰ বাৰাণ্ডাত। সুন্দৰী আধুনিকা সন্ধ্যা এসময়ত আছিল অতি সহজ-সৰল এগৰাকী গৃহিণী বোৱাৰী।

সন্ধ্যাৰ স্বামীগৰাকী আছিল এক বিকৃত মনৰ ৰোগী। সন্তানহীনা স্ত্ৰীক তেওঁ বাৰে বাৰে কৈছিল—'সন্তান কামনাৰে যি কৰা যায় তাত কোনো দোষ নাই। পাপ নাই।'

সন্ধ্যাৰ প্ৰত্যেকটি সন্তানেই অসহজ, অশান্ত। সিহঁতক পৰিবেশে গঢ় দিলে বিভিন্ন ৰূপে। সীতা হৈ পৰিল চঞ্চল মনৰ কৌতূহলী স্বভাৱৰ। কিন্তু বুকুখন ভৰি থাকে অফুৰন্ত মৰমেৰে। বিলাব খোজে মৰম সকলোকে। মলয়াই পালে এনে এটি মন—তাই বিচাৰিলে মীৰাবাঈৰ দৰে কৃষ্ণক। এইখন জগতত তাইৰ দেহ-মন অহল্যা। জোনালীৰ মন আকাশত। মৃত্যুত হে যে আনন্দ এই ভাৱত দৃঢ়। তাই ভাবে সঁজাৰ পৰা (দেহৰ পৰা) ওলাই যাব পৰা হ'লে আকাশত উৰিফুৰা চৰাইৰ দৰে মেয়ো উৰি ফুৰিলেঁহেঁতেন ·· । 'অপৰাজিতা'—'নীনা', 'চান', 'চানি' ইহঁত হ'ল ছাবি দিয়া পুতলা। ইহঁত কোনেও মাকক সহজভাৱে লব পৰা নাছিল। ভাবিবও পৰা নাছিল।

সন্ধ্যাদীপৰ মৃত্যু স্বাভাৱিক নাছিল, তেওঁক কোনোবাই হত্যা কৰিছিল। এই হত্যাকাণ্ডৰ নায়িকা সীতাও হব পাৰে, মলয়াও হব পাৰে। হয়তো কুমুদ বাজখোৱাই নিজে পত্নীক হত্যা কৰিছে, কৰওতো নোৱাৰি। আনহাতে সন্দেহ হয় পৱনক।

এই ঘৰত পৰনৰ স্থান ক'ত সঠিক ভাৱে বুজা নাযায়। কোনোৱে কয় তুলিলোৱা ল'বা। কোনোৱে কয়—ভাত বন্ধা ল'বা........। সুদৰ্শন পৰন ইফালে হ'ল সীতাৰ বন্ধু। এই পৰনকো বহু কাৰণত সন্দেহ হয়।

সন্ধ্যাদীপৰ লগত নিবিড়ভাৱে জড়িত বা এই ঘৰৰ লগত সম্বন্ধ ৰখা বহুজনে এক এক কৰি প্ৰাণ হেৰুৱাইছে। অৱশেষত কুমুদ ৰাজখোৱাৰো হেৰুৱালে প্ৰাণ—। সীতাই চুৰকৈ মাকৰ ডায়েৰী পঢ়িছিল। মাক-দেউতাক দুয়োকো সীতাৰ অসহ্য হৈছিল। তেন্তে সীতাই এই হত্যাকাণ্ডৰ নায়িকা নেকি বাৰু?

o o o

এই কিতাপৰ প্ৰত্যেকজনকে মই (মোৰ মনৰ কোঠালিত) নিবিড় ভাৱে লগ পাইছোঁ। কিয় কেনেকৈ এওঁলোক মোৰ মন কোঠালিত সৃষ্টি হ'ল তাক মই সঠিক কব নোৱাৰোঁ।

এই কিতাপখন হাতে লিখা অৱস্থাত পঢ়ি ডঃ নিৰ্মল প্ৰভা বৰদলৈয়ে মোক কৈছিল—"বুলু, তোৱালী একনী হৈ কেনেকৈ এই কিতাপ লিখিলা"। তেওঁ কেইবাটাও কাৰণত এনেকৈ কৈছিল। এক কাৰণ হ'ল (হয়তো) মই সন্ধ্যাদীপ ৰাজখোৱাৰ বেডৰুমৰ পৰ্দা দাঙি দেখা ছবি হুবহু লিখাবাবে। সন্ধ্যাদীপৰ ডায়েৰীত পোৱা কথাবোৰ মুক্তভাৱে কোৱা বাবে, বা ইমান-বোৰ হত্যাকাণ্ডৰ বতৰা দিয়া বাবে। তেওঁ কিয় এনেকৈ কৈছিল আপোনালোকে সত্বৰ বুজিব।

এই কিতাপখন লিখোঁতে মই বাৰে বাৰে লবি যাব লগীয়া হৈছিল ডাঃ ধ্ৰুব ফুকনৰ ওচৰলৈ। সময়ে অসময়ে তেওঁক বিৰক্ত কৰিছিলোঁ'গৈ এই কিতাপৰ শাৰীৰিক মানসিক ৰোগী সকলৰ বাবে। মোৰতো মানৱ দেহৰ যন্ত্ৰবোৰৰ বিশেষ জ্ঞান নাই। এই ক্ষেত্ৰত তেওঁ সহায় কৰে।

লগতে লিখাত উৎসাহ যোগাইছিল ডাঃ দীপাঞ্জলি ফুকনে।

কোনো কোনো সময়ত তেওঁ আহি মোক এলাহ কৰি শুই থকা দেখিলে ধমক দিয়েহি। আন্তৰিকতাপূৰ্ণ শুভ ইচ্ছাৰ ধমক। 'বাইদেউ লিখক, লিখক। নিলিখে কিয়।' লগতে উৎসাহ পাইছো মুনীনদাৰ পৰা। এই লিখা প্ৰকাশ কৰি আপোনা-লোকৰ আগত তেখেতে দাঙি ধৰিছে। মোৰ সকলোতকৈ ডাঙৰ সমস্যা হৈছিল কিতাপৰ নামকৰণ কৰাত। ডাঃ পঙ্কজ শইকীয়াই থ্লমূলকৈ কাহিনীটো শুনিয়েই খপহ্কৈ নামটি থলে—'অশান্ত ঘূৰ্ণী।' কিয়নো এই কিতাপৰ সকলো চৰিত্ৰই অশান্ত। অশান্ত ঘূৰ্ণীৰে এই চৰিত্ৰবোৰে চাৰিওপিনে ঘূৰি ফুৰে।

—'তক'
ডিব্ৰুগড়

মই আৰু মোৰ স্বামী আহিছিলোঁ ৰেলেৰে। প্ৰথম শ্ৰেণীৰ ডবা। আমাৰ বাদে আন কোনো যাত্ৰী নাছিল। আমি শুবলৈ আয়োজন কৰিছিলোঁ; ঠিক সেই সময়তে ৰেলখন আহি সৰু ষ্টেচনটোত ৰ'লহি। ৰেল ৰোৱাৰ লগে লগে দুৱাৰখন ঠেলি ডবাটোলৈ উঠি আহিল এজনী কম বয়সীয়া ছোৱালী। ছোৱালীজনীৰ মুখখন অত্যন্ত শান্ত আৰু ক্লান্ত। আমাৰ দুয়োৰো মাজত থকা ঠাই ডোখৰতে তেওঁ বহি পৰিল। মই তেওঁৰ মুখলৈ চোৱাত মৃদুভাৱে ছোৱালীজনীয়ে অকণমান হাঁহিলে। কেনে যেন লাগিল হাঁহিটো! করুণ, বিষণ্ণ হাঁহি। ছোৱালীজনীয়ে মোৰ স্বামীৰ ফালে ঘূৰি চাই দেখে তেওঁ তেওঁলৈকে চাই আছে। তাকে দেখি খপহকৈ ছোৱালীজনীৰ মুখত খং আক্ৰোশৰ ভাব ফুটি উঠিল। কোমল অথচ কঠোৰ স্বৰেৰে সুধিলে—কি চাইছে?'

ছোৱালীজনীৰ এই প্ৰশ্নত তেওঁ অপ্ৰস্তুত হ'ল। মোৰ উপস্থিতিত এনে প্ৰশ্নত তেওঁ থতমত খালে। ঘৃণা ও বিতৃষ্ণাৰে ভৰি পৰা চকুযোৰ মোৰ ফালে ঘূৰাই ছোৱালীজনীয়ে মোৰ মুখলৈ চালে। মোৰ চকুত চকু পৰাৰ লগে লগে ক্লান্ত চেহেৰাৰ কোমল মুখৰ ছোৱালীজনীয়ে মৃদুভাৱে অকণমান হাঁহিলে। মই তেওঁৰ সেই হাঁহিলৈ চাই অবাক হলোঁ। চকু ৰঙা, ওঁঠত কিন্তু মধুৰ শান্ত হাঁহি।

দীঘলীয়া হুইচেল দি গাড়ী চলিবলৈ আৰম্ভ কৰাৰ লগে লগে 'টিকেট চেকাৰ' এজন সোমালহি। তেওঁৰ ফালে চাই ছোৱালীজনীয়ে এক মুহূৰ্ত কি যেন ভাবিলে, তাৰ পাচত মোক সুধিলে—

"আপোনাৰ হাতত টকা নিশ্চয় আছে"—মই উত্তৰ দিবলৈ নাপালোঁৱেই, 'টিকেট চেকাৰ'জন ইতিমধ্যে তেওঁৰ সন্মুখলৈ আহি হাতখন আগবঢ়াই দিলে। এইবাৰ ছোৱালীজনীয়ে অলপো পলম নকৰি ভিতিৰ পৰা সোণৰ গধুৰ চেইনডাল খুলি 'টিকেট চেকাৰ' জনৰ কালে আগবঢ়াই দি ক'লে—'এইডালৰ মূল্যেৰে যলৈকে যাব পাৰিম তাতে মোক নমাই দিব।'

মই ছোৱালীজনীৰ হাতখন খাপ মাৰি ধৰি ক'লোঁ—"কি কৰিছা, মোকতো কথা কোৱাৰ সময়েই নিদিলা ?" লৰালৰিকৈ মই বেগ খুলি সুধিলোঁ— "কলৈ যাবা ?"

"আপুনি ক'লৈ যাব— ?" ঘূৰাই ছোৱালীজনীয়ে মোক প্ৰশ্ন কৰিলে। 'টিকেট চেকাৰ' জনে মনোযোগেৰে ছোৱালীজনীক চাই থাকি তেওঁক যেন বুজিবলৈ চেষ্টা কৰি সুধিলে—

"আপুনি আহিছে ক'ৰপৰা ?"

"এইটো কি ষ্টেচন ?" ছোৱালীজনীয়ে 'টিকেট চেকাৰ' জনক প্ৰশ্ন কৰিলে।

মই দহটকীয়া নোট দুখন হাতত লৈ আকৌ তেওঁক সুধিলোঁ— "ক'লৈ যাবা ?" মোৰ এই প্ৰশ্নত ছোৱালীজনী যেন ভীষণ চিন্তিত হ'ল, এবাৰ মোৰ স্বামীৰ কালে চালে, তাৰ পাচত টিকেট চেকাৰ-জনৰ মুখলৈ চালে। তেওঁৰ মুখত এই ভাব—কোনে কব মই ক'লৈ যাম।

এইবাৰ গম্ভীৰ ভাবেৰে টিকেট চেকাৰজনে প্ৰশ্ন কৰিলে— "ক'ত নামিবা ?" ছোৱালীজনীয়ে মোলৈ চাই ক'লে—"এখেত য'ত নামে।"

টিকেট্ কাটিবলৈ লৈ আকৌ টিকেট্ চেকাৰে সুধিলে—"ক'ৰপৰা কলৈ টিকেট্ কাটিম ?"

এইবাৰ ছোৱালীজনী বিৰক্ত হ'ল। সেই ভাবে ক'লে— "এই

ট্ৰেইনখন ক'ৰপৰা আহিছে আৰু ক'লৈ যাব। তাৰ পৰা তালৈ টকা লওক, অৰ্থাৎ টিকেট্ কাটক। এই ষ্টেচনটোৰ নাম মই চোৱা নাছিলো।"

সেয়ে হ'ল। মিছাকৈ কিছু টকা ভৰিবলগীয়া হ'ল। কিন্তু এই কথাত শান্ত মুখৰ ছোৱালীজনীৰ কোনো খেদ নহল যেন লাগিল তেওঁৰ মুখ দেখি।

ছোৱালীজনীৰ প্ৰথম ব্যৱহাৰ আৰু কথাতে আমি অবাক হৈছিলো। এইবাৰ আৰু এক কাঠি বেচি অবাক হলো— ছোৱালী-জনী কোন ষ্টেচনত উঠিছে তাকো নাজানে, ক'ত নামিব তাকো নাজানে।

ক্লান্ত কোমল মুখৰ ছোৱালীজনীয়ে মোৰ মুখলৈ চাই আছে। চকুৰ পলক পৰা নাই। মই সুধিলো—"কিবা কবা ?"

"মোক শুবলৈ দিব ?" স্নিগ্ধ এটি হাঁহি মুখত লৈ মোক সুধিলে। মোৰ এনে লাগিল এই হাঁহি দুষ্প্ৰাপ্য সম্পদ—এই হাঁহি শিশুৰ হাঁহি।

মোৰ বিছনাখনকে মই তেওঁক শুবলৈ দিলো। তেওঁ বাহিৰৰ অন্ধকাৰলৈ অপলক নেত্ৰে চাই ৰ'ল। গভীৰ চকু যোৰেৰে আন্ধাৰ ফালি তেওঁ যেন কি বিচাৰিছে! তাৰ পাচত আপোন মনে ক'লে—

"চন্দ্ৰ-সূৰ্য্যাই প্ৰকাশ কৰি যি ঠাই চকুত পেলাব নোৱাৰে যি অমৃত স্থান আছে বুলিয়েই মাথোন জানো, যাৰ স্বাদ কাহানিও পোৱা নাই, সেই অমৃত স্থানলৈ মই যাম।"

নিজৰ মূৰত লাহেকৈ হাত মোহাৰি স্বামীয়ে মোক ইঙ্গিতেৰে বুজালে ছোৱালীজনীৰ মূৰৰ গোলমাল আছে। মই ছোৱালী-জনীক ক'লো—"তুমি শুব খুজিছিলা নহয়, শোৱা।"

"পেটত প্ৰচণ্ড ক্ষুধা। টোপনি আহিব জানো!" বুলি ছোৱালী-জনী শুই পৰিল। ইকাতি সিকাতি কৰি থাকি ক'লে— "মোক আৰু এটা পাক দিবনে? ইমান সৰু গাৰুত শোৱাৰ অভ্যাস

নাই।' মই স্বামীৰ বিছনাৰ গাৰুটোও আনি তেওঁক দিলোঁ। গাৰুটো ইটো গাৰুৰ ওপৰত জাপি লৈ কলে—

'খাবলৈ কিবা এটা দিব ?'

'কি খাবা ?'

'যি দিয়ে।'

'কণী সিদ্ধ আৰু লুচি আছে।'

'ভোকে বিলাসিতা বুজি নাপায়, যি আছে বেগতে দিয়ক। গোটেই দিনটো একো খোৱা নাই।'

ছোৱালীজনীৰ কথা আৰু কাৰ্য্যই বিস্ময় মনাইছে। আমি যেন তেওঁৰ আদেশৰ বাবে সৰ্বক্ষণ সজাগ হৈ থকা তেওঁৰ ভৃত্যহে।

ভাবিছিলো ভোকত আছে গবা গবে খাব। তৃপ্তিৰে খাব। কিন্তু হাতত খোৱা আহাৰ লৈ তেওঁ নীৰৱে বাহিৰৰ অন্ধকাৰলৈ চাই ৰ'ল। মই কলো—'নোখোৱা কিয় ?'

'খালো নহয়' বুলি তেওঁ প্লেটখন হাতৰ পৰা নমাই থলে। মোৰ হাতৰ পৰা চেঁচা পানীৰ গিলাচটো লৈ পানী অকণ মুখত ললে। তাৰ পাচত বিছনাত ঢলি পৰি কলে 'লাইটটো অফ কৰি দিব ?' 'তুমি কিবা বিপদত পৰিছা—?' কৌতূহল দমাব নোৱাৰি হঠাৎ স্বামীয়ে তেওঁক প্ৰশ্ন কৰিলে। স্বামীৰ প্ৰশ্নত তেওঁ স্পষ্টভাৱে স্বামীৰ মুখলৈ চালে। 'হুঁ' বুলি অকণমান হাঁহিলে। বিদ্ৰূপৰ হাঁহি। তাৰ পাচত কলে—'ঘপহকৈ মোক কিয় তুমি বুলিছে ?'

কোমল মুখৰ ক্লান্ত চেহেৰাৰ ছো'ৱালীজনীৰ গম্ভীৰ মাতত যেন স্বামীয়ে থমকা মাৰিলে। স্বামীৰ হৈ মই উত্তৰ দিলো— 'তুমি সৰু ছোৱালী বুলিয়েই তুমি বুলিছে।'

'মোৰ সোতৰ বছৰ বয়স' কথাষাৰ কৈ মোৰ মুখলৈ চাই আকৌ সেই হাঁহিটো মাৰিলে। যি হাঁহিৰ তুলনা নাই। কিন্তু তৎক্ষণাত এই হাঁহি স্তব্ধ হ'ল। আকৌ সেই গম্ভীৰ মাতেৰে কলে— 'মই ভাবিছিলো আপোনাৰ পৰা টকা লোৱা বাবে তেখেতে মোক

তুমি বুলিছে। প্ৰথম পৰিচয়তে এজনী অচিনাকী যুৱতীক এজন অপৰিচিত পুৰুষে যপহুকৈ তুমি বোলাটো ভদ্ৰৰুচিৰ ভিতৰত নপৰে।' এইবাৰ কথাৰ সুৰ বদলাই কলে— 'যদি মোৰ টোপনি যায় মোক গাত হাত দি নজগাব। নামধৰি মাতিব।' কথাষাৰ কৈ 'অ' বুলি যপহকৈ তেওঁ বহি পৰিল। তাৰ পাচত লাহেকৈ সেই বস্তুটো বুকুত লুকুৱাই থোৱাৰ পৰা উলিয়ালে। আমালৈ চাই কলে— 'এইটো আপোনালোকক লাগেনে? ই বন্ধু,—ই জীৱন আৰু ই মৃত্যুও।'

এক কাঠি এক কাঠিকৈ আমি অবাকৰ পৰা অবাক হৈ গৈ আছো। তেওঁ বুকুৰপৰা ৰিভলভাৰটো উলিওৱা দেখি আমি দুয়ো আতঙ্কিত হৈছিলো। কিন্তু খন্তেকলৈ। তেওঁৰ আমাক হত্যা কৰা কোনো মনোভাব নাই। থকাহলে সেইটো আমাৰ হাতত সোধাব নোখোজে। আমাৰ আতঙ্কিত চকুলৈ চাই তেওঁ কলে—'ভয় খাইছে কিয়? মই আহিছো এক বিন্দু জল বিচাৰি। মোৰ বুকুত সাগৰ তৃষ্ণা। সেই তৃষ্ণা ৰক্তৰ তৃষ্ণা নহয়।'

কথাষাৰ কৈ গাৰুৰ তলত অস্ত্ৰটি থৈ সেই গাৰুতে মূৰ থৈ তেওঁ শুই পৰিল।

অলপ পাচতে কোনোবা এটা ষ্টেচনত গাড়ীখন ৰ'লহি। সেই ষ্টেচনত নোৰোৱাকৈ বিৰাট দীঘল এখন ৰেলৰ ইঞ্জিন কাষেদি চলি গ'ল। তাৰ পাচত বন্ধ মাল গাড়ীৰ ডবা।

স্বামীয়ে মোক কাণে কাণে কলে—মাথাৰ যে ঠিক নাই ই নিশ্চিত। আমাক যদি গুলী কৰি মাৰিবৰ মতলব হয় আৰু যি কোনো মুহূৰ্ত্তত যদি আমালৈ লক্ষ্য কৰে? ৰিভলভাৰটো খুজি লোৱাই ভাল হব নেকি?'

ৰুকাৰ তুলি মন্থৰ গতিত ৰেল চলিবলৈ আৰম্ভ কৰিলে। ছোৱালীজনীয়ে চকু মুদি আছে। যেন টোপনিত নিমগ্ন। গাত ধৰি জগাবলৈ মানা কৰিছে। তেওঁৰ নাম বা কি সোধাও নহ'ল। হেৰো

হেৰা বুলি মতাৰ বাদে উপায় নাই। মই ছোৱালীজনীৰ ওচৰলৈ গৈ মাত দিলো—'হেৰা ?'

'শুনিছা— ?'

তেওঁৰ সাৰ পোৱাৰ লক্ষণ নেদেখি স্বামীৰ ওচৰলৈ গৈ ফুচ-ফুচাই কলো—'মনে মনে লৈ আহোনে— ?'

'নালাগে থাকক'। কি ভাবি জানো স্বামীয়ে কলে।

শুই থকা ছোৱালীজনীৰ মুখলৈ চাই মনতে মই কলো—যেন নিয়ৰত তিতি থকা এপাহ গোলাপ। এইখন মুখ আগত লৈ জোনাকে হুহুঁা গান লিখিব পাৰি। চৰায়ে গান গোৱা কবিতা লিখিব পাৰি ? বন্দুকৰ গুলীৰ কথা ভাবিব নোৱাৰি। কিন্তু কোনোবা এজন প্ৰখ্যাত লোকে ইফালে কৈছে— ফুল যেন কোমল মুখৰ তলতো কেঁটী সাপ থাকিব পাৰে।'

চকুৰ ওপৰত দি থোৱা হাতখনৰ আঙুলিত পিন্ধি থকা আঙঠিটো বেলৰ জোকাৰণিত জিলিকি জিলিকি উঠে। স্বামীয়ে যিমান পাৰে মাতটো সৰু কৰি কলে আঙঠিটো—হীৰাৰ। মই স্বামীৰ চকুলৈ চালো। তেওঁৰ ছোৱালীজনীক জানিবলৈ উৎসুক ভাব। মোক সুধিলে—'তুমি এওঁক ঘৰলৈ লৈ যাম বুলি ভাবিছানে কি ?'

'এই বিষয়ে মই একো ভবা নাই। টকা কেইটা গ'ল যাওক। অৱশ্যে ঘৰলৈ লৈ গলে যদি মায়ে খং নকৰে লৈ গলোহেঁতেন।'

মনে মনে মই ছোৱালীজনীক লগত লৈ যোৱাৰ কথাই চিন্তা কৰি আছিলো। শাহুৰ কথা ভাবিহে মনটো কোঁচ খাই গৈছিল।

'ছোৱালীজনী নিশ্চয় মানসিক ৰোগী। সম্ভ্ৰান্ত বংশৰ। উচ্চ-পদস্থ কৰ্মচাৰীৰ আদৰৰ জীয়েক, দেখি এনে ভাব হৈছে। নিশা কেনেবাকৈ ঘৰৰ মানুহৰ অলক্ষ্যে ওলাই আহিছে। এই যাত্ৰাৰ কোনো উদ্দেশ্য নাই। কোনো লক্ষ্য নাই। সমুখত ৰেলখন দেখি নিশ্চয় উঠি পৰিল।' স্বামীয়ে কোৱা কথাৰ অন্তত মই কিবা কব খুজিছিলো—ঠিক সেই সময়ত ছোৱালীজনীয়ে চকু মেলি আমালৈ

চাই কলে—'কথা পাতি থাকিলে কেনেকৈ টোপনি আহিব ?' 'তুমি শোৱা আমি আৰু কথা নাপাতো' মই কলো।

কিছুসময় নিস্তব্ধ। মাথোন ৰেলখন চলা ঝক্ ঝক্ শব্দ এটিয়ে এই নিস্তব্ধতাক গভীৰ কৰি তুলিছে। অলপ পাচত মই শুনিবলৈ পালো ছোৱালীজনীয়ে আপোন মনে কৈছে— 'পেটটো মোৰ নিজৰ, সেয়ে ক্ষুধাৰ যন্ত্ৰণাত অস্থিৰ হৈ পৰো। মুৰটোও নিজৰ, কিন্তু নিজৰ মূৰবে নিজৰ কথাতো একো চিন্তা কৰা নাই। যাক সকলোতকৈ ভাল পাওঁ তেওঁৰ উপস্থিতিৰ কথা ভাবিব নোৱাৰিছো। ভাবিব পাৰিলেও সেয়া বোলে মোৰ পাগলামি। অনন্ত শূন্যতাৰে মানুহ কি জীয়াই থাকিব পাৰে ! মই যাক সকলোতকৈ বেচি ভাল পাওঁ তেওঁৰ সঙ্গ মই কামনা কৰিমেই।'

কোনোবা এঠাইত মালগাড়ীৰ ডবা খহিল নে কি হ'ল ! সেই-বাবে আমাৰ ৰেল এটা ষ্টেচনত আবদ্ধ হৈ ৰ'ল। সেই ষ্টেচনতে নিশা শেষ হ'ল। আমাৰ ফ্লাস্কত চাহ আছিল। চাহখিনি চেঁচা হোৱা বাবে সেইখিনি পেলাই দি তেওঁ নামি গ'ল। ফ্লাস্কটো 'টি-ষ্টলত' ধুই তাত গৰম চাহ ভৰালে। কিছু গৰম জেলেপিও কিনি আনিলে।

কোমল মুখৰ ছোৱালীজনীয়ে তেওঁক আদেশ দিয়াৰ দৰে তেওঁলৈ এডাল 'টুথব্ৰাছ' আনিবলৈ কলে। মই হাতত লৈ থকা বিনেকাটো দেখি কলে—'ময়ো বিনেকা ব্যৱহাৰ কৰো; আপোনাৰ-টোৱেই হব।"

ছোৱালীজনীৰ আদেশ অমান্য কৰাৰ আমাৰ কাৰো যেন সাধ্য নাই। সেইমতেই তেওঁ ছোৱালীজনীলৈ এডাল ব্ৰাছ কিনি আনিলে। ব্ৰাছ বিচাৰি তেওঁ ষ্টেচনৰ বাহিৰলৈ যাব লগীয়া হ'ল।

ষ্টেচনৰ কাষত থকা কাৰোবাৰ ঘৰৰ আগৰ ডগৰ ফুলজোপালৈ ছোৱালীজনীয়ে চাই আছিল। তেওঁ আগবঢ়াই দিয়া ব্ৰাছডাল

হাতত লৈ কলে—'সৌ তাৰপৰা ফুল অলপ ছিঙি আনকগৈ।'

'তেওঁৰ এই আদেশো মোৰ স্বামীয়ে নিৰলে মানিলে। ফুলখিনি কোমল মুখৰ ছোৱালীজনীৰ ফালে আগ্ৰ বঢ়াই দি তেওঁ কলে—

'লওক।'

'ধন্যবাদ। এতিয়া আপুনি মোক তুমি বুলিব পাৰে! মই অনুমতি দিছো।'

ফুলখিনি 'চিটৰ' ওপৰত থৈ মুখ ধুবলৈ যাওঁতে মোৰ ফালে চাই তেওঁৰ পবিত্ৰ পৱিত্ৰ লগা বিশেষ হাঁহিটি মাৰিলে। মুখ ধুই আহি মোৰ হাতৰপৰা কণিখন লৈ অবাক হৈ মোৰ মুখলৈ চালে। একো যেন তেওঁ বুজা নাই—এনেভাৱে ডবাটোত চকু ফুৰালে। মই সুধিলো—'কি হল—?' মোৰ এই প্ৰশ্নত তেওঁ লাহেকৈ মূৰটো জোকাৰি জনালে একো হোৱা নাই বুলি। মই চাহ একাপ তেওঁৰ সমুখত দাঙি ধৰি কলো— 'চাহ খোৱা।'

'নাখাওঁ।' লাহেকৈ তেওঁ কলে।

মই ছোৱালীজনীৰ মুখখনলৈ ভালকৈ লক্ষ্য কৰি দেখো—গোটেই মুখমণ্ডলতে কি এক অব্যক্ত বেদনা ওপঙি ফুৰিছে। গভীৰ বিষণ্ণ চকু। এই চকু বঙা যদিও তাত জুই নাই। আছে যেন কেৱল পানী।

মই আলফুলে তেওঁৰ হাতখন মোৰ হাতৰ ওপৰত তুলি লৈ সুধিলো—'চাহ কিয় নোখোৱা?'

'মই চাহ নাখাওঁ হৰলিক্স বা তিস্তা খাম।'

'ইয়াততো সেইবোৰ নাপাবা, আমাৰ ঘৰত খাবাগৈ।'

'আপোনাৰ ঘৰত কিয়—আমাৰ ঘৰত খামগৈ। মই জানো আমাৰ ঘৰলৈ অহা নাই?'

ছোৱালীজনীয়ে মোক সুধিছে তেওঁ তেওঁলোকৰ ঘৰলৈ অহাটো

সত্যনে—? মই অলপ বৈ কলো—'তোমাৰ ঘৰ নগাঁৱত নে বোৰহাটত?'

'গুৱাহাটীত।' লাহেকৈ তেওঁ কলে।

'এই বেলখন কিন্তু তিনিচুকীয়া—ডিব্ৰুগড়ৰ ফালে যাবগৈ' মই কলো।

মই কোৱা কথাষাৰ ছোৱালীজনীৰ কাণত পৰিল নে নপৰিল নাজানো। উদাস শূন্য দৃষ্টিৰে আকাশলৈ চাই থাকি তেওঁ মোক সুধিলে—"আপুনি কৃষ্ণক ভাল পায়নে—?' মোক সুধিছিল যদিও মোৰ উত্তৰলৈ অপেক্ষা নকৰি তেওঁ আকৌ কলে—'শ্যাম বৰণীয়া কৃষ্ণ বৰ মধুৰ। তৰিৰ পতা দুখন ৰঙা। তেওঁৰ বাঁহীটো তেওঁ কাকো বজাবলৈ নিদিয়ে।'

শেষৰ ফালে তেওঁৰ মাতটো যেন বেদনাই ঢাকি পেলাব খুজিছিল। কাষত থকা ফুলখিনি তেওঁ বাহিৰলৈ দলিয়াই দি কলে—'মই বোলে পাগল।'

কোমল মুখৰ শান্ত চেহেৰাৰ ছোৱালীজনী যে মানসিক ৰোগী এই কথা তেওঁৰ প্ৰত্যেক কথা আৰু কাৰ্য্যই প্ৰমাণ কৰিছে। তথাপি এই দুৰ্ভাগ্যক মানি লবলৈ মই টান পাইছো। অসম্ভৱ ৰকমে শান্ত শীতল ৰূপ ধাৰণ কৰিছে ছোৱালীজনীৰ চকু-মুখে। কাৰ সতে যেন অহৰহ যুদ্ধ কৰি তেওঁ ক্লান্ত হৈ পৰিছে। মই আকৌ তেওঁৰ হাতখন মোৰ হাতত তুলি ললো। আঙুলিত থকা আঙুঠি-টোৰ পাথৰখন পুৱাৰ ৰ'দৰ জিলিঙনিত জলমল কৰিছে। আঙুঠিটো এবাৰ হাতেৰে ইফাল-সিফাল কৰি সুধিলো—'তোমাৰ নাম কি?'

'মোৰ নাম—?' ছোৱালীজনী থমকি বৈ গ'ল। চিন্তা কৰিব লগীয়া হ'ল তেওঁ। চিন্তিত ভাৱে একদৃষ্টিৰে সমুখৰ ফালে চাই থাকি কলে—'মোৰ নাম মীৰা।'

অলপ বৈ আপোন মনে কলে—'মানুহৰ মনবোৰ, অন্তৰবোৰ' ...কথাটো সমাপ্ত নকৰাকৈ তেওঁ বৈ দিলে।

"মানুহৰ মনবোৰ কি হ'ল?" মই সুধিলোঁ।

"ভাষ্টবিন" ইয়ালৈ হেও কিয় আহিব! সেয়েহে মই মোৰ মনটো.... কথাষাৰ সমাপ্ত নকৰাকৈ তেওঁ আকৌ ধৈ দিলে। মই কলো 'তুমি তোমাৰ মনটো এপাহ গন্ধ-পুষ্প কৰি ৰাখিছা।' 'মই তেওঁকেই ভাল পাওঁ। মোৰ মনে তেওঁকহে বিচাৰে। তথাপি তেওঁ কিয় নাহে।"

ছোৱালীজনীৰ গভীৰ শান্ত চকুযোৰ করুণ হৈ আহিল। হাতত আগদিনাৰ খবৰ কাগজ এখন লৈ মোৰ স্বামী ভৰালৈ সোমাই আহিল।-মীৰা নামৰ এই ছোৱালীজনীৰ মুখলৈ চাই থাকি, কাগজখন মোলৈ আগবঢ়াই দিলে। এঠাইত আঙুলি এটা দি কলে—'এইটো পঢ়া। ফটোখন ভালকৈ চোৱাচোন, চিনাকী চিনাকী লাগিছে দেখোন।'

মীৰাই দৃষ্টি আকাশৰ পৰা আনি স্বামীৰ মুখলৈ চালে। এটি কোমল-পৱিত্র হাঁহিৰে-প্রীতি-সম্ভাষণ জনালো।

মই কাগজত চকু দিলো। মীৰাৰ চকু পুনৰ আকাশলৈ গ'ল। দিগন্তত কি যেন দেখাৰ আশাৰে আয়ত চকুযোৰ মেলি আকুলভাৱে চাই ৰ'ল। মই স্বামীয়ে দেখুৱাই যোৱা ঠাইৰ হেড লাইনটোত চকু ফুৰাই পঢ়ি গলো—গুৱাহাটীৰ মাজ বুকুত একে দিনাই তিনিজনক মৃত অৱস্থাত পোৱা গৈছে। প্রত্যেককে হত্যাকাৰীয়ে ৩৭-ব'ৰৰ পিষ্টলৰ গুলীৰ দ্বাৰা হত্যা কৰে। এওঁলোকৰ ভিতৰত দুজন পুৰুষ। নাম প্রতুল ভূঞা, আৰু পৰশ বৰা। দুয়োজন চৰকাৰী উচ্চপদস্থ কর্মচাৰী। নাৰীগৰাকী হ'ল পুলিচ কমিচনাৰ কুমুদ ৰাজখোৱাৰ পত্নী সন্ধ্যাদীপ ৰাজখোৱা। এওঁৰ বয়স চল্লিশৰ তলত। আধুনিকা সুন্দৰী সন্ধ্যা ৰাজখোৱাক তেওঁৰ বাস-ভৱনৰ খট্‌খটীৰ কাষত মৃত অৱস্থাত পোৱা গৈছে।

কাগজত দিয়া সন্ধ্যা ৰাজখোৱাৰ ফটোখন দেখি হঠাৎ ভাৱ

হ'ল এই ফ:টোৰ লগত মীৰাৰ মুখৰ গঢ়ৰ ক'ববাত মিল আছে। যেন মীৰাও ইমান বয়সত ঠিক এনে হব। মই কাগজখন মীৰাৰ আগত দাঙি ধৰি সুধিলো—

'মীৰা এওঁক বাৰু চিনি পোৱানে ?'

মীৰাই কিছু সময় অপলক নেত্ৰে ফটোখনলৈ চাই থাকিল। তেওঁ যেন মনত পেলাবলৈ চেষ্টা কৰিছে, সেইভাৱে চাই থাকি শেষত কলে—

'এওঁক কোনে কিয় হত্যা কৰিলে—এই কথাহে লিখিব লাগিছিল।'

'তুমি চিনি পোৱা ?'

'পাওঁ।'

'কোনে কিয় হত্যা কৰিলে অনুসন্ধান চলিছে নিশ্চয়। পাচত নিশ্চয় এই খবৰ ওলাব। এইটোৱেই হব বৰ্ত্তমান কাগজৰ উত্তেজিত্তম গৰম খবৰ।'

'ইমান ডাঙৰ মানুহৰ পত্নী! উত্তেজিত খবৰ নহবই বা কিয়! এওঁ বিকৃত মনৰ নাৰী আছিল। এওঁক গুৱাহাটী চহৰৰ' বহুতে চিনি পায়। মৰিল ভালেই হ'ল। তেওঁ উদ্ধাৰ পালে। তেওঁক যিয়ে হত্যা কৰিলে তেওঁক পুৰষ্কাৰ দিয়া উচিত।'

কাগজখন মোৰ হাতৰ পৰা লৈ এনেয়ে পাত লুটিয়াই কাগজখন পুনৰ মোৰ হাতত দি কলে—'মানুহ গৰাকীৰ লগত মোৰ কেতিয়াবাহে সাক্ষাৎ হয়। অফুৰন্ত প্ৰাণ শক্তি আছিল এওঁৰ।'

কথাকেইষাৰ কৈ আকৌ খিড়িকীৰে আকাশলৈ চালে। শূন্য, উদাস সেই দৃষ্টি। মই কিবা এটা সুধিম বুলি মাত দিলো—

'মীৰা ?'

তেওঁৰ মুখ দেখি ভাব হ'ল মোৰ কথা যেন তেওঁৰ কাণত পৰা নাই। সেয়ে মোৰ মাতটো আৰু অকণ ডাঙৰ কৰি আকৌ মাত দিলো—

'মীৰা !'

এইবাৰো নমতাত মই লাহেকৈ তেওঁৰ বাহুত হাত থৈ কলো—'তোমাক মাতিছিলো !'

'মোৰ নামতো মীৰা নহয় ।'

'তোমাৰ নাম মীৰা বুলি তুমিয়েতো কৈছিলা ।'

'হয়নেকি ?' হাঁহি এটিৰে কোমলকৈ কলে—মোৰ নাম 'সীতা ।'

কথাবাৰ কৈ কাকো মাত নলগোৱাকৈ এবাৰো পাচলৈ ঘূৰি নোচোৱাকৈ তেওঁ ডবাৰপৰা নামি গ'ল ! অলপ সময় ডবাটোৰ কাষতে থিয় হৈ থাকিল । তাৰ পাচত ধীৰপদে আগবাঢ়িল ষ্টেচনৰ বাহিৰলৈ যোৱা পথটোৰ ফালে ।

আমি দুয়ো আলোচনা কৰিলো ছোৱালীজনী ঘূৰাই অনা ভাল হব নেকি ? একো লক্ষ্য নোহোৱাকৈ ছোৱালীজনী নামি গৈছে । তেওঁ যে মানসিক ৰোগী তাত ভুল নাই । মোৰ স্বামীক এই কথা কোৱাত তেওঁ কলে—'জঞ্জাল আঁতৰিছে, তুমি আকৌ চপাই লব খুজিছা । নিহত সন্ধ্যা ৰাজখোৱা বা আন দুজনৰ হত্যা-কাণ্ডৰ নায়িকা যে এওঁ নহয় তাৰতো কোনো প্ৰমাণ নাই । বুকুত লুকাই আনিছিল সেই অস্ত্ৰটি । সন্ধ্যাৰ কথা কওঁতে মুখে বৰণ সলাইছিল ।'

স্বামীৰ কথাবাৰ শেষ হোৱাৰ লগে লগে মীৰা নে সীতা নামৰ ছোৱালীজনী ঘূৰি আমাৰ ডবাৰ ফালেই অহা দেখা পালো। তেওঁ আহি অৱসাদ ভাবে আমাৰ সন্মুখত থিয় হ'লহি। মই সুধিলো—'কলৈ গৈছিলা ?'

'কিমান বহি থাকিব ইয়াত। ষ্টেচনৰ পাচফালে কেইবাখনো টেক্সি বৈ আছে। আপোনালোকৰ ঘৰলৈ টেক্সিৰে যাব নোৱাৰি জানো ?'

মই মোৰ স্বামীৰ মুখলৈ চালো। চোৱাৰ অৰ্থ ছোৱালীজনীয়ে

কথাষাৰ ঠিকেই কৈছে । এনেকৈ কিমান সময় বহি থাকিব লাগে কোনে জানে । স্বামীয়ে মোক উঠিবলৈ ইঙ্গিত দিলে । তত্তা-তৈয়াকৈ তেখেতে বস্ত্ৰ সামৰাত লাগিল । অনিশ্চিত কি এক বিপদৰ পৰা যেন তেওঁ পলাই সাৰিব খুজিছে । মোৰ নিজৰো তেনে ভাব হ'ল । সীতা নে মীৰা নামৰ ছোৱালীজনীয়ে কয় কি—যিয়ে মুক্তি দিলে তেওঁক পুৰস্কাৰ দিয়া উচিত । এপাহ ফুলৰ দৰে পবিত্ৰ কোমল মুখৰ এই ছোৱালীজনীয়েই সন্ধ্যা ৰাজখোৱাক মুক্তি দিয়া নাইতো ! সন্ধ্যা—সীতা হয়তো নিজ সহোদৰা—নামৰো মিল দেখা গৈছে । চেহেৰাৰো মিল আছে । ছোৱালীজনীৰ নাম নিশ্চয় সীতা । নিজক গোপন কৰিবলৈ মীৰা বুলি প্ৰথমে কলেও অসতৰ্ক মুহূৰ্ত্তত মুখৰ পৰা সঁচা নাম ওলাই গ'ল । ছোৱালীজনীয়ে নিশ্চয় কোনো উত্তেজিত কথাত, উত্তেজিত মুহূৰ্ত্তত বায়েকক হত্যা-কৰি এইদৰে পলাই আহিছে । বোধহয় এনে কাৰ্য্য কৰা বাবেই মস্তিষ্কৰ বিকৃতি ঘটিছে । আনকেইটা হত্যাকাণ্ডৰ লগত এই হত্যা-কাণ্ডৰ কোনো সম্বন্ধ নাথাকিবও পাৰে ।

০ ০ ০ ০

বৰজনা, জা, শাহু, দেওৰবে মোৰ ভৰা সংসাৰ । বৰজনাৰ নাম কৈলাশ দত্ত । স্বামীৰ নাম কৃপাল দত্ত । শহুৰৰ নাম কাৰ্ত্তিক দত্ত । সকলোৱে মুখে মুখে এওঁলোকৰ নম্ৰতা আৰু বিনয়ৰ কথা । সক ল'ৰা আশিষ কিন্তু বেলেগ প্ৰকৃতিৰ । তেওঁৰ কোনো কথা বা কোনো ব্যৱহাৰতে নম্ৰতা বা বিনয় প্ৰকাশ নাপায় ।

মেডিকেল কলেজত দুবছৰ পঢ়ি মৃত্যুৰ পদধ্বনি শুনিব বা মনে মনে অহা মৃত্যুক চাব নোৱাৰি হঠাৎ মেডিকেল পঢ়া বাদ দিলে । কটা-ছিঙা, তেজ দেখা, মানুহৰ হাড়-লাওখোলা এইবোৰ লিৰিকি-বিদাৰি চোৱাও তেওঁৰ ভাল লগা নাছিল । তেওঁ হয়তো ভাবিছিল ডাক্তৰ হবলৈ কিছুমান বেমাৰৰ লক্ষণ জানিব লাগে—

আৰু কিছুমান দৰৱ-টনিকৰ নাম জানিলেই হয়।

ডাক্তৰী লাইন সিমানতে এৰি কলা বিভাগত ভৰ্ত্তি হ'লহি। ইংলিচত এম-এ হৈ বৰ্ত্তমান স্থানীয় কলেজ এখনত সোমাইছে। মন গলে আশীষে চিঞৰি গান গায়,আবৃত্তি কৰি শুনায় আমাক। মাজে মাজে নিজে লিখা নাটক মঞ্চস্থ কৰে। গভীৰ কণ্ঠটিৰে তেওঁ ভাল গীত গায়। কিন্তু তেওঁক গীত গাবলৈ কাবৌ কৰিলেও সময়ত মন নগলে তেওঁ নাগায়। এয়ে তেওঁৰ জীৱন। ডেকা-ল'ৰা এজুম লৈ এটা ক্লাব খুলিছে। এই ক্লাবৰ তেওঁ সভাপতি। এই ক্লাবৰ কাম বানপানীৰ সাহায্যৰ বাবে ডঃ ভূপেন হাজৰিকাক অনা, 'শ্ব' এটা পত্তা আৰু টিকেট্ পুচিং চে'ল কৰা। কলেজ এখন খুলিবৰ বাবে (টকা তুলিবলৈ) জয়ন্ত হাজৰিকাক অনা। হাইস্কুলৰ সাহায্যৰ বাবে কুলবকৰা-মালবিকা বৰুৱাক অনা।

এই হেন লেখৰ মানুহটি কিন্তু ডাঙৰ বৌৱেক সবিতা বাই-দেউৰ ওচৰত অবোধ শিশু। কিবা এটা লাগ বুলিলে লাগিবই। ধৰক আবেলি চাহ খাওঁতে কলে, তিলপিঠা খাবৰ মন গৈছে। এই যে মুখৰ পৰা কথাষাৰ ওলাল আৰু কোনো কথা নাই। বৰাচাউল বিচাৰি আনি তিয়াই খুন্দি নিশা এঘাৰ বজাত হলেও পিঠা এখন তেওঁক খুৱাব লাগিব। এনেকৈ বোলে তেওঁ তেওঁলৈ থকা মৰম আৰু হেপাহৰ পৰিমাণ জোখে।

মায়ে (শাহুৱে) কয় সৰুতে বোলে তেওঁ বৰ এক ৰকমৰ আছিল। লাগ বুলিলে লাগিবই, এই স্বভাৱটো সৰুৰে পৰাই আছে। এতিয়া অলপ কমিছেহে। এতিয়া হাঁহিমুখে দাবী জনায়—সৰুতে খঙেৰে, ধমকৰ সুৰত, নহলে চিঞৰি কান্দি কান্দি দাবী কৰে—

'দে। দিবই লাগিব।'

এদিনৰ কথা, মায়ে বোলে আলু-কণীৰ দম বান্ধিবৰ বাবে আলু-

কণী সিদ্ধ কৰি লৈছে। কণীৰ বাকলি গুচাই থাকোঁতে ল'বা আহি মাকৰ কাষত উপস্থিত হ'লহি। মাৰ বোলে তেতিয়া আশীষক দেখিলেই ভয় লাগে। মায়ে জানে কিবা এটাৰ প্ৰয়োজন নহ'লে ল'ৰা অসময়ত ওচৰ নাচাপে। মায়ে ভয়ে ভয়ে আশীষৰ মুখলৈ চালে। বাকলি গুচাই থোৱা কণী কেইটাত তেওঁৰ চকু। এইবাৰ তেওঁ আদেশৰ সুৰত মাকক কলে 'কণী এটা দে'।

'গাই পতি এটাকৈ লৈছো। তই এতিয়া খালে ভাতৰ লগত নাপাৱ।'

'নালাগে দে।'

কণীটো থিয় হৈ থকা ঠাইতে খাই আকৌ হাত পাতিলে।

'আৰু এটা দে।'

'কাৰ ভাগৰ দিম।'

'তোৰ ভাগৰটো দে। দে বুলিছো দে।'

মায়ে আৰু এটা হাতত তুলি দি কলে—'যা এতিয়া'। মুখেৰে একো নামাতি দাঁতেৰে সিজোৱা কণীটো কামুৰি ধৰি থাপ মাৰি আৰু দুটা হাতত লৈ বাহিৰলৈ লৰ মাৰিলে।

আশীষলৈ মাৰ যিমান খং উঠিছিল—তাতোকৈ বেছি ভয় লাগিছিল। কাৰণ কিছুদিনৰ পৰা তেওঁ লিভাৰৰ অসুখত ভুগিছিল। চাৰিটাকৈ হাইঁ কণী এতিয়া হজম কৰিব পাৰিলেই ৰক্ষা।

এনে স্বভাৱৰ বাবে মায়ে আঁৰত তেওঁক অসুৰ বুলিছিল। সমুখত কৈছিল "মোৰ গোঁসাই পোৱালিটো।" কোনোবা দিনা শিৱ পূজালৈ আনি থোৱা কল, কমলা আদি মনে মনে উলিয়াই নি একেলগে মাৰ্বল খেলা ল'ৰাৰ লগত লুকাই লুকাই খালেগৈ। সেই দিনাই পিঠিত কেইটামান চেকনিৰ কোবৰ লগতে—গোঁসাই পোৱালি নামটি পাইছিল। ঠাট্টা-তোৰামোদ কৰি খঙেৰে দিয়া নাম হলেও আশীষে নামটি মৰমেৰে গ্ৰহণ কৰিলে। এইটি নামেৰে যেয়ে তেওঁক মাতে, তেওঁৰে তেওঁলৈ মৰম থকা বুলি ভাবে।

পঢ়া-শুনাত সমূলি মন নথকা কেৱল খেল-পাগল স্বভাৱৰ বাবে ককায়েক, মাক, দেউতাক সকলোৱে ধৰি ললে কোনোৰকমে ল'ৰাই মেট্ৰিক পৰীক্ষাত সৰকি যাব নোৱাৰিব। কেৰেমৰ পৰা ফুটবল, টেনিচলৈকে সকলো খেলত পটু আৰ্শিষক খুব কম সময়হে ঘৰত দেখা যায়। মাৰ জানো কম খাইছিল। মাৰ-কিল, বকনিবোৰ কিন্তু কোনো কামতেই নাহিল। অষ্টমমানৰ বছেৰেকীয়া পৰীক্ষাত কোনো এটা বিষয়তে পাছ কৰিব নোৱাৰাত মাৰ-কিল-বকনি হঠাৎ বন্ধ হৈ গ'ল। ল'ৰাৰ দৃঢ় বিশ্বাস—মায়ে শাও দিয়ে, বকি থাকে সেইবাবে পাছ কৰিব নোৱাৰিলে।

কিছু দিন গ'ল, এদিন হঠাৎ মাৰ ওচৰত আৰ্শিষে দাবী জনালে—'মোক এটা বেলেগ কম লাগিব।'

কথা শুনি সকলো অবাক। দেউতাকে লাহেকৈ কলে—'কিয় অ'?'

'পঢ়া কোঠা কৰিম।'

'বেলেগ পঢ়া কোঠা নাছিল বাবেহে ল'ৰাই পাছ কৰিব নোৱাৰিলে। কাইলৈকে ইটা-চিমেণ্ট আনক।' গহীনাই কথাষাৰ কৈ কলে— 'একেখন মেজতে দুয়ুৰে দুটাই পঢ়ি প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি গ'ল তাহঁ'ত দুটা। এওঁৰ বেলিকা মেজেই নহয়, বেলেগ কমও লাগে। তেহে পঢ়াত মন বহিব।'

মায়ে হয়তো আৰু কিবা ক'লেহেঁতেন; ইতিমধ্যে আৰ্শিষ আৰ্তৰি যোৱাত কথাৰ সুৰ বদলাই দেউতাকৰ ফালে চাই কলে—'ল'ৰাই বাপেকলৈ ভয় কৰিলেহে। কোনো দিন ল'ৰাৰ গাত হাত নলগালে। ধমক এটা নিদিলে। যত যন্ত্ৰণা মোৰ।'

'তুমিতো হাত চলোৱা মুখ খোলা দুয়োটা কৰিছিলা অকৃপণ ভাবে। তাত মোৰ ভূমিকা নাছিল বাবেই মই দৰ্শক হৈ আছিলো শেষৰ অঙ্কৰ শেষ দৃশ্য কি দেখো চাবলৈ।'

পোহৰ দিনৰ ভিতৰত পাকঘৰৰ সোঁ-হাতে থকা চোতালত এটি ধুনীয়া খেৰী ঘৰে পূর্ণৰূপে থিয় দিলে। আগফালে পাচ-ফালে দুয়োফালে বহল বাৰাণ্ডা। আহল-বহল খিড়িকী-দুৱাৰ।

এই ধুনীয়া সৰু খেৰী ঘৰটোৰ লগত মাৰ যেন সতিনা সম্বন্ধ। ঘৰটোৰ ভিতৰ সোমাই এদিনো নাচালে। ঘৰটোৰ বিষয়ে এবাৰ কথাও নকলে।

মায়ে মনকৰে পুৱা-গধূলি দেউতাকে এই ঘৰটোত সোমাই পুতেকৰ লগত কিবা কথা পাতে আৰু কি জানো কৰে। এদিন খট্ খট্‌কৈ কেৰেম গুটি গাতত সোমাৱা-মৰা শব্দ শুনি মনতে কলে—খেলাইছে পুতেকক। পাচদিনা বাপেক পুতেক ঘৰত নথকা অৱস্থাত মনে মনে চোৰ সোমোৱাদি মা কোঠাত সোমালগৈ। গৈয়ে প্ৰথম চকু পৰে মেজৰ ওপৰত পাতি থোৱা কেৰেম ব'ৰ্ডখনৰ ওপৰত, বেৰৰ কাষত থকা ডাঙৰ ট্ৰাঙ্কটোত। মায়ে জানে এই ট্ৰাঙ্কটোত খেলাৰ সৰঞ্জামৰ বাদে যে একো নাই। আৰ্শিৰৰ শোৱা বিছনা, মেজ ক'তো কিতাপ, বহীৰ সঁচেই নাই।

গা-ভাল লগা নাই বুলি মায়ে বোলে সেইসাজ ভাত নাখালে। দেউতাক গহীনভাৱে মাথোন সুধিছিল ঘৰটো যে সজালে ক্লাবঘৰ নেকি?

সেই বছৰেই কৈলাশদায়ে এম-এ পাছ কৰে। লগে-লগে চাকৰিৰো যোগাৰ হ'ল। ইয়াৰ লগতে দেউতাই যোগাৰ কৰিলে সৰ্ব-সুলক্ষণা সুন্দৰী-পাত্ৰী সবিতাক। কাৰো লগত আলোচনা এটা নকৰাকৈ, পৰামৰ্শ এটা নোলোৱাকৈ বিয়াৰ বাবে খৰখেদা লগালে। আনকি কৈলাশদাকো ছোৱালী চাই অহাৰ কথা নকলে। মায়ে কলে—'আপুনি চোৱা ছোৱালী তাৰ পছন্দ নহলে?'

সিয়েই বা খন্তেকলৈ গৈ বাহিৰৰ ৰূপটো চাই কি পছন্দ-

অপছন্দৰ কথা বুজিব ?

এইবাৰ মায়ে গহীনভাৱে ক'লে—তাৰ বিয়া কৰাবৰ বয়স হোৱা নাছিল ।' সি মোৰ ভাওৰ ল'ৰা । ঘৰলৈ বৰ-বোৱাৰী লক্ষ্মী অনাৰ কথা । ক'ৰবাৰ ভাইনী এজনী আছি ভাওকহি ভাই-ককাইৰ বাদ্ধ । চাব লগীয়া কিমান কথা আছিল ।

"ল'ৰা মোৰো । ময়ো ঘৰভঙ্গা ৰাক্ষসী এজনী চোৱা নাই । তুমি এতিয়াই গৈ ক'ত কি খুঁত আছে খুটি খুটি চাবগৈ-নালাগে ।"

পুতেকলৈ বুলি নাচালেও মায়ে সবিতাক দেখিছে । একেখন চহৰবে প্ৰখ্যাত উকীল আনন্দ বৰুৱাৰ একমাত্ৰ জীয়েক সবিতাক মায়ে বিয়াই-সকামে অ'ত ত'ত দেখিছে ।

ছোৱালীজনী মায়ে মনত পেলাই চালে । লক্ষ্মী চেহেৰাৰ ছোৱালী তাত ভুল নাই । সৰ্বক্ষণ মুখত লাগি থাকে এটি মিঠা হাঁহি । সেই বুলি ল'ৰালৈ অনাৰ সময়ত চাব লগীয়া কথা বহুত থাকে । ভৰিৰ বুঢ়া আঙুলিৰ ওচৰৰ আঙুলিটো কিজানি বুঢ়া আঙুলিতকৈ দীঘল ! যদি ভৰি চুখন খৰমযুৰীয়া । এইবোৰতো একো চোৱা নহ'ল । মাধৱবাপুৱে চাই বাজযোৰা বুলিছে । এই বাক্যবাৰতে ভৰ দি মা নিতাল মাৰি থাকিল ।

সুন্দৰী শিক্ষিতা কন্যা দেখি কোনে কিমান আনন্দ গৌৰৱ কৰিছে সেইকথা বুজিব নোৱাৰিলেও এই কথা সকলোৰে চকুত পৰিল আশিষক ঘৰে আকৰ্ষণ কৰিলে । পঢ়া শুনাতো মন দিছে । এই কথাত মায়ে যিমান আনন্দ পাব লাগিছিল সিমান আনন্দ পাব নোৱাৰিলে । সন্ধ্যা খেলপথাৰৰ পৰা ঘূৰি অহা আশিষক নবৌৱেকে হাতত এগিলাচ 'হৰলিক্স' তুলি দি কয়, 'ব'লা তোমাক অকমান ইংলিচটো চাই দিওঁ ।'

প্ৰায় ছুঘণ্টাৰ পাচত আশিষৰ খেৰী ঘৰটোৰ পৰা সবিতা বাইদেউ ওলাই আহি পাকঘৰৰ ফালে আগবাঢ়ি যায় । পাকঘৰত

ভুমুকি মাৰি চায়গৈ ভাত হ'লনে নাই। নহলে ইটো-সিটোত লাগি দিয়ে। হলে দাইনিং টেবুলত পানী গিলাচ, নিমখ, জলকীয়া, আচাৰ আদি ঠিক কৰে।

সবিতা বাইদেউৱে যদি সেই সময়ত শাহুৱেকৰ মুখলৈ মন কৰিলেহঁতেন তেন্তে দেখিলেহেঁতেন বিতৃষ্ণা, খং আক্রোশেৰে-শাহুৱেকৰ মুখ গোমোঠা হৈ থকা।

সিদিনা কৈলাশদাক ভাত দি মা ছুৱাৰ মুখলৈ আহিল। এবাৰ ইফালে সিফালে চাই আকৌ ওচৰ চাপি আহি কৈলাশদাক কলে—'বোৱেকে আৰ্শিষক আছু বুলি মাতে।'

এইদৰে নাম চুটি কৰি বা আকাৰ-ইকাৰ ইফাল সিফাল কৰাটো মৰমৰ কথা।

"ভায়েৰ কেচুৱা হৈ থকা নাই। ইমান মৰমো ভাল নহয়।"

'তাৰ মানে ?"

'ভায়েৰৰ বাবে সাগৰ মাষ্টৰকে ঠিক কৰ; যদি ঘৰুৱা শিক্ষক নহলে ল'ৰাই পাছ কৰিব নোৱাৰে। যদি মাষ্টৰ ৰাখি টকা খৰচ কৰিব নোখোজ ল'ৰা জহন্নামে যাবলৈ দে।"

সেইদিনাও অভ্যাস মতে বোৱেকে দেওৰেকক পঢ়াৰ মেজলৈ লৈ গ'ল। চকুৰ আগত কিতাপখন মেলি লৈ আৰ্শিষে মাত দিলে—'বৌ'।

'কি হ'ল ভাগৰ লাগিছে? কিমান কলো তোমাক খেল বাদ দিবলৈ। পৰীক্ষালৈনো আৰু কিমান দিন আছে।'

'মইতো ভাগৰ লাগিছে বুলি কোৱা নাই।'

'কি কৰ খুজিছিলা কোৱা।'

'আপোনাক মোৰ মা বুলি মাতিবৰ মন যায়, আপুনি যদি মোৰ মা হ'লহেঁতেন।'

'তেতিয়া কি কৰিলাহেঁতেন ?'

'সক কালটো ভালকৈ গ'লহেঁতেন।'

'শুনিছো সক কালটো তুমি বেছ জমালা।'

'ছাই জমালো। অনবরতে মাৰ খেচখেচ ; বৰ অশান্তিৰে গ'ল। তোকে লখোণে দিনটো বাহিৰতে কটাওঁ।' কথাষাৰ কৈয়েই আৰ্শিৰ বহাৰ পৰা উঠিল। চেপামৰা মাতেৰে কলে—'মায়ে খিড়িকীৰে জুমি চাইছিল, কি চাইছিল সোধোগৈ।'

'খেৎ মায়ে দৰকাৰহলে মাতিলেহেঁতেন' বুলি কৈছিল যদিও ভাবিলে আগদিনা তেওঁ খিৰিকীৰ মুখৰপৰা কাবোবাক অঁাতৰা যেন দেখিছিল যে ঠিকেই দেখিছিল তেন্তে।

সেই দিনাই কৈলাশদায়ে সবিতা বাইদেউক কলে-'তুমি আৰু তাক পঢ়ুৱাব নালাগে। এক তাৰিখৰপৰা সাগৰ মাষ্টৰ আহিব।'

'কিয়-?'

'কাৰণ একো নাই।'

'নিশ্চয় কিবা কাৰণ আছে।' কথাষাৰ কওঁতে সবিতা বাইদেউৰ মাতটো কঁপিছিল। অস্ফুট কণ্ঠেৰে নীৰৱে মাথোন কৈছিল 'ছিঃ কি বিকৃত মন।'

এক তাৰিখ মঙ্গলবাৰে পুৱা সচাই সাগৰ মাষ্টৰ আহি উপস্থিত হ'লহি। গাত সোলোক-ঢোলোক পেণ্ট। ঠিক পেণ্টৰ ৰঙৰে হাৱাই চাৰ্ট। চাৰ্টটোও ঠিক তেনে জোখতকৈ যেন কিছু ডাঙৰ।

আৰ্শিৰৰ কোঠাতে আৰ্শিৰক পঢ়ুৱাবলৈ মায়ে সাগৰ মাষ্টৰক আথে-বেথে মাতি লৈ গ'ল। চাহ-লুচি নিজে আনি মাষ্টৰৰ সমুখত ৰখনাই দিওঁতে কলে- 'ল'ৰাৰ ভীষণ ব্ৰেইন, নপঢ়ে বাবেহে।' কথাষাৰ কৈয়েই মা অঁাতৰি গ'ল। অকিচৰ ভাত হব লাগে। পুৱাবেলা ভেখেতৰ মৰিবলৈও সময় নাই। মা ওলাই যোৱাৰ লগে লগে আৰ্শিৰে কলে—

''চাৰ, মাৰ কথাষাৰৰ অৰ্থ বুজিলে।"

'কি কথাবাৰ্ত্তা?'

'মোৰ যে ভীষণ ব্ৰেইণ। তাৰ মানে মায়ে ঠাট্টা কৰি গ'ল মোক। মানে মই প্ৰত্যেক ক্লাছতে ডুবডুবকৈ থাকি পূৰা বিশ বছৰত মেট্ৰিক দিবলৈ লৈছো। মই খুব বঢ়িয়াকৈ জানো পাঁচবাৰতো মই পাছ কৰিব নোৱাৰিম। পঢ়িনো কৰিম কি? অটৰিক্সা চলাব লাগিব। নহলে হাঁহ কুকুৰাৰ ফাৰ্ম। মই এইবোৰৰ এটাও কৰিব নোৱাৰো। মই ফিলিম পৰিচালক হম। মই লিখা আৰু পৰিচালনা কৰা নাটকখনে এইবাৰ স্কুল সপ্তাহত প্ৰথম হ'ল। পঢ়ি মগজ ঘোলা কৰাতকৈ সিমান সময়ে এটা ভাল কাহিনী লিখাই ভাল।

'বঢ়িয়া কৈছা।'

'মাইঁতে কিন্তু বুবুজে। আপোনাক আনি দিছে-আপুনি মোক পাছ কৰাব লাগিব, নহলে আপোনাৰো বদনাম হব।'

পাচদিনা মাষ্টৰ অহা সময় পাৰ হৈ যোৱাত সবিতা বাইদেউ আৰ্শিৰৰ ওচৰলৈ গৈ কলে—তোমাৰ চাৰ নাহিবনেকি?'
'কেনেকৈ আহিব?'
'তাৰ মানে-?'
'অহা-বাটত মই জেওৰা দিলো। তুমি যিমান দূৰ পঢ়ুৱালা সেয়ে যথেষ্ট। এই পণ্ডিতে পালে পৰাবোবো নোৱাৰা হৈ যাব।'
'কিয়?'

'সাগৰ চাৰৰ মুখখন তুমি ভালকৈ নেদেখিলা। চকুযোৰ টিপিয়াই থাকে। কালি প্ৰথম এছোৱা সময় গ'ল তেওঁ মিনিটত কেইবাৰ চকু টিপিয়ায় লিখি চাওঁতে। সেই সময়ত তেওঁ অঙ্ক বুজাইছিলনে ইংলিচ বুজাইছিল গমেই নাপালো। তাৰ পাচত চকু গ'ল লৰি থকা আগদাঁতটোলৈ। বাকী সময় গ'ল সেই দাঁতটোৰ নৃত্য চাওঁতে।'

যথা সময়ত আৰ্শিৰে মেট্ৰিক দিলে। যথা সময়ত পৰীক্ষাৰ ফলাফলো বাহিৰ হ'ল। আৰ্শিৰে প্ৰথম বিভাগত পাছ কৰিলে। ইয়াৰ

পাচৰছোৱা সহজ। নিজে নিজৰ পৰিচালক হৈ নিজক কলে—মই পাছ কৰিব লাগিব। তাকো সুখ্যাতিৰেই। এয়া হ'ল আৰ্শিৰৰ ছাত্ৰ জীৱনৰ ইতিহাস।

০ ০ ০

আমাৰ টেক্সি গৈ পদূলিত ৰোৱাৰ লগে লগে 'মাধুৰী নবৌ' আহিল বুলি আৰ্শিষ আগবাঢ়ি আহিল। মীৰা নে সীতা নামৰ ছোৱালীজনী মটৰৰ পৰা নমাৰ লক্ষণ নেদেখি মই দুৱাৰখন খুলি হাতেৰে ধৰি থাকি কলো—'এইটোৱেই আমাৰ ঘৰ, নামা।'

মই কাকনো নামিবলৈ কৈছো আৰ্শিষে ভ্ৰুকুটীয়াই চালে। ইতিমধ্যে ছোৱালীজনী নামিল। আৰ্শিষে মোৰ চুটকেচটো দাঙি লৈ ভিতৰলৈ খোজ দিছিল। মই মাত দি কলো আচু ৰবা, এওঁৰ লগত পৰিচয় কৰি দিওঁ। এওঁ হ'ল মীৰা-নে সীতা কি নাম তোমাৰ? 'মোৰ নাম নীনা।' ছোৱালীজনীয়ে আকৌ এটা নতুন নাম কলে। মোৰ স্বামীয়ে চকুৰ ইঙ্গিতেৰে ড্ৰাইভাৰক দেখুৱালে। তেওঁ ইয়াকে বুজালে—ড্ৰাইভাৰৰ আগত একো কথা উলিয়াব নালাগে।

কোমল মুখৰ শান্ত ছোৱালীজনীয়ে আমাক পাচ পেলাই আগবাঢ়ি ভিতৰ সোমাই গ'ল। পদূলিৰ পৰা ঘৰলৈ সোমাই যোৱা এই পথকণত মই আৰ্শিষক কলো ছোৱালীজনী যে এটা ডাঙৰ ৰহস্য এই কথা।

ভিতৰ সোমায়েই এই ৰহস্যটিয়ে মাধুৰী বাইদেউক কৈছিল 'বৰ ভোক লাগিছে। মই কিবা এটা খাম।' তাৰ পাচত গোটেই কেইটা কোঠাত ভুমুকি মাৰি আহি কৈছিল 'ঘৰটো বৰ চাপৰ। বাকচ বাকচ লাগিছে। দুৱাৰ খিড়িকী বন্ধ কৰি দিলে উশাহ নাপাই মৰিব লাগিব।'

'আমি নাই মৰা।' মই লাহেকৈ কলো।

'তোমালোকৰ ঘৰটো নিশ্চয় বেছ আহল-বহল—নে?' সবিতা বাইদেউয়ে কলে। 'আমাৰ ঘৰটো-নে' বুলি ছোৱালীজনী থমকি

বৈ গ'ল ।

মায়ে সুধিলে 'মাধুৰী এওঁ কোন ? তোমাৰ কি হয় ?' মই কলো 'এওঁ—? এওঁ মোৰ ভনী।' কথা শুনি কোমল মুখৰ ছোৱালী-জনীয়ে অবাকভাৱে মোৰ মুখলৈ চাই ৰ'ল। মুখেৰে একো নোকো-ৱাত এই যাত্ৰালৈ ৰক্ষা পৰিলো। মাৰ বাদে কৈলাশদা, সবিতা বাইদেউ সকলোকে ছোৱালীজনীৰ বিষয়ে সচা কথা কোৱা হ'ল।

চাহৰ মেজৰ পৰা উঠি ক্লান্তভাৱে ছোৱালীজনী গৈ আৰ্শিৰৰ খেৰী ঘৰটোত সোমালগৈ। স্বামীয়ে মোক ইঙ্গিতেৰে ভিতৰলৈ মাতি নি কলে 'মাৰ আগত সচা-কোৱাই ভাল হব।' কৈলাশদাও আগবাঢ়ি আহি তাকেই কৈ কলে, কামটো আমি ভাল কৰা নাই। দেখাই শুনাই আভিজাত্যৰ পৰিচয় দিছে। কম বয়সীয়া এই ধুনীয়া ছোৱালীজনী এনেকৈ লৈ আহি নিশ্চয় বহুত বিপদো ঘৰত ভৰাইছোহি।

মই আহি মাক সকলো বিবৰি কৈ কলো, 'আহিছে যেনেকৈ যাবগৈও তেনেকৈ। কোনে জানে আজি নিশাই কিজানি যায়গৈ।'

'আজি নিশা গেটত তলা লগাব নালাগে' আৰ্শিযে কলে।

কোমল মুখৰ ফুল ফুল লগা এই ছোৱালীজনীৰ হাতত বিভল-ভাৰ এটা থকা কথা মই আৰু মোৰ স্বামীয়ে গোপন কৰি ৰাখিলো। 'মাথোন আজি নিশাটো থাকক।' মায়ে কলে। অলপ বৈ আকৌ কলে 'নিশা যদি নিজে নাতৰে কালিলৈ পুৰা কিবা এটা কৰিব লাগিব। মাক-দেউতাকৰ নাম ঠিকনা নকলে পুলিচৰ হাতত সোধাই দিবিহ'ক।'

ঘৰৰ প্ৰত্যেকেই প্ৰথম সাক্ষাতেতে ধৰি লৈছিল ছোৱালী-জনীৰ মুৰত যে বিকাৰ আছে। আৰ্শিযে কৈছিল 'পাগল নহলেও পাগলৰ ভাওধৰা পাগল। ভাও এনেয়ে ধৰা নাই, ভাওৰ কথা আছে ইয়াত। গুৱাহাটীত নিহুত ছোৱা সন্ধ্যা বাজখোৱাৰ লগত

ছোৱালীজনীৰ মুখৰ মিল আছে। কথাষাৰ কৈ আৰ্শিৰ ভিতৰলৈ উঠি গ'ল। অলপ পাচতে কাগজখন উলিয়াই আনি কলে 'চোৱা হয়নে নহয়।'

মোৰো জেনে ভাবেই হৈছে তথাপি ছোৱালীজনীৰ মুখত চকু খৈ এনেভাৱে তেওঁক ভবা সম্ভৱ নহয়। ইয়াৰ আগতে এনে নিষ্পাপ কোমল মুখ মোৰ চকুত পৰা নাছিল। আৰ্শিয়ে কলে 'কাগজখন ইয়াতে থাকক তেওঁৰ যাতে চকু পৰে। ফটোখনত চকু পৰিলে মুখখন কেনে হয় মন কৰিবা।'

মা গৈ অলপ সময় আৰ্শিৰ কোঠাৰ দুৱাৰ মুখত থিয় হৈ থাকি ঘূৰি আহি কলে 'বেচেৰী শুইছে। দেখাতভো পবিত্র ফুলৰ দৰে। ছোৱালীজনীৰ জীৱনত কি ঘটিছে ভগৱানে জানে।'

মাৰ এনে কথাত মই অবাক হলো, বেচেৰী শব্দটোত সহানুভূতিৰ সুৰ। ভগৱানে জানে বাক্যটোত দয়াৰ স্পৰ্শ। মায়ে নিজৰ ল'ৰা-ছোৱালীৰ বাদে কাকো তিলমানো মৰমৰ চকুৰে নাচায়। মই আৰু সবিতা বাইদেউ দুয়ো বোৱাৰী হৈয়েই বলো তেখেতৰ চকুত; জীয়েকৰ শাৰীলৈ আনিব নোৱাৰিলে।

কলেজলৈ যাবলৈ প্ৰস্তুত হৈ আৰ্শিয়ে মোক কলে 'বৌ মোৰ ধোঁৱা ৰঙৰ চাৰ্টটো আৰু পেণ্টটো আনি দিয়া। ৰুমালখনো আনিবা।'

"তুমি নিজে নানাগৈ কিয়-?"

'ভয় লাগে।'

'কবিতা কবিতা লগা ছোৱালীজনীলৈ ভয় লাগে?'

'ভয় লাগে মানে বেয়া লাগে।'

'তাকে কোৱা·।'

মই আৰ্শিৰ কাপোৰ কেইটা আনিবলৈ গৈ দেখো ছোৱালীজনীয়ে সমুখৰ বেৰখনলৈ শূন্য দৃষ্টিৰে অপলকভাৱে চাই আছে।

মই সমুখত থিয় হওঁতেও ছোৱালীজনীয়ে চকু মুখ্ বালে। সেয়ে মই মৃৰত হাতৰ স্পৰ্শ দি মাত দিলো 'সীতা—।'

দুবাৰ মাত দিয়ায় পাচত ৰঙা হৈ থকা চকুযোৰ মোৰফালে ঘূৰালে। মোৰ মুখলৈও অপলক নেত্ৰে চাই ৰ'ল। তেওঁৰ এই দৃষ্টিত মোৰ এনে লাগিল ছোৱালীজনীয়ে যেন মোক বুজিবলৈ চেষ্টা কৰিছে। মই আকৌ মাত দিলো—

'সীতা—?'

'মোৰ নাম মলয়া।' ছোৱালীজনীয়ে কোমল মাতটিৰে কলে।

'এতিয়ালৈকে তুমি তোমাৰ চাৰিটা নাম ক'লা। তোমাৰ নাম যিয়েই কি নহওঁক মই তোমাক কবিতা বুলি মাতিম।'

মোৰ কথালৈ তেওঁ কাণ দিয়া নাছিল। এই অপ্ৰয়োজনীয় কথাবোৰ শুনাত যেন তেওঁৰ কোনো আগ্ৰহ নাই। মোৰ ভাৱৰ সত্যতা প্ৰমাণ কৰি অলপ পাচতে সুধিলে--'আপুনি কৃষ্ণক ভাল পায়নে ?'

মই উত্তৰ দিবলৈ নাপালো, ছোৱালীজনী উচুপি উঠিল। মাজতে আপোন মনে মাথোন কলে 'তেওঁ বৰ নিষ্ঠুৰ'।

হাতত আৰ্শিৰৰ পেণ্ট চাৰ্টযোৰ লৈ মই ছোৱালীজনীৰ শিতানত নীৰৱে ৰহি ৰলো। কি বুলিয়েই বা মই তেওঁক সান্ত্বনা দিম। ছোৱালীজনীৰ দুখেই বা কি? মইতো একো নাজানো। ঠিক সেই সময়তে দুৱাৰমুখত আহি আৰ্শিৰে দেখা দিলে। ছোৱালীজনীৰ ফালে নোচোৱাকৈ মোক কলে 'লাগি ধৰিলাহি যে ?'

কথাষাৰ কৈ ছোৱালীজনীৰ ফালে চাই চকুত পানী দেখি তত্তাতৈয়াকৈ আঁতৰি গ'ল। মই ওলাই আহি তেওঁৰ হাতত বস্তু কেইটা তুলি দিলোহি। অলপ পাচত ছোৱালীজনীও উঠি আহি দুৱাৰ মুখত থিয় হ'লহি। মই তেওঁৰ ফালে ঘূৰি চোৱাত তেওঁ অকণমান হাঁহিলে। করুণ হাঁহি। হাঁহি নহয় যেন হাঁহিৰ

উচুপানি। মুখত অনুনয়ৰ ভাৱ । মই সুধিলো—

'কিবা কৰা ?'

'গা ধুম। '

মই তেওঁক গাধোৱা ঘৰলৈ মাতি লৈ গলো। মোৰ কাপোৰ এসাজ আৰু চাবোন গামোচা যতনাই দিলো। তেওঁ গাধোৱা ঘৰত সোমাই থকাত আমি আকৌ এবাৰ তেওঁৰ বিষয়ে আলোচনা কৰিলো। এই সমস্যা মহা সমস্যা, সেইবুলিতো ছোৱালীজনী নিশা চকু বান্ধি নি আলিত এৰি আহিব নোৱাৰি ।

মায়ে মন্তব্য কৰি কলে 'প্ৰথমে বাৰু মানসিক ৰোগৰ ডাক্তৰ নিৰ্মালিকে মাতি আনচোন। তেওঁৰ নাম ববকৈ শুনিছো।'

'মানুহ গৰাকীয়েই ভাল মানুহ । তেখেতৰ চিকিৎসাত ভাল নাম থকা বেলেগ কথা।' মই কলো ।

সন্ধ্যা সাত বজাত ডাঃ নিৰ্মালি দত্ত আহিল। ডাঃ দত্তই বহু সময় তেওঁৰ লগত কথা পাতিলে। আমাক ওচৰত থাকিবলৈ দিয়া নাছিল। তেওঁলোকে কি কথা পাতিছিল আমি একো শুনা নাছিলো। ডাঃ দত্তৰ মাতটি অতি কোমল সৰু। তাতোকৈ কোমল সৰু মাত ছোৱালীজনীৰ । দুৱাৰখনো তাতে জপাই লৈছে ।

কিছু সময়ৰ পাচত দুৱাৰ খুলি ছোৱালীজনী ওলাই আহিল। ইমান সময় যে তেওঁ বেছ ভালমনে আছিল মুখমণ্ডলত এই ভাব। ডাঃ দত্তই আমাক জনালে —ছোৱালী যে মানসিক ৰোগী ই নিশ্চিত। তিনি চাৰি বছৰৰ পৰাই ছোৱালীজনী স্বাভাৱিক নহয়। তেওঁ কোৱা চাৰিটা নাম তেওঁলোকৰ বাই-ভনী কাবোবাৰ । তাৰ ভিতৰত কোনটো তেওঁৰ নাম বুজিব বৰ্ত্তমান নোৱাৰিলো। সন্ধ্যা ৰাজখোৱা বোলে তেওঁৰ মাহীমাক । কিন্তু এই কথা সচা নহয়নেকি ?'

তেওঁ কি কৰে, কি কয়—সকলো লক্ষ্য কৰি থাকিবলৈ কৈ দৰৱ দুটা লিখি দি ডাঃ দত্ত গ'লগৈ। কৈ গৈছে ছোৱালীজনী

ভদ্ৰঘৰৰ শিক্ষিতা ছোৱালী যাক সংযম তেওঁৰ স্বভাৱ ।

সেইনিশা হঠাৎ সাৰ পাই শুনিবলৈ পাওঁ ওচৰৰ কোঠাৰ পৰা উচুপনি এটি ভাঁহি আহিছে । ওচৰৰ এই কোঠাটোতে ৰহস্যই আৱৰি থকা ছোৱালীজনীক শুবলৈ দিয়া হৈছে । ওচৰৰ কোঠা হলেও ভিতৰি দুৱাৰ নাই। বাহিৰে ওলাই সেই কোঠালৈ যাব লাগে ।

মই লাহেকৈ বিছনাৰ পৰা নামিলো। স্বামীৰ টোপনি যাতে নাভাগে তাৰবাবে সচেতন হৈ দুৱাৰ খোলাৰ চেষ্টা কৰিলো যদিও সামান্য শব্দ হ'ল । তেওঁ সেই শব্দত সাৰ পালে নেকি মন কৰি নিঃশব্দে কোঠাটোৰ ফালে আগবাঢ়িলো। ভিতৰফালৰ পৰা দুৱাৰৰ হুক লগোৱা নাছিল । মই লাহেকৈ দুৱাৰখন ঠেলি ভিতৰ সোমাই গলো ।

লাইট যদিও 'অফ' কৰি থোৱা আছিল খোলা খিড়িকীৰে শুক্লপক্ষৰ জোনৰ পোহৰ সোমাই কোঠাটো সামান্যভাৱে পোহৰাই ৰাখিছে । সেই পোহৰত মই দেখা পাওঁ ছোৱালীজনী আনখন খিড়িকী মুখত থিয় হৈ নিশাৰ তৰা ভৰা আকাশলৈ চাই আছে। অস্পষ্ট মাতেৰে মাজে মাজে কিবা কৈছে আৰু উচুপি উঠিছে ।

মই তেওঁৰফালে আগবাঢ়ি যাব খুজি হঠাৎ থমকি ৰৈ গলো । মই পাহৰিছিলো—ছোৱালীজনীৰ হাতত ৰিভলভাৰ এটা থকা কথা। এই নিশা ঘপহকৈ মনত পৰাত এই প্ৰথম ছোৱালী-জনীলৈ মোৰ ভয় লাগিল । যদি ছোৱালীজনীয়ে হাতত ৰিভল-ভাৰটো লৈ আছে, এইভাৱ অহাৰ লগে লগে মই নিঃশব্দে দুৱাৰ-খন জপাই ওভতাইআকৈ নিজৰ কমৰ ফালে খোজ দিলো।

কোঠাত সোমাই শব্দ কৰি দুৱাৰৰ হুক লগালো । মোৰ ভাৱ তেওঁ সাৰ পালেই ভাল হয়। ছোৱালীজনীয়ে উচুপি উচুপি কন্দা কথা কব পাৰিম । কিন্তু তেওঁ সাৰ নাপালে। মই বিছনাত

উঠিবলৈ লৈছো, ঠিক সেই মুহূৰ্ত্তত পিটো কোঠাৰ দুৱাৰ খোলাৰ শব্দ শুনিবলৈ পালো। শুনিবলৈ পালো এযোৰ ভৰিৰ শব্দ ক্ৰমে আগবাঢ়ি আহিছে। বাবাণ্ডাৰ সিমূৰলৈ সেই শব্দ গৈ আছে। ছোৱালীজনী ওলাই গ'ল বুলি মই আকৌ বাহিৰ ওলাই আহিলো। মই ভাবিলো তেওঁ এতিয়া গেট খুলি বাটত ভৰি দিবগৈ। গলে যাওঁকগৈ বুলিয়েইতো আশিষে আজি গেটত তলা লগাবলৈ দিয়া নাই।

মই গৈ দেখো, ছোৱালীজনী গেটৰ ফালে আগবাঢ়ি গৈছে। মোৰ এনে লাগিল, লৰি গৈ যেন মই তেওঁক ঘূৰাই আনিম। যদি এইদৰে যোৱাটোকে সকলোৱে কামনা কৰিছে তেন্তে ডাঃ দত্তক আনিছিল কিয় ? কৌতূহল দমাবলৈ ! ছোৱালীজনী ঘূৰাই আনিবলৈ দুখোজ আগবাঢ়ি গৈ চাৰিখোজ পিছুৱাই আহি খুটা এটাত আউজি মাথোন তেওঁৰ ফালে চাই থাকিলোঁ। ছোৱালী-জনীৰ ওপৰত আজি নিশা কৈলাশদা আৰু আশিষৰ সতৰ্ক দৃষ্টি থকাৰ কথা—আগৰাতি থাকিব আশিষ, পাচৰাতি থাকিব কৈলাশদা। সময় জানো কিমান হ'ল মই বুজিব নোৱাৰিলোঁ। এওঁলোকৰ কোনোবা এজনে নিশ্চয় কোনোবা ঠাইৰ পৰা সজাগ দৃষ্টিৰে লক্ষ্য কৰি আছে। মই গৈ তেওঁক ঘূৰাই অনা কথাটো কোনেও সহ্য নকৰিব।

গেটৰ মুখৰ পৰা ছোৱালীজনী আকৌ ঘূৰি ঘৰৰ ফালে খোজ দিলে। ময়ো নিজক আঁৰ কৰি কোঠালৈ সোমাই গলো।

পাচদিনা পুৱা চাহৰ মেজত স্পষ্টভাবে কৈলাশদাৰ মুখলৈ চাই ছোৱালীজনীয়ে সুধিলে—'আপুনি মদ খায় নেকি ?'

'কিয় সুধিলা—?' মই তেওঁক প্ৰশ্ন কৰিলো।

'চকু কেইটা ৰঙা দেখি সুধিছো। আমাৰ পাপায়ে মদ খায়, আমি পাপাৰ ৰঙা চকুহে দেখিছো। পাপা অৱশ্যে নিশা প্ৰায়েই

সাৰে থাকে।'

শেষৰ কথাষাৰ কোৱাৰ লগে লগে তেওঁৰ কোমল মুখত অসহ্য খং, আক্ৰোশ আৰু ঘৃণাৰ ভাব ফুটি উঠিল। দাঁত দুপাৰি জোৰেৰে চেপি ধৰিলে। মই মাত দিলো -'কবিতা—?'

মোৰ এই মাতৰ উত্তৰ স্বৰূপে হাতৰ কাপ-প্লেটযোৰ মোৰ ফালে দলিয়াই সশব্দে চকীখন ঠেলি তেওঁ আঁতৰি গ'ল। তেওঁক গুৰলৈ দিয়া কোঠাত সোমাই দুৱাৰৰ হুক লগাই দিলে। অলপ পাচতে শুনিবলৈ পালো পিষ্টল মৰাৰ শব্দ। মই আতঙ্কিত হৈ বন্ধ কোঠাৰ ফালে লৰি গলো। মোৰ স্বামীক ছোৱালী-জনীক থাকিবলৈ দিয়া এই কোঠাটোত অলপ আগতে সোমোৱা দেখিছিলো। মোৰ পাছে পাছে কৈলাশদা, সবিতা বাইদেউ আৰু মাও লৰি আহিল। মই ক'লো—'মই তেখেতক কোঠালৈ সোমোৱা দেখিছিলো।' মোৰ মাতটো ভয়-আতঙ্কত কঁপিছিল। মই ধৰি ললো, উত্তেজিত হৈ ছোৱালীজনী কোঠালৈ সোমাই আহিয়েই তেওঁক দেখি অসহ্য আক্ৰোশত তেওঁকে গুলী কৰে। মই দেখি প্ৰথমৰে পৰাই বুজিছিলো ছেৱালীজনীয়ে তেওঁক সহ্য কৰিব নোৱাৰিছিল। মুখেৰে প্ৰকাশ নুকৰিলেও চকু মুখত সেই ভাব প্ৰকাশ পায়।

হঠাৎ দুৱাৰ খুলি কোৰোবাৰ ফালে আকৌ গুলী এৰে বুলি কৈলাশদায়ে দুৱাৰখন বাহিৰ ফালৰপৰা বন্ধ কৰি দিলে। মায়ে বন্ধ দুৱাৰত ধকা দি দি মাতিলে—কৃপাল? এই কৃপা— ?'

মই লৰি গলো আশিষৰ কোঠালৈ। গম্ভীৰ টোপনিত থকা আশিষক দুই হাতেৰে জোকাৰি দি কলো—'সৰু দাদাৰক তেওঁ···।' মই কথাষাৰ সম্পূৰ্ণ কৰিবলৈ নাপালো। 'কি হ'ল?' বুলি আচু জাপ মাৰি বিছনাৰপৰা নামি আহিল।

খিড়িকীৰে ভিতৰলৈ চাবলৈ যদিও সকলোৱে আশিষক

বাধা দিছিল তথাপি খিড়িকীৰে চাই কলে—
'তেওঁ কাকো খুন কৰা নাই। আত্মহত্যা কৰিলে ছোৱালী-জনীয়ে। হাতত পিষ্টল এটা লৈ মাটিত পৰি আছে।'

'তেন্তে—?' কৈলাশদায়ে সুধিলে।

'কি কৰিম—?' আৰ্শিৰে ঘূৰাই সুধিলে।

'পুলিচক খবৰ দে। খবৰ ছুৱাৰ মৰা হৈয়েই থাকক।' মায়ে কলে।

মই ছোৱালীজনী চাবলৈ খিড়িকী মুখত থিয় হলোহি। হঠাতে এই পৰিয়ালটোৰ মাজত সোমাই পৰা এই অজ্ঞাত ছোৱালী-জনীযে মানসিক ৰোগী আছিল এই কথা ডাঃ দত্তই খুব বঢ়িয়াকৈ জানে। সেয়ে তেওঁকে সাক্ষী ৰাখি ছুৱাৰ ভঙাটোকে অৱশেষত থিক হ'ল। পুলিচক খবৰ দিয়া কথাত আৰ্শিৰে কৈছিল 'পুলিচক খবৰ দিবই লাগিব। ডেড্ বডি মই লুকুৱাব নোৱাৰো।' ফোন যোগে ডাঃ দত্তক মাতি অনা হ'ল। মাৰ বুদ্ধি মতেই ছুৱাৰ নভঙাকৈ ছুৱাৰ খুলিল। তেখেতে চেলুনলৈ গৈছিল, চুলি কাটি আহিছে। মই আগবাঢ়ি গৈ কলোগৈ—আপুনি কম ভয় খুউৱা নাই।' 'কি হ'লনো' বুলি অবাক হৈ তেখেতে মোৰ মুখলৈ চালে। ঘটনাটো কৈ মই কলো 'মনে মনে কিয় গৈছিল?'

ছুৱাৰ খোলাৰ লগে লগে আমি সকলো একেলগে কোঠাত সোমাই পৰিলো। ডাঃ দত্ত প্ৰথমে ছোৱালীজনীৰ ওচৰলৈ গ'ল। হাতত পিষ্টলটো থকাবাবে আগবঢ়াত সকলো কেঁচ খাইছিল। কিজানি ছোৱালীজনী মৰা নায়েই। ছোৱালীজনীৰ ওচৰ পোৱাৰ পাচতে ডাঃ দত্তৰ মুখৰ ভাৱৰ অঁতবিল। ইতিমধ্যে আমিও গৈ সেই ঠাই পাওঁ। ক'তা ছোৱালীজনীৰ ক'তো দেখোন গুলী সোমোৱাৰ চিহ্ন নাই। ক'তো তেজৰ কণিকা এটিও নাই। ডাক্তৰ দত্তই ভাডিধৰা হাতখন লাহেকৈ নমাই থৈ ক'লে 'অচেতন হৈ পৰিছে।' ইথন হাতৰ পৰা বিভলভাৰটো অঁতৰাই মোৰ কালে আগবঢ়াই দিলে।

প্ৰথমে আৰ্শিষৰ চকুত পৰে মেজৰ ফুলদানীটো টুকুৰাটুকুৰ হৈ মাটিত পৰি আছে। ফুলদানীৰ ফুলবোৰ সিচঁৰিত হৈ পৰিছে। ডাঃ দত্তই কলে 'সুন্দৰক নিঃশেষ কৰিবৰ প্ৰয়াস। গুলী এৰিছিল ফুললৈ। ফুলদানীত থকা ৰজনীগন্ধা ফুলৰ লগত নিশ্চয় কিবা অতৃপ্তিকৰ ঘটনা জড়িত হৈ আছে।'

জ্ঞান পালে যদিও ছোৱালীজনী বিছনাত অৱশভাৱে পৰি ৰ'ল। যেন শৰীৰত তিলমানো শক্তি নাই। মাত মাতিবলৈও জিভা অলৰ। এই যে বিছনাত পৰিল তেওঁ যেন কোনো দিন উঠিব নোৱাৰিব। মাজে মাজে উচুপি উঠে। 'কি হ'ল' বুলি সুধিলে লাহেকৈ মূৰটো লৰাই জনায় একো হোৱা নাই বুলি। মাজে মাজে তেওঁ সচেতন হলে বিছনাৰ পৰা উঠি আহে। আমাক কয় তেওঁ, ঘৰলৈ যায়— টেক্সি এখন ঠিক কৰি দিব লাগে।

সিদিনা আছিল সোমবাৰ। সোমবাৰৰ কাগজত সন্ধ্যা ৰাজ-খোৱাক হত্যাকৰা অপৰাধত কাক কাক সন্দেহ কৰা হৈছে, কি প্ৰশ্ন কৰা হৈছে, কি উত্তৰ দিছে সকলো বিতং ভাৱে লিখা হৈছে। কাগজখন সকলোৱে পঢ়াৰ পাচত আৰ্শিষে মোক কলে—'তুমি তোমাৰ কবিতাক পঢ়ি অনুৰাগে যোৱা। মই কাগজখন নি তেওঁৰ কাষলৈ আগবঢ়াই দি ক'লো 'পঢ়িবানেকি? সন্ধ্যা ৰাজখোৱাৰ মৃত্যুৰ বিষয়ে সবিশেষ লিখিছে।' ছোৱালীজনীয়ে এনেভাবে মোৰ মুখলৈ চালে তেওঁ যেন মই কি কৈছো একো বুজা নাই। ওচৰতে বহি মই পঢ়ি গলো—

সন্ধ্যা ৰাজখোৱাৰ বয়স চল্লিছৰ কম। দেখাত যুৱতীৰ দৰে আটিল দেহৰ গঠন। এই সুন্দৰীক তেওঁৰ নিজৰ ঘৰৰ বাহিৰকালৰ ৰাবাওাৰ খটখটিৰ ওচৰত মৃত অৱস্থাত পোৱা গৈছিল। পোষ্ট-মৰ্টেমৰ ৰিপৰ্ট মতে পুৱা চাৰি বজাৰ-কিছু আগে তেওঁৰ মৃত্যু হয়। গুলী লাগিছিল পেটত। তেওঁৰ গাত আছিল নীলাৰঙৰ

এখন শাৰী। গাত ব্লাউজ-পেটিকোট আদি আন একো নাছিল। তেজৰ দাগ গাল-কপাল-চকু আৰু চুলিত। বোধহয় নিজৰ বক্তচাপ হোৱা ঠাই প্ৰথমে হাতেৰে হেঁচি ধৰিছিল। নিশ্চিত মৃত্যুৰ কথা বুজি নিজৰ মিহি গাল, উজ্জ্বল চকুত হাত মোহাৰি, চুলি খামুচিয়াই ধৰি মৃত্যুক বোধ কৰাৰ উপায় বিচাৰিছিল। নাইবা যন্ত্ৰনাত কাতৰ হৈ এনে কৰিছিল।

পুৱা প্ৰথমে তেওঁক পৰনে আবিষ্কাৰ কৰে। পৰনৰ এই ঘৰত স্থান ক'ত বুজা টান। চাহ-ভাতত লগাৰ পৰা গৃহিণী বা ছোৱালী-হঁতৰ লগত ইফালে সিফালে যোৱালৈকে সকলোতে তেওঁক দেখা যায়। থাকে ভদ্ৰলোক হৈ ভদ্ৰভাবে। সাজ-পোচাক কথা-বতৰাই তাকেই কয়। কোনোৱে কয়—তুলি লৈছে। প্ৰশ্ন হ'ল তোলনীয়া পুত্ৰ হলে পঢ়া-শুনাত নিদিলে কিয়? কিয় ভাতৰ চৰুত লগালে?

পৰনৰ স্বাস্থ্য সুন্দৰ। দেখাতো সুদৰ্শন। সন্ধ্যা ৰাজখোৱাক মৃত অৱস্থাত দেখি এই পৰনেই লৰি গৈ জনালেগৈ ৰাজখোৱাৰ প্ৰথম কন্যা সীতাক।

টোপনিত লালকাল দেউতাকক টানি-আজুৰি মাকৰ করুণ মৃত্যুৰ বতৰা দি লৰি গ'ল সীতা নিজৰ কমলৈ। কমত দুৱাৰ বন্ধ কৰি উন্মাদিনী হৈ কন্দাৰ কথা কব নোৱাৰি। দুৱাৰ বাহিৰলৈ ক্ৰন্দনধ্বনি, উচুপনি একো ভাহি অহা নাছিল।

এনেও হয়তো হব পাৰে, মাকৰ মৰমৰ বৰ-জী সীতাই—মাকে যাক মৰমতে সীতুমা বুলি মাতে তেওঁ, কোঠাৰ দুৱাৰ বন্ধ কৰাৰ পাচত বেহুচ হৈ পৰিছিল।

লোকে লোকাৰণ্য হৈ পৰিছিল ৰাজখোৱাৰ ছবি ছবি লগা সুন্দৰ ঘৰটি। যথা সময়ত পুলিচ আহিল। পুলিচত খবৰ দিছিল পৰনেই। পুলিচৰ গাড়ীত মৃতদেহ তুলি লৈ যোৱা হ'ল। ঘৰৰ মানুহ কোন ক'ত আছিল ঘৰৰপৰা বাহিৰলৈ যাবলৈ পুলিচ-পক্ষৰ

বাধা দিলে।

সন্ধ্যা বাজখোৱাৰ কোঠাটো তন্ন তন্নকৈ চোৱা হ'ল। তাৰ পাচত চোৱা হ'ল প্ৰত্যেকটো কোঠা। এই হত্যাকাণ্ড আত্মহত্যা যদি বিভলভাৰটো কি হ'ল? বাজখোৱাৰ বিভলভাৰটো থোৱা ঠাই বা খবৰ ক'তো বিচাৰি পোৱা নগ'ল।

সকলোতকৈ ডাঙৰ কথা সন্ধ্যা বাজখোৱাৰ গৰ্ভত তেতিয়া চাৰিমহীয়া সন্তান আছিল। আগৰ সাতটি সন্তানৰ কনিষ্ঠটিৰ বয়স চাৰি বছৰ। ডাঙৰটিৰ বয়স সোতৰ বছৰ।

চহৰৰ আধুনিকা-শিক্ষিতা সকলো ছোৱালী-বোৱাৰীক সৌন্দৰ্য্য আৰু আধুনিকতাৰ ফালৰপৰা চেৰ পেলোৱা সন্ধ্যা বাজখোৱাই মাতৃ হোৱাত কোনোদিন কিন্তু আপত্তি কৰা নাছিল। বৰং দেখা গৈছিল মাতৃত্বৰ গৌৰৱত তেওঁ যেন গৌৰৱান্বিত হৈ নিজৰ মুখ-চকুত আনন্দৰ পোহাৰহে মেলে। চাৰি মাহমানলৈকে ফুৰা-চকা, চিনেমা-থিয়েটাৰ আদিলৈ আগৰ দৰেই ওলাই সোমাই ফুৰে। তাৰ পাচত ক্ৰমে সেইবোৰ বন্ধ কৰি পুৰুষ-বন্ধুজনৰ লগত মটৰেৰে যায় চহৰৰ পৰা দূৰৰ কোলাহলহীন প্ৰকৃতিৰ বাজ্যলৈ। বহু সময় প্ৰকৃতিৰ শান্ত-সুন্দৰ পৰিবেশত থাকি নিশা দহ-এঘাৰ বজাৰ আগে-পাচে ঘৰ সোমায়হি।

বাজখোৱাই কোনোদিন আধুনিকা স্ত্ৰীৰ স্বাধীনতাত মাত দিয়া নাছিল। বৰং উৎসাহহে দিছিল। নিজৰ যি পুলিচৰ চাকৰি, এইবিলাক চৌখিনতাৰ সময়-সুবিধা নহয়। সেয়ে সন্ধ্যাই এজন পুৰুষ-বন্ধু যোগাৰ কৰি লোৱাত বা আগবাঢ়ি সঙ্গ দিবলৈ অহা পুৰুষজনৰ লগত নিবিড় সম্পৰ্ক গঢ়াত তেওঁ ভাল পায়।

তেওঁ স'চাই ভাল পাইছিল যেওঁৰ পত্নী আনন্দেৰে হাঁহি হাঁহি জীয়াই থকাত। এই কথা পুলিচে লোৱা জবান-বন্দীত নিজৰ কালৰ পৰাই কৈছিল— 'মই পত্নীৰ হাঁহিৰ নোৱাৰা

মৃতৰূপ চাবলৈ বিচৰা নাছিলো ।’

তেওঁ নিজে পুলিচৰ উচ্চ বিষয়া। ক’ত কি কথা থুৱাব লাগে, লুকুৱাব লাগে সেই কথা নিশ্চয় তেওঁ বঢ়িয়াকৈ জানে। তথাপি কথা কওঁতে তেওঁৰ মাতটোৱে মাজে মাজে উজুটি খাই বৈ গৈছিল। হয়তো অকস্মাৎ মৰমৰ স্ত্ৰীক এইদৰে হেৰুৱাৰ দুখত। হয়তো মৰমৰ স্ত্ৰীৰ ইমান করুণ ভাবে মৃত্যু হোৱাত। স্ত্ৰীৰ লগতে আগন্তুক সন্তানটিকো হেৰুৱালে। সেই কথাতো তেওঁ দুখ পাইছে। সন্তানৰ প্ৰতি ৰাজখোৱাৰ মৰমৰ অন্ত নাই। নকলো ল’ৰা-ছোৱালীকে বাহিৰত থৈ সুন্দৰ শিক্ষাৰ বন্দোবস্ত কৰি দিছে। ত’াহাতৰ কাৰণে টকা ভঙাত তেওঁ হাত ধৰা নাই। ডাঙৰজনী ছোৱালীক মাকে অ’াতৰাই থৰ নোখোজা বাবে তেওঁহে তেওঁলোকৰ লগত আছে।

এইবাৰ প্ৰশ্ন হ’ল ৰাজখোৱাই সাধাৰণতে পুৱা কিমান সময়ত সাৰ পায়। সদায়েই তেওঁ গভীৰভাবে টোপনি খায় নেকি? আগদিনা নিশা তেওঁক পত্নীয়ে কেনে ধৰণৰ কথা কৈছিল। আন-দিনাৰ দৰে সিদিনাও সন্ধ্যা ৰাজখোৱা সন্ধ্যাভ্ৰমণৰ বাবে ওলাই গৈছিল নেকি? ঘূৰিছিল কিমান সময়ত? তেওঁ অকলৈয়ে ঘূৰিছিলনে?

সন্ধ্যা ৰাজখোৱাৰ বেডৰুমত দুখন বিছনা; দুয়োখন বিছনাতে ডানল’পিল’ৰ তুলি। শুভ্ৰ বিছনাচাদৰ। শুভ্ৰ গাৰুগিলাপ। তাৰ এখনত শুইছিল ৰাজখোৱা। সেইখন বিছনাৰ তুলনাত আন-খন বিছনা বেছি সোভ-মোভ হৈ আছে। গাৰু দুটাও যেনেকৈ থাকিব লাগে তেনেকৈ থকা নাছিল। প্ৰশ্ন হ’ল—মিছেচ্ ৰাজ-খোৱা অকলৈয়ে শুইছিলনে? তেওঁৰ নিশা ভাল টোপনি নাহে-নেকি? শোওঁতে বৰ বেছি ইবাগৰ-সিবাগৰ কৰি থাকে নেকি? তেওঁৰ কোঠাত নাইট-গাউন দেখা গৈছে। সুন্দৰ লেচ দিয়া

দামী নাইট গাউন। তেওঁৰ দৰে আধুনিকা সুন্দৰীৰ গাত আছিল নীলা শাৰীখন। যিখন শাৰী পিন্ধি তেওঁ আগদিনা সন্ধ্যা ওলাই গৈছিল। ফুৰি আহি তেওঁ কাপোৰ সলোৱা নাছিল নেকি ? হয়তো ভাগৰ-ভাগৰ অনুভৱ কৰিছিল; সেয়ে সেইদৰেই শুই পৰিছিল। সেইদৰেইতো শুই পৰা নাছিল। ওলাই যাওঁতে তেওঁ শাৰীৰ লগত ৰং মিলাই পিন্ধিছিল নীলা-ব্লাউজ, নীলা পেটিকোট। সেই কেইটা পোৱা গ'ল কোঠাৰ চুকত মজিয়াত পৰি থকা। যেন কোনোবাই দলিয়াই থৈছিল, কোনে ?

তেওঁৰ কাপোৰ কোনে দলিয়াব ? তেওঁ নিজে। নহলে তেওঁৰ স্বামীয়ে। পৰনে কৈছিল, নিশা ন-দহৰ ভিতৰত সন্ধ্যা-ৰাজখোৱা ঘূৰি নাহিলে তেওঁৰ ভাত আনদিনা যিদৰে কমত থয় সিদিনাও সেইদৰে কমত ভাত থৈ তেওঁ শুই পৰিছিল। ভাতৰ ঢাকোন ঢাকোন হৈয়েই থকা অৱস্থাত পোৱা গ'ল। নিশা হলে প্ৰায়েই বাহিৰতে খাই আহে। সিদিনাও বাহিৰতে খাই আহিছিল।

সীতাই কৈছিল—প্ৰতিদিন তেওঁ আঠবজাত নিশাৰ আহাৰ কৰে। সিদিনাও আঠবজাত ভাত খাই নিজৰ কোঠাত হুক লগাই শুই পৰিছিল। ভাই-ভনী কেইটাইও তেওঁৰ লগতে আহাৰ কৰে। সিদিনাও সিহঁতে তেওঁৰ লগতে আহাৰ কৰি নিজৰ নিজৰ বিছনালৈ গৈছিল। সকভনী নীনাৰো বিছনা পৃথক। তেওঁ-লোক কাৰো মাকৰ বুকুত শোৱা কথা মনত নপৰে। সৰু কাল তোখৰো থাকে আয়াৰ লগত, শোৱে দোলনাখাটত।

সন্ধ্যা আঠ বজাতে যে সীতা শুই পৰে, সীতাই পঢ়া-শুনা কৰে কোন সময়ত ? পুৱা সোনকালে উঠি নিশ্চয় পঢ়া-শুনা কৰে।

'পঢ়া-শুনা প্ৰতিদিনতো মই নকৰো' সীতাই কৈছিল— 'পাঠ্যপুথি পঢ়াত কোনোদিনে মোৰ মন নবহে। পঢ়িবলৈ ললেও মোৰ চকুত বহুত ছবি ভাঁহি উঠে।'

'কাৰ ছবি ?'

'সেই ছবি হ'ল গোলাপীহঁতৰ ঘৰৰ ছবি। গোলাপীৰ দেউতাক কোনোবা এখন কলেজৰ চকীদাৰ। তাইৰ দেউতাক যিখন কলেজৰ চকীদাৰ সেইখন কলেজত তাই নপঢ়ে। তাই পঢ়ে আমাৰ কলেজত। মোৰ লগতে পঢ়ে। বয়সত মোতকৈ দুই-এবছৰৰ ডাঙৰ হব যেন লাগে।

চুলিত তেল সানি প্ৰতিদিন গোলাপীক মাকে বেণী গুথি দিয়ে। মাকে গুথি দিয়া শকত বেণীদাল পিঠিত পেলাই ওলাই যোৱা গোলাপীলৈ মোৰ বৰ ঈৰ্ষা হয়। তাইক বৰ ভাগ্যৱতী যেন লাগে ? মই প্ৰায়েই গোলাপীৰ তালৈ যাওঁ। ঘৰত অৱশ্যে গোলাপীৰ ওচৰলৈ যাওঁ বুলি নকওঁ। সামান্য চকীদাৰ একনৰ ঘৰলৈ মই গলে মা-পাপাৰ সন্মান থাকিব কেনেকৈ !

কেতিয়াবা কলেজৰ পৰা আহোঁতে সোমাওঁ। গৰম দিন হলে মাকে প্ৰথমে গোলাপীক বিচি দিয়ে। মই গলে মোকো বিচি দিয়ে। তাৰ পাচত গোলাপীক ভাত বাঢ়ি দিয়ে। গোলাপীয়ে আবেলি ভাত খায়। এদিন গোলাপীৰ মাকে ভয়ে ভয়ে মোক সুধিছিল— 'মাই, তোমাক ভাত এমুঠিকে দিওঁনে ? আজি তোমাক যাচিবলৈ ঘৰত একো এটা নাই।'

ভাত দিব খোজাত মই ভালেই পালো। গোলাপীক ভাত বাঢ়ি দিওঁতে মই চাই থাকো। কাঁহীৰ দাঁতিত নিমখ অকণ, জলকীয়া এটা দি যেনেকৈহে ভাত দিয়ে, দেখিলে লোভ লাগি যায়। আমাৰ ঘৰৰ দৰে বিবিধ ব্যঞ্জন নাথাকে। কেতিয়াবা ডাইল অকণ থাকে, কেতিয়াবা শাক-পাতৰ কিছুবাৰ ব্যঞ্জন।

তথাপি মোৰ এনে লাগে যেন গোলাপীয়ে অমৃতৰ স্বাদ পায় সেই ভাতত।

গোলাপীহঁতৰ ঘৰৰ পৰা আহি যেতিয়া ৰাজপ্ৰাসাদ যেন নিজৰ ঘৰটিত সোমাওঁ, এই ঘৰৰ আভিজাত্যৰ পোহৰত নিজকে বৰ দুৰ্ভগীয়া যেন লাগে। কি যেন নাই; অনাচাৰ-ব্যভিচাৰ আৰু তাক ঢাকিবলৈকে চাৰিও ফালৰপৰা কৰা প্ৰবঞ্চনাত যেন ঘৰৰ ভিতৰৰ বতাহ গধুৰ। মায়ে যেন আমাৰ খবৰ বেছি লয়। 'কিবা খাবৰ মন গৈছে নেকি? কাপোৰ-কানি কিবা নিকিনা জানো?' এইবোৰ প্ৰশ্ন কৰে আমাক ওচৰলৈ মাতি নি কেতিয়াবা। কিবা প্ৰয়োজন হলে নিজেই কয়। এনে অৱস্থাত নিজক দেখোন বৰ অসহায় যেন লাগে।

মাক আমি বন্ধুভাবে লবলৈ নাপালো। মাৰ সঙ্গ কামনা কৰি কেতিয়াবা মাৰ ওচৰলৈ গলেও মায়ে সপ্ৰশ্ন দৃষ্টিৰে আমালৈ চায়। আমি কি ক'ম ভাবি নাপাই অলপ পাচত অঁতৰি আহোঁ। মাই মাথোন প্ৰশ্ন কৰে 'গা-বেয়া লাগিছে নেকি?'

আমি সৰুকালতে ব্যৱহাৰ কেনে হব লাগে সেই শিক্ষা পাইছিলো। মাৰ লগত কথা হব লাগিব সসম্মানে। পুৱা শুই উঠি প্ৰথম সাক্ষাতত মা-পাপাক গুডমৰ্নিং জনাব লাগিব। স্কুল কলেজ বা কেনিবা যাবৰ সময়ত 'আহিছো মা' বুলি মাত লগাব লাগিব। শুবৰ সময়ত 'গুড্ নাইট' জনাব লাগে। অৱশ্যে 'গুড্ নাইট' জনাবলৈ পোৱা সৌভাগ্য খুব কমেইহে হয়। আৰু এটা কথা নিষেধ আছিল বন্ধ-দুৱাৰত শব্দ নকৰাকৈ আমি আমাৰ মা-পাপাৰ কমত সোমাবগৈ নোৱাৰো।

বিশেষ ভাৱে আমাক জনাই থৈছে—আমি যাতে আমাৰ সমকক্ষ মানুহৰ ল'ৰা-ছোৱালীৰ লগতে বন্ধুত্ব কৰো। কলেজলৈ প্ৰথম যাওঁতে মোক সতৰ্ক কৰি দিছিল 'বয়ফ্ৰেণ্ড' যদি বিচাৰো তেন্তে

চাই চিন্তি লবলৈ । সেই 'বস্তু'টি যাতে বিশেষ নামথকা ঘৰৰ হয়।

ভাগে-ভাগে থকা ঘৰৰ বাহিৰা মানুহক প্ৰয়োজনৰ অধিক এটা খাতো মাত্তিব নোৱাৰো। সেয়া আছিল আদেশ। আদেশ মানিছোনে নাই সেই খবৰ ৰাখিবলৈ তেওঁলোকৰ সময় বা সুবিধা নহয়। পাপা থাকে প্ৰায়েই বাহিৰত। মা নিজক লৈয়ে ব্যস্ত। পাচ-বেলা মা নাথাকেই বুলিব পাৰি। ইফালে মোৰ এটা বিশেষ ধৰ-ণৰ অসুখ আছে। মই কথা নপতাকৈ থাকিব নোৱাৰোঁ। সেয়ে মই প্ৰায় সময় পৰনৰ ওচৰতে থাকো। মিনি আৰু পৰনৰ সঙ্গ বিচাৰি পাকঘৰত সোমাই থাকোতে বন্ধা-বঢ়া কাম সকলো শিকি পেলালো। বন্ধাবঢ়া কাম কৰি ভালো লগা হ'ল। কাৰোবাক নিজহাতে ৰান্ধি খুৱাবৰ মন যায়। মাৰ পুৰুষ বন্ধু সকলে প্ৰায়েই খায়—কিন্তু তেওঁলোকক যতনেৰে ৰান্ধি খুউৱাতকৈ মিনি আৰু নক খুউৱাই ভাল যেন লাগে। পৰনক মই বাহিৰা ল'বা ভাৱ কৰিব নোৱাৰো। মায়েও নিশ্চয় তেওঁক বাহিৰা ল'বা ভাবে নাই লোৱা। পৰনক দামী ভাল ভাল সাজপাৰ মায়ে নিজহাতে কিনি দিয়ে। দামী সাজপাৰ পৰিহিত পৰনক এনে লাগে যেন পাপাৰ বৰ ল'বা বা আদৰৰ সৰু ভাই। মায়ে প্ৰায়েই কয়—'পৰন বাহিৰা ল'ৰা নহয়। পৰনে দৰ্মহা নলয়। কেতিয়াবা ৰবযুণৰ বতৰত মাৰ যদি কোনো বন্ধু নাহে মায়ে পৰনক কয়— 'আজি খিচিৰি আৰু কণীবেই হব। সোনকালে পাকঘৰৰ লেঠা মাৰিব লাগে।' প্ৰথমে বুজা নাছিলো ৰবযুণৰ বতৰত সোনকালে খাই কিয় সোনকালে কোঠাত ছুৱাৰ মাৰি সোমাব লাগে। বয়সত বুজিলো। পাছদিনা পুৱা পৰনে মোৰ মুখলৈ নাচায়। চালেও কেনে এটা অসহায় ভাবেৰে চায়।

এদিনৰ কথা। পাপা ঘৰত নাই। পুৱাৰ পৰা ৰবযুণ। সন্ধ্যা জোৰেৰে ৰবযুণ আছিল। মায়ে পৰনক সোনকালে পাকঘৰৰ লেঠা মৰাৰ কথা ক'লে। নিশা ন-মান বজাত আমাৰ ঘৰটোৰে নিটাল

মাৰিলে। মই পঢ়াৰ মেজত বহি কিতাপ এখন মেজত লৈ সমুখৰ বেৰলৈ চাই আছোঁ। মোৰ চকুত এটি কাল্পনিক দৃশ্য ভাহি উঠিল। মই বহাৰপৰা উঠিলো। কোঠাৰ ভিতৰতে ইকাল সিকাল কৰি শেষত মলয়ালৈ চিঠি এখন লিখো বুলি আকৌ বহিলোহি। লিখাত মন নবহিল।

মোৰ মন তেতিয়া আগকালৰ দুৱাৰ এখনত। যিখন দুৱাৰ আয়-নাৰ। সেই আয়নাৰ দুৱাৰখনৰ বাহিৰকালে আছে পৰ্দা। (ঘৰৰ সকলো দুৱাৰ-খিড়িকীয়েই এনে।) সেই পৰ্দাখন সামান্য ফাঁক কৰি মোৰ পাঁচ বছৰ বয়সত এদিন ভিতৰলৈ জুমি চোৱা মনত পৰিল। লগে লগে বহু পুৰণি দৃশ্য এটা চকুত ভাহি উঠিল। সেই সময়ত একো বুজিব পৰা নাছিলো, মাথোন কৌতূহল হৈছিল দেখাৰ আৰু বুজাৰ।

মই দুৱাৰ খুলি মাৰ কমৰ কালে আগবাঢ়িলো। মই সাৱধানে পৰ্দাখন অকমান আঁতৰাই ভিতৰলৈ জুমি চালো। কোঠাত কম পাৱাৰৰ নীলা লাইট। মাক মই স্পষ্ট ভাবে দেখা পাওঁ। মাৰ কাষত যাক দেখা পাম বুলি সন্দেহ কৰিছিলো তেওঁকেই দেখা পালো। এয়া আদিম নৰ-নাৰী। গাত বস্ত্ৰৰ-টুকুৰা এটাও নাই।

এই দৃশ্য দেখি মই মোৰ দেহ-মনত অজস্ৰ পৰুৱাৰ দংশন অনুভৱ কৰো। এয়া এক নতুন অনুভূতি। মোৰ নিশ্বাস ঘন হ'ল। হাতৰ তলুৱা গৰম হৈ আহিল। মই পৰ্দাখন এৰি নিজৰ কোঠালৈ আহিলোঁ। এনে দৃশ্য দেখি মালৈ মোৰ খং উঠা উচিত নেকি মই নাজানো। মই শুই পৰিবলৈ চেষ্টা কৰিলোঁ; কিন্তু কোনোৰকমে মই মোৰ চকুৰ আগৰপৰা দেখা অশ্লীল দৃশ্য আঁতৰাব নোৱাৰিলো। সেই দৃশ্যৰ স্মৰণত মোৰ দেহত কষ্টকৰ মিঠা শিহৰণ উঠিছে। অৱশেষত মই পাচফালৰ দুৱাৰ খুলি পাচফালৰ বাৰাণ্ডালৈ ওলাই গলো। হঠাতে মনত ভাৱ হ'ল মাৰ এই খেলাতো এয়ে প্ৰথম

নহয়। মোৰ পাঁচ কি ছয় বছৰ বয়সত দেখা আন এটি দৃশ্য মনত পৰাত ভাবিলো—আমাৰ ভাই-ভনীবোৰৰ চেহেৰাৰ মিল নাই। দেখাত পাপাৰ দৰে কোনো এটা সন্তান ন'হল। মই আৰু মলয়া বমক্ষ বেখিয়া আমাৰ পিতৃ একেজন। কিন্তু কোন ভেউঁ? মই নভবা নিচিন্তাকৈ পৱনৰ কোঠাৰ ফালে খোজ দিলো। মই যেন প্ৰতীক্ষাতহে বৈ আছিলো। মই দুৱাৰত মৃদুভাবে টোকৰ দিলো। অলপ আগতেই পৱন আহি কোঠাত সোমাইছে।

পৱনে 'কোন?' বুলি দুৱাৰ খোলাৰ লগে লগে ভিতৰলৈ সোমাই গৈ দুৱাৰৰ হুক লগাই দিলো। পৱনে সুধিলে—'কি হ'ল?'

"তুমি এইমাত্ৰ সোমাইছাহি। কলৈ গৈছিলা?"

"মনটো ভাল লগা নাছিল। ঘৰলৈ বৰকৈ মনত পৰিছিল, সেয়ে বাহিৰতে বহি আছিলো।"

"হয় নেকি? আজি এটা নতুন কথা শুনিলো। তোমাৰ যে ক'ৰবাত এখন ঘৰ আছিল আৰু সেই ঘৰলৈ যে তোমাৰ মনত পৰে নাজানিছিলোঁ। দুখৰ কথা কাৰোবাক কব পাৰিলে বোলে দুখৰ বোজাটো অলপ পাতল হয়। মোক কবা আহা"—বুলি মই পৱনক হাতত ধৰি বিছনালৈ টানি আনিলো। পৱনে সক মাতেৰে ভয়ে ভয়ে কলে—"কাইলৈ পুৱা ক'ম। এই নিশাখন তুমি মোৰ ওচৰত থাকিলে.......।"

"কি হ'বনো?"

"মাৰে গম পায় যদি—?"

"পাওক গম। মই মাক ভয় নকৰো।"

"খেয়ালি নকৰিবা। তুমি বুজিও অবুজ হৈছা। তুমি একনী জীয়া গাভৰু।"

"পাচে?"

"মইতো শিশু নহওঁ। মোৰ কমত সোমাই থাকিলে আনে কি ভাবিব ?" মই পৱনৰ ধুনীয়া চকুযোৰলৈ চাই হাঁহিছিলো। তাৰ পাচত চাইছিলো ধুনীয়া দাঁত দুপাৰীলৈ। ওঁঠ দুটা আৰু বহল বাহুলৈ। পৱন সঁচাই দেখাত সু-পুৰুষ। সুন্দৰ স্বাস্থ্য। চুলিখিনিও সুন্দৰ। সেই নিশাই মই মোৰ সতীত্ব নিজ ইচ্ছাত পৱনৰ পুৰুষত্বৰ ওচৰত হেৰুৱালো। মই পৱনক কলো··"মই তোমাৰ। তুমি চিৰদিন মোৰ। বাৰু পৱন, তুমিতো মাক মাৰ কম বয়সতে দেখিছিলা। মা বৰ সুন্দৰী আছিল নহয় ?"

"তুমিতো দেখিছাই।" পৱনে ক'লে।

"তুমি মোৰে আগত কোনো সুন্দৰী নাৰীৰ কথা নকবা। তোমাৰ বোধহয় তেনে কাৰো লগত কোনো সম্বন্ধ নাই" জানিও কলো। "নাই" পৱনেও মিছাকৈ উত্তৰ দিলে। এইবাৰ মই সুধিলো—

"তুমি কিমান দূৰ পঢ়িছিলা ?"

"সপ্তমমান পৰ্য্যন্ত।"

"মা-পাপাৰ অজ্ঞাতে তুমি পঢ়িব লাগিব। মই মাষ্টৰ ধৰি দিম। দুবছৰৰ পাচত তুমি মেট্ৰিক দিব লাগিব আৰু পাছ কৰিবও লাগিব।"

মই পঢ়া-শুনাৰ কথা উলিয়াইছিলো যদিও পৱন আছিল সম্পূৰ্ণ অন্যমনস্ক হৈ। মই সুধিলো—"কি হ'ল ?"

"ভয় লাগিছে।"

"কি ভয় ?"

"কিবা যদি হৈ যায় !"

"অ' সেই কথা। হলে হওক।"

"মই নিবিচাৰো।"

"তোমাৰ দৰে এটা ধুনীয়া ল'ৰা বা মোৰ দৰে এজনী ছোৱালী মোক কিন্তু লাগে।"

'তুমি একো নুবুজা। তুমি ক'ত ? আৰু মই ক'ত ?'

'তুমিও মাটিৰ পৃথিৱীত,ময়ো মাটিৰ পৃথিৱীত।' মই তেওঁৰ বুকুত হাত বুলাই দি কলো—'এইখন বুকুৰে বিচাৰিলেই পাবা।'

কথা কওঁতে ওলাই পৰা তেওঁৰ দাঁতৰ সৌন্দৰ্য্য চাই মই মনতে নিজকে প্ৰশ্ন কৰিলোঁ—বহুদিনৰ পৰাই মই পৰনৰ এই ৰূপটিৰ প্ৰেমত পৰি আছিলো নেকি ? মই মোৰ অজ্ঞাতে বহুত দিনৰ পৰাই হয়তো পৰনক বিচাৰিছিলো। মই তেওঁৰ ধুনীয়া চকু-যোৰলৈ চাই আছিলো। পৰনে সুধিলে—'এনেকৈ কি চাইছা ?' "তুমি আমাৰ ঘৰলৈ আহোঁতে তোমাৰ বয়স কিমান আছিল ? আমি তেতিয়া আছিলোনে বাৰু ? মানে তুমি আমাৰ জন্মৰ আগতে আহিছিলানে ?"

"কিয় সুধিলা ?"

"কাৰণ আছে ?"

"মই কেনেকৈ কেতিয়া তোমালোকৰ ঘৰ পালোহি সেইকথা পাছত কম। এতিয়া তুমি গৈ শুই পৰাগৈ।"

ইয়াৰ পাচত প্ৰতি নিশা আমি লগ হোৱা অভ্যাস হৈ গ'ল। এদিন পৰনক সুধিলো—"তোমাৰ নামত মায়ে টকা থৈছে। কিন্তু দেখাই শুনাই ভদ্ৰঘৰৰ ল'ৰাৰ দৰে। আমাৰ ঘৰৰ পাকঘৰত লাগি থকাৰ মূলতে যেন কিবা আছে। তুমি স্বাধীন ভাবে কিবা এটা কৰি ভদ্ৰভাৱে থকাৰ কথা নাভাবা কিয় ?"

"এইদৰে কিয় আছো এই কথাও পাচত বুজিবা। সদায় যে এই-দৰে থাকিম তাৰ মানে নাই ?" কথাষাৰ কৈ পৰনে দীৰ্ঘ নিশ্বাস পেলালে। লাহে লাহে তেওঁ অন্যমনস্ক হৈ পৰিল। তাৰ পাচত গম্ভীৰ মাতেৰে ক'লে—'মই এদিন মোৰ ঘৰৰ কথা কম। অভাৱে-অনাহাৰে-অবিচাৰে মাক কৰিছিল পাগলী। মোৰ মা-দেখাই শুনাই দেৱীৰ দৰে আছিল। দেউতা আছিল মহাপাপী।

স্তেওঁৰ পাপ ভোগ কৰিছো মই আৰু হয়তো ভনীজনীয়েও। মাক-বাপেকৰ পাপৰ ফল ল'ৰা-ছোৱালীয়ে ভোগ কৰে।

* * *

মই মাধুৰীয়ে কৈছো……

এই কেইদিন বাতৰি কাকতৰ প্ৰধান আৰু আমোদজনক খবৰটো হ'ল সন্ধ্যা বাজখোৱাৰ হত্যাৰ বা মৃত্যুৰ বাতৰিটো। বাৰাণ্ডাৰ এনে ঠাইত মই সিদিনাৰ কাগজখন থলোহি য'ত শান্ত মুখৰ ছোৱালীজনী বহেহি। উদাস ভাবে বহি ছোৱালীজনীয়ে কাগজখন হাতত তুলি ললে। ছোৱালীজনীৰ মুখলৈ মই তীক্ষ্ণভাৱে মন কৰিলো। কিন্তু তেওঁৰ মুখত কোনো ভাবৰ প্ৰতিক্ৰিয়া হোৱা ধৰিব নোৱাৰিলোঁ।

কাজখনত ওপৰে ওপৰে চকু ফুৰাই কাগজখন নমাই থলে। বাৰীৰ পাচফালে থকা মাছৰ পুখুৰীটোত আৰ্শিযে বৰশী বাই আছিল। কাগজখন লৈ, যাক মই কবিতা বুলি মাতো এই ছোৱালীজনী সেইফালে আগবাঢ়ি গ'ল। আৰ্শিযে গম নাপাবৰ বাবে তেওঁ খুব সাবধানে খোজ পেলাইছে। সেই কথা বুজি মই গৈ ছাদত উঠিলোগৈ। মোৰ উদ্দেশ্য মনে মনে তেওঁক চাই থকা। অলপ সময় আৰ্শিৰ পাচফালে নিঃশব্দে থিয় হৈ থাকিল। তাৰ পাচত ঘৰৰ ফালে ঘূৰি চালে। মোক দেখা পোৱা নাছিল। এইবাৰ কবিতাই আৰ্শিৰক পানীলৈ ঠেলা মাৰি দিলে। পুখুৰীত পানী ভৰি আছে।

মই ভাবিছিলো কবিতা এইবাৰ সেই ঠাই এৰি পলাব। মোক অবাক কৰি তেওঁ সেই ঠাইতে থিয় হৈ থাকিল। মই পুখুৰীৰ ফালে ততাতৈয়াকৈ আগবাঢ়ি গলো। ইতিমধ্যে আৰ্শিৰ ওপৰলৈ উঠিল। মোক দেখি কবিতাই নিৰ্মল হাঁহি এটি মাৰি ক'লে—"সাঁতুৰিব নাজানে বুলিহে ভাবিছিলো। ভাবিছিলো প্ৰাণৰ মায়াত মৃত্যুমুখত

পথা মানুহ কেনে অসহায় হৈ পৰে চাম। শেষত অৰণ্যে তুলি দিলোহেঁতেন। ইমান সুন্দৰ পৃথিৱীখন। অকালতে তেওঁ কিয় মৰিব ? সুন্দৰ পৃথিৱীত সুন্দৰ ভাবে জীয়াই থকাও এক ধৰ্ম। কি কয় বাইদেউ ?"

মই অবাক ভাবে ছোৱালীজনীৰ মুখলৈ চাই থাকিলো। আৰ্শিষক হত্যা কৰিবলৈ লোৱা অভিসন্ধি ধৰা পৰাত এইবোৰ 'ডাইলগ' লোৱা নাইতো।

পৃথিৱীখন তেওঁ সুন্দৰ বুলিছে। এই মুহূৰ্তত মীৰা নে সীতা নামৰ এই ছোৱালীজনীৰ হয়তো এজন সুদৰ্শন শিক্ষিত ডেকাৰ লগত খেমালি কৰিবৰ মন গৈছিল।

মই আক আৰ্শিৰ ছুয়ো কথাটো গোপনে ৰাখিছিলোঁ। কিন্তু ভাত খাই থাকোতে ছোৱালীজনীয়ে নিজেই ক'লে—জানে মা, আজি মই আপোনাৰ সক পুত্ৰক পানীলৈ ঠেলি দিছিলো।' 'কি—?' মা যেন উচপ খাই উঠিল। মায়ে সদায়ে আমাক কৈ আহিছে ছোৱালীজনীৰ মগজৰ গোলমাল থকা সঁচাই হওঁক বা মিছাই হওঁক তাই যে খুনী ডকাইত ই নিশ্চিত। আগেয়ে আৰ্শিৰো একেই কথা আছিল। বৰ্ত্তমানে তেওঁৰ মনটো অকণমান কোমল হৈছে। হয়তো এয়া বয়সৰ ছুৰ্বলতা বা বয়সৰ উদাৰতা।

সেইদিনা মায়ে কৈলাশদাক ক'লে—"ক'ৰ কোন ? হিন্দুৱেই নে মুছলমানেই তাবো ঠিক নাই। স্বভাৱটিতো বুজা গৈছেই। এইজনী এতিয়া তায়েৰৰ ভিতিত লম্ভিছে। ভাল যদি বিচাৰ ক'ৰবাত নি এৰি আহগৈ। নহলে থানাত চম্‌জাই দে। "মই এইবোৰ একো কৰিব নোৱাৰো।" দৃঢ় স্বৰে কৈলাশদাই জনালে। তাৰ পাচত লাহেকৈ কলে—"যি আনিছে, তেওঁ কৰক যি কৰে।" মোক উদ্দেশ্য কথাষাৰ কৈছিল। মায়ে কলে—"আথে-বেথে বুকুত থাকি দূৰ কৰিবলৈ জনা নাই। সামৰি থবলৈহে আনিছে।" মায়ে এই কথা

কৈছিল মাক পুতেকক উদ্দেশ্য কৰি।

যাৰ সমস্যাই ইমান সময়ে আলোচনা কৰা হৈছিল তেওঁ আহি তেওঁলোকৰ মাজত সোমালহি। নিষ্পাপ নিষ্পাপ লগা মুখৰ ছোৱালীজনীয়ে সকলোকে উদ্দেশ্য কৰি ক'লে—"আজি মই ঘৰলৈ যামগৈ। মাৰ মৃত্যু হোৱা আজি জানো কিমান দিন হ'ল? মইতো ব্ৰত দিয়া নাই। মোৰ পাপ হৈছে।"

"তোমাৰ মা ঢুকালনেকি?" সবিতা বাইদেৱে সুধিলে।

"কোনোবাই মাক হত্যা কৰিলে।"

"তোমাৰ মাহীমা হে হবপায়?" মই কলো।

"মাহীমা হ'ব কিয়? আমাৰ জন্মদাতৃ মা।" ছোৱালীজনীয়ে ক'লে। বিষন্ন মুখৰ ছোৱালীজনীৰ মুখ আৰু চকু আৰু বিষন্ন হ'ল। তেওঁৰ মুখৰ নিষ্পাপ পবিত্ৰ ভাৱটি আৰু নিষ্পাপ যেন লগা হ'ল। "মোক অলপ টকা দিবনে?" ছোৱালীজনীয়ে অনুনয়ৰ সুৰত কথাষাৰ সুধি কলে—"মই টেক্সি এখন ভাড়া কৰি ঘৰলৈ যাওঁগৈ। ড্ৰাইভাৰৰ হাতত টকাখিনি দি পঠাম। নহলে পাচত এবাৰ মই আহি সকলো ধাৰ মাৰি যাম।"

ছোৱালীজনী যে সন্ধ্যা বাজখোৱাৰ ঘৰৰে এই কথাত আমি সকলো দৃঢ় হলো। হয়তো ছোৱালীজনীয়ে মাকৰ মৃত্যুত চক্ পালে। নিশ্চয় ছোৱালীজনী মাকৰ মৃত্যুৰ সময়ত ঘৰত নাছিল। এই ছোৱালী-জনীৰ বিষয়েতো কাগজে একো জনোৱা নাই। অৰ্থাৎ ঘৰৰ মানুহবোৰা লোৱা জবানবন্দীত এওঁৰ কথা পোৱা নাই। আমি সকলোৱে দেখিছো হঠাৎ ছোৱালীজনী উচপখাই উঠে। হঠাৎ প্ৰতিবাদৰ সুৰত চিঞৰে—'না, না' বুলি।

'না, না' বুলি কৰা প্ৰতিবাদৰ অৰ্থ আমি অন্য ধৰণেৰে লৈছিলো। ডাঃ দত্তই কৈছিল—এই বিষয়ে তেওঁ নিশ্চিত কোনো নৰপশুৱে ছোৱালীজনীৰ সতীত্ব নষ্ট কৰা নাই।

মই ভাবিলো এইটো শুভক্ষণ ; এই সময়ত তেওঁক সোধা-কথাৰ সকলো সঠিক উত্তৰ পাম। অলপো সময় অপব্যয় নকৰি মই তেওঁক সুধিলো –"সন্ধ্যা ৰাজখোৱাক তুমি কিয় মাহীমা বুলি কৈছিলা ?"

মোৰ প্ৰশ্নত তেওঁ অবাক ভাবে মোৰ মুখলৈ চালে। মই সোধা কথাটো তেওঁ যেন বুজা নাই। কিছুসময় মোৰ মুখলৈ চাই থাকি ধীৰ ভাবে সেই ঠাইৰ পৰা আঁতৰি গ'ল। তেওঁ গৈ তেওঁক থাকিবলৈ দিয়া কমত সোমালগৈ। মায়ে ভগবানৰ উদ্দেশ্যে হাত যোৰ কৰি কলে—"প্ৰভু-তোমাৰ দয়াৰ-অন্ত নাই।"

আৰ্শিৰক মই বিচাৰি গলো। নিজৰ কমত সোমাই ওপৰ মুখকৈ শুই তেওঁ চিগাৰেট্ হুপি আছে। আৰ্শিৰে সৰিতা বাইদেউৰ আগত চিগাৰেট্ নাখায়। মোৰ আগত খায়। মই এই ঘৰলৈ অহাৰ পাচতেই তেওঁ মোৰ অনুমতি বিচাৰিছিল। বয়সত ডাঙৰ দেওৰ। মই হাঁহি সম্মতি জনালো। মই আহি আৰ্শিৰক কলো—"আচু তেওঁ ঘৰলৈ ওলাইছে।"

"মানে ? তোমাৰ কবিতা ?" তেওঁ প্ৰশ্ন কৰিলে !

"ওঁ। তেওঁৰ নাম বোলে মলয়া। মাতে মলয় বুলি।"

"হঠাৎ যে ঘৰলৈ ওলাল ? কাৰ লগত যাব ?"

"টেক্সি লৈ অকলৈ যাব খুজিছে। তেওঁ বোলে সন্ধ্যা ৰাজখোৱাৰ জীয়েক। মাৰ আগত কৈছে।"

শোৱাৰ পৰা বহি আৰ্শিৰে আপত্তিৰ সুৰত কলে—অকলৈ পঠাই দিয়া ভাল জানো ? এইবোৰ কিজানি সাজি গল্প কৈছে ?

"এই কথা মাক কবগৈ পাৰিবা ?"

"নোৱাৰিম কিয় ? মইতো কোনো অন্যায় কথা কোৱা নাই !" বুলি আৰ্শিৰ বিছনাৰপৰা নামি মাৰ ওচৰলৈ আহিল।

ইমান সময়ে মা আৰু কৈলাশদায়ে মিলি সিদ্ধান্ত কৰিলে নিশা আঠ বজাৰ বেলত তুলি দিয়াই ভাল হব। "অকলৈ টেক্সিত

পঠোৱাটো ভাল নহব। ঠিক সেই সময়তে আৰ্শিযে আহি নিজৰ মন্তব্যটি প্ৰকাশ কৰিলে। তেওঁ আৰু ইয়াকো কলে—যদি ছোৱালী-জনীয়ে ঘৰৰ ঠিকনাই দিছে; সেই ঠিকনাত খবৰ এটা দিলেই হয় সেখোন, ঘৰৰ মানুহ আহি লৈ যাওঁকহি।

আৰ্শিযৰ কথা শুনি মা গৰম হল। "ঘৰৰ মানুহৰ পৰা দায়িত্ব লৈ তেওঁকতো ঘৰৰ পৰা লৈ অহা নাছিল। নিজে আহিছে, নিজে ঘাব খুজিছে যাওঁকগৈ।"

"যিমান সোনকালে আপদ দূৰ হয় সিমান ভাল। চাৰিওফালে কথাটো ইতিমধ্যে প্ৰচাৰ হৈছেই। তাৰ পাচত লাগক পুলিচৰ লেঠা। মইতো সকলোকে তেওঁ মোৰ মাহীৰ ছোৱালী বুলি কৈছো। "তুমি মনে মনে থাকা।" মা গৰ্জি উঠিল। "সকলো মানুহ তোমাৰ দৰে মুৰ্খ নহয়।" মায়ে কেনে এক দৃষ্টিৰে মোলৈ চালে। এই মানুহ গৰাকীলৈ কাৰণে অকাৰণে মোৰ ভয়। ক'লা শকত মানুহলৈ মোৰ সকৰে পৰাই ভয় আছিল। তাতে মানুহ গৰাকীয়ে কেনে এটা সম্ৰাজ্ঞীৰ ভাবেৰে থাকে। অকাৰণত নামাতে। নাহাঁহে। কোনো কোনো মানুহক মানুহ যেনেই নেদেখে।

অলপ বৈ মায়ে আকৌ কলে—"কোনো দিন নহা মানুহো ফুৰিবলৈ অহা চলেৰে লীলাখন চাবলৈ আহিছে। পুলিচৰ লেঠা তাই নিজেই লগাব। কৈছেই নহয় সন্ধ্যা বাজখোৱাৰ জীয়েক বুলি।"

আৰ্শিযে কলে,—মা তই বৰ বেচি উত্তেজিত নহৈছোন। তেওঁ নিজে যেতিয়া কৈছে তেওঁ সন্ধ্যা বাজখোৱাৰ জীয়েক বুলি, তাতে ঘাবলৈও ওলাইছে—এই কথাই জানো প্ৰমাণ নকৰে তেওঁ যে নিৰ্দোষ এই কথা।"

"আঠ বজাত বেল। তাত এমুঠিতো খুৱাই পঠাব লাগিব" বুলি সবিতা বাইদেউ চকত সোমালগৈ। লেউতা (শহৰ) জীয়াই থাকোতে তেখেতক হেপাহেৰে ৰান্ধি খুৱাবলৈকে সবিতা বাইদেউৱে

নিজ ইচ্ছাত গোসাঁইত শৰণ লৈ চকত সোমাইছিল। তেতিয়াৰ পৰা ছয়ো বেলা তেঁৱেই বন্ধা-বঢ়া কৰি আছিছে। মোৰ হাতত চাহৰ চোকা।

যাবলৈ সাজু হৈ মলয়াই কাপোৰ-কানি সামৰোতে মই তেওঁৰ ওচৰতে বহি আছিলো। ধীৰে ধীৰে তেওঁৰ দৃষ্টি শূন্য হৈ আহিল। চুটকেচ্‌টো বন্ধ নকৰাকৈ অলপ পাচত তেওঁ কোঠাৰ পৰা ওলাই গল। মই জানো তেওঁ গৈ এতিয়া নিৰলে এঠাইত বহি আকাশলৈ চাই থাকিবগৈ। সেই সময়ত তেওঁৰ মুখখন আৰু কোমল পবিত্ৰ যেন লাগে। কেতিয়াবা তেনে অৱস্থাত তেওঁৰ মুখ দেখিলে এনে লাগে তেওঁ যেন কাৰোবাক দেখি আনন্দিত হৈছে।

সবিতা বাইদেউৱে তেওঁক পাচত এবাৰ মাতিছে। মই কৈছো আমি এবাৰ যাম। আমি যাম বোলাত তেওঁ কোনো উৎসাহ নেদেখুৱালে, আনন্দ প্ৰকাশ কৰাতো দূৰৰ কথা। মাথোন লাহেকৈ কলে—'যাব।'

ডাঃ দত্তৰ চিকিৎসাত ক্ৰমাত ছোৱালীজনী সুস্থ হৈ আহিছিল। আজি-কালি হঠাৎ আমাক ভুল নকৰে। আমি কোন আগেয়ে প্ৰায়েই সুধিছিল। আশিষক পৰনদা বুলি মাতিছিল। পৰন কোন বুলি সুধিলে মনে মনে থাকে। তেওঁ যেন নিজেও বুজিবলৈ চেষ্টা কৰে পৰন কোন।

প্ৰায়েই নিশা তেওঁ অস্পষ্ট ভাবে কাৰোবাৰ লগত কথা পাতে, ডাঃ দত্তক এইকথা কৈছিলো। তেওঁ ক'লে—কোমল মুখৰ ফুল ফুল লগা এই ছোৱালীজনীয়ে তেওঁৰ প্ৰিয়তমৰ লগত কথা পাতে।" তেওঁৰ প্ৰিয়তমনো কোন বুলি সোধাত ডাঃ দত্তই কৈছিল—"তেওঁৰ প্ৰিয়তম কৃষ্ণ। সেয়েহে তেওঁৰ এটা নাম মীৰা বুলি কৈছিল। গভীৰ ভাবে তেওঁ তেওঁৰ প্ৰিয়তমক

চাইলৈ বিচাৰিলেই বোলে দূৰৈত দেখা দিয়ে। এইবোৰ কথা কিমান দূৰ সত্য ভগৱানে জানে আৰু তেওঁ নিজেহে জানে। কৃষ্ণক দেখা পোৱা কথাটো সন্দেহ হয়।'

ছোৱালীজনীৰ বিদায় পৰত মাৰ মনটোও অকণমান কোমল হোৱা যেন লাগিল। মা যেন প্ৰয়োজনত ইচ্ছা কৰি কঠোৰ হৈছিল। আৰ্শিষক ভাল মাছ এডোখৰ আনিবলৈ বজাৰলৈ পঠাই দি কৈছিল—'ছোৱালীজনীৰ খোৱা বোৱাবোৰ বৰ চেলেং পেতেং। দেউতাক যোৱাৰ দিন ধৰি সবিতাবো বদ্ধা-বঢ়াবোৰ কিবা হ'ল।'

তেতিয়া সন্ধ্যা। মা গোঁসাই ঘৰত। মই বাইদেউক লাগি দিবলৈ পাকঘৰত সোমালোহেঁ। ঠিক এনে সময়ত আমাৰ পদূলিত টেক্সি এখন ৰ'লহি। কোলাত এবছৰীয়া দীপুক লৈ সেই টেক্সিৰ পৰা নামি ঘৰলৈ সোমাই আহিল দীপালী। দীপুৰ দেউতাকে ড্ৰাইভাৰক টকা দিওঁতে পাচ পৰিল।

মায়ে দীপালীক চিঠি দি মাতি পঠাইছিল। মায়ে মলয়াৰ কথা লিখি লিখিছিল—'ক'ৰবাৰ কপহী এজনী আহি বৰঘৰ পাক-ঘৰত অনধিকাৰ প্ৰৱেশ কৰিছে। এই ছোৱালীজনীৰ নামত সকলো অজ্ঞান। কথাটো ভাল হোৱা নাই। ঘৰত আছে শিক্ষিত চাকৰিয়াল সুদৰ্শন অবিবাহিত ডেকা ককায়েৰ।'

টেক্সি পদূলিত বোৱা আৰু কোলাত দীপুক লৈ দীপালী নামি অহা ছাদৰ পৰা মলয়াই দেখিছিল। লগে লগে তেওঁ তললৈ নামি আহিল। আনন্দৰে আগবাঢ়ি গ'ল দীপালীৰ কাষলৈ। আদৰেৰে দীপুক নিজৰ কোলালৈ টানি আনিলে। মৰমৰ উত্তেজনাৰে দীপুক গালে মুখে চুমা দিলে। সেইফালে চাই হাঁহি এৰিৰে দীপালী ভিতৰ সোমাই আহিল।

মলয়াই দীপুৰ মুখ নিজৰ চকুৰ আগত তুলি ধৰি অপলক

নেজে দীপুৰ মুখলৈ কিছুক্ষণ চাই থাকিল। হঠাৎ মলয়াৰ মুখৰ কোমলতা কঠোৰতালৈ ৰূপান্তৰিত হ'ল। অসহ্য এক আক্ৰোশেৰে কোলাত লৈ থকা দীপুক দলিয়াই দিলে।

মই ওলাই আহি এই দৃশ্য দেখি আতঙ্কিত হৈ চিঞৰি উঠিলো। দীপুৰ ওচৰলৈ লৰি গলো। মোৰ আতঙ্কিত স্বৰ শুনি ঘৰত কোন ক'ত আছিল সকলো ঘটনাস্থললৈ লৰি আহিল। 'দীপুৰ কি হ'ল ?' বুলি দীপালী আৰ্তনাদ কৰি উঠিল। দীপুৰ দেউতাক ৰূপম শইকীয়াও ভিতৰ সোমাইছিলহি। তেওঁ দীপুক কোলাত লৈ বাটৰ ফালে ওলাই গ'ল। ইতিমধ্যে স্কুটাৰৰ ফট্‌ফট্ শব্দ শুনিবলৈ পালো। পদূলিলৈ চাই দেখো বজাৰৰ পৰা আৰ্শিৰ ঘূৰি আহিছে। ৰূপমে কোলাত দীপুক লৈ যোৱা দেখি স্কুটাৰ ৰখালে। তাৰ পাচত স্কুটাৰ ঘূৰাই ৰূপম, দীপুক লৈ আকৌ বাটত উঠিল।

এইবাৰ মই মলয়াৰ মুখলৈ চালো। মলয়া অলপো বিচলিত হোৱা নাই। নিৰপৰাধ শিশুৰ মুখৰ দৰে মুখ। অলপ আগতে যে তেওঁ এটা মাৰাত্মক কাণ্ড কৰিলে তাৰ চিন মুখত নাম মাত্ৰও নাই। কেনেকৈ কি হ'ল সকলোৱে প্ৰশ্ন কৰিছিল। মই সচা কথা কওঁনে নকওঁ ভাবোতেই মলয়াই কলে—'মই আচাৰ মাৰি দিলো।'

'দূৰ-ভাগ' বুলি মায়ে মলয়াৰ স্বীকাৰোক্তি শুনি মলয়াক গাৰ সমস্ত শক্তিৰে গতা মাৰি দিলে।

হাত ভৰি বা শৰীৰৰ ক'তো জখম নোহোৱা দীপুক লৈ দেউতাক আৰু আৰ্শিৰ ঘূৰি নহালৈকে দীপালী উন্মাদিনী হৈ আছিল। বাৰে বাৰে নিজকে কিন্তু দোষাৰোপ কৰি কৈছিল—মায়েতো হোৱালীজনী পাগলী বুলি লিখিছিলেই। মই কিয় পাগলী হোৱালীজনীৰ হাতত তাক এৰি আহিছিলো।'

চকু মেলি হা-ভবি লবাই খুবি অহা দীপুক কোলাত তবাই লৈ প্ৰথমে দীপালীয়ে কান্দি দিলে। দীপুৰ মূৰৰ এঠাইত হাত দি আশিষে কলে—মূৰৰ এই ঠাইত দুখ পাইছিল বাবে অচেতন হৈ পৰিছিল।

হঠাৎ যেন পাহৰি থকা কথা এটা মনত পৰিল এনেভাবে চাৰিওফালে চাই দীপালীয়ে মোক সুধিলে—'এও·········কি নাম জানো ছোৱালীজনীৰ। ক'লৈ গ'ল তেও?'

'সম্ভৱ তেওঁৰ নাম মলয়া।'

'সম্ভৱ বুলিছা যে?'

'প্ৰথমে তেও তেওঁৰ নাম চাৰিটামান কৈছিল। অলপ সুস্থ হৈ এটা নাম কৈছে। কাগজ কলম পালেও মলয়া নামটো লিখে। আৰু কৃষ্ণ নাম লিখে।'

'তাৰ মানে?' দীপালী অবাক হ'ল। 'ছোৱালীজনী ইয়াতোকৈ মাৰাত্মক আছিল। এই ছোৱালীজনী মুকলি কৰি থবলৈ ভয় লগা নাছিলনে? কবুলটো (সবিতা বাইদেউৰ ল'ৰা) ঘৰত নাই বহা। সি কেতিয়া আহিব?'

'স্কুল বহাৰ পাচতহে মামাকে থৈ যাবহি' সবিতা বাইদেউৱে ক'লে।

'মলয়া ক'লৈ গ'ল? ব'লাচোন মলয়াৰ ওচৰলৈ যাওঁ।' দীপালী আকৌ মলয়াৰ প্ৰসঙ্গলৈ আহিল। সবিতা বাইদেউৱে ক'লে—'মায়ে তেওঁক বন্দী কৰি থৈছে।' তাকে শুনি দীপালীয়ে ক'লে—

'ঠিকেই কৰিছে। এনে ভয়ঙ্কৰ হ'লে বন্দী কৰি থবই লাগিব।'

'মায়ে তেওঁৰ হাটত কেটুলিত উতলি থকা পানী ঢালিলে।' আকৌ সবিতা বাইদেউৱে কলে। দিপালীয়ে উত্তেজিত স্বৰে সুধিলে—

'কি কৈছা? মা পগলা হ'লনেকি?' কথাষাৰ কৈয়েই বন্ধ

কৰি খোৱা দুৱাৰৰ কালে লৰি গ'ল। মায়ে দুৱাৰত তাঙৰ তলা এটা লগাই গৈছে। দীপালীয়ে বন্ধ দুৱাৰৰ ওচৰত বৈ মাক চিঞৰি মাতিলে 'মা দুৱাৰ খোলহি। তাৰ পাচত লাহেকৈ ক'লে—'তোকো বন্দী কৰি থব লাগিব। তয়ো পাগলী হলি।'

অনুনয় বিনয় কৰিও আমি মাৰ হাতৰপৰা চাবিটো নাপালো। হোৱালীজনীক কিমান বা পুৰিলে! বাৰ্ণলকে হলেওতো লগাব লাগিছিল!!

আমাক দুৱাৰমুখত থূপ পাতি থকা দেখি আৰ্শিযো আমাৰ কালে আগবাঢ়ি আহিল। দীপালীৰ মুখে সকলো শুনি তেওঁ গৈ মাক ক'লে—'তেওঁ তোক মা বুলি মাতে। তই এই সম্বোধনৰ মূল্য দিলি কি? তই আনৰ মা সম্বোধন পোৱাৰ যোগ্য নহয়। তোৰ মাতৃ হৃদয়খন কেৱল গৰ্ভত ঠাই পোৱা কেইটাৰ বাবেহে। 'হু' বুলি শব্দ এটা কৰি মায়ে কেনে এটা সুৰবে ক'লে—

'মা বোলাৰ অৰ্থ এটা আছে। ভাবে-ভক্তিয়ে গদ্‌গদ হৈ মা বোলা নাই।'

'দুৱাৰ খোল্।' এইবাৰ আৰ্শিযে গম্ভীৰ মাতেৰে আদেশৰ সুৰত কলে।

'নোখোলো।' মায়েও সেই সুৰবে উত্তৰ দিলে। 'কৈলাশ আহক। মই তাৰ হাতৰপৰা পিষ্টলটো লৈ নিজে থানাত উপস্থিত হ'ম। তায়েই মাকক মাৰি মাকৰ চিনাকী কেইটাকো মাৰি পাগলৰ ভাও ধৰি ইয়াত সোমাই আছেহি।' মায়ে দৃঢ় স্বৰবে ক'লে। এইবাৰ আৰ্শিযে শান্ত স্বৰে কলে—'পাগলৰ লগত তয়ো পাগল হৈছ। ছাৰি দে। বেলৰ সময় হ'ল। তেওঁক থৈ আহোগৈ।'

'থৈ আহোগৈ' কথাবাৰত মায়ে যেন বিষন্ন হাঁহি হাঁহিলে। কিন্তু ঠিক বুজা নগ'ল। মাৰ মুখত বয়সৰ ৰেখা অলপ বেচি

পৰিমাণে। ইয়াত হাঁহিৰ ৰেখা ফুটিলেও যপছকৈ ধৰা টান।

মায়ে চাবিটো ককালৰ খোচনিৰ পৰা উলিয়াই দি ক'লে—'যা থৈ আহগৈ। তইঁতৰ ভালৰ বাবে মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰো। তাইৰ বাবেও কৰিম। আৰুনো কি কৰিব পাৰিম আমি।'

চাবিটো লৈ আৰ্শিষ ওলাই আহিব খোজাত মায়ে পাচ-ফালৰ পৰা ক'লে—'অলপ ৰ। তাই পিন্ধি অহা কাপোৰবোৰ মোৰ হাতত আছে। সেই সাজ লৈ যা।'

বাকচ খুলি কাপোৰ সাজ মায়ে আৰ্শিষৰ হাতত দি সুধিলে 'এই কাপোৰসাজ বাক কিয় তাই বিচৰা নাছিল? এই পোছাকত দেখিলে হঠাৎ ধৰা পৰি যোৱাৰ ভয়ত নহয়তো?'

মাকৰ কথাৰ উত্তৰ নিদি আৰ্শিষে ক'লে—'মলয়াক থৰলৈ মই তেওঁলোকৰ ঘৰলৈ যাম। কালিলৈ ঘূৰিম।'

আৰ্শিষৰ কথা শুনি মায়ে কিছু সময় আৰ্শিষৰ মুখলৈ চাই থাকি দীৰ্ঘ নিশ্বাস এৰি ক'লে—'চিৰকাল আশাতে থাকিলো। ঈশ্বৰে তোক সু-বুদ্ধি দিব বুলি। বাটত যদি তাইক পুলিচে গ্ৰেপ্তাৰ কৰে? তোকো নকৰিবনে? দৰকাৰ কি এইবোৰ গোল-মলীয়া কথাৰ মাজত সোমাবলৈ।'

'সাৱধান হৈ নিজক বিপদৰ পৰা বচাই ৰাখি আনক বিপদত জানি বুজি পৰিবলৈ দিয়া বিধৰ পুৰুষ মই নহওঁ।' আৰ্শিষৰ এই কথাৰ উত্তৰত মায়ে বিদ্ৰূপৰ হাঁহি মাৰি ক'লে –'ঠিকেই কৈছ। তই যে পুৰুষ মই পাহৰিছিলোৱেই। তোৰদৰে পুৰুষক তাহাঁতৰ দৰে তাইনীয়ে লম্ভিবলৈ সুবিধা পায়। যলৈ যায় য'তে মৰ মৰগৈ' বুলি মা হুপদাপ কৰে কোঠাৰ পৰা ওলাই গ'ল। মই আৰু দীপালী মাৰ কোঠাৰ দুৱাৰ মুখতে বৈ আছিলো। মাৰ চাদৰৰ খোচনি খোলখাই মাটিত চাদৰ লেটিখাই গৈছিল।

দীপালীয়ে তুলি দিলে।

আচুৰে দুৱাৰ খুলি আমালৈ চালে। আমি আহি মলয়াৰ কোঠাত সোমালোহি। খিৰিকীৰ কাষত বৈ মলয়াই উদাস-বিষণ্ণ ভাৱে আকাশলৈ চাই আছিল। দুৱাৰ খুলি আমি ভিতৰলৈ সোমোৱা শব্দই তেওঁৰ তন্ময়তা ভঙা নাছিল। মই মলয়াৰ পিঠিত লাহেকৈ হাত দি মাত দিয়াত তেওঁ আমালৈ ঘূৰি চালে। আমি সকলোৱে লগে লগে ইস্ আস্ কৰি উঠিলো। তেওঁৰ কপালৰ পৰা তেজ বৈ আছে। অথনি মায়ে গতা মাৰি দিওঁতে আঘাত পালে নিশ্চয়। সেই সময়ত তেওঁলৈ কোনেও মন কৰা নাছিলো। আশিষে সুধিলে 'তেজ যে ?'

আমি মনে মনে থাকিলো। আকৌ মাৰ কথা কবলৈ ভয় লাগিল। আমি মনে মনে থকাত তেওঁ আচল কথা বুজিব পাৰি কলে-- 'এও বোধহয় পকাত মূৰ নামাবে।'

দীপালীয়ে লৰি গৈ সবিতা বাইদেউৰ পুৰণি চাদৰ এখন ফালি আনিছিল। আমি তেওঁৰ কপালৰ ক্ষতস্থান ডোখৰ বন্ধাৰ চেষ্টা কৰিলো। সবিতা বাইদেউৱে ইতিমধ্যে তেওঁৰ হাতত বাৰ্ণল সানি দিছিল। দীপালীয়ে ক'লে---'এনে অৱস্থাত এওঁক নপঠোৱাই ভাল হব।' দীপালীৰ কথা শুনি মলয়াই তেওঁৰ আয়ত গভীৰ চকুযোৰ আমাৰ প্ৰত্যেকৰে মুখৰ ওপৰত ঘূৰালে। তাৰ পাচত মোৰ চকুলৈ চাই থাকি সুধিলে---

'মোক ক'লৈ পঠাব ?'

'তুমি ঘৰলৈ যাম বুলি কৈছিলা।'

মোৰ কথা শুনি অবিশ্বাসৰ ভাবেৰে মোৰ মুখলৈ চাই থাকিল। তেওঁ যেন মই কোৱা কথা বুজিব পৰা নাই।

'কি হ'ল ?' মই সুধিলো।

'এই পৰ্য্যন্ত মই মোৰ ঘৰ আছে বুলি দুবুজিলো। মই

কাৰ ওচৰলৈ যাম ?' তেওঁ মোক প্ৰশ্ন কৰিলে।

'তোমাৰ মাৰ বাদে ঘৰত সকলো আছে বুলি যে কৈছিলা ?' মই কলো। মোৰ কথাৰ উত্তৰত অলপ সময় বৈ তেওঁ লাহে লাহে ক'লে—

'মই কন্‌ভেন্‌টত ডাঙৰ হৈছো। মই মোৰ ঘৰৰ কথা নাজানো। মাজে মাজে ঘৰ এখনলৈ গৈছিলো। বহুৰ দিন কেইটা আলহী হৈ থাকো—ইমানেই।'

কথাষাৰ কৈ তেওঁ অলপ সময় গম্ভীৰ ভাৱে কি যেন চিন্তা কৰিলে। তাৰ পাচত পিন্ধি থকা একমাত্ৰ আঙঠিটো খুলি দলিয়াই দিলে। যিটো আঙঠি হীৰাৰ। মূল্য আমি নিৰ্ধাৰিত কৰিব নোৱাৰো। সেই আঙঠি পকাত পৰি খট্‌কৈ শব্দ হৈ বাগৰি গৈ বেৰত লাগি এঠাইত ৰ'ল। তাৰ পাচত চেইনদালো খুলি দলিয়াই দি আপোন মনে ক'লে—'পাগলামিৰ চূড়ান্ত। সোণ হীৰাবে বন্ধাৰ চেষ্টা। ভাবিছে মই বান্ধত। পাগলামিৰ চূড়ান্ত মোৰ নহয় মোৰ পাপাৰ। মই ঠগ খোৱা নাই। ঠগ খালে পাপাইহে।' কথাষাৰ কৈ মলয়াই বিজয়ৰ হাঁহি মাৰি আমাৰ মুখলৈ চাই বিছনাত বহিলহি। তাৰ পাচত দীৰ্ঘ নিশ্বাস এৰি ক'লে—'আপোনালোকে বাৰু মোক পাগল বুলি ভাবিছে নেকি ? নাই ভবা যদি কিয় মোৰ মুখলৈ চাই আছে। আচলতে কি জানে, তেজ-মঙহৰ শৰীৰ নামৰ এই বোজাটো লৈ আছো বাবে মই তালৈ যাব পৰা নাই। তালৈ মানে সেই ঠাইলৈ। যি ঠাই চন্দ্ৰ-সূৰ্য্যই প্ৰকাশ কৰি চকুত পেলাব নোৱাৰে। যাৰ আদ্ কোনেও কাহানিও পোৱা নাই।· যি অমৃত স্থান আছে বুলিয়েই মাথোন সকলোৰে শুনিছে। শৰীৰ নামৰ বোজাটো হ'ল তালৈ যোৱা পথৰ প্ৰতিবন্ধক। তাতে আকৌ এসোপা অলঙ্কাৰ নামৰ বোজা। হাঁহি উঠাকৈ

পাগলামি ।'

কথাষাৰ কৈছিল উদাস ভাবে । কিন্তু লগে লগে আমাৰ মুখলৈ চাই তেওঁৰ জোনাকৰ দৰে হাঁহিটো হাঁহিছিল । মই আৰু দীপালী আহি তেওঁৰ চুকাষে বহিলোহি । দীপালীয়ে দীপুক বুকুত সাৱটি ধৰি আছে । তাৰ টোপনি । সবিতা বাইদেউ ওলাই গ'ল । হয়তো পাক-ঘৰলৈ গ'ল । মা আহি দুৱাৰমুখৰ পৰা জুমুকীয়াই গৈছে । মাৰ মুখত অসন্তোষৰ ভাব । মায়ে হয়তো চালেহি মলয়া যাবলৈ প্ৰস্তুত হৈছেনে নাই ।

আৰ্শিষ গৈ বহিলগৈ মেজৰ কাষত থকা চকী এখনত। তেওঁৰ মুখত মাত নাই । আজি দুদিনমানৰ পৰা লৰাটো অস-স্তৱ ৰকমে গম্ভীৰ হৈ পৰিছে । এই কথা সকলোৱে চকুত পৰিছে । সবিতা বাইদেউৱেই প্ৰথমে এই কথা কৈছিল ।

চকীখনত বহি শূন্য শূন্য ভাবেৰে তেওঁ দীপুৰ ফালে চাই থাকিল । মলয়াই দীপালীৰ মুখলৈ কিছুসময় চাই থাকি দীপুৰ মুখলৈ অপলক নেত্ৰে চাই ৰ'ল । তেওঁৰ মুখৰ কোমলতাই লাহে লাহে ৰূপ সলালে । মুখত আতঙ্কৰ ভাৱ ফুটি উঠিল । তেওঁ দীপালীৰ ওচৰৰ পৰা লৰি পলোৱাৰ দৰে আঁতৰি গৈ চিঞৰি উঠিল 'সাপ, সাপ, সাপৰ পোৱালি ।'

মলয়াৰ এই আতঙ্কিত স্বৰ আৰু সাপৰ কথাত আমি সকলো সচেতন হলো । আমি তভাতৈয়াকৈ বিছনাৰ ওপৰলৈ ভৰি তুলিলো । আৰ্শিষে কোঠাৰ আনটো লাইটো জ্বলালে । কোঠা-টোৰ চাৰিওফালে তন্ন তন্নকৈ চোৱা হ'ল । ক'ত সাপ দেখিছিল সোধাত মনে মনে থাকিল । মই ক'লো—'সাপ সাপ বুলি চিঞৰোতে তেওঁৰ চকু আছিল দীপুৰ ওপৰতহে ।'

ইয়াৰ পাচত মলয়াই আমাৰ কোনো প্ৰশ্নৰ উত্তৰ নিদি

মৌন হৈ থকাত আৰ্শিষে ডাক্তৰ দত্তলৈ ফোন কৰিলে। অলপ পাচতে তেওঁ আহিল। মলয়াক চিকিৎসা কৰাৰ কথাত তেওঁৰ আগ্ৰহ বেছি। ইয়াত তেওঁৰো স্বাৰ্থ আছে। এই স্বাৰ্থ টকাৰ নহয়। তেওঁ আমাৰ পৰা ভিজিট আদিৰ নামত দহটা টকাও লোৱা নাই। নিজৰ টকাৰে তেল পুৰি লৰি লৰি আহে।

হঠাৎ দীপুৰ দৰে শিশুটিক সাপ যেন দেখাৰ অৰ্থ আছে। ডাক্তৰ দত্তই কৈছিল সেয়েহে দীপুক আচাৰ মাৰি পেলাই দিছিল। ঘৰৰ মানুহ মাতি ঘৰৰ মানুহৰ পৰা সবিশেষ জানিব লাগিব বুলি ডাক্তৰ দত্তই মলয়ে কোৱা ঠিকনাতে খবৰ দিবলৈ ক'লে। ছোৱালী-জনীয়েতো সকলো সময়তে ভুল নকৰে। ভুল নকয়।

সেইৰাতি প্ৰচণ্ড ধুমুহা আহিল। বতাহৰ সোঁ সোঁ শব্দ আৰু বৰষুণৰ দপ্‌দপ্‌ শব্দত মোৰ টোপনি ভাঙি গ'ল। বৰ-ষুণৰ কোবাল ধাৰা খিৰিকীৰ আয়নাত জোৰেৰে পৰিছে। মই লাহেকৈ বিছনাৰ পৰা নামি মলয়াৰ কোঠালৈ গলো। সদায় নিশা মলয়াৰ কোঠাৰ দুৱাৰ খোলা থাকে। তেওঁৰ কোঠাত তেওঁ অকলে থাকে। তেওঁ নিজে যদি দুৱাৰৰ হুক নলগায়, কোনে লগাব। মই কোঠাত সোমাই প্ৰথমে লাইটটো 'অন' কৰি দিলো। আন্ধাৰ কোঠাটো তৎক্ষণাত পোহৰেৰে ভৰি পৰিল।

খিৰিকীৰ ওচৰত মলয়াৰ বিছনা। তেওঁ খিৰিকীৰ ফালে কাতি হৈ শুই আছে। খোলা খিৰিকীৰে মলয়াৰ বিছনাত পানী পৰিছে। মলয়াৰ এই কথাত খিয়াল নাই। খোলা খিৰি-কীৰে তেওঁ চাই আছে ভাৱৰে আৱৰা নিশাৰ অন্ধকাৰ আকা-শলৈ। মই খিৰিকীখন বন্ধ কৰি দিব খুজিলো। তেওঁ বাধা দি ক'লে—

'বতাহ-ধুমুহাই এতিয়া গোটেই পৃথিৱী গ্ৰাস কৰিব। কেনে মজা হব নহয়নে ?'

'তোমাৰ টোপনি অহা নাছিল ?' মই সুধিলো। তেওঁ মোৰ কথাৰ উত্তৰ নিদি অন্য কথা উলিয়াই মোক সুধিলে— 'আপোনাৰ ওচৰত সকলোতকৈ দামী কি ?' 'মোৰ ওচৰত সকলোতকৈ দামী মোৰ ধৰ্ম্মটো ' মই ক'লো।

'আপোনাৰ এই বয়স ধৰ্ম্মভীৰু হোৱা বয়সতো নহয়। বয়সত ময়ো খুব ধাৰ্ম্মিক হম বুলি ভাবো।'

'নামঘৰ বা যিকোনো ধৰ্ম্ম মন্দিৰ, ধৰ্ম্ম অনুষ্ঠানলৈ গৈ মই ধৰ্ম্ম নিবিচাৰো। মই কৈছো মানৱৰ মানৱতা ধৰ্ম্মৰ কথা। প্ৰতিদিন মই ভগৱানক প্ৰাৰ্থনা কৰি কওঁ ভগবান মোক মানুহ কৰি ৰাখিবা। দয়া, ক্ষমা, মৰম আৰু ধৈৰ্য্যৰে মোৰ বুকুখন যেন এটি ধৰ্ম্ম মন্দিৰ হৈ থাকে।'

'কিন্তু মোৰ ওচৰত তেৱেঁই হে সকলোতকৈ দামী। যাক মই ভাল পাওঁ।'

'তুমি যাক ভালপোৱা তেওঁকতো সকলোৱেই ভাল পায়। তুমিতো কোনো জ্ঞানৰ কথা কোৱা নাই। জীৱনৰ মূল্য নিদিয়া জানো ? এই লোকত থাকি তুমি এইলোকৰ পৰা দূৰত থাকিব খুজিছা কিয় ? এই লোকত থাকি মানুহক ভালপোৱা, জীৱৰ প্ৰতি দয়া থকা এয়াহে জ্ঞানৰ কথা।'

'মইতো মানুহক বেয়া নাপাওঁ। মই জীৱৰ প্ৰতি নিষ্ঠুৰো নহওঁ।'

'ইমান দৃঢ়ভাৱে তুমি তেওঁক বিচাৰিছা যে তোমাৰ চকু আৰু আন ক'তো নপৰে। সৰ্ব প্ৰকাৰৰে তুমি তেওঁক বিচাৰিলেই পাবানে ? জীৱনৰ যদি মূল্য দিয়া তেন্তে ইয়াকো বুজিব লাগিব—এইটো দেহ ভোগৰ বাবে।'

'মই জানো। আমাৰ এই স্থূল দেহটো ভোগৰ বাবে। এই স্থূল দেহ লৈ আমিতো এই লোকৰ পৰা ক'লৈকো যাব নোৱাৰো।

এই দেহৰ পৰা ওলাই সূক্ষ্ম দেহেৰেহে যাব পাৰিম। ভুৱলোক Astral plane, স্বৰ্গলোক—Manasic plane, মহৰ্লোক—Budhic plane, জনলোক—Nirvanic plane, তপলোক—Par Nirvanic plane, সত্যলোক—Mahapar Nirvanic plane, এই স্থূল দেহটো লৈ ভূলোকত (Physical plane), আমি থাকি কেৱল ভূলোকৰ চিন্তাতে থাকিব যে লাগে তাৰতো মানে নাই।'

'তুমিতো বেছ বুজা যে তুমি বৰ্ত্তমান মাটিৰ পৃথিৱীত।' মই কলো। মোৰ কথাৰ উত্তৰ অলপ বিৰক্ত ভাৱে দি কলে—

'বুজি কি কৰিব লাগে?'

'তেওঁক সৰ্বস্ব বুলি নাভাবিবা' মই লাহেকৈ কলো। 'এই দেহ লৈ তুমি তেওঁক সৰ্বপ্ৰকাৰৰে নোপোৱা।' 'কিয় নাপাম। মীৰাই কেনেকৈ পাইছিল? ময়ো পাম। মোৰ এয়া বদ্ধমূল ধাৰণা। মই দৃঢ়, ধৈৰ্য্য মোৰ অফুৰন্ত।' 'এই ধাৰণা, এই দৃঢ়তাই তোমাৰ সুন্দৰ ৰূপ যৌৱন মিছা কৰিছে। তুমি তেওঁক পোৱাৰ বাসনাত শিল হৈ আছা।' 'মই সিহঁতক ঘিণ কৰো।' ঘৃণাভাৱে তেওঁ কলে। 'কাক—?' মই প্ৰশ্ন কৰিলো।

'যি নিজৰ ৰূপ যৌৱনৰ বাবে সৰ্বক্ষণ সচেতন, সিহঁতক।'

ঠিক সেই সময়তে বন্ধ দুৱাৰত মৃদু ভাৱে টোকৰ পৰিল। মই মলয়াৰ মুখলৈ চালো। তেওঁ বোধহয় সেই শব্দ শুনা নাই। হয়তো শুনিও কোনো গুৰুত্ব দিয়া নাই। মই আহি দুৱাৰ খুলি দেখো দুৱাৰমুখত আশিস। ভয় আতঙ্ক নে আগন্তুক কিবা বিপদৰ সম্ভাবনাত তেওঁৰ মুখ শুকান। মোক হাতত ধৰি তেওঁ দূৰলৈ টানি আনিলে। লাহেকৈ সুধিলে—

'তুমি ইয়াত কি কৰিছিলা?'

'মলয়াই কি কৰিছে চাবলৈ আহিছিলো।'

'অথনিয়েই সোমালা নহয়?'

'কথা পাতি আছিলো। ইমান প্ৰশ্ন কৰিছা কিয়? তুমি যেন

ভয় খাইছা ?'

'সাংঘাতিক কাণ্ড। তুমি ভয়ৰ কথা কৈছা। ইফালে তুমি ইয়াত সোমাই ইমান সময়েও ওলোৱা নাই।'

"কি কথা ভাঙি নোকোৱা কিয় ?' মই জানিবৰ বাবে ব্যগ্ৰ হৈ পৰিলো।

'মলয়াই আমাৰ পদূলিত কোনোবা এজনক হত্যা কৰিলে। মৃত জন গেটৰ মুখতে পৰি আছে।'

সপোন দেখিছিলা ? মই ধৰি ললো আশিষে নিশ্চয় মলয়াই কাৰোবাক হত্যা কৰা সপোন দেখিছিল। মোৰ মুখত পাতল ভাৱ দেখি-তেওঁ এইবাৰ আৰু গহীন হ'ল, গভীৰ মাতেৰে 'কলে'—'সপোন নহয় নবৌ। দিঠকত মেলখাই থকা এই দুটা চকুৰে দেখা কথা।"

'মিছা কথা।' মই আকৌ প্ৰতিবাদ কৰিলো।

'চিঞৰিছা কিয়, মই মোৰ চকুক বিশ্বাস নকৰিমনে ? খিৰিকী-খন খোলা আছিল। খিৰিকীৰ কাষত থকা মেজৰ কিতাপত পানী পৰে বুলি ধৰমূণ আহোতে মই উঠি আহিছিলো। খিৰিকীখন বন্ধ কৰিবলৈ গৈ দেখো পদূলিত এখন মটৰ ৰৈছেহি। মটৰৰ পৰানো কোন নামে মই চাই ৰলো। মটৰৰ পৰা নামি মানুহজন আমাৰ ঘৰৰ ফালে খোজ দিওঁতেই মানুহজনৰ পাচফালে মলয়াক দেখো। মানুহজনে গেট খুলিবলৈ হাত ডাঙোতেই মলয়াই পাচৰ ফালৰপৰা গুলি এৰে।'

'ভালকৈ দেখিছানে—?'

''ভালকৈ নেদেখাৰ মানে নাই। মোৰ কোঠাৰ সেই খিৰিকী-খনেদি স্পষ্ট পদূলিটো দেখা যায়। টহ্‌টহ্‌কৈ লাইট জ্বলি আছে। এনে স্থলত নেদেখাৰ প্ৰশ্নই উঠিব নোৱাৰে। পৰি যোৱা মানুহজনৰ পকেটৰ পৰা কি জানো উলিয়ালে। আঙঠি, ঘড়ী খুলি ললেনেকি। হাজি কি জানো কৰিছিল। তেতিয়াও মটৰখন ৰৈ আছিল। তাৰ

পাচত্ত মলয়া ঘপকৈ লুকাই পৰিল। সিকাষে গৈ গাড়ীতে উঠিল নেকি নাজানো। কিন্তু তেওঁতো ঘৰতহে। হয়তো কোনোবা পথেদি সোমালহি। মটৰত নিশ্চয় সতীর্থ কোনোবা আছিল।' মই আশিষৰ মুখলৈ চাই বৈ থাকিলো।

বাৰাণ্ডাত জ্বলি থকা লাইটৰ পোহৰত মই স্পষ্ট দেখা পাওঁ আশিষ যেন বেছ বিপাওত পৰিছে। কি কৰিব, কি কৰা উচিত ভাবি বিবুদ্ধি হৈ মোক ক'লে—কথাটো লুকুৱাই ৰাখিব নোৱাৰি। আমাৰ পদুলিত এজন মানুহ খুন হৈছে আৰু সেই খুনৰ নায়িকা স্বয়ং আমাৰ ঘৰৰ ভিতৰত। দাদাইতক কথাটো জনোৱা ভাল হবনেকি?'

'জনালে কি হব? পুলিচত খবৰ দিব?' মই কলো।

'নিশাৰ ভিতৰতে এই নায়িকাক আতৰাব লাগে। 'আশিষে কলে। 'অসম্ভৱ আচু!' মই আকৌ প্ৰতিবাদ কৰি কলো—তেওঁৰ মুখলৈ চোৱাগৈচোন ব'লা। স্বৰ্গীয় জ্যোতিয়ে যেন তেওঁৰ মুখখন আৰু পৱিত্ৰ, আৰু কোমল মধুৰ কৰি থৈছে এই নিশা। এই মুখৰ গৰাকীয়ে কাৰোবাক খুন কৰা কথা মই ভাবিব নোৱাৰো। 'ফুল যেন কোমল মুখৰ তলতে ফেটী সাপ থাকে' বুলি কৈ আশিষে দীৰ্ঘ নিশ্বাস এৰি ক'লে —'যোৱা সকদাদাক জগাই দিয়াগৈ।'

মাৰ বাদে সকলোকে কথাটো কোৱা হ'ল। মাক জনোৱাত সকলোৰে আপত্তি। মায়ে তেওঁক আগেয়ে চিনি পাইছিল। আমাক সকলোকে সতৰ্ক কৰি দিছিল। মায়ে নজনাকৈ ছোৱালীজনী ক'ৰবাত এৰি অহাটোকেই শেষত সিদ্ধান্ত হ'ল। ছলে-কৌশলে তেওঁক স্কুটাৰত তুলিব লাগিব। স্কুটাৰখন অলপ দূৰ ঠেলি নিব লাগিব। ওচৰ চুবুৰীয়াই যাতে স্কুটাৰৰ ফট্‌ফট্ শব্দ নুশুনে। নিশা আশিষ ঘূৰি আহিব নালাগে। কোনোবা বন্ধু-বান্ধবৰ ঘৰতে বাকী নিশা থাকিব। প্ৰায়ে নিশা তেওঁ বাহিৰত থাকে। ওচৰ চুবুৰীয়াইও এই কথা জানে।

কিন্তু কথা হ'ল এতিয়া তেওঁক কি বুলি ঘৰৰ পৰা উলিয়াই নিব। তেওঁৰ ঘৰত কাৰোবাৰ টান, খবৰ পাইছে বুলিয়েই কব লাগিব। তাতে তেওঁ কোনো পুৰুষৰ লগত হলি-গলি নকৰে। আৰ্শিৰ লগত যাবলৈ সন্মত হব জানো? যদি সচাই ছোৱালীজনী খুনী (আৰ্শিয়েতো নিজ চকুৰে দেখা বুলি কৈছে) তেন্তে গম্ভীৰতা, কাৰো লগত হলি-গলি নকৰা এইবোৰ ঢং।

আৰ্শিয়েও ইফালে তেনেকৈ নিব নোৱাৰে বুলি মোৰ মুখলৈ চাই কলে—'মই যাব নোৱাৰিম। আন কোনোবা যাওঁক।' সক ককায়েকেও কলে—'ময়ো নি তেনেকৈ বাটত এৰি আহিব নোৱাৰো' ভায়েকহঁতৰ কথা শুনি কৈলাশদায়ে কলে—'তহঁতে নোৱাৰ। তেন্তে এই কাম মই কৰিব লাগিব? মোৰদ্বাৰা এনে কোনো কাম সম্ভৱ নহব। তহঁতে বাটৰ পৰা বুটলি আনিছ যি কৰ কৰি থাক'—বুলি নিজৰ কোঠাৰ ফালে গ'ল। বোধহয় কৈলাশদা শুই পৰিবগৈ। অলপ পাচতে টোপনিও আহিব। একমাত্ৰ পুত্ৰৰ এশ পাঁচ ডিগ্ৰী জ্বৰতো নিচিন্ত মনে টোপনিত থকা লোক তেখেত। ইমান সময়ে বিছনা এৰি থকাটোহে আচৰিত। ঘৰত খুনী থৈ শুবলৈ যোৱাটো আচৰিত নহয়।

ইমান সময়ে দীপালীয়ে একো মাত মতা নাছিল। কোলাত টোপনিত লালকাল দীপুক লৈ আমাৰ কথা শুনি আছিল। দীপুৰ দেউতাকেও আমাৰ আলোচনাত অংশ গ্ৰহণ কৰা নাছিল।

মোৰ স্বামীয়েই যেতিয়া নিশাৰ ভিতৰত তেওঁক ঘৰলৈ লৈ যাবলৈ সন্মত হ'ল তেতিয়া দীপালীয়ে মোৰ আপত্তি জনালে। তেওঁ কণ্ঠত জোৰ দি কলে—'মাৰিলে যদি মাৰিলে উন্মাদ ছোৱালীজনীয়ে কাৰোবাক। ডাক্তৰ দত্তই চিকিৎসা কৰি থকা ছোৱালী, ভয় কিহৰ। আৰু তহঁতে যে ইমান ভয় কৰিছ খুন তহঁতে কৰিছনে? এই খুনৰ লগত তহঁতৰ সম্বন্ধই বা কি?'

অলপ পাচত কথাৰ সুৰ বদলাই কলে—'আচুদায়ে কলেই হ'লনে ? আচুদায়ে আন কাৰোবাকহে দেখিছিল। হয়তো তেওঁ যাক দেখিছিল তেওঁৰ লগত মলয়াৰ চেহেৰাৰ মিল আছে। তাৰ চকুত নিশ্চয় টোপনিৰ জাল আছিল। মনত আছিল মলয়াৰ ৰূপ। সেয়ে হয়তো মলয়াৰ দৰে দেখিলে। পদূলিত মটৰ ৰোৱা শব্দ ময়ো শুনিছিলো। ঠিক সেই সময়ত মই কি শুনিছিলো জান। মলয়াৰ কোঠাৰ পৰা মীৰা ভজনৰ গুণ গুণকৈ গোৱা সুৰ শুনিবলৈ পাইছিলো। তেওঁ গাইছিল........

চল মন গঙ্গা যমুনা তীৰ
গঙ্গা যমুনা নিৰ্ম্মল-পানী...

এসময়ত মটৰখন ৰোৱা শব্দও শুনিছিলো। মটৰখন ৰোৱাৰ পাচলৈকে মই সেই সুৰ শুনিছিলো। তাৰ পাচতে দুৱাৰ খোলাৰ শব্দ শুনিছিলো। মই ভাবিলো ছোৱালীজনী বোধহয় বাহিৰলৈ আহিছে। কিন্তু লগে লগে ভিতৰত কথোপকথন শুনিবলৈ পাওঁ। মই ধৰি ললো......' দীপালীয়ে কথা সমাপ্ত কৰি বৈ দিয়াত আশিষে সুধিলে—

'কি ধৰি ললি ?'

'ভাবিছিলো কোঠাত তই সোমাইছ। আন দুজনকতো সন্দেহ কৰিব নোৱাৰি। সন্দেহটো নিসন্দেহ হবৰ বাবে নিঃশব্দে ওলাই গৈ জপাই থোৱা দুৱাৰখন সামান্য ফাক কৰি চাই দেখো মলয়াৰ কাষত মাধুৰী নবৌহে। তইতো কথা পাতি থকাৰ পৰা মাধুৰী নবৌক মাতি আনিছ।'

'তেন্তে ?' আশিষে প্ৰশ্ন কৰিলে।

'তেন্তে আৰু কি ? মন মগজ ভৰি আছে মলয়াৰ কথাৰে, মলয়াৰ ছবিৰে। সেয়ে টোপনিৰ আলত.........।'

কালি নিশাও মটৰ ৰোৱা শুনিছিলো। মই ওলাই গৈ চাই

দেখো বসন্ত মটবৰ পৰা নামি আহিছে। আজি পুৱা সোধোতে কৈছে তাৰ বোলে কোনোবা ড্ৰাইভাৰ বন্ধু এজনৰ ওচৰলৈ নিশা প্ৰায়েই যায়। কেতিয়াবা সেই বন্ধুৱেই তাক নমাই থৈ যায়।

'তেন্তে বসন্তই গ'ল।' সবিতা বাইদেউৱে কলে।

"নহয়, মানুহজন মই স্পষ্ট দেখিছো।' আশিষে কলে। তাৰ পাচত কলে—'তইঁত যদি নিসন্দেহ হব খুজিছ পদূলিত পৰি থকা 'ডেডবডি' চাই আহগৈ।'

এইকথা শুনি দীপালীয়ে সকলোকে বাধা দি কলে—'খবৰদাৰ। দৰকাৰ নাই এই বৰষুণত নিশা এপৰত ক'ত কাৰ ডেডবডি পৰি আছে চাবলৈ যোৱাৰ। কথাটো যদি সচা হয় আৰু যদি সেই 'ডেডবডি'ৰ কাষত কোনোবাই তইঁতক দেখে তেন্তে ?'

০ ০ ০ ০

ৰাতিটো সচাই বৰ উৎকণ্ঠা আৰু কৌতুহলেৰে গ'ল। নিজৰ নিজৰ কোঠাত সোমাই সকলোৱে দুৱাৰ 'লক' কৰি বিছনাত পৰিল। টোপনি অহা কাৰো সম্ভৱ ন'হল।

মই আনে নজনাকৈ মলয়াক লক্ষ্য কৰি থাকিলো। আশিষে যেনেকৈ মলয়াক দেখা কথা দৃঢ় স্বৰে কৈছে বিশ্বাস হব খোজে। কোনে জানে তেওঁ কিজানি তেওঁৰ কণ্ঠৰ মীৰা ভজন টেপ কৰি থৈছিল, আৰু তেওঁ ওলাই যাওঁতে টেপটো খুলি ওলাই গৈছিল তেওঁৰ সতীৰ্থ সকলৰ লগত হয়তো তেওঁৰ প্ৰায় নিশা যোগাযোগ হৈছে।

পুৱতিৰ আগে এটা সক ছাটিৰ তলত মুখ ঢাকি অন্ধ-কাৰ বাগানলৈ মলয়া ওলাই গ'ল। বাগান্ পাৰ হৈ জামু জোপাৰ তলত কন্তেক ৰ'লে।

পুৱতিতে উঠি ফুৰিবলৈ ওলাই যোৱা বোলে মলয়াৰ সক কালৰে অভ্যাস। ইয়াত আৰু ক'ত ফুৰিবলৈ যাব! ফুলৰ

বাগিচাত্তে ইফাল সিফাল কৰি থাকেগৈ। মাজে মাজে যাঁহৰ ওপৰত বহে। আকাশলৈ মৰম কোমল দৃষ্টিৰে চাই থাকি মীৰা ভজন গায়। কণ্ঠটি অপূৰ্ব। মই এদিন কৈছিলো 'তোমাৰ কণ্ঠ বাইজে শুনা হলে! তুমি আনৰ ওচৰত গান নোগোৱা কিয়?'

'মইতো গান নাগাওঁ। মই যাৰ বাবে ভজন গাওঁ তেওঁ নিশ্চয় শুনে?' দৃঢ় বিশ্বাসেৰে মলয়াই উত্তৰ দিছিল।

কিন্‌কিন্ কৰে বৰষুণ দি আছে। ঠাণ্ডা বতাহো বৈ আছে। তথাপি ছোৱালীজনী ছাতি লৈ বহি থকা দেখি ভাব হ'ল ছোৱালীজনী সচাই অস্বাভাৱিক। এই কোমল মুখৰ ছোৱালীজনীয়ে কাৰো-বাক হত্যা কৰা সম্ভৱ হব নোৱাৰে। কোনোবাই কাৰোবাক মাৰি সেই ঠাইত বহি গীত গাই থকা অসম্ভৱ। অৱশ্যে পাগলৰ বাবে এনে কাৰ্য্য সম্ভৱ হব পাৰে।

এইবাৰ ছোৱালীজনী বহাৰ পৰা উঠিল। লাহে লাহে গেটৰ ফালে আগবাঢ়ি গল। তেওঁৰ হাতত ছাতিটো আছে। গেট-খন খুলিবলৈ লৈ হঠাৎ থমকি বৈ গ'ল। কিছু সময় সেইদৰে বৈ থাকি, গেট খুলি গেটৰ বাহিৰলৈ গৈ আঁঠুকাঢ়ি বহি পৰিল। তেতিয়াও পদূলিত লাইট জ্বলি আছে।

হাতৰ ছাতিটো দলিয়াই ছোৱালীজনী থিয় হ'ল। এবাৰ নিৰ্জন পথটোৰ ইফালে সিফালে চালে। তাৰ পাচত আমাৰ ঘৰলৈ ক্ষন্তেক চাই ৰ'ল আৰু ভয়শেষত ধীৰ ভাৱে আমাৰ ঘৰলৈ সোমাই আহিল। তেওঁৰ খোজ দেখি এনে লাগিছিল তেওঁ যেন ভৰি চোচোৰাই আনিছে।

মলয়াই আহি বৈঠকখানাৰ দুৱাৰত শব্দ কৰিলেহি। সবিতা বাইদেউ দুৱাৰ খুলি ওলাই আহিল। আমিবো লগে লগে ওলাই আহিল। তেওঁ সম্ভৱ সেই খিৰিকীখনেদি মলয়াৰ কাৰ্য্য লক্ষ্য কৰি আছিল। ময়ো আহি মলয়াৰ সন্মুখত থিয় হলোহি। মলয়াই আমাৰ মুখলৈ ভতিনোকী ভতিনোকী ভাবে চাই ক'লে—মোৰ—মানে

আমাৰ পাপাক ? পাপাক ······ ! পাপাক······ !

কথাটো তেওঁ কোনোমতে যেন চেষ্টা কৰিও সমাপ্ত কৰিব নোৱাৰে। তাকে দেখি আশিষে ক'লে—'মানুহজন তোমাৰ পাপা নেকি ? তোমাৰ পাপাক খুন কৰিলে কোনোবাই ?'

কোনোবা সময়ত দীপালী আহি আমাৰ ওচৰত বৈছিলহি। তেওঁ আশিষক মনে মনে থাকিবলৈ চকুৰে ইঙ্গিত দিলে।

মলয়াৰ গভীৰ বিষণ্ণ চকুযোৰ আৰু বিষণ্ণ হ'ল। অলপ পাচত সেই চকুৰ পৰা টোপা-টোপে চকুপানী পৰিবলৈ ধৰিলে। মলয়াই বৈ বৈ আশিষক প্ৰশ্ন কৰিলে—'আপুনি তেন্তে মোতকৈ আগতে 'ডেড্‌বডি' দেখিছিল ? আপোনাৰ চকুৰ আগতে হত্যা-কাণ্ডও হয়নেকি ? ছোৱালী এজনীয়ে পাপাক হত্যাকৰা নাইতো !?'

'মই একো দেখা নাছিলো। মই কব নোৱাৰো। তোমাৰ আতঙ্কিত মাতত, তোমাৰ ভয় বিহ্বল চেহেৰাত আৰু তুমি পাপা পাপা কৰি থকাত ধৰি ললো—তোমাৰ মাৰাক কোনোবাই হত্যা কৰিছে। তোমালোকৰ পৰিচিত ব্যক্তিকো ইজনৰ পিচত সিজনক কোনোবাই হত্যা কৰিছে। এইবাৰ নিশ্চয় তোমাৰ পাপাকো'— আশিষেও কথাষাৰ সম্পূৰ্ণ কৰিব নোৱাৰিলে।

আশিষে পুলিচৰ আগত তেওঁ নিজ চকুৰে কোনোবা ছোৱালী এজনীয়ে মানুহজনক হত্যা কৰা দেখা কথাটো লুকুৱালে। তেওঁ সচা কথা কোৱা হলেও তেওঁৰ গাত চিটিকনি নপৰে। তথাপি নকলে। তেওঁ সকলো সচা কৰবলৈ হলে কব লাগিব মলয়ক সেই ক্ষণত সেই স্থলত দেখা কথা। অৱশ্যে তেওঁৰ হাতত পিষ্টল দেখা কথা তেওঁ কব নোৱাৰে!

হয়তো আশিষৰ বুকুত কৰুণ কোমল মুখ এখনিয়ে সেই সময়ত ইবাগৰ সিবাগৰ কৰিছিল। সেয়ে তেওঁ সত্য গোপন কৰিলে। যিখন মুখ দেখিলে এপাহ ফুল দেখাৰ দৰে মনটো

পৰিত্ৰতাৰে ভৰি পৰে—মলয়াৰ এই মুখখনে আৰ্শিৰ বুকুত খোচা বিন্ধা কৰিব বুলি তেওঁ নিজেও বুজিব পৰা নাছিল। সমুখত বহি (আৰ্শিয়ে কথা কওঁতে) এই কোমল মুখখনে তীক্ষ্ণ দৃষ্টিৰে আৰ্শিৰ মুখলৈ চাই আছিল। আৰ্শিৰ চকুলৈ চাই তেওঁ বুজিবলৈ চেষ্টা কৰিছিল কিয় এওঁ সত্য গোপন কৰিছে। তেওঁৰ দেউতাকক কোনোবাই খুন কৰা নিশ্চয় আৰ্শিয়ে নিজ চকুৰে দেখিছিল। আৰ্শিৰ চকুত নিশা উজাগৰে থকা স্পষ্ট চিন। তেওঁ নিজে যে এই কাম কৰিছে মলয়াৰ মনলৈ এই ভাব কিন্তু অহা নাই। এই ঘৰৰ আন কাকো তেওঁ সন্দেহৰ চকুৰে চোৱা নাই। মাথোন মলয়াৰ ভাব হৈছে—আৰ্শিয়ে এই দৃশ্য দেখি আক শুব নোৱাৰিলে।

পুলিচৰ প্ৰশ্নৰ উত্তৰত মলয়াই কৈছিল—'মই মোৰ পাপাক কিয় ঘপহকৈ নিচিনিম? মই পাপাক সেই অৱস্থাত দেখা মুহূৰ্ত্তত মোৰ ভৰিৰ পৰা মূৰলৈকে স্নায়ুবোৰ যেন জিকাৰ খাই উঠিল। লগে লগে মোৰ চকুত ভাঁহিল আমাৰ ঘৰৰ দুৱাৰ মুখত পৰি থকা মাৰ মৃত দেহটি। ৰঙা তেজবোৰ। গালত, কপালতো তেজৰ ৰঙা চেকা। মাৰ মেলখাই থকা স্থিৰ চকুযোৰ। পাপাৰ ঠাইত মই মাক দেখিছিলো। মই আঠুকাঢ়ি পাপাৰ বুকুৰ ওপৰত থকা হাতখন নমাই দিছিলো। মৃত্যুৰ লগে লগে বোলে মানুহৰ হাত-ভৰি জঠৰ হয়। তাকেই চাইছিলোনেকি জানো! তাৰ পাচতেই মই এই ঘৰলৈ লৰি আহিছিলো।

'তুমি এই ঘৰত কিমান দিনৰ পৰা আছা?' এই প্ৰশ্নত মলয়া থমকি ৰৈছিল। বৰ অসহায় ভাবে আমাৰ সকলোৰে মুখলৈ চালে। মই ক'লো—'তেওঁ মোৰ আত্মীয়; মাকৰ মৃত্যুত ৰবকৈ ভাঙি পৰাত মই লৈ আহিছিলো।'

'আপুনি নকব' মোক উদ্দেশ্য কৰি ক'লা মোচৱালা লোকজনে কলে। তেওঁক সোধা কথাৰ তেওঁ উত্তৰ দিয়ক।'

'ও কৰ্ত্তকচোন আপুনি তেতিয়া ক'ত আছিল ?'

'ঘৰতে।' অত্যন্ত কোমল মাতেৰে মলয়াই উত্তৰ দিলে। মলয়াই তেওঁক সোধা কথাবোৰ মন কৰাতকৈ মন কৰিছে আমাবোৰে। তেওঁৰ আয়ত গভীৰ চকুযোৰ প্ৰত্যেকৰে মুখৰ ওপৰেৰে ঘূৰি আহি মোৰ মুখৰ ওপৰত থমকি ৰয়হি। মই তেওঁক মোৰ আত্মীয় বোলা বাবে হয়তো তেওঁ মই কোন মনত পেলাবলৈ চেষ্টা কৰিছে।

'আপোনাৰ নাম সীতা ?' মোচৰালা 'হেট' পৰিহিতে প্ৰশ্ন কৰিলে।

'মোৰ নাম মলয়া' —অন্যমনস্ক ভাবেই মলয়াই উত্তৰ দি কলে—'সীতা মোৰ বাইদেউ।'

'মিছেছ ৰাজখোৱাৰ মৃত্যুৰ সময়ত আপুনি ঘৰত আছিল, কিন্তু আগদিনালৈকে হোষ্টেলত আছিল।'

'ও'

'হঠাৎ যে বন্ধ আদি একো নথকাত ঘৰলৈ আহিছিল ?'

'বাইদেউৰ পৰা কিছুদিনৰ আগতে চিঠি এখন পাইছিলো তেওঁ মাতি পঠাইছিল।'

ঢোক গিলি মলয়াই বৈ বৈ কৈ গল—'আমাৰ ভাবে ছোৱালী এজনী হোষ্টেলত থাকে, মানে—মোৰ লগতে। তেওঁক আনিবলৈ তেওঁৰ মাক আৰু ড্ৰাইভাৰ গৈছিল। লগ পোৱাত মযো গুচি আহিছিলো বাইদেউৱেনো ইমানকৈ কিয় মাতিছে বুলি।'

'কিমান নিশা ঘৰ পাইছিলহি ?'

'নিশা তেতিয়া প্ৰায় শেষ হৈছিল।'

মলয়াৰ চকু আছিল সমুখৰ বেৰত স্থিৰ হৈ, তেওঁ যেন ভাবি ভাবি উত্তৰ দিছে।

বসন্তই ট্ৰেৰ ওপৰত চাহ কেই কাপমান, বিস্কুট ভুজিয়া আৰু কিবা কিবি আনি 'হেট' পৰিহিত ভদ্ৰলোকটিৰ সমুখত থকা ডাঙৰ মেজখনত থলেহি। এইখন আশিষৰ পঢ়া-শুনা কৰা মেজ আছিল।

এই মেজাজে অকিচাবটিয়ে প্ৰশ্নৰ উত্তৰ লিখি গৈছে। বাক কৰ জবানবন্দী।

মই উঠি গৈ সকলোৰে আগে আগে চাহ পৰিবেশন কৰি দিলো। মলয়াৰ ফালে চাহ একাপ আগবঢ়াই দিয়াত তেওঁ মূৰটো লাহেকৈ জোকাবিলে। অৰ্থাৎ তেওঁ চাহ নাখায়। মই সুধিলো—'গাখীৰপানী খাবানেকি ?'

এইবাৰ মোৰ প্ৰশ্নত তেওঁ মাৰ মুখলৈ চালে। কোঠাত মায়েই বয়োবৃদ্ধ লোক। মলয়ে হয়তো মাৰ পৰা জানিব খুজিছে—পিতৃৰ মৃত্যুত তেওঁ মুখত পানী লব জানো। মায়ে কলে 'খোৱা পানী ডবণ খাব নোৱাৰাৰ মানে নাই।' মই মাৰ মুখলৈ চালো। এয়া ভদ্ৰলোকৰ আগত ভদ্ৰতা ৰক্ষা কৰিবলৈ বাহিৰ কৰা কোমলতা নে হৃদয়ৰ সহানুভূতিৰ কোমলতা একো বুজিব নোৱাৰিলো। তেখেতে অ'লহী-অতিথি বা বাহিৰা মানুহৰ আগত বিশেষ কোমলতাৰ ৰূপ এটি ধাৰণ কৰে। সদায়েই তই বোলা পুতেকহঁতকো তুমি বোলে। তেখেতৰ এই কোমল মাতটি চেহেৰাটোৰ লগত খাপ নোখোৱাৰ দৰে লাগে। আমি তেখেতৰ দৃঢ় কঠোৰ ৰূপটো সদায় দেখি থকা বাবেই হয়তো এনে লাগে। বাহিৰৰ কদাকাৰ চেহেৰাকো কোমল কৰি ৰাখে হৃদয়ৰ কোমলতাই। ইস্পাতৰ বুকুলৈ জিতাৰে কোমল সুৰ উলিয়ালে হব কি ?

চাহ খাই উঠি 'হেট' পৰিহিত মোচৱালাই মলয়াৰ মুখলৈ চালে। এই চোৱাৰ অৰ্থ কোৱা এতিয়া ? মলয়াইয়ো তেওঁৰ এই দৃষ্টি বুজি কলে—

'মই একালৰ পৰা কৈ যাওঁ শুনক—মই গেটৰ মুখৰ পৰা দেখো মাৰ কোঠাত 'ডিম পাৱাৰৰ লাইট' জ্বলি আছে। বাকী গোটেই ঘৰটো অন্ধকাৰ। আনকালে পাচকাল আৰু আগকালৰ বাৰাণ্ডাত 'লাইট' জ্বলি থাকে। নীৰৱ নিভাল মাৰি থকা ঘৰটোলৈ চাই মই ভাবিলো—এতিয়া নিশ্চয় সকলোৱে শুনৰ

টৌপনি । মই পৈ সীতাবাৰ টৌপনি ভঙাৰ ইচ্ছা নহ'ল। পুৱাৰ বতাহ বৈছে, অলপ অলপ পোহৰ হৈ আহিছে। অলপতে চৰাইবোৰে পুৱাৰ বন্দনা গাব। মই পদূলিত থকা ফুলজোপাৰ তলতে বহিলো। মোৰ কাষৰ বকুলফুলবোৰ বুটলি ললো। হাতৰ তলুৱাত ফুলখিনি লৈ ফুলৰ ওপৰত চকু থৈ তেওঁলৈ মনত পেলালো। মোৰ মনত ভাব হৈছিল যদি তেওঁক এই সময়ত কাষত পালোহেঁতেন তেন্তে ফুলখিনি তেওঁৰ হাতত তুলি দিলোহেঁতেন।

'তেওঁনো কোন?' অফিচাৰটিয়ে প্ৰশ্ন কৰিলে।

'যাক মই ভাল পাওঁ, যি মোৰ সকলোতকৈ প্ৰিয়।' অকম্পিত স্বৰে মলয়াই কলে।

'তুমি কাক ভাল পোৱা?'

'কথা কওঁতে আপুনি, তুমি আপুনি দুটা সম্বোধন ব্যৱহাৰ কৰিছে। ইংৰাজীত 'ইউ' এটা শব্দই। এইদৰে খেলিমেলিকৈ সম্বোধন ধৰাতকৈ ইংৰাজীতে কথা কওঁক। সহজ হব। মই যাক ভাল পাওঁ তেওঁ কোন জানিলেও আপোনাৰ কোনো কামত নাহে। যি কথা শুনিলে কামত আহিব সেই কথা শুনক। ঠিক সেই সময়তেই দুৱাৰ খোলখালে। দুৱাৰ খোলোঁতে কোনো শব্দ হোৱা নাছিল। মই মাৰ কোঠাৰ ফালে চকু তুলি চাইছিলো বাবেহে দেখিছিলো। মা আৰু তেওঁ মাৰ কোঠাৰ পৰা ওলাই আহিল। অকণমান সময় দুয়ো মুখা-মুখি হৈ বৈছিল। হয়তো কিবা কৈছিল। তাৰ পাচত খট্‌খটিয়েদি মানুহজন নামি আহিল। ইতিমধ্যে মই বকুল জোপাৰ আৰ লৈ বহিছিলো। সেই ঠাইডোখৰ অন্ধকাৰ হৈ আছিল। সীমাত থকা নাহৰ গছৰ ছাঁ পৰি আছিল। মোৰ পৰা চাৰি হাতমান আঁতৰেদি তেওঁ পাৰ হৈ গ'ল।

'প্ৰথমতে তেওঁকহে ধৰ লাগিছিল। চোৰ তেওঁহে। নিশাতে আহে নিশাতে ভাগে। কোন তেওঁ?' অফিচাৰটিয়ে কলে।

'মই চিনি নাপাওঁ' বুলি কৈ মলয়াই অলপ সময় বৈ আকৌ কলে—

'প্ৰথমতে তেওঁকহে থব লাগিছিল বুলি কৈ আপুনি ইয়াকে অৰ্থ কৰিছে মই মাক থলো। আপুনি যেনেকৈ যি ভাৱে ভাবক মোক মাথোন কবলৈ দিয়ক।' কথাষাৰ কৈ মলয়াই স্থিৰভাৱে সমুখৰ বেৰৰ কোনো এক অংশত চকু থৈ ঢোক গিলি কবলৈ ধৰিলে—

'মানুহজন যোৱাৰ ফালে মই চাই আছিলো। তেওঁ গৈ তিনি আলিৰ মুৰ পাওঁতে মই ভিতৰৰ ফালে গুলীৰ শব্দ শুনি জাপ মাৰি থিয় হলো। মই দেখা পাওঁ মা থৰক-বৰককৈ নিজৰ কোঠাৰ ফালে আগ বঢ়া। কিন্তু কেইখোজমান আগবাঢ়ি মা ঢলি পৰিল। মই মাক তেনে অৱস্থাত দেখি লৰি গৈছিলো। মাৰ ওচৰত গৈ মই থমকি বৈ গলো। কেনেযে লাগিছিল মোৰ সেই দৃশ্য দেখি! মই মাতিব খুজিও মাতিব পৰা নাছিলো। মায়ে মোৰ মুখলৈ বৰ কৰুণ আৰু সপ্ৰশ্ন দৃষ্টিৰে চালে। হয়তো মায়ে ভাবিছিল মোৰ দ্বাৰাই এই কাৰ্য্য হ'ল। মায়ে আতুৰ কণ্ঠেৰে মাথোন এবাৰ কলে 'মলয় তই?' আচৰিত! মায়ে হঠাতে মোক তেনে অৱস্থাত পাই মোকেই সন্দেহ কৰিও কোনো আক্ৰোশ বা ঘৃণা ভাব প্ৰকাশ নকৰিলে। মাৰ অসহায় মিনতিপূৰ্ণ মুখখনে মোৰ বুকু মুৰ হাত ভৰি সকলোতে জিকাৰি দিলে। মই মাৰ ওচৰত বহি পৰিব খুজিও বহিব নোৱাৰিলো। মায়ে হাতেৰে তেজৰ সোঁত বোৱা ঠাইখিনি হেচি ধৰি আছিল। তাৰ পাচত এসময়ত সেই হাত তুলি নিজৰ গালত হেচি ধৰিলে। কপালত কি যেন খেপিয়াই চুলি টানিছিল। হয়তো মাৰ দেহৰ পৰা আত্মা বাহিৰ হবৰ সময়ত দেহৰ লগত সংযোগ হৈ থকা বন্ধন ছিঙি ছিঙি যেতিয়া চকু নাক কাণৰ বন্ধন ছিঙিছিল, মুৰত যেতিয়া বন্ধন ছিঙাৰ বুট্‌বুটনি তুলিছিল মায়ে হয়তো তেতিয়া নিজৰ মৃত্যু হোৱাৰ কথা বুজিছিল।

সেয়ে বন্ধন ছিঙা কাৰ্য্যত বাধা দিবলৈকে তেনে কৰিছিল। কিন্তু নিশ্চিত মৃত্যুক জীয়াই থকাৰ মোহে বাধা দিব নোৱাৰিলে। মাৰ চকু থৰ হৈ গ'ল। হাত অচল হৈ সৰি পৰিল। তেতিয়াহে মোৰ হুচ হ'ল নেকি জানো! মাৰ এনে মৃত্যুত মই ভয় আতঙ্কত কঁপি উঠিলো। দুঃখ শোক মই নুবুজিলো, মই মাথোন ইয়াকে বুজিছিলো মাক কোনোবাই হত্যা কৰিলে। মাৰ মৃত্যু হ'ল আৰু মাৰ কাষত মই বৈ আছো। আইনে মোক বান্ধিব। এদল মানুহৰ মই আলোচনাৰ বিষয় হম। এদল মানুহৰ ঘৃণা ভৰা দৃষ্টিয়ে মোক খুচিব। চিড়িয়াখানাৰ বান্দৰ চোৱাৰ দৰে মোক সকলোৱে চাব। খুচি বিন্ধি টুকুৰিয়াই ৰং চাই আমোদ কৰি হাঁহিব। মই সমুখত দেখা পালো মোলৈ কৌতূহলেৰে চোৱা যোৰা যোৰা চকু। সেই চকুবোৰ কি ভয়ঙ্কৰ! কি নিৰ্ম্মম, কি সাংঘাতিক। মোক যেন এদলে দাঙি ধৰি বান্দৰ নচুৱাইছে আৰু এজাকে আনন্দৰে হাঁহি হাঁহি তাক উপভোগ কৰিছে। মই পলাবলৈ চেষ্টা কৰিলো। প্ৰথমে ভিতৰফালে কৰিডৰেদি লৰিলো। মই ঘূৰি আমাৰ কমৰ ফালে যাবলৈ গৈ কাৰোবাৰ গাত খুন্দা মাৰিলো। মোৰ গাৰ অপ্ৰত্যাশিত খুন্দাত তেওঁৰ হাতৰ পৰা কিবা এটা সৰি পৰিছিল। মই সেইটো বুটলি ললো। সেইটো বুটলি লোৱাৰ লগে লগে তেওঁ মোক সাৱটি ধৰিলে। মই বস্তুটো টানি লৈ লৰ মাৰিলো। মোৰ ভাব হৈছিল এওঁ মোকো শেষ কৰিব। বস্তুটো মানে পাপাৰ বিভলভাৰটো পালো। সেয়ে মই সেই বস্তুটো তেওঁক নিদি টনা-আজোৰা লগাইছিলো।'

ইমানলৈকে কৈ মলয়াই চকুবোৰ বহলকৈ মেলি সমুখৰ বেৰলৈ অপলক নেত্ৰে চাই ৰ'ল। তেওঁ যেন স্থান কাল পাহৰি গ'ল। তেওঁ যেন তেওঁৰ ইকাষে সিকাষে থকা মানুহবোৰ পাহৰি গ'ল অৰ্থাৎ নেদেখা হ'ল। ভয় আতঙ্ক ঘৃণা আক্ৰোশত তেওঁৰ সুন্দৰ মুখখন কেনে হৈ পৰিছে! ওঁঠ দুটা কঁপিছে। চকুবোৰ

স্থিৰ নিশ্চল। তেওঁ যেন শূন্য বগা বেৰখনত মাকৰ মৃত্যুৰ ছবি দেখিছে। তেওঁক এদল মানুহে বেঢ়ি ধৰি অট্টহাস্য কৰা ছবি দেখি তেওঁ বিবুদ্ধি আৰু আতঙ্কিত হৈছে। কি কৰো কি নকৰোকৈ এইবাৰ তেওঁ চাৰিওফালে চাই সেই ঠাই এৰি পলাবলৈ চেষ্টা কৰিলে। ঠিক সেইভাবে তেওঁ বহাৰ পৰা উঠি কোঠাৰ পৰা ওলাই যাব খুজিলে। কিন্তু তেওঁ এইবাৰ লৰি পলোৱাৰ পৰিবৰ্ত্তে থৰক্ বৰক্কৈ কঁপা ভৰিৰে খোজ দিলে। মই থাপ মাৰি তেওঁক ধৰি তেনেকৈ যোৱাত বাধা দিব খুজিলো। মোৰ হাতত‌ে তেওঁৰ শৰীৰৰ সকলো ভৰ এৰি দি ক্লান্ত অৱশ ভাবে ঢলি পৰিল। চকু মুদি দিলে। মই আৰু সবিতা বাইদেউৱে নি তেওঁক ভালকৈ বিছনাত শুৱাই দিলো। আমি কৰা প্ৰশ্নবোৰৰ মলয়ে একো উত্তৰ নিদিলে। যেন তেওঁ শ্ৰৱণ শক্তি হেৰুৱালে। বাক শক্তি হেৰুৱালে। হঠাতে শৰীৰৰ সকলো ইন্দ্ৰিয়ই তেওঁৰ লগত শত্ৰুতা কৰিলে। তেওঁৰ অবাধ্য হ'ল।

ডাক্তৰ দত্তই ছোৱালীজনীৰ মানসিক ৰোগৰ সাক্ষী দিলে যদিও দুঃখৰে সৈতে মলয়াক কাগজ কলমেৰে গ্ৰেপ্তাৰ কৰি অফিচাৰটিয়ে কলে—'মই দুঃখিত। এওঁক সন্দেহজনক বুলি আইনে গ্ৰেপ্তাৰ কৰিবলৈ কয়। আইনে দোষী পালে পুলিচৰ হৰ্ত্তা-কৰ্ত্তা বিধাতাকো গ্ৰেপ্তাৰ কৰিব। এওঁ হ'ল এই বিধাতাৰ জীয়েকহে।'

ডাক্তৰ দত্তই তেওঁক জামিনত ললে। ঘৰৰ সকলোৰে থং—মই কিয় মিছা কথা এসোপা কৈ মলয়াক নিজে লৈ অহা বুলি কৈছিলো। সকলোতকৈ আগতে পুলিচ ইন্সপেক্টৰজনে মোলৈকে ইপাতৰ পাচত সিপাত শৰ এৰিছিল। মই মিছা এসোপা বকি গৈছিলো। তেওঁ তাকেই লিপিবদ্ধ কৰি গৈছিল।

তেওঁলোক যোৱাৰ পাচত মই মূৰে কপালে হাত দি বহি পৰিলো। এতিয়াহে মই উপলব্ধি কৰিছো মিছাকথাৰ জাল বলে সেই জালত, নিজে অকাই পকাই বান্ধ খোৱাৰ ভয়ৰ বাদে

সুফল কি পোৱা যায় মই নাজানো।

হঠাতে মাকৰ মৃত্যুত মলয়া অসুস্থ হৈ পৰা কথা ৰাজ-খোৱাৰ ঘৰত কোনেও কোৱা নাই। কোনেও কোৱা নাই অসুস্থ মলয়াক মাধুৰী দত্ত নামৰ সম্পৰ্কীয় বায়েক এগৰাকীয়ে লৈ যোৱা বুলি। এওঁলোকৰ ঘৰৰ মানুহবোৰে কোৱা কথাবোৰ এই কেই-দিনৰ ভিতৰত খবৰ কাগজত সুন্দৰ ভাবে প্ৰকাশ হৈছিল। সেই ঘৰত কাৰো মুখত মলয়াৰ নামেই ওলোৱা নাছিল। ইফালে মই ক'লো—মাকৰ বুকুৰ ৰঙাতেজ দেখি মলয়াৰ মূৰত প্ৰচণ্ড আঘাত পৰিল। গুলী বুকুত পৰা নাছিল। পেটতহে পৰিছিল। এই কথা কাগজতে পাইছিলো যদিও সেই সময়ত পাহৰি গলো।

মোক অফিচাৰটিয়ে প্ৰশ্নৰ ওপৰত প্ৰশ্ন কৰি থকা-সৰকা কৰিলে। কোন সময়ত মই মলয়াক লৈ আহিলো। মই কোন-দিনা তালৈ গৈছিলো। মই গৈ পাওঁতে মলয়াই কি কৰিছিল। তেওঁলোকৰ ঘৰত কাক পাইছিলো। কাৰ লগত কথা হৈছিলো। মই যদি মলয়াক ন বজাত লৈ আহিছো পুলিচৰ পহৰাতো তাৰ আগতেই বহুৱা হৈছিল। ঘৰৰ মানুহতো কাকো ওলাবলৈ দিয়া নাছিল। দেউতাকে আনিবলৈ দিলেনে? সীতা বৰ বেছি ভাঙি পৰা নাছিলনেকি? শোকাকুল ঘৰখনৰ বাকীবোৰ ল'ৰা-ছোৱালীক এৰি মই সেইদিনাই কিয় তেওঁক লৈ আহিলো? মইতো অন্ততঃ আৰু দুদিন তাত থাকিব পাৰিলোহেঁতেন। ইয়াত ইমান জৰুৰী কি কাম আছিল? মই তপতে তপতেনো মলয়াই মানসিক সুস্থতা হেৰুৱা কথা কেনেকৈ গম পালো? মৰমৰ আত্মীয়জনৰ চিৰ বিচ্ছেদত মানুহে কান্দে, কথা কয়, বিলাপ বকে—গুচি যোৱাজনৰ গুণ বখানি মাটিয়ে পকাই য'তে ত'তে মূৰ মাৰে। এনেবোৰ কাৰ্য্য কৰা বাবেতো পাগল হৈ যোৱা বুলি কব নোৱাৰি। এইবোৰ হ'ল স্বাভাৱিক। পাগলামি কিবা কৰিলেও সেই পাগলামি যে অস্থায়ী সেই কথা সকলোৰে জনা কথা।

মই মলয়াক কেনে দেখি মাৰাত্মক ভয়ত লৈ আহিলো ? মলয়াই কাৰোবাক মাৰিবলৈ কাটিবলৈ গৈছিল নেকি ? শোকত হোৱা পাগলে মৰা কটা কৰে জানো ? তেন্তে খং উত্তেজনাত উন্মাদ হোৱা মানুহে গান গাব ? কবিতা লিখিব ?

সকলোতকৈ বিপদ হৈছিল ঘৰটোৰ কেইটা কোঠা—পদূলিৰ পৰা ঘৰটো কেইগজ দূৰত এইবোৰ সোধাত। ঘৰৰ সমুখত প্ৰকাণ্ড লন্‌নে ফুলনি এখনহে আছে—এনে প্ৰশ্নবোৰত মই কৈছিলো ঘৰৰ সমুখত সেউজীয়া লন্, কিনাৰে কিনাৰেহে ফুল। সক সক ল'ৰা-ছোৱালী কেইটাই ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালীৰ লগত আবেলি সমুখৰ লনত খেলে। এই কথাও মই তেওঁলোকৰ প্ৰশ্নৰ উত্তৰত হে কৈছিলো। সদায় সদায় এজাক ল'ৰা-ছোৱালীৰ গছকত সেউজীয়া ঘাঁহ জানো সেউজীয়া বা সজীৱ হৈ থাকে ?

মই ধৰিবই পৰা নাছিলো একেটা প্ৰশ্নকে মোক দুবাৰ তিনিবাৰ কৰা কথা। এটা প্ৰশ্ন কৰে। উত্তৰ দিওঁ। আন প্ৰশ্ন কৰে। তাৰো উত্তৰ দিওঁ। তাৰ পাচত এসময়ত আকৌ ঘূৰাই আগেয়ে কৰা প্ৰশ্নকে আন ধৰণেৰে কৰে। মই আকৌ উত্তৰ দিওঁতে আগৰটোৰ লগত নিমিলে।

মিছাকথা কোৱা মোৰ অভিজ্ঞতা নাই। প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰত মই উজুটি খাইছিলো। কোনো কথাৰ মিল নহৈছিল। মোৰ প্ৰত্যেকটো কথাই যে মিছা তেওঁলোকেও বুজিছিল। তথাপি লিপিবদ্ধ কৰিছিল। মাজতে এবাৰ ভাব হৈছিল কৈ দিওঁ নেকি সচা কথা! ইমান সময়ে মই কোৱা কথাবোৰ মিছা কথা। সাজি কোৱা। ইয়াৰ আগতে মই মলয়াক কোনোদিন দেখা নাছিলো। চিনিও নাপাওঁ। নামো শুনা নাছিলো। কব খুজিও বৈ গলো। সচাকথা কলে কব লাগিব অমুক ষ্টেশ্যনত অমুক দিনা নিশা ইমান সময়ত হঠাৎ আহি ছোৱালীজনী আমাৰ ভৰাত উঠিছিলহি। তেওঁৰ হাতত বিজলভাৰ এটা আছিল। ইত্যাদি ইত্যাদি...

এইবাৰ প্ৰশ্ন হ'ল মলয়া মোৰ কোন কালৰ আপোন? মাকৰ কালৰ বুলি কবৰ মন নগ'ল। ৰহস্যময়ী নাৰীবোৰ সতী সাধ্বী যেন নালাগে দেখোন। মলয়াৰ মাক বেছ ৰহস্যময়ী, খবৰ কাগজত তেওঁৰ বিষয়ে পঢ়ি তাকেই বুজিছো। সুন্দৰী সতী নাৰী স্বামীৰ প্ৰহাৰত, মাছ বছা মৈদাৰ কোবতহে মৰে। বাহিৰা মানুহৰ পিষ্টলৰ গুলীত নমৰে। বীৰাঙ্গনা নাৰী অৰণ্যে বন্দুকৰ গুলীত মৰে। সেই মৰা আৰু এই মৰাৰ মাজত তফাৎ আছে। বীৰাঙ্গনা নাৰী মৰে উত্তেজিত এদল জনতাৰ সন্মুখত। স-সন্মানেৰে দিনৰ পোহৰত। এওঁৰ মৃত্যু হৈছে নিশাৰ অন্ধকাৰত। সাক্ষী ৰ'ল মাথোন নিশাৰ নীৰৱতা। এই মৃত্যুত গৌৰব কি? সন্মান ক'ত? তেওঁতো দেশৰ বাবে বা দেশবাসীৰ বাবে প্ৰাণ হেৰুৱা নাই।

প্ৰাণ দিলে নিজৰ ভোগৰ ইতিহাসত। তেওঁৰ সুন্দৰ কমনীয় দেহটি মোৰ চকুৰ আগত ভাঁহি উঠিল।

কৈলাশদায়ে ক'লে—'তুমি যে তেওঁলোকৰ কাকো চিনি নোপোৱা, একো কথা নাজানা তাৰ পৰা বিপদ নহয়। বৰং ভালহে হব। শেষত সচা কথা কৈ দিলেই লেঠা মৰিব।'

'কৰ্টলৈও যাব লাগিব নেকি?' ভয়ে ভয়ে মই কৈলাশদাক সুধিলো।

'লাগিবতো। তুমি এনে এটা হত্যাকাণ্ড হৈ যোৱা ঘৰ এখনৰ পৰা ছোৱালী এজনী আনি থবা আৰু তোমাৰ পদুলিতে সেই ছোৱালীৰ দেউতাককো কোনোবাই হত্যা কৰি পেলাই থব। ইমান ডাঙৰ কথাটো বিচাৰে বাদ দিব কিয়?'

'মই আনিছিলোনে? অসুস্থ বাবে এৰি নিদি চিকিৎসা কৰোৱাৰ পুৰস্কাৰ কলঙ্কহে হ'ল।'

'নিজে তুমি লৈ আহিছো বুলি কৈছা। 'আইনৰ ধাৰা' নামৰ ছুৰীখনেৰে কথা কটা-কটি কৰোতে, ধৰ্ম্ম, দয়া, পৰোপকাৰ

শুনি শাঁত লগা কথাবোৰ নকটা নেৰেপাকৈ এৰি থৈ নাযায়।'

'মই কিন্তু আৰু মিছা কথা কব নোৱাৰো।'

'তোমাক মিছা কথা কবলৈ কোনে কৈছিল ?' স্বামীয়ে ক'লে।

'এইবাৰ পৰিষ্কাৰ ভাবে সকলো সচা কথা কৈ দিবা—বচ্।' কৈলাশদায়ে ক'লে। তেওঁৰ কথাৰ উত্তৰত মই কলো—

'সচাও নকওঁ। সচা ক'লে মলয়া বিপদত পৰিব।'

'তেন্তে জয়মতীৰ দৰে—'মই একো নকওঁ' বুলি মাথোন কৰা' বুলি কৈ আশিষে আকৌ ক'লে—'তুমি সচা কলে মলয়া কেনেকৈ বিপদত পৰিব ? তেওঁতো নিজেই হাতত বিভলভাৰ লৈ লৰি অহালৈকে কলেই। তাতে সচাই যদি মলয়া দোষী হয় ধৰা পৰাত তোমাৰ ইমান আপত্তি কিয়!'

'ছোৱালীজনী যে মানসিক অসুস্থ!'

'মায়ে কোৱাৰ দৰে সকলো হয়তো ঢং।. তুমি সকলো সচা কথাই কলা কিজানি বুলি ভাবি সেইদৰে পিষ্টলটো হাতত্তলৈ পলোৱাৰ গল্প এটি সাজি ক'লে। তুমি কথা কওঁতে তেওঁতো ওচৰত নাছিল।'.

অলপ বৈ আকৌ আশিষে গধুৰ সুৰেৰে ক'লে—'মই নিজ চকুৰে দেখিছো তেওঁ দেউতাকক হত্যা কৰিছে। তেওঁ নকৰিলেও লগত তেওঁ যোগ আছে। মটৰৰ পৰা তেওঁৰ সতীৰ্থ কোনোবাই দেউতাকক হত্যা কৰিছে। এই কথা অৱশ্যে মই নাজানো। কিন্তু মই তেওঁক দেখা কথা সত্য। আনৰ কথামতে মই মোৰ চকুক অবিশ্বাস কৰিমনে। বৰষুণৰ শব্দত দীপালীয়ে তেওঁৰ কোঠাৰ পৰা গীতৰ সুৰ ভাঁহি অহা কেনেকৈ শুনিলে ?'

বৰষুণৰ শব্দ হঠাতে হৈ হঠাতে স্তব্ধ হৈছিল এই কথা মই কব খুজিও কোনো মাত্ত নামাতি আশিষেনো কি কয় শুনিব খুজিছিলো। তেওঁ 'কলে—মলয়ে শেষত একো নজনাৰ ভাও ধৰি

আন দিনাৰ দৰে পুৱতীতে কোঠাৰ পৰা ওলাই গৈছে। যেন পদূলিত পৰি থকা ডেড্‌বডিৰ বিষয়ে একো নাজানেই এনে ভাবে ওচৰৰ গছৰ তলত বহিছেগৈ। আচলতে ছোৱালীজনী ভীষণ বুদ্ধিয়ক। তেওঁ ভাবিছিল এনেকৈ হলে তেওঁক কোনেও সন্দেহ নকৰিব। ছাতি লৈ ফুৰিবলৈ ওলাইছিল। সিদিনা বৰষুণ দিয়া বাবে ওলাই নগ'ল বুলি তোমাক কৈছিল। আজি কিয় ছাতি লৈ হলেও ওলাই গৈছিল? এইবোৰ পাগলামি নহয়। এয়া তেওঁ কৰা পাগলামিৰ নাটক মাথোন।'

'আচু, তুমি এই চাকৰি এৰি দিয়া।' মই লাহেকৈ ক'লো।

'তুমি পুলিচৰ চাকৰিত সোমোৱা। নহলে 'ল' পঢ়ি ক'ৰ্টলৈ ক'লা কোট পিন্ধি অহা-যোৱা কৰা। তুমি বেছ নাম কৰিবা। টকাও হব। নামো হব। সচা দোষীক শাস্তি দিলে দেশৰো মঙ্গল হ'ব। বিচাৰক হৈ সচা দোষীক শাস্তি দি নিৰপৰাধীক বচাই দিয়া পুণ্যৰ কাম। সেয়েহে বিচাৰকক ধৰ্ম্মাৱতাৰ বুলি কয়। তুমিতো নিশ্চয় টকাৰ লোভত এই ধৰ্ম্মৰ পৰা পিছলি নপৰা। কাম, ক্রোধ, লোভ, মোহ মায়া এইবোৰৰ ভিতৰতো মাৰ মাথোন ক্রোধটিহে আছে। ধনৰ লোভ দূৰৰ কথা। তৰ্‌বৰ্‌ কৰা এই ৰূপ যৌৱনেও তোমাক অকণো মায়ামোহ লোভৰ জালত পেলাব নোৱাৰিলে। তুমি বৰ দৃঢ়। তুমি ইলেকচনত উঠিলেও বেয়া নহয়। পুলিচত সোমালেও বেয়া নহয়। বিচাৰকৰ চকীত বহিলেও ভাল হয়। তুমি আদৰ্শ হবা।

০ ০ ০ ০

সাজ-পোছাক কৰি মলয়া আহি আমাৰ সমুখত থিয় হ'লহি। আৰ্শিযৰ ফালে চাই সুধিলে—'সময় কিমান হ'ল বাৰু?'

'পাঁচ বাজিবলৈ দহ মিনিট।' হাতৰ ঘড়ীটোলৈ চাই আৰ্শিযে ক'লে।

'এতিয়া গলে সাতমান বজাত ঘৰ পামগৈ।' মলয়াই

নিজক নিজে কথাষাৰ কৈ মোৰ ফালে চাই কলে—'মোক বাৰু টেক্সি এখন ঠিক কৰাই দিব পাৰিবনে ? আৰু টকা কেইটা-মান ? মই পঠাই দিম।'

'কিমান লাগিব ?' মই সুধিলো।

'বেচি নালাগে টেক্সি ভাড়া মই ঘৰত দিমগৈ ! বাটে-পথে কিবা প্ৰয়োজন হয় বুলিহে। আপোনাৰ টকা টেক্সি ড্ৰাইভাৰৰ হাতত হলেও দি পঠাম।'

কথাষাৰ কৈ ছোৱালীজনী মোৰ ওচৰতে বহিল। আৰ্শিৰলৈ চাই ক'লে—'মইতো কাকো চিনি নাপাওঁ। অনুৰোধ কৰাবাবে বেয়া নাপাব। মই আজি যেনে তেনে ঘৰলৈ যাবই লাগিব।'

এই কথাৰ অৰ্থ—তুমি এতিয়াও বহি আছা কিয় ? উঠা, টেক্সি এখন লৈ আহাগৈ। কথাৰ অৰ্থ আৰ্শিযে বুজিছিল। সেয়ে তেওঁ—'কিয় বেয়া পাম' বুলি উঠি গ'ল। আগফালে কৈলাশদা বহি আছিল। প্ৰথমে তেওঁৰ ওচৰলৈ গ'ল। তাত কি জানো আলোচনা কৰিলে, তাৰ পাচত ফোনটোৰ ওচৰলৈ আহিল। হয়তো সৰু ককায়েকক কথাটো কব খুজিছে। কেইদিনমানৰ পৰা তেওঁৰ কামৰ হেচা পৰিছে। অফিচৰ পৰা আহোঁতে পলম হয়। ফোন কৰি আৰ্শিয় আকৌ আমাৰ ওচৰ পালেহি। তেওঁ মল-য়াক ক'লে—'সৰুদালৈ ফোন কৰিছো। তেওঁ টেক্সি লৈ এইমাত্ৰ আহিব। তুমি সাজু হোৱা।'

'মোৰতো সাজুহবলৈ একো নাই। মই প্ৰস্তুত।' কথা-ষাৰ কৈ মলয়া কোঠাৰ পৰা ওলাই গ'ল। আতৰি যোৱা মলয়াৰ ফালে চাই থাকি আৰ্শিযে মোক সুধিলে—'দেউতাকৰ কথা ছোৱালী-জনীয়ে একো সোধা নাইনে ?'

'কতা ? একো সোধা নাই। হয়তো এনেকৈ মৃত্যু হোৱা 'ডেড্‌বডি' ক'ত কি কৰে সকলো জানেই। দেউতাকৰ মৃতদেহ যে ঘৰলৈ লৈ যোৱা হ'ল সেই কথা হয়তো আমি কোৱা-বেলা

কৰোতে শুনিছে ।'

'মন বুলি একো নাইনেকি ?'

'কিয় ?'

'কন্দা দেখিলানে ? নিজৰ পিতৃ-মাতৃৰ মৃত্যুত ইমান ধৈৰ্য্য কেনেকৈ পায় ইহঁতে ?'

'এয়া ভদ্ৰতা বা ভদ্ৰৰুচিৰ ভিতৰৰ কথা । সংযম আৰু ধৈৰ্য্য ভদ্ৰতাৰে প্ৰতীক । কিয় নাই কন্দা ! চকুৰ পানী কিমান বাগৰিল তুমি কেনেকৈ জানিবা । কাকো সাক্ষী ৰাখিতো কন্দা নাই । চাদৰৰ অ'চল ভিয়াই কিমানবাৰ চকু মোহাৰিলে দেখিবলৈ তুমিতো দিনটো তেওঁৰ মুখলৈ চাই থকা নাছিলা । ক্লান্ত দেহ-মন, বিষন্ন চেহেৰাটো দেখি তুমি একো বুবুজিলানে ! নে ইও তেওঁৰ অভিনয় !' কথাষাৰ কৈ মই ওলাই গৈছিলো । এই মুহূৰ্ত্ততো ছোৱালীজনীৰ প্ৰতি আঁশিষ ইমান কঠোৰ হৈ থকা কথাটো মোৰ ভাল লগা নাছিল । কঠোৰ হৃদয়ৰ মানুহ মোৰ চকুৰ কুটা । দীপালীৰো মোৰ সতে একমত । ছোৱালীজনীৰ মুখত এটা বেলেগ জ্যোতি আছে । এপাহ ফুলৰ দৰে মুখৰ ছোৱালীজনীয়ে নৰহত্যা কৰা কথা ভাবিবই নোৱাৰো । কৰিছে যদিও সম্পূৰ্ণ অসুস্থ মন-মগজৰে কৰিছে । ইয়াত তেওঁৰ দোষ নাই । হয়তো তেওঁলোকৰ কাৰ্য্যকলাপেই ছোৱালীজনীক অসুস্থ কৰিলে । অৰ্থাৎ মস্তিষ্ক অস্বাভাৱিক কৰিলে ।

মাত লগাই যাবলৈ বৈ মলয়াই দীৰ্ঘ নিশ্বাস এৰি আমাৰ সকলোৰে মুখলৈ চাই ক'লে—'আপোনালোক যেন মোৰ পৰম আত্মীয় । মই পাচত এবাৰ আহিম ।'

'তুমি নাহিলে আমিয়েই গৈ ওলামগৈ ।' সবিতা বাইদেউয়ে ক'লে । সবিতা বাইদেউৰ কথাত তেওঁ তেওঁৰ মধুৰ হাঁহিটি মাৰি 'বাব' বুলি কৈ পদূলিত ৰৈ থকা টেক্সিৰফালে খোজ

দিলে। আমিও তেওঁৰ লগে লগে পদূলিলৈ ওলাই আহিলো।

* * *

মই আৰ্শিষ দত্তই কৈছো—

টেক্সিৰ পৰা নামি মলয়াই মোক মাত এষাৰো নমতাকৈ ভিতৰ সোমাই গ'ল। মই মটৰৰ ভিতৰৰপৰাই তেওঁলোকৰ ঘৰ-টোলৈ চালো। আধা পোহৰ আধা অন্ধকাৰত প্ৰকাণ্ড ঘৰটো দেখি মোৰ এনে লাগিল যেন মুখ মেলি বৈ থকা ই এটা ভয়-ঙ্কৰ অজগৰ। সি ভয়ঙ্কৰ হৈ আছে ক্ষুধাত। গেটত হাত দিলেই টানি নিব। গিলি থব। মই ভাবিলো পদূলিৰপৰা ঘূৰি যোৱা ভাল নহব। এইদৰে চোৰৰ দৰে মনে মনে কিয় যাম! ঘৰত বায়েক আছে বুলি কৈছে। আত্মীয় স্বজনো নিশ্চয় কোনোবা আছেহি। মলয়া কেনেকৈ গৈ আমাৰ ঘৰ পালেগৈ আৰু ইমান দিনৰ সকলো কথা কাণ্ড তেওঁলোকক কৈ যোৱা ভাল হব বুলি টেক্সিৰ পৰা নামি ড্ৰাইভাৰক কলো—'তুমি অলপ ৰবা। মই আহিমগৈ।' কথাষাৰ কৈ মই টেক্সিৰপৰা নামি আকৌ ভাবিলো—মলয়াইতো মোক 'আহক' বুলি মাত এষাৰো দি যোৱা নাছিল। তাতে অপযশে ডুৰ্নামে স্পৰ্শ কৰা ঘৰ। যাওঁ জানো—ভিতৰলৈ? এনেভাব অহাৰ লগে লগে গেটৰ মুখতে থমকি ৰলো। মোৰ এনে লাগিল যেন মোক মৃত্যুৱে হাত বাউলি লৈ আছিছে।

দাৰোৱানে মোৰ মুখলৈ চাই ৰ'ল। অৰ্থাৎ মই সোমামনে নোসোমাম। নে কিবা খবৰ আছে! দৃষ্টিও দাৰোৱানৰ সতৰ্ক। আগে-পাচে মোক এই ঘৰলৈ অহা দেখা নাই। এই ঘৰৰ মূল মানুহ দুজনেই অলপ দিনৰ ভিতৰত কাৰোবাৰ হাতত প্ৰাণ হেৰুৱালে। তেওঁলোকৰ লগত সময়ত বন্ধুৰ থকা তিনিজন লোকো মৃত্যুৰ মুখত পৰে। এই আটাইকেইজনে একেজনৰ হাততে প্ৰাণ হেৰুৱাইছে বুলি সন্দেহ কৰে। কিন্তু কোন সেইজন নৰহত্যাৰ নায়ক, তেওঁক ধৰিব পৰা নাই। মোক ভিতৰ সোমোৱাত

বাধা দিবনেকি দাৰোৱানে হয়তো ভাবিছিল। কিন্তু স্বয়ং গৃহস্থ-কন্যাৰ লগত অহা বাবে একো নকৈ মুখলৈ চাই ৰ'ল।

মই কি কৰো ভাবি থাকোতেই দেখো দুৱাৰ খুলি মলয়া বাৰাণ্ডালৈ ওলাই আহিছে। ময়ো আগবাঢ়ি গলো। ঘৰটোৰ চাৰিওফালে পহৰাদাৰ পুলিচ। তাৰে দুজন বাৰাণ্ডাৰ বেঞ্চ এখনত বহি আছে। খলপাৰ মুখত বৈ মলয়াই মোক 'আহক' বুলি আহ্বান জনালে। এটা কোঠা পাৰ কৰি নি মোক যিটো কোঠাত বহুৱালে এই কোঠাটো ড্ৰইংৰুম নহয় যেন লাগিল। বেড ৰুমটো নহয়েই। লাইব্ৰেৰী ৰুমেই নিশ্চয়। কোঠাটোৰ দুমূৰে মেজ চকী সজোৱা। প্ৰকাণ্ড প্ৰকাণ্ড আলমাৰিত কিতাপ আলোচনী ঠাহ খাই আছে। কোঠাটোৰ একাষে ওপৰলৈ উঠি যোৱা খট্‌খটি। বাকী তিনিফালে তিনিখন দুৱাৰ। তাৰে এখনেদি আমি সোমাই আহিছো। আন খনেদি সম্ভৱ ভিতৰফালে যায়। মোক বহিবলৈ দি মলয়া সেইখন দুৱাৰেদি ওলাই গ'ল। গোটেই কেইখন দুৱাৰ বন্ধ।

কোঠাটোৰ চাৰিওফালে চকু ফুৰাই ওপৰফালে চালো—ইমান ওখ। দুমহলীয়া ঘৰ এটাৰ মাজতে এটা কোঠা এমহলীয়া কৰি থলে যেনে হব—এই কোঠাটোও ঠিক তেনে।

কোঠাৰ দুৱাৰ খোলাৰ মৃদু শব্দ হ'ল। ঘূৰি চাই দেখো মলয়া সোমাই আহিছে। মুখ চকুত মিঠা এটি হাঁহি। পৰিতৃপ্তিৰ এই হাঁহিটিত যেন ছোৱালীজনী জিলিকি উঠিছে। মলয়া বগা যদিও ইয়াৰ আগতে এনে উজ্জ্বল দেখা নগৈছিল। হাতত লৈ অহা গোলাপী পদাৰ্থখিনিৰ গ্লাচটি মোৰ ফালে আগবঢ়াই দি কলে—'খাওঁক চৰ্বত। বাহিৰত ভীষণ গৰম নহয়নে?'

বাহিৰত কিমান গৰম মই মনত পেলালো। মই মনে মনে থকাত কলে—'আমাৰ ঘৰৰ ভিতৰত বুজা নাযায় জাৰ গৰমৰ কথা। বিজ্ঞানৰ দিনত টকা থাকিলে সকলো সুবিধা কৰি

সুখ পাব পাৰি। আৰাম কৰিব পাৰি।'

তেওঁৰ কথা শুনি মাথোন অকণমান হাঁহিলো। মনতে নিজক ক'লো—টকাৰ বাহাদুৰী দেখুৱাই অহংকাৰ কৰি কথা কৈছে নেকি? মুখখন দেখি দেখোন তেনে নালাগিল। ইমান ডাঙৰ মানুহৰ জীয়েক? আভিজাত্যৰ অভিৰুচিৰে সজোৱা এই ঘৰ! নিজহাতে চৰ্বত লৈ আহিছে। দাস-দাসীৰ হাতত দি পাচে পাচে বা আগে আগে চেন্দেল চোচৰাই অহাৰ কথা। তেওঁ সুধিলে— 'গা ধুবনে? নে হাত-ভৰি ধুব? নে বাহিৰৰপৰা আহি এইবোৰ একো কৰ'ৰ অভ্যাস নাই? আমাৰ মায়ে কিন্তু বাহিৰৰ পৰা আহি নিশা এডোখৰত হলেও গা ধুইছিল। বাহিৰৰ বতাহত উৰিফুৰা বীজাণুৰ ভয়ত নে চাফ-চিকুণতাৰ বাবে নাজানো। গা ধুই তাৰ পাচত গোটেই গাত গন্ধ 'স্প্ৰে' কৰিছিল। মা বৰ চৌখিন আছিল। মাৰ কমটো চাব 'আহক' বুলি মোক বহাৰ পৰা হাতত ধৰি তুলিলে। হাতত ধৰিয়েই দুৱাৰ খুলি আন এটা কোঠালৈ লৈ গ'ল। কোঠাৰ মাজলৈ নি মোৰ হাতখন এৰি দিলে। মই কোঠাটোৰ চাৰিওফালে চকু ফুৰাই চালো। দুকাষে দুখন ডাঙৰ অইল পেইনটিং বেৰত। ৫।৬ ফুট দীঘল দুয়োখন পেইনটিং মিছেছ ৰাজখোৱাৰ। মিছেছ ৰাজখোৱাৰ চকু মলয়াৰ দৰে আয়ত আৰু উজ্জ্বল নহয়। কিন্তু মুখৰ গঢ় একে।

কোঠাৰ সোঁমাজত এখন দুজন শুব পৰা দামী পালেং। শুভ্ৰ কোমল বিছনাখন দেখি মোৰ এনে লাগিল তাত যেন বাগৰি পৰিম। দুৰাতি ভালকৈ শোৱা হোৱা নাই। তাতে পথৰ ক্লান্তি।

এইখন বিছনাৰপৰা মাজতে দুহাতমান ব্যৱধানত এখন সৰু পালেং। এই সৰু পালেংখনতে মই বহিলোগৈ। হাতত মোৰ চৰ্বতৰ গিলাচ। এতিয়াও মই গিলাচত মুখ দিয়া নাই। যদিও চৰ্বতত কিবা মিহলাইছে নেকি ভাব হৈছিল তথাপি মুখলৈ নিলো। এই

মুহূৰ্তত মোৰ ভাব হ'ল মলয়াই মোকো কিয় হত্যা কৰিব? বুকুৰ অমৃত ঢালি আদৰ যত্ন কৰিবলৈ যিদৰে বিশেষ সম্পৰ্ক থাকিব লাগিব সেইদৰে হত্যা কৰিবলৈও বিশেষ সম্পৰ্ক হ'ব লাগিব।

মোৰ সমুখত থিয় হৈ মোৰ মুখলৈ চাই থকা মলয়াক কলো— 'এতিয়া উঠো। ড্ৰাইভাৰ বৈ আছে। তোমাৰ বাইদেউৰাক চিনাকী কৰি নিদিলা দেখোন।'

'ৰব' বুলি মোক তাতে বহুৱাই মলয়া ভিতৰফালৰ দুৱাৰ-খন খুলি ওলাই গ'ল। এই ঘৰত ভৰি দিয়েই মই অবাক হৈছিলো। মোক আগবঢ়াই আনিবলৈ যোৱা মলয়াই যেন জীৱন সাগৰত জোবোৰা এটা মাৰি গোটেই গাতে জীৱন সানি গৈছিল। জীৱন অৰ্থাৎ আনন্দ। তেওঁৰ চকু মুখত হাঁহি। আচৰিত কথা ঘণ্টাকৈ তেওঁ কেনেকৈ বিষাদৰ সাজ এৰি এই সাজে সাজিলে? মটৰৰপৰা নামি আহোতে তেওঁ মোক এৰাৰো মাত নমতাকৈ নামি আহিছিল। সেয়া খুব বেচি কুৰি মিনিটৰ আগৰ কথা। সকলোতকৈ অবাক কথা—মাক-দেউতাক দুয়োজনকে প্ৰায় একে-লগে হেৰুৱাই এসপ্তাহ এমাহো নৌ যাওঁতে কোনোবা সন্তানে এইদৰে আনন্দ মনে থাকিব পাৰেনে? দেউতাকৰ আঘাততো জীয়া আঘাত।

মলয়া ঘূৰি অহা দেৰি কৰিছে। মোৰ এনে লাগিছে মই যেন ক্ৰমাত ৰহস্য হৈ পৰিছো। কোঠাত ডিম লাইটৰ পোহৰ। সমুখত জীৱন্ত যেন লগা ধুনীয়া গাভৰু সন্ধ্যা। যাৰ মৃত্যু হৈছে কাৰোবাৰ হাতত। তেওঁ যেন মোলৈ চাই হাঁহি হাঁহি কৈছে—'এইখন মোৰ বিছনা। তাত তুমি সেয়ে নবহিলা। বেছ কৰিলা। মোৰ বিছনাখন চোৱাচোন কেনে সুন্দৰ ভাৱে পাৰি থৈছে। চোৱাচোন বিছনাৰ মাজত এপাহ গোলাপ আছে। এই ফুলপাহ মোৰ প্ৰাপ্য। তুমি এটি সু-গন্ধ পোৱা নাইনে? সেই গন্ধটি ধূপৰ আৰু সুগন্ধী আতৰৰ। ধূপদান তোমাৰ পাচফালে

জ্বলি আছে ঘূৰি চোৱা। এইদৰে নীৰবে নিৰ্বিকাৰ ভাবে তুমি নজ্বলিবা।'

মই মোৰ কাবেদি খোৱাৰ সূতা এদাল অকাই পকাই অহা দেখি ঘূৰি চাই দেখো একাষে মাটিত থাপনাৰ দৰে পভা আছে। তাত মলয়াৰ মাক-দেউতাকৰ যুগল ফটো এখন থৈছে। সেই ফটোৰ কাষতে ধূপদাল জ্বলি আছে। ফুল কেইপাহমানো পৰি আছে।

মই আকৌ চকু ঘূৰাই সন্ধ্যা ৰাজখোৱাৰ অইল পেইনটিং-খনলৈ চালো। তেওঁ যেন এইবাৰ মোক ক'লে—তোমাৰ গাত মিঠা কোমল জাল এখন পৰিছে। তুমি গম পোৱা নাই। পাবা। পাৰিলে সাৱধানে ওলাই যাবা। টনা-আজোৰা কৰি ওলাব খুজি নিজে আঘাত বিচাৰি নলবা। জালখনে ইতিমধ্যে তোমাক সাৱটি ধৰিছে সেয়ে তুমি এই কমটোত অকলে বহি আছা।'

মই চকু ঘূৰাই মলয়া ওলাই যোৱা দুৱাৰখনলৈ চাই ৰলো। মাজতে এবাৰ পিন্ধি থকা ঘড়ীটোলৈ চালো। বৰ দেৰি কৰিছে মলয়াই। কি কৰিছেগৈ ভিতৰত? ঘৰত আৰু এটি প্ৰাণীও নাইনেকি? সৰু সৰু মলয়াৰ ভাই-ভনী কেইটামান থকাৰ কথা। মলয়াৰ এই ভাই-ভনীবোৰ বৰ্তমান ঘৰত কোনো নাইনেকি? ঘৰটো ইমান নিস্তব্ধ কিয়? নে এই কোঠাটোলৈ বাহিৰৰ কোনো শব্দই প্ৰৱেশ কৰিব নোৱাৰে।

অলপ পাচতে কোঠালৈ মলয়া দুৱাৰ ঠেলি সোমাই আহিল। মোৰ সন্মুখৰ আনখন পালেঙত বহি কলে—

'ড্ৰাইভাৰক পঠাই দিলো।'

'কিয়? মই যাম নহয়!'

'থাকিবলৈ ভয় লাগিছেনেকি?'

'সেই কথা নহয়। মই ঘূৰি যাম বুলি কৈ আহিছিলোঁ।' মই কলো। মোৰ কথা শুনি মলয়াই মৃদুভাবে হাঁহিলে। চকু-

যোৱা যেন ক্ষন্তেকলৈ তৰ্‌বৰ্‌ কৰে জিলিকিল। অলপ বৈ লাহেকৈ কলে—

'সেই কথা। মই ভাবিছিলো। প্ৰাণৰ মায়াত্‌ যাবগৈ খুজিছে বুলি। মই আপোনাক নিৰ্ভয় দিছো নিশ্চিন্তে থাকক। বাহিৰত পহৰাদাৰ আছে। ভিতৰত বাৰু ময়ে আপোনাক পহৰা দিম।'

সমুখত বহি মোৰ মুখলৈ চাই থকা মলয়াক দেখি মোৰ এনে লাগিল যেন এটি মধুৰ কবিতা। যেন একাজলি জোনৰ পোহৰ বাগৰি পৰিছে চোতালৰ তুলসী জোপাত। ডাক্তৰ নিৰ্মালীৰ কথাই সত্য। মলয়াই সুস্থতা লাভ কৰিছে।

মোৰ কপালত পৰিথকা চুলিখিনিত, ডিঙিত, কপালত মৰমৰ কোমল স্পৰ্শ সানি মলয়াই কলে—

'এক মিনিট দেই। মই পৱনক ইয়ালৈকে চাহ আনিবলৈ কৈ আহো।'

মলয়া ওলাই যোৱাৰ পাচত মই ভাবিবলৈ চেষ্টা কৰিলো— মই মলয়াৰ কথামতে থাকি ভাল কৰিলো জানো? ইমান সময়ে ঘৰৰ মানুহ কোনো নোলাল। বায়েকৰ কথা মই দ্বিতীয়বাৰ আৰু সুসুধিলো। তেৱেঁা একো নকলেহি। মই অলপ দুৰ্বল হৈ পৰিছোনেকি বাৰু? দুৰ্বল যদি হৈছো এই দুৰ্বলতা কিহৰ! মলয়াৰ ৰূপ-যৌৱনৰ প্ৰতি মোৰ কোনো দুৰ্বলতা নাই। তেওঁক লাভ কৰাৰ ভাবো নাই।

তেনে?

হয়তো তেওঁৰ হাঁহিটো মোৰ বৰ ভাল লাগিছে। তেওঁৰ হাঁহি আৰু আনন্দ উপচি পৰা মুখত মই যেন মোৰ জীৱন কবিতাৰ ছন্দ মিলাবলৈ সক্ষম হৈছো। জীয়াই থকাৰ মন্ত্ৰ পাইছো।

আকৌ ভাব হ'ল—কালি-পৰহি মাক-দেউতাকক হেৰুৱাই হাঁহি থকা এই হাঁহিটোত ফুল ফুলেনে বিহ চিটিকি পৰে?

এই ভাব অহাৰ লগে লগে সবিতা বৌলৈ খং উঠি গ'ল, সবিতা বৌয়ে জোৰ কৰি মোক এই ৰহস্যৰ ৰাজ্যলৈ পঠাই দিছে। তেওঁ মোক সন্মত কৰিছিল মলয়াক থৈ অহা ভাল হব বুলি। তেওঁ কৈলাশদাৰ মূৰতো ভৰাইছিল নিশাখন ছোৱালীজনী অকলে পঠোৱাটো ভাল নহব বুলি। অৱশ্যে মই সেইখন টেক্সিতে ঘূৰি যোৱাৰ কথা। মলয়াক পাচৰ চিটত দি তেওঁৰ আগৰ চিটত বহিবলৈ ভাল লগা নাছিল। অর্থাৎ ভয় লাগিছিল। মই কেনেকৈ পাহৰো সেই নিশাৰ দৃশ্য। মই মলয়াক স্পষ্টভাৱে দেখিছিলো দেউতাকৰ পাচফালে। লগে লগে গুলীও চলিল।

*　　*　　*

মই সীতাই কৈছো—

যাক আমি পাপা বুলি মাতো তেওঁ মৃত্যু মুখত পৰা আজি দুদিন। আজি মলয়া ঘৰলৈ আহিছে। তেওঁৰ লগত এজন প্ৰিয় দৰ্শন যুৱক আহিছে। তেওঁৰ সুন্দৰ দেহৰ গঠন। সুন্দৰ স্বাস্থ্য। সু-শিক্ষিত ভদ্ৰলোক বুলি যাক কব পাৰি।

মলয়া ভিতৰলৈ সোমাই আহি মোক কলেহি। 'মই যাৰ ঘৰত আছিলো তেওঁলোকৰ সক ল'ৰাজন আহিছে।' এমাহ কাল ভাই কাৰ ঘৰত আছিল মই ভালদৰেই জানো। মাৰ মৃত্যুৰ নিশা হঠাৎ ভাইক পাচফালে বাৰাণ্ডাত মই পাওঁ। হয়তো ভাই সেই মুহূৰ্ত্তত ঘৰত ভৰি দিছিল, যি মুহূৰ্ত্তত মাৰ মৃত্যু হৈছিল। ভাই কিহত কেনেকৈ শেষনিশা আহি ওলাইছিল এতিয়াও ভাইক সোধা হোৱা নাই। ভাই লৰি ভিতৰ সোমাই আহি মোৰ গাত জোৰেৰে খুন্দামাৰি বৈ গৈছিল। ভাইৰ খুন্দাত মোৰ হাতত থকা পাপাৰ বিভলভাৰটো সৰি পৰিছিল। সেইটো ভাই বুটলি ললে। মই ভাইক সাৱটি ধৰি টনা-আজোৰা লগালো; কিন্তু ভাই মোৰ হাতৰপৰা এৰাই লৰ মাৰিলে। ভাবিছিলো; হোষ্টেললৈকে ঘূৰি গ'ল। কিছুদিন যোৱাৰ পাচত গম পাওঁ ভাই

হোৱাইলত নাই। পাপাৰপৰা কথাটো লুকুৱাই থবলৈ তাইৰ আখৰ নকল কৰি তাই আমালৈ একেখন কাগজৰে ছুপিঠিত চিঠি লিখাৰ দৰে লিখি পাপাক দিছিলো। তাত লিখা আছিল ঃ

'বৰ্ত্তমান মই ঘৰলৈ নাযাওঁ—পঢ়া বহুতখিনি পাচ পৰি আছে।' তাৰ পাচৰখনত লিখিছিলো ঃ মাৰ দুৰ্ঘটনাটো কাগজে-পত্ৰই মানুহৰ মুখে মুখে শুনিছো। ঘৰলৈ গৈনো কি কৰিম? মিছা মিছি কিছুমান স্মৃতিত পাগলহে হব লাগিব।'

পাপাই ধৰি লৈছিল—একেখন কাগজত ছুয়োলৈকে চিঠি আছে। মোৰ নামতেই আছে বাবে মই চিঠিখন খোলো। তলে তলে খবৰ ৰাখিছিলো। তাই ক'ত অন্তৰ্দ্ধান হ'ল। ক'ৰবাত দুৰ্ঘটনা-চুৰ্ঘটনা হৈ মৃত্যু হোৱা হলেওতো কথাটো প্ৰকাশ হ'ল-হেঁতেন। কোনেও তাইক চিনি নাপালে এইদৰে হলেও কথাটো প্ৰকাশ হ'লহেঁতেন কাগজত ঃ অমুক ঠাইত এনে অৱস্থাত এজনী ধুনীয়া গাভৰুৰ মৃত দেহ পোৱা গৈছিল।'

পৱন কামৰ মানুহ। তেৱেঁই ক'ত কেনেকৈ আছে খবৰটো মোক দিছিল। তাইৰ খবৰ বিচাৰি মই অকৃপণ ভাবে টকা ভাঙিছিলো। এহাতে পাপাই প্ৰখ্যাত 'ডিটেকটিভ' লগাইছে মাৰ হত্যাকাৰীক বিচাৰি; আনহাতে আমি অপ্ৰসিদ্ধ কেইজনমানক লগাইছো মলয়াৰ সন্ধানত। টকাৰে তেওঁলোকৰ মুখত ঠাহি ঠাহি সোপা দিয়া হৈছিল। এই মানুহবোৰ আছিল পৱনৰ বন্ধুনে আত্মীয়।

তাই ক'ত কেনেকৈ আছে জানি মই ভাবিলো ভাল ঠাইতে আছে। তাই তাতে আৰু কিছুদিন থাকক। জানিব পাৰিছিলো—তাইৰ পৰিচয় তেওঁলোকে পোৱা নাই। তাইক তেওঁলোকে সাৱধানে গোপনে ৰাখিছে। অচিন অজান ছোৱালীজনী তেওঁলোকে ৰাখিবলৈ ভয় কৰিছে যদিও মানবতাৰ খাতিৰত ৰাখিব লগীয়া হৈছে। তেওঁলোকৰ পৰিয়ালৰ ছুয়োগৰাকী বোৱাৰীৰ

হৃদয়ত প্ৰচুৰ মানৱতাবোধ ও দয়া ধৰ্ম । সেয়ে ভেওঁলোকে ছোৱালী-জনী মানসিক ৰোগী বুলি চিকিৎসা কৰাইছিল ।

মানসিক ৰোগী বুলি মই ভয় খোৱা নাছিলো । তাইতো সকবেপৰাই অলপ অস্বাভাৱিক । কথা-বতৰা বৰকৈ নকয় । অকলে থাকি ভাল পায় । সকলোতকৈ বেছি অস্বাভাৱিক এই কথাতু; মাজে-মাজে মৃদু ভাৱে হাঁহে । অস্পষ্ট ভাবে কথা কয়, প্ৰাণৰ দৰদ ঢালি ভজন গায় । তাইৰ মতে এদিন কৃষ্ণ তাইৰ সমুখত থিয় হবহি ।

এইটো মূৰবে পঢ়াত সদায় তাই সু-নাম অৰ্জন কৰি আহিছে । যোৱাবাৰ তাই আহি ঘৰত থকা সময়ৰ কথা—মই তাইক কোঠাত বিচাৰি আহি দেখো তাই কিবা এখন পঢ়ি আছে । কি পঢ়িছে চাই দেখো 'পৰলোক তত্ত্ব' পঢ়িছে । মই তাইৰ হাতৰ আলোচনীখন জপাই দি কলো—'যিমান দিন জীয়াই থাকিম এই ভূলোকতেই আমাৰ ইহকাল । সুন্দৰ দেহাটিৰে ইহকালৰ চিন্তা কৰি ভোগ কৰ । সকলো ভোগৰপৰা দূৰত থাকিবলৈ তোক কিহে পালে ।'

তাই মোৰ কথাৰ উত্তৰত কলে—'আকাশ অসীম । কাল অনন্ত । আমাৰো মৰণ নাই ।' বাহিৰৰ শূন্যতালৈ খিৰিকীৰে দৃষ্টি মেলি দি তাই কৈ গ'ল আপোন মনে । মই বুজিছোনে নাই তালৈ তাইৰ লক্ষ্য নাই । 'মৃত্যুত ইহলোকত বাসকৰা স্থূল দেহটোৰপৰা আমি ওলাই সূক্ষ্ম দেহেৰে যি লোকলৈ যাম, সেয়ে পৰলোক । ইহকাল আমাৰ বৰ্তমান জীৱন । পৰলোক ভবিষ্যৎ জীৱন । মই ভৱিষ্যতৰ কথা চিন্তা কৰা অন্যায় হৈছেনেকি ?'

তাইৰ এনেবোৰ কথাৰ উত্তৰ দিয়াৰ কোনোদিনেই মোৰ ধৈৰ্য্য নাই । মই কলো—'ইহলোকৰ দৃশ্যটি উপভোগ কৰিবি আহ । দৃশ্যটি সম্পূৰ্ণ উপভোগ কৰিবলৈ পাবি নিশা । বৰ্তমান নায়ক-নায়িকাকে চাই লহি' বুলি মই টানি তাইক বাহিৰলৈ লৈ

গলো। বাবাগুৱাত বৈ কলো —'ড্ৰইংৰুমত এজন প্ৰিয়দৰ্শন যুৱক বহি আছে। তেওঁৰ লগত পৰিচয় হ'বিগৈ ব'ল। মা বাথৰুমত সোমাইছে। অন্ততঃ আধাঘণ্টাৰ পাচতহে মা এওঁৰ ওচৰলৈ আহিব। তাৰ পাচত সাজ-পাৰ কৰি ফুটিব। তাৰপাচত নিশা এপৰত ঘূৰি আহিব। তাৰ পাচত দ্বিতীয় দৃশ্যটি দেখিবলৈ পাবি।'

কথাষাৰ কৈ মই একপ্ৰকাৰ টানি নিয়াৰ দৰেই মলয়াক ড্ৰইংৰুমলৈ লৈ গলো। দুৱাৰ খুলি ভিতৰ সোমোৱাৰ আগতে কৈছিলো —'মানুহজনৰ চেহেৰাটো চিনি থবি। আৰু কেইজনমানৰ ফটো দেখুৱাম তোক।'

দুৱাৰ খুলি আমি দুয়োজনী একেলগে সোমোৱাত মানুহজন অবাক হ'ল। অবিকল দুজনী একে ছোৱালী ক'ৰ পৰা ওলাল। মলয়াৰ কথা কোনো দিন জনোৱা নাছিলো। মায়েতো এইবোৰ কথা নাপাতেই। মই কোনজনী ধৰিব নোৱাৰি দুয়োজনীলৈকে চাই মাত দিলে—'সীতু ?' ইচ্ছা কৰিয়েই মই অলপ সময় মনে মনে থাকিলো। মলয়াৰ কাণে কাণে কলো —'এওঁক মই ভাল পাইছিলো।' তাৰ পাচত তেওঁক কলো—'এইজনী মোৰ ভনী। চিলঙত থাকে। নাম মলয়া। আপোনাক চাবলৈ হেঁপাহ কৰিছিল। তাইক মই সকলো কৈছো।'

সকলো কৈছো বোলাত ল'ৰাজন যেন অলপ অপ্ৰস্তুত হ'ল। মলয়াৰ ফালে চাই দেখো তায়ো তেনেকৈ কোৱাত ভাল পোৱা নাই। 'আপুনি বহক' বুলি মলয়াৰ লগত কথা এষাৰো পাতিবলৈ সুবিধা নিদি বাহিৰফালৰ দুৱাৰ খুলি, মলয়াক হাতত ধৰি 'আহ' বুলি ওলাই গলো। বাহিৰ ওলাই মলয়াই কলে— 'এইফালে ক'লৈ যোৱা ? ল'ৰাজনক কিয় মিছা কথা কলা ? কাকো চাবৰ মোৰ কোনো দিন হেঁপাহ নহয়।' মলয়াৰ মুখলৈ চাই মই লাহেকৈ কলো—'প্ৰথমে শুন, এইফালে আহিছো এপাহ ফুল ছিঙিবলৈ। মাক মই প্ৰতিদিন ওলাই যাবৰ সময়ত এপাহ

ফুল দিওঁগৈ। মায়ে ফুলপাহ খোপা বা বেণীত গুজি লয়। তোৰ দ্বিতীয় কথাৰ উত্তৰত আৰু কি কম! এইবোৰ সামান্য কথা। লাভো নাই। লোকচানো নাই। এইবোৰ মিছাকথাত অন্যায় বা পাপো নাই।'

গা ধুই গাত গন্ধ স্প্ৰে কৰি মা বাথৰুমৰপৰা ওলাই আহি ড্ৰেচিংৰুমত সোমালহি। মই আৰু মলয়া মাৰ প্ৰতিক্ষাত মাৰ ৰুমত বহি ৰলো। আনদিনা মই এইদৰে নোসোমাওঁ। আজি নিয়ম ভঙ্গ কৰিছো। বিশেষ কিবা এটা কৰিবলৈ মন গৈছে। কিন্তু আন আৰু কি কৰিম!

মায়ে বাথৰুমৰপৰা ওলাই আমি দুজনী সেইদৰে বহি থকা দেখি থমকি ৰৈছিল। ভাবিছিল আমি নিশ্চয় কিবা আৰ্জি পেচ কৰিবলৈ আহিছো। মাৰ চকুত তেনে ভাব দেখি মই কলো 'আমি এনেয়েহে বহিছো। তোমালৈ ফুল এপাহ আনিছো।'

ফুলপাহ হাতপাতি নোলোৱাকৈ মা গৈ ড্ৰেচিংৰুমত সোমা-লগৈ। মায়ে হয়তো আমি এই সময়ত তাত উপস্থিত থকাত ভালেই পাইছে। কাৰণ বাহিৰত অকলে বহি আছে সত্যব্ৰত। আজিকালি এই বিষয়ত মা বৰ সাৱধান। মই যাতে সত্যব্ৰতৰ সমুখলৈ নোলাওঁ, কথা নাপাতো, তাৰবাবে সচেতন মা। মায়ে সাজ-পাৰ কৰাৰ পাচলৈকে আমি তাতেই বহি থাকিলো। হাতত বেগটো লৈ ওলাই আহিবলৈ প্ৰস্তুত হৈ মা মোৰ সমুখত থিয় হ'লহি। অৰ্থাৎ ফুলপাহ লাগে। মই নিজহাতে মাৰ খোপাৰ বাওঁকাষে ফুলপাহ গুজি দিলো। তাৰ পাচত 'আহ' বুলি মলয়াক মাতি বাহিৰলৈ ওলাই আহিলো। আমি ছাদৰ ওপৰৰ পৰা মা আৰু সত্যব্ৰত ওলাই যোৱা দেখা পালো। ড্ৰাইভাৰে গাড়ী ড্ৰাইভ কৰিছে। তেওঁলোক দুয়ো পাচৰ চিটত বহিছে। মই মলয়াক কলো—

'মা দেখাত আমাতকৈ বেচি সুন্দৰী। আমি তিনিওজনী

একেলগে থাকিলে মাকহে মানুহে চাব। তাৰ প্ৰমাণ এই সত্য-ব্ৰত। তেওঁৰ লগত প্ৰথম পৰিচয় হয় মোৰ। মই তেওঁক এই ঘৰলৈ লৈ আহিছিলো। তেওঁৰো মোৰ প্ৰতি দুৰ্বলতা হৈছিল। মইতো তেওঁক জীৱনৰ বাবেই বিচাৰিছিলো। কিন্তু আজি তেওঁ মোৰ চকুৰ কুটা। পৰাহলে মই তাক বিহ খুৱাই মাৰিলো-হেঁতেন। এহাতে মোৰ লগত প্ৰেমৰ ভাইলগ মাতে, আনহাতে মাৰ মুখলৈ চকু গলে চকু ঘূৰাব নোৱাৰে। মোৰ আগত মাৰ ৰূপৰ প্ৰশংসা কৰে। অসহ্য লাগিল। মই সম্পূৰ্ণ আতৰি দিলো। মায়ে অৱশ্যে মই আতৰাৰ পাচতহে তেওঁক আকো-ৱালি লয়।'

মই কোৱা কথাবোৰ মলয়াৰ কাণত পৰাৰ দৰে নালাগিল। তাই এবাৰো এই প্ৰসঙ্গত মাত নামাতিলে। এইবোৰ কথা জনা বা জনাৰ তাই যেন প্ৰয়োজন বোধ নকৰে।

সেই নিশা টোপনিত থকা মলয়াক জগাই দি ক'লো—'তই এই দৃশ্য চাবই লাগিব। অসহ্য বুলি কথা এষাৰ আছে নহয়—মোৰ সুখ-দুখ একোৰে ভাগ তই নলবিনে? এই মুহূৰ্ত্তত মই ইহঁত দুয়োটাকেই শেষ কৰিব পাৰো।'

মোৰ মুখত এনে উত্তেজিত কথা শুনি মলয়া যেন অবাক হ'ল। মই যেন মিঠা মিঠা কথা কবলৈ জীয়াই থকা মানুহহে। মই এইবোৰ কি কৈছো। মোৰ চকু-মুখত হাঁহি নাই কিয়? মোৰ চকু-মুখ আনন্দত তৰ্‌বৰ্‌ কৰি থাকিবৰ বাবেহে।

মোৰ কথামতেই তাই আহি মা-পাপাৰ বেড্‌ৰুমৰ দুৱাৰ মুখত ৰ'লহি। মই পৰ্দাখন সামান্য ফাক কৰি ক'লো—'চা।' তাই মোৰ মুখলৈ চালে। মই ফুচফুচাই সুধিলো—

'চিনি পাইছ?'

'ওহোঁ।'

'তেওঁ সত্যব্ৰতো নহয়।' মই কলো। তেতিয়াও তাই

মোৰ মুখলৈ চাই আছে। তাইক এনে এটি দৃশ্য দেখুৱাবলৈ মাতি আনিম বুলি ভাবিব পৰা নাছিল। পাচদিনাই তাই যাবলৈ প্ৰস্তুত হ'ল। মায়ে ক'লে—'যোৱাৰ কথাতো নাছিল? বন্ধ খুলিবলৈ দুদিনমান নাই জানো?'

জোৰ কৰি মায়ে তাইক ৰখা নাই। মাথোন তেনেকৈ হঠাৎ যাব খোজাত কিবা এটা কব লাগিব বুলিয়েই কথাষাৰ কৈছিল। পাপায়ো যেন তাই যাব খোজাত ভালেই পালে। মোৰহে মনটো কেনেবা কেনেবা লাগিল। বুকুৰ কথা কবলৈ মোৰ কোনো নাই। পৰন মিনিকতো এইবোৰ একো কব নোৱাৰি। মই তাইক অনুৰোধৰ সুৰত কলো—বন্ধ খোলালৈকে নহলেও আৰু কেইদিনমান থাক না। অন্ততঃ আৰু দুদিন।'

'এই নৰকত!' তাই বিতৃষ্ণাৰে কলে—'মোৰ উশাহ বন্ধ হৈ মৃত্যু হব ইয়াত।'

• 'মইতো আছো।' মই কলো।

'এই পৰিবেশৰ লগত তুমি থাপ খাই পৰিছা।' মোৰ মুখলৈ চাই থাকি ক'লে—'ইচ্ছা হোৱা হলে তুমিও এই পৰিবেশৰ পৰা আতৰিব পাৰিলাহেঁতেন। তুমি কেনেকৈ এইবোৰ আবিষ্কাৰ কৰিলা? প্ৰয়োজনেই বা কি এইবোৰ খুচৰি ফুৰাৰ।'

সচাই সেই দিনাই তাই গ'লগৈ। কিছুদিনৰ পাচত তাইক 'যেনে তেনে এবাৰ আহি যাবি' বুলি মাতি চিঠি এখন দিছিলো। তাই আহিছিল আৰু সেই নিশাই মাৰ মৃত্যুৰ ছবি দেখি লৰি পলাইছিল।

সিদিনা পাপাই ডাঃ নিৰ্ম্মালীৰ পৰা অহা ট্ৰাঙ্ককল পাই তাইক লৈ আহিবলৈ গৈছিল। লগত ময়ো গৈছিলো। মোৰ ভয় হৈছিল—যদি মলায়াই পাপাক কৈ দিয়ে সিদিনা বিভলভাবসহ বাবাগুৱাৰ আন্ধাৰত তাই মোক পোৱা কথা। তাৰ পাচত পাপাই মোৰ কোনো কথাই বিশ্বাস নকৰিব। ইতিমধ্যে মই চৰম সত্য

আন এষাৰ কথা আবিষ্কাৰ কৰিছিলো। যাক আমি পাপা বুলি মাতো যাক সকলোৱে আমাৰ পিতৃ বুলি জানে তেওঁ আমাৰ জন্মদাতা নহয়। সেই কথা তেওঁ জানে। তেওঁ মোৰ হাতত বিভলভাৰটো পোৱা কথা ক্ষমাৰ চকুৰে চাব কেনেকৈ, বা সহজ ভাবেই লব কিয়? মই মলয়াক পাপাতকৈ অন্ততঃ পাচ মিনিটৰ আগত হলেও লগ পাবই লাগিব বুলি পাপাৰ লগতে ওলাইছিলো। মই ভিতৰলৈ সোমাই গৈ ভিতৰত মলয়াক লগ কৰি সিদিনা মোক সেইদৰে লগ পোৱা কথা কবলৈ মানা কৰিলোহেঁতেন। মটৰত মোৰ লগত আছিল জোনা আৰু ড্ৰাইভাৰ। জোনাৰ ফালে পাপাই ভালকৈ চোৱা নাছিল। জোনাক পাপাই জীতা বুলিয়েই ভাবিছিল।

আজি মলয়া ঘৰলৈ আহিছে। তাইৰ লগত আহিছে ডঃ আশিষ দত্ত। তেওঁৰ নামটি মোৰ আগৰে চিনাকী। দুই তিনিখন ছবিৰ তেওঁ পৰিচালক। ছবি কিখনে যথেষ্ট নামো কৰিছিল। লিখাতো তেওঁৰ সু-নাম আছে।

মলয়াৰ মুখে হঠাতে তেওঁ অহা বুলি শুনি মই মলয়াক তেওঁৰ আগত ওলাবলৈ মানা কৰি মই মলয়া হৈ বাহিৰলৈ ওলাই গলো। তেওঁক ভিতৰলৈ আদৰৰে আগবঢ়াই আনিলো। মলয়াই কৈছিল তেওঁ গুৰি যাব। তেৱোঁ ঘুৰি যাব খুজিছিল। মোৰ কিন্তু তেওঁক পঠাবলৈ মন ন'গল। প্ৰিয়দৰ্শন ল'ৰাজন। কৌতূহলী চকু, সপ্ৰশ্ন দৃষ্টি। মোলৈ তেওঁ অবাক ভাবে চাই থাকে। মোৰ চকুৰ হাঁহি ওঠৰ হাঁহি দেখি তেওঁ বিস্ময় মানে। ইমান দিন দেখি অহা মলয়াৰ চকুত তেওঁ দেখিছিল কেৱল বিষণ্ণ উদাস ভাব। তাইৰ চকু অসম্ভৱ গম্ভীৰ। আৰু মোৰ চকু চঞ্চল। তেওঁ এই বুলিয়েই অবাক হয় ঘপহকৈ কেনেকৈ ইমান পৰিবৰ্তন হোৱা সম্ভৱ হ'ল। আৰু এটা কথা তেওঁ নিশ্চয় মন কৰিছে মই তেওঁৰ সান্নিধ্য বিচাৰি তেওঁৰ কাষত বওঁ। কপালতো হাত বুলাই দিছো।

মলয়াতো এইবোৰৰপৰা বহুত দূৰত। মই মলয়াক ক'লো—

'ভদ্ৰলোকবোৰ মোৰ চকুৰ কুটা মলয়া। এওঁক চোৱা যাওক কিমান পানীৰ মাছ।'

'সীতাবা পাগলামি নকৰিবা। এওঁক অন্ততঃ তোমাৰ খেলাৰ মাজত নলবা।' শূন্য শূন্য ভাবেৰে মলয়া তেওঁৰ লগত নেখেলি-বলৈ অনুনয় কৰাৰ অৰ্থ মই বুজিলো। এই বয়সত এনে এজন প্ৰিয়দৰ্শন শিক্ষিত ডেকাৰ প্ৰেমত পৰাটো স্বাভাৱিক কথা। মই লাহেকৈ মলয়াক ক'লো—

'ইতিমধ্যে তহঁত দুয়োবো মাজত যদি মন দিয়া লোৱা হৈ গৈছে—বা তেওঁ যদি তোক প্ৰতিশ্ৰুতি দিছে। তেন্তে তেওঁক মই বিদায় দি আহিম। মোৰ মিঠা ভণ্টি, তোৰ মনত মই কষ্ট নিদিওঁ।'

'কি ইতৰৰ দৰে কথা কৈছা ?' মলয়া জ্বলি উঠিল।

'ইতৰৰ দৰে কি ক'লো ? এয়াতো সংসাৰ ধৰ্ম্মৰ কথা।'

'মন দিয়া-লোৱা বুলিযে কৈছা।'

'মন দিয়া-লোৱা মানে হ'ল দুয়ো দুয়োবো মৰমত মৰা। সককৈ কবলৈ হলে প্ৰেমত পৰা। তই সুখী হলে ভাল পাম। মোৰ কথাত নধৰিবি। সুদৰ্শন যুৱকটিক মাখোন একাঞ্জলি পানী খুৱাই এৰি দিম। তই ভাগৰি আহিছ শুই থাক' বুলি মলয়াৰ ওচৰৰ পৰা আতৰি আহিলো। মলয়া ক্লান্ত ভাৱে বিছনাত পৰি থাকিল।

মই মলয়াই কৈছো—

পদূলিত টেক্সিৰ পৰা নামি মই মোৰ লগত অহা ডঃ আশিষ দত্তক মাত নলগোৱাকৈ ভিতৰ সোমাই আহিলো। ওৰে বাট তেওঁ মোৰ লগত এষাৰো কথা পতা নাছিল। মটৰৰ পাচ 'চিট'ত এমূৰে তেওঁ। আনমূৰে মই। মাজত যথেষ্ট ব্যৱধান ৰাখি বহিছিল তেওঁ। ময়ো এই কথাত সৰ্বক্ষণ সচেতন আছিলো। মই খুব বঢ়িয়াকৈ বুজিছিলো—তেওঁৰ মনত সঙ্কোচ ভয় দুয়োটাই

আছিল। তেওঁ মোক সহজ ভাবে লব পৰা নাছিল। অৱশেষে সেই কথাত মই তেওঁক বেয়া পাব নোৱাৰো। পুলিচৰ কুকুৰ, নামী দামী ডিটেক্‌টিভ্‌ কোনেও আজি পৰিমিত মাৰ হত্যাকাৰীক উলিয়াবলৈ সক্ষম নহ'ল। তাতে আকৌ পাপাকো একে ধৰ-ণেৰেই হত্যা কৰিলে। কোন হ'ব পাৰে এইজন ?

ময়োতো হব পাৰো এই হত্যাকাণ্ডৰ নায়িকা। আশিষৰ মনত এই ভাব। ওৰে বাটে তেওঁ মোলৈ চোকা লক্ষ্য ৰাখিছিল। সৰ্বক্ষণ তেওঁ প্ৰস্তুত হৈ আছিল মই আক্ৰমণ কৰিব খুজিলে যাতে তেওঁ নিজক ৰক্ষা কৰিব পাৰে।

ওৰে বাটে মুখবন্ধ কৰি অহাৰ বাবেইনেকি মই তেওঁক 'আহক' বুলি নামাতি ভিতৰলৈ সোমাই আহিলো। 'সীতাবাৰ ওচৰত বৈ সেপটুকি মাতটো উলিয়াই প্ৰথম আশিষ দত্তক মাতি আনি-বলৈ কওঁ'।

মানুহক মৰম কৰা আৰু সুন্দৰ ব্যৱহাৰ কৰাত সীতাবা'ক চেৰ কোনেও পেলাব নোৱাৰে। তেওঁৰ মধুৰ ব্যৱহাৰৰ কথা আনৰ মুখত শুনিছো। সেয়ে মই আশিষ দত্তৰ সোধ-পোচৰ ভাৰ তেওঁৰ হাতত দি নিশ্চিন্ত আছিলো। কিন্তু এইবোৰ তেওঁ কি কৰিছে। বাহিৰলৈ ওলাই গৈ নিজৰ নামেৰে পৰিচয় নিদি মোৰ নামেৰেই তেওঁৰ লগত কথা-বতৰা হৈছেগৈ। মোক কৈছেগৈ—মই যেন তেওঁৰ আগত নোলাওঁ। তেওঁৰ সমুখত ওলাইনো মই কি কৰিম ! সেয়ে সীতাবাৰ কথাত মোৰ আপত্তি কৰিবলগীয়া একো নাছিল। কিন্তু তেওঁ এইবোৰ কি কৰিছে ? একাজলি বোলে পানী খুৱাব। কেনেকৈ পানী খুৱাব ?

এসময়ত মোৰ মনৰপৰা সকলো ভাব দূৰ হ'ল। পাপালৈ মনত পৰিল। পাপাই মোক কম মৰম কৰিছিলনে ! মাজে মাজে পাপাই মোক হোষ্টেলত দেখা কৰি আহে। মোৰ ওচৰলৈ গলেই পাপাই শাৰী, গহনা কিবা এটা নহয় এটা লৈ যায়। নতুন

ডিজাইনৰ কত কি ওলাইছে পাপাই মোৰ বাবে সকলো খবৰ ৰাখে। আজি তিনিমাহৰ আগতে লৈ গৈছিল হীৰাৰ আঙঠিটো মোৰ আঙুলিত নিজহাতে পিন্ধাই দি কৈছিল—'সোণ-হীৰাৰে তোমাক যেন ৰাণী কৰি সজাই ৰাখিম।'

যোৱাবাৰ ঘৰলৈ আহোঁতে পাপাই মোক খবলৈ গৈছিল। সেই নিশা পোনেই মোক হোষ্টেলত থবলৈ নগৈ লৈ গৈছিল শিলঙত থকা আমাৰ ঘৰলৈ। এই ঘৰটোত এজন চকীদাৰ ও এজন কাম কৰা মানুহ থাকে। পাপা মাজে সময়ে আহিলে ইয়াতে থাকে।

সন্ধ্যা পাপা আৰু মই চিম্নীৰ কাষত বহি থাকোঁতে চকীদাৰে মোক ভূতৰ গল্প কৈছিল। পাপাক কৈছিল—'পদূলিত থকা ডাঙৰ গছজোপা কাটিব লাগিব। সেইজোপা গছত প্ৰেতাত্মা এটা থাকে। এই প্ৰেতাত্মাই কেতিয়াবা সাপ হৈ চৌহদৰ ভিতৰত চকীদাৰক দেখা দিয়ে। প্ৰকাণ্ড সাপ। প্ৰবাদ আছে সাপটোৱে সুন্দৰী কুমাৰী ছোৱালী পালে সতীত্ব নষ্ট কৰিবলৈ বিচাৰে। বিছ বছৰৰ আগতে এই সাপটোৰ ঔৰসত এজনী অতি সুন্দৰী জনজাতীয় গাভৰুৱে গৰ্ভ ধাৰণ কৰিছিল। সেই কুমাৰী কন্যাৰ এটি অতি সুন্দৰ ল'ৰা জন্ম হৈছিল। ল'ৰাটো মানুহৰ চকুত মানৱ শিশু হলে হব কি! আচলতে সি আছিল সাপৰ পোৱালী। মানুহৰূপী সাপৰ পোৱালীটো দেখাত শিশু-কৃষ্ণৰ দৰে আছিল। অবিবাহিতা মাতৃ গৰাকীক যেতিয়া এই শিশুৰ পিতৃ কোন সুধিছিল, তাই তেতিয়া কৈছিল—এই শিশুৰ পিতৃ এটা প্ৰকাণ্ড সাপ। প্ৰায় নিশা তাইৰ টোপনিত সি আহি তাইক মেৰিয়াই ধৰেহি। তাইৰ কথা শুনি তাহঁতে তাইক প্ৰশ্ন কৰিছিল। সেই সাপটো তাই দেখুৱাই দিব পাৰিবনে? তাই কৈছিল—তাই গৰ্ভধাৰণ কৰাৰ পাচৰ পৰা সি তাইৰ ওচৰলৈ আহিবলৈ এৰিলে। কিন্তু সি ক'ত থাকে তাই জানে। এই প্ৰকাণ্ড গছজোপাত সি থকাৰ কথা কৈছিল। সচাই এদিন কোনোবা দুজনমানে

সেই প্ৰকাণ্ড সাপটো এই গছজোপাৰ গুৰিত দেখিছিল।

শিশুটোৰ জন্মৰ পাচতে মাক পাগলী হৈছিল। এদিন পাহা ৰৰ ওপৰৰ ডাঙৰ শিল এটাত উঠি তললৈ জাপ মাৰি দিলে। ল'ৰাটো এতিয়া বিছ বছৰীয়া ডেকা। মানুহৰ সঙ্গতকৈ তাৰ আকৰ্ষণ নিবিড় অৰণ্যৰ। মাজে মাজে গভীৰ নিশা সি এই গছ জোপাৰ তললৈ আহে। লোকে কয় সি তাৰ পিতৃৰ লগত সাক্ষাৎ কৰেহি। মাকৰ মৃত্যুত সকলোৱে কৈছিল 'প্ৰেতাত্মাটোৱে তাৰ প্ৰিয়তমাক বিশ্বাসঘাটকতা নকৰিলে। সচাই সি ছোৱালীজনীক বা ছোৱালীজনীৰ সৌন্দৰ্য্যক ভাল পাইছিল। আত্মহত্যা কৰাৰ মন্ত্ৰ সিয়েই তাইৰ মূৰত ভৰাই দিছিল। তাই প্ৰেতাত্মা হৈ এতিয়া তাৰ কাষত।'

মাজৰ কোঠাটোত কোনো নাই। তাৰ সিফালৰ কোঠাতহে পাপাৰ বিছনা। বাহিৰা মানুহ দুজন থকা ঘৰ এই ঘৰৰ পৰা কিছু আঁতৰত। মই শুবলৈ লোৱাৰ আগতে লাইটটো অফ কৰিব লগীয়া হ'ল। বিছনাত উঠি 'লাইট অফ' কৰিবলৈ বেডচুইচৰ ব্যৱস্থা নাই।

শুবলৈ লৈ মই লাভ কৰা হীৰাৰ আঙঠিটোত কপালৰ স্পৰ্শ দি ভাবিলোঁ—মই যদি তেওঁক পাওঁ এই আঙঠিটো তেওঁক দিম। তেওঁ নিশ্চয় ভাল পাব। ধনী লোকে, ৰজা জমিদাৰে তেওঁৰ মূৰ্ত্তিত সোণৰ মুকুট পিন্ধায়। সোণ-হীৰাৰ অলঙ্কাৰেৰে সজায়। তেওঁক খুচী কৰিবৰ বাবেইতো সোণ-হীৰাৰ অলঙ্কাৰ পিন্ধায়।

ৰাধা—কৃষ্ণৰ যুগল ছবি এখন কল্পনাৰে চকুৰ আগলৈ আনি ৰাধাৰ ঠাইত নিজক ৰাখি সেইফালে চাই থাকোঁতে কোনোবা সময়ত টোপনিত ঢলি পৰিলোঁ।

খকমক্কৈ এসময়ত মই হঠাৎ সাৰ পালোঁ। মোৰ দেহটো কোনোবাই জোৰেৰে সাৱটি ধৰি উত্তেজনাৰে চেপি পেলাব খুজিছে।

কোন?

কোন হব পাৰে ? মই চেষ্টা কৰিও চিঞৰিব পৰা নাছিলোঁ। আতংকত মোৰ বাক শক্তি হেৰাই গৈছিল। ঘপহকৈ মোৰ মনত পৰিল চকীদাৰে কোৱা সাপটোৰ কথা। মই সেপঢ়ুকি এসময়ত কোনোৰকম চিঞৰি উঠিলোঁ—'সাপ।'

পাচত কেই মুহূৰ্ত জানো মই আৰু একো কব নোৱাৰোঁ। এসময়ত মই ভয় আতংকত ফোপাইছিলোঁ। মোৰ গোটেই গা ঘামেৰে তিতি গৈছিল। 'কি হ'ল মা ?' বুলি মোৰ পাপা আহি মোৰ কাষত বহিছিলহি। আহিয়েই তেওঁ লাইট অন কৰি লৈছিল। মোৰ বেছ মনত আছে পাপাৰ মাত শুনি আৰু 'লাইট অন' কৰাৰ শব্দ শুনিহে মই ফোপাবলৈ আৰম্ভ কৰিলোঁ। ভয় আতংক উপলব্ধি কৰিছিলোঁ। লগে লগে মই অসংযত হৈ থকা কাপোৰ-কানিবোৰ ঠিক কৰি ললোঁ। মোৰ ঘাম হঠাত বন্ধ হ'ল, বুকুখন তেতিয়াও ঢপঢপাই আছিল। হাত-ভৰিৰ তলুৱা চেঁচা হ'ল। ওঁঠ জিভা শুকাই আহিল। ভয় দূৰ হোৱাৰ পাচত সেই ভয়ৰ স্মৰণত মোৰ এনে অৱস্থা হ'ল।

পাপাই মোৰ মূৰত হাত বুলাই অত্যন্ত স্নেহসনা মাতেৰে মাত দিলে—'মলয়া মা কি হ'ল?' মই কথা কব খুজিও কব নোৱাৰি পাপাৰ মুখলৈ চাই ৰলোঁ। 'কিয় চিঞৰিছিলা ?' পাপাই আকৌ প্ৰশ্ন কৰিলে। মোৰ পৰা উত্তৰ নোপোৱাত পাপাই কলে—'নিশ্চয় তই বেয়া সপোন দেখিছিলি। তোৰ চিঞৰতে মই সাৰ পালোঁ।'

মই বহু চেষ্টা কৰি লাহেকৈ মাখোন সুধিলোঁ 'কোঠাৰ দুৱাৰ খোলা আছিলনেকি ?'

'কিয় ? কোনোবা আহিছিল ? পাপাই সুধিলে। মই মনে মনে থকাত পাপাই কলে 'দুৱাৰ খিৰিকী বন্ধ-খোলাৰ লগত অশৰীৰীৰ কোনো সমন্ধ নাই। চকীদাৰে কোৱা কথা, সেই অতৃপ্ত আত্মাই নিশ্চয় আহিছিল। অতৃপ্ত আত্মাবোৰেই মুক্তি নাপাই ভূত-প্ৰেত হৈ পৃথিৱীত বৈ যায়। তাহাঁতে সময়ত ছল পালে এনে

অপকৰ্ম কৰে। তুমি জানো কম ধুনীয়া। সৌন্দৰ্য্যৰ প্ৰতি দুৰ্বলতা দেৱতাৰ আছে। মানৱৰ আছে, প্ৰেতাত্মাৰো থাকে।'

মই মোৰ জীৱনত হোৱা এই ভয়ঙ্কৰ কাণ্ডটোক সপোন দেখা বুলি মানি লব নোৱাৰিলোঁ। গধূৰ ভৰটো গাৰ পৰা যোৱাৰ পাচত কাপোৰ-কানিবোৰ অসংযত হৈ আছিল। আনকি ব্লাউজৰ পিনো-খোল খাই আছিল। টনা-আঁজোৰাত পিনে মোক বা সিজনক বিন্ধে বুলি সিজনায়ে অৱশ্যে পিনকেইটা বন্ধ কৰি দিছিল। এনে কোনো সপোন দেখা সম্ভৱ নহয়।

ভূলোকতকৈ অলপ সূক্ষ্মস্তৰত বোলে প্ৰেতলোক। যিবিলাক পাপী জীৱ মৰি ভূত প্ৰেত, পিশাচ আদি হয় সেইবিলাক প্ৰেতলোকত থাকে। এনে কোনো দুষ্ট প্ৰেতাত্মাৰেই কাম নিশ্চয় মোক অত্যাচাৰ কৰা। এই কথা মোৰ দৃঢ় বিশ্বাস হ'ল।

পবিত্ৰ মুক্তাত্মাবিলাক পৃথিৱীলৈ আহিবলৈ নিবিচাৰে। পৃথিৱীৰ সংসৰ্গ তেওঁলোকৰ ভাল নালাগে।

মনতে মই অস্ফুট স্বৰে কলো 'পাপী জীৱ, মৰি ভূত হৈয়ো তইঁত পাপত লিপ্ত থাক।'

পাচদিনা হোষ্টেলত বান্ধৱীহঁতে মোক প্ৰশ্ন কৰিবলৈ ধৰিলে 'তোৰ কি হল? তোক দেখোন মানুহ মানুহ লগা নাই। অন্য কিহবালৈ ৰূপান্তৰিত হৈ আছিছ। এইবোৰ তোৰ গালত ক'লা দাগ কিহৰ? কোন সি? যি তোক মাংসাহাৰী জন্তুৰ দৰে ধৰিছিল! সি মানুহ নহয়। ৰাক্ষস। তই দুখ পোৱা নাছিলিনে? উত্তেজনাক দমাব নোৱাৰি এই দৰে বাঘে ধৰাৰ দৰে ধৰাজনক পুৰুষ বুলিব পাৰিনে? যাৰ সংযম শক্তি নাই, যি সংযত হব নোৱাৰে, সি মানুহেই হব নোৱাৰে। সি কেনেকৈ পুৰুষ হ'ল! সি মানুহ নহয়। নৰ-পিশাচহে। এই হেন ফুলপাহ এইদৰে মোহাৰি পেলাব পাৰে। কোনোবা এজনীয়ে ক'লে—সি চুমা খাবও নাজানে। চুমা খোৱাও যে এটা ডাঙৰ আৰ্ট।'

মই তেওঁলোকক চমুৱাই মোৰ জীৱনৰ মাৰাত্মক কাহিনীটো ক'লো।

হোষ্টেলৰ সকলোতকৈ স্মাৰ্ট আধুনিকা কবীয়ে অকণো

সঙ্কোচ নকৰাকৈ কলে—'তেওঁৰ পাপাকৰে কাৰ্য। কোনো আত্মা-প্ৰেতাত্মাৰ কথা নহয়। পাপাক নিশ্চয় বিকৃত মানসিক ৰোগী (ইও একপ্ৰকাৰৰ ৰোগেই নিশ্চয়)। এই ৰোগীয়ে সময়ত জীয়েক ভনীয়েক পাহৰি যায়। পাপাকেই নিশ্চয়; সেয়েহে সকলো আদায় কৰি সুবিধা পায়ো আচল উদ্দেশ্যটি সমাধা নকৰিলে।'

কৰীক মই একো কব নোৱাৰিলোঁ। ছোৱালীজনী সদায় স্পষ্টবাদী আৰু সত্যবাদী। নিজে কৰা অপকৰ্মও এইদৰে সকলোৰে আগত স্পষ্ট ভাৱে প্ৰকাশ কৰে।

পাপাক লৈ তেনেকৈ কথা কোৱা মোৰ অসহ্য হৈছিল। মই আহি বিছনাত পৰি কাপোৰেৰে মুখ ঢাকি শুই পৰিছিলোঁ।

মই তেনেকৈ মুখ ঢকা দেখি ৰেখাই কৈছিল—'অশৰীৰীয়েও কেতিয়াবা এইদৰে শৰীৰৰ লোভত শৰীৰ ধাৰণ কৰি ভোগ কৰেহি। তৃপ্তি পায়। তাহঁতৰ ঘৰৰপৰা তিনি মাইলমান দূৰত ৰাকৰ পৰিয়াল এটা আছে। আচল মানুহজনক মাছ মাৰিবলৈ যাওঁতে বাকে বিলত পুতি থৈ মানুহজনৰ ঘৰলৈ আহিল তেওঁৰ ৰূপ লৈ। ঘৰ-সংসাৰ কৰিলে। সন্তান জন্ম দিলে। পাচত অৱশ্যে আচল কথাটো ওলাই পৰিল। সেয়ে মানুহে সেই ঘৰখনৰ নামকৰণ কৰিলে 'বাকৰ পৰিয়াল' বুলি।

কোমল মোলায়েম বিছনাখনে মোক বিক্ষিবলৈ ধৰিলে। মই ধৰফৰ কৰিবলৈ ধৰিলোঁ। মোৰ দেহটো তেন্তে কোনোবা প্ৰেতাত্মাই ছুৱা কৰি ৰোৱাই সত্য। নিশ্চয় প্ৰকাণ্ড সেই সাপটোৱে। মোৰ গৰ্ভত সাপটোৱে বীৰ্য্য দি যোৱা নাইতো?? মই টনা-টনি কৰিহে নিজক মুক্ত কৰিছিলোঁ। সিতো সেই অধ্যায়ও সমাধা কৰিবলৈ টনা-আজোৰা লগাইছিল। সেই সময়ৰ কথা হয়তো মোৰ স্মৰণলৈ অহা নাই।

বিশ্বৰ সকলো মোৰ বাবে অতি তিক্ত হৈ পৰিল। মই ভয়ে ভয়ে সদায় মোৰ উদৰলৈ চাওঁ। চকীদাৰে কৈছিল 'সেই

প্ৰেতাত্মাৰ সম্ভোগত যিজনী ছোৱালীয়ে গৰ্ভ ধাৰণ কৰিছিল তাইৰ শিশু কৃষ্ণৰ দৰে এটি পুত্ৰ সন্তান হৈছিল।'

'মই মোৰ মনৰ ভয়, আতঙ্কৰ কথা বেখাক কলোঁ। মোৰ দৰে বেখায়ো ভগৱান বিশ্বাস কৰে। সেয়ে ভূত-প্ৰেতো বিশ্বাস কৰে। জন্মান্তৰ বিশ্বাস কৰে। সেই বুলি তেওঁ মোৰ কথাতে হয়ভৰ দি চকীদাৰে কোৱা কথাটো সত্য বুলি নকলে। হয়তো মোৰ মনৰ ভয় আঁতৰাবলৈকে কৈছিল—ছোৱালীজনীক মানুহ লঙ্ঘিছিলনে ভূত লঙ্ঘিছিল কোনে জানে। তাই হয়তো সাপে নিশা তাইক ভোগ কৰা কথা এনেয়েহে কৈছিল। আচলতে তাইৰ সৰ্বনাশ কৰিছিল তাইৰ মনৰ মানুহটিয়েহে কিজানি। সেইজনক বচাবলৈকে এইদৰে গল্প কৈছিল। এজন অপাত্ৰত দেহ-মন নিঃশেষ কৰি দিয়া আঘাতত, অনুশোচনাত হয়তো তাই সচাই পাগল হৈছিল। নহলে হয়তো এনেও হব পাৰে—তাই তাইৰ হৃদয় দি যাক পূজিলে সি তাইক প্ৰতাড়না কৰি আঁতৰা বাবে তাকেই 'সাপ' বুলি কৈছিল সুস্থ মস্তিষ্কৰেই। এইবোৰ কথা 'হয়তো-হয়তো' বুলি ইফালে-সিফালে পোনাই লৈ যাব পৰা কথা। কোনো সত্যতাৰ প্ৰমাণ নাই। তোমাৰ কথাটোও তেনে। তুমি কৈছা তোমাক চেপি ধৰা দেহটো মানুহৰ দেহৰ দৰে লাগিছিল। বন্ধ কোঠাত বাহিৰা মানুহ ক'ৰপৰা ওলাব? তাতে তোমাৰ দেউতাৰৰ ঘৰত। ইটো কোঠাৰ পৰা সিটো কোঠালৈ ভিতৰি ভিতৰি দুৱাৰ আছিল। ঘৰটোৰ ভিতৰত তুমি আৰু তোমাৰ পাপাৰৰ বাদে কোনো নাছিল।

ঘটনাটো যেই হওক, তুমি সপোন দেখা বা চকীদাৰে কোৱা সাপটো লঙ্ঘা বুলি পাপাৰ কিয় ইমান নিশ্চিন্ত হৈ থাকিল? এইবোৰ প্ৰশ্নৰ কথা। ইমান প্ৰকাণ্ড ঘৰটো কোনোবা কালেদি কোনোবা মানুহ সাপ সোমাইছিল কিজানি বুলি হুলস্থুল লগাই দিব লাগিছিল।'

এই তিক্ত স্মৃতিয়ে যেতিয়া মনটো গ্ৰাস কৰি পেলাইছিল

কোঠালৈ সেই সময়ত পৱন সোমাই আহি মোক ভাত খাবলৈ মাতিলেহি। মই পৱনক ক'লোঁ—'আলহীয়ে ভাত খালেনে? তেওঁক গেষ্টৰুমত বিছনা ঠিক কৰি দিবা। যোৱা মই ভাত নাখাওঁ। আৰু চোৱা—সীতাবাক মন কৰিবা।'

পৱনদা ওলাই যোৱাৰ অলপ পাচত সীতাবা আহি মোৰ ওচৰত থিয় হ'লহি। তেওঁ আদেশৰ সুৰত ক'লে—'ব'ল ভাত খাবিগৈ।' মই আপত্তি কৰাত ক'লে—'ভাত নাখাবলৈ কি হৈছে? এয়া হ'ল দুৰ্ঘটনা। স্বাভাৱিক মৃত্যুতো নহয়।'

'মোক জোৰ নকৰিবা সীতাবা' মই কলোঁ। মোৰ অনু-নয় কণ্ঠ শুনি সীতাবাই ক'লে—'তেন্তে আন কিবা খা। মই মিনিৰ হাতত পঠাই দিওঁগৈ।'

মই সীতাবাৰ হাতখনত ধৰি থাকি ক'লোঁ—'সীতাবা বিপদৰ জালত তুমি নিজে যাতে মেৰ নোখোৱা। মোৰ মনটোৱে কোৱা কথা সদায় সচা হয়। মোৰ মনটোৱে কিবাবোৰ কৈছে!

'কি কৈছে?' সীতাবাই প্ৰশ্ন কৰিলে।

'আশিষ দত্তক বাধি থৈ ভাল নকৰিলা।'

মোৰ এই কথাৰ উত্তৰত সীতাবাই একো নকলে। আমি দুয়ো কিছু সময় নীৰৱে পৰস্পৰে পৰস্পৰক চাই ৰলোঁ। সীতাবাৰ উজ্জ্বল চকুযোৰ এবাৰ হঠাৎ তৰবৰ কৰে জিলিকি উঠিল। তেওঁ মোৰ মুখলৈ চাই অকণমান হাঁহিলে। তাৰ পাচত ক'লে—'তই ইমান সৰল যে তোলৈ মোৰ পুতৌ হয়। হিংসা, ঈৰ্ষা নহয়। এই সংসাৰত তই অচল।'

কথাষাৰ কৈ সীতা ওলাই গ'ল। মই বাট চাই ৰলোঁ সীতালৈ। আচলতে মই তাই বাহিৰত থকাটো সহ্য কৰিব পৰা নাছিলোঁ। মোৰ চকুত বাৰে বাৰে ভাঁহি উঠিছিল আশিষৰ মুখখন। মই মনতে তেওঁক উদ্দেশ্য কৰি ক'লোঁ—একো আপদ-বিপদে স্পৰ্শ নকৰাকৈ তুমি নিশাটো পাৰ কৰিব পাৰিলেই মই

বক্ষা পাওঁ। সীতাৰ ওপৰত আতিথ্যৰ ভাৰ দি মই নিশ্চিন্ত থকা ভাল নহ'ল। ইমান দেখিলৈকে তাক তেওঁ শুবলৈ অহা নাই কিয় ?

বেডচুইচটো টিপি গাকৰ তলৰপৰা ঘড়ীটো উলিয়াই চালো। বাৰ বাজি গ'ল। আকৌ চুইচটো টিপি বাগৰ সলাই শুবলৈ চেষ্টা কৰিলো। অলপ পাচত মোৰ বিছনাৰ ওচৰত সীতাবা থিয় হ'লহি। মই সীতাবাৰ মাতত সহঁাৰি নিদিলো। সীতাবা পুনৰ ওলাই গ'ল। এই নিশাখন কি কি অভিসন্ধিত কিহৰ অভিসাৰত ওলাই গৈছে চোৱাৰ কৌতূহল হ'ল মোৰ। আজিলৈকে কোনো কথাতে কাঁহানিও মোৰ মনলৈ কৌতূহলৰ ভাব অহা নাছিল। আৰ্শিৰক নিশ্চয় একাঞ্জলি পানী খুৱাবলৈকে ওলাই গৈছে! কেনেকৈ পানী খুৱাব! একো অনিষ্ট নকৰেতো ??

আৰ্শিৰক অনিষ্ট কৰাৰ ভাব অহাৰ লগে লগে মই বিছনাৰপৰা নামি আহি পাচফালৰ বাৰাণ্ডালৈ ওলাই গলো। মোৰ মনে কয় এই হত্যাকাণ্ডৰ লগত পৱন, সীতাবা দুয়ো জড়িত আছে। কিন্তু এজনেও নিজহাতে গুলী চলোৱা নাই। পৱন এনে মানুহ, জীয়া মাছ মাৰিব নোৱাৰে বাবে বজাৰৰ পৰা জীয়া মাছ কেতিয়াও নানে। মাগুৰ কাৱৈ মাছ হলে মিনীয়ে কাটি দিবলগীয়া হয়।

কিন্তু সিদিনা মইতো সিহঁত দুয়োকো দেখিছিলো। এই ভাব অহাৰ লগে লগে মই সিদ্ধান্ত কৰিলো আজি নিশাটো মই আলেঙে আলেঙে আৰ্শিৰক পহৰা দিবই লাগিব। কিছু সময় পাৰ হৈ গ'ল। এতিয়াও সীতাবা ক'ত আছে নজনাত মই সেইফালে আগবাঢ়ি গলো। পৱনৰ কোঠাৰ ওচৰত থমকি বলো। ভিতৰত সীতা আৰু পৱনৰ ফুচফুচাই কথা পতাৰ শব্দ। সিহঁতে যেন কিবা কথা কৈ ৰগৰ কৰিছে। মাজে মাজে চেপামৰা হাঁহি। এবাৰ সীতাবায়ে কোৱা কথা এবাৰ মোৰ কাণত পৰে। সীতাবায়ে কৈছে —'আজি অলপ সাৱধানে সচেতন হৈ থকা ভাল। মলয়া

ঘৰত আছে যেতিয়া গোটেই নিশা তোমাৰ কাষত থাকিব নোৱাৰিম। মোক বিছনাত নেদেখি উঠি আহিব পাৰে। তাইতো মোৰহে ভনী।'

মই ভতাতৈয়াকৈ সেই ঠাই এৰি আতৰি আহিলো। গেষ্ট-ৰুমলৈ গৈ দেখো আৰ্শিষক ইয়াত শুবলৈ দিয়া নাই। দুৱাৰ-খন জপাই মই আহি মাৰ কোঠাত সোমালোহি। ভিতৰ ফালৰ পৰা কোঠাৰ দুৱাৰ মৰা নাই।

আকাশ ভৰা জ্যোৎস্নাৰ প্লাৱন। নিৰ্মেঘ আকাশ। এই প্লাৱনত ঘৰটো যেন ডাহি গৈছে। খিৰিকীৰ পৰ্দা কোচাই থোৱা আছে। বিছনাৰ ওপৰত জোনৰ পোহৰ বাগৰি পৰিছে। মাৰ বিছনাৰ ওপৰত আৰ্শিষ বহি আছে। খোলা দুৱাৰ বন্ধ কৰি ঘপহ্‌কৈ মই আতৰি যাব নোৱাৰিলো। মই ভিতৰলৈ চাওঁতেই চকুৱে চকুৱে পৰিল। সেয়ে মই আতৰি নগৈ ভিতৰ সোমাই আহিলো। সৰু পালেংখনত বহি বেড্‌চুইচটো টিপি দিলো। তৎক্ষণাত নীলা পোহৰ একাজলিয়ে ঘৰটো জিলিকাই তুলিলে। মই আৰ্শিষক সুধিলো—

'আপুনি শোৱা নাই কিয় ?'

'তুমিয়েইতো কৈ গৈছিলা—মুশুৱ মই আহিম বুলি। তুমি কিবা এটা, বৰ জৰুৰী কথা কবাহি বুলি কৈছিলা। বিছনাত পৰিলেই টোপনি আহিব। সেয়ে বহি আছো।'

মোৰ বুজিবলৈ বাকী নেথাকিল যি কোনো মুহূৰ্তত যে সীতাবা আহিব। সেয়ে অকণো পলম নকৰি কোঠাৰপৰা ওলাই আহিবলৈ লৈ ক'লো— 'অলপ ৰব। আহিম'। তেওঁ কলে—'এই-নিশাখননো তুমি এনে কি কৰিছা ? কালিলৈ পুৱা কৰিলে জানো নহব। সচা কথা কবলৈ গলে মোৰ এনে লাগিছে মোক যেন এই বন্ধ কোঠাটোৰ নীৰৱতা আৰু বায়ুৱে গিলিব। তাতে কি গম-গমীয়া ভাবৰ কোঠাটো। হাতত সাৰে ভৰিত সাৰে কিবা এটা

যেন ঘূৰি ফুৰিছে। এইটো তোমাৰ মা-পাপাৰ যেতিয়া থকা বাবেই নিশ্চয় এনে লাগিছে।'

ঠিক সেই সময়ত যিখন বন্ধ দুৱাৰ আধা খোল খালে সেইখন বাথৰুমৰ দুৱাৰ। আৰ্শিয়ে দুৱাৰ খোলাৰ মৃদু শব্দত সেইফালে ঘূৰি চাইছিল। ক্ষন্তেকলৈ হলেও আৰ্শিয়ে গোলাপী ৰঙৰ নাইট গাউন পিন্ধা ৰূপহী গাভৰু গৰাকীক দেখা পালে। ক্লান্ত দেহ। অসংযত চুলি। ক্ষন্তেকতে দুৱাৰ পুনৰ বন্ধ হ'ল আৰু ৰূপহী গাভৰুও অন্তৰ্দ্ধান হ'ল।

আৰ্শিয়ে সেইফালে চাওঁতেই মই তৎক্ষণাত কোঠাৰপৰা ওলাই আহিলো। নিজৰ কোঠাত সোমাই সীতালৈ প্ৰতিক্ষা কৰিলো। অলপ পাচতে তেওঁ কোঠাত সোমালহি। মোৰ মুখলৈ চাই মৃদু-ভাবে অকণমান হাঁহিলে। মই সুধিলো—'শুবৰ সময় হোৱা নাইনে?'

'দুই বজাৰ আগতে মোৰ টোপনি নাহে।'

'আৰ্শিক মাৰ বিছনাত শুবলৈ দিলা কিয়?'

'মানে আছে। কালিলৈ কম। তই পিন্ধি থকা শাৰীখন দেচোন।'

'কিয়?'

'তইতো তোৰ কোৰ'বক এই সাজেৰে দেখা দি আহিলি। মই এতিয়া তেওঁৰ ওচৰলৈ তোৰ ভূমিকা লৈ যাম। তই তেওঁৰ লগত কি কি কথা পাতিছিলি। এই কথা নাজানিলে মোৰ অলপ দিগ্দাৰ হব।'

'মই একো কথা পতা নাছিলো।'

'চকুৰে চকুৰে চাই ৰৈছিল?'

'নহয়।'

'তেন্তে?'

'মই ক্ষন্তেক আগতে গৈছিলোহে। শোৱা নাই কিয় প্ৰশ্ন

কৰিছিলো। আৰু এটাও কথা কোৱা নাছিলো।'

সীতাবাৰ কথামতে মই পিন্ধি থকা শাৰীখন খুলি দিয়া নাছিলো। সেয়ে তেওঁ নিজহাতে মোৰ গাৰপৰা পিন্ধি থকা শাৰী-খন খুলি ললে। নাইট গাউনটো খুলি শাৰীখন পিন্ধি মোৰ কপালত চুমা খালে। মই তেওঁৰ মুখলৈ চাই ৰলো। তেওঁ ক'লে— 'মোৰ মিঠা ভণ্টিজনী নিশ্চিন্ত মনে তই শুই থাক। তোৰ কোঁৱৰৰ মই অনিষ্ট নকৰো। কেৱল পৰীক্ষা এটি কৰিম তই বুটলি অনা হীৰাডোখৰ সচা হীৰা নে নকল হীৰা। অৰ্থাৎ হীৰানে কাঁচ। পৰীক্ষাটো কৰোতে অৱশ্যে ল'ৰাই একাজলি পানী খাব।'

আয়নাৰ কাষলৈ গৈ সীতাবায়ে চুলিবোৰ ঠিক কৰি ললে। তাৰ পাচত মোক আদেশৰ সুৰত 'শুই থাক' বুলি ঠেলি বিছনাত পেলাই 'মই ছুই বজাত শুবলৈ আহিম' বুলি ওলাই গ'ল।

মোৰ গাত পেটিকোট আৰু ব্লাউজ। কোনোদিন মই নাইট গাউন পিন্ধি শোৱা নাই। সেয়ে মই বিছনাৰপৰা উঠি আহি সাজ-পোছাক পিন্ধিলোহি। তাৰ পাচত ভিতৰফালৰ দুৱাৰ 'লক' কৰি লাইট 'অফ' কৰি বাহিৰফালৰ দুৱাৰ খুলি বাহিৰলৈ ওলাই গলো।

মোক ওলাই যোৱা দেখি পহৰাদাৰ এজন আহি মোক 'কি হ'ল' বুলি সুধিলেহি। মই কলো 'টোপনি অহা নাই বাবে বাহিৰৰ বতাহলৈ ওলাই আহিছো'। মোৰ কথা শুনি চিপাহী-জন আঁতৰি গ'ল। মই বাৰাণ্ডাৰ ৰেলিঙত ভৰ দি নিৰ্মেঘ আকাশলৈ চাই চিন্তা কৰিলোঁ—মা-পাপাক বাৰু কোনে, কিয় হত্যা কৰিলে?

মাক সীতাবায়ে যদি হত্যা কৰা নাই তেন্তে তেওঁৰ হাতত পিষ্টলটো ক'ৰপৰা ওলাল। আৰু সেই সময়ত তেওঁ হাতত পিষ্টল লৈ ক'ৰপৰা আহিছিল? কি কৰিছিল?

তেওঁ পৰৱৰ কোঠাৰ ফালৰপৰা আহিছিল। পৰৱেই বাৰু মাক হত্যা কৰিছেনেকি? হয়তো পৰৱৰ হাতৰপৰা

তেওঁ পিষ্টলটো লৈ আতৰি আহিছিল। হয়তো পৰনে সীতাবাক মৃত্যুৰ ভয় দেখুৱাই থৈছে সেয়ে ভয়ত তেওঁ প্ৰকাশ কৰা নাই। হয় জানো ? মই নিজকে প্ৰশ্ন কৰি ভাবিলো 'সেয়ে যদি হয় তেওঁ তেন্তে পৱনৰ কোঠাত ভুৱাৰ মাৰি সোমাই থাকি হাঁহিব কিয় ! তেওঁলোকৰ এই গোপন সম্পৰ্কৰ বিষয়ে মই আগেয়ে একো জনা নাছিলো। মই মথোন জানিছিলো সীতাৰ ব্যৱহাৰ অত্যন্ত মধুৰ। তেওঁ সকলোকে সমান ব্যৱহাৰ কৰে। হৃদয়খনো কোমল। যোৱাবাৰ ঘৰলৈ আহেঁাতে যাবৰ সময়ত কৈছিল

'আমাৰ মা কেনে তইতো নিজচকুৰে দেখিলি। এইজনী মাক তই কেনেকৈ আমাৰ হিতাকাঙ্ক্ষী বুলি বিশ্বাস কৰিবি। তাতকৈ আমাৰ জন্মৰ পাচতে যদি মা মৰি থাকিলহেঁতেন!! মাৰ নামত আমি মূৰ দোৱাব পাৰিলোহেঁতেন।'

সীতাবায়ে মাৰ মৃত্যু কামনা কৰিছিল খঙত নে অভিমানত বুজা টান হৈছিল। খং উঠিলে বা অভিমান হলে সীতাবায়ে একেটা ডিগ্ৰীতে (বাহিৰে) থাকি একে সুৰৰেই কথা কয়। খং উঠিলে খঙত তাই নিচিঞৰে বা দুঃখ পালে হীম শীতল কণ্ঠেৰে নকয়।

সীতাবায়ে সিদিনা মোক কোৱা কথাই প্ৰমাণ কৰেনেকি সীতাবায়েই মা-পাপক খুন কৰিলে। তেওঁক বিশ্বাস কৰিবলৈ টান হৈছে। মাজে মাজে কেনে ভাৱে অৰ্থপূৰ্ণ হাঁহি একোটা মাৰে। সেই হাঁহিৰ অৰ্থ মই বুজি নাপাওঁ। কিন্তু মই ধৰিব পাৰো এই হাঁহিৰ অৰ্থ আছে। এই হাঁহিৰে তেওঁ যেন কয় 'কেনে মজা'।

আজি নিশা জীৱনত প্ৰথমবাৰ মই নিঃসঙ্গতা বোধ কৰিলো। ইমান দিন মোৰ ভাব হৈছিল মোৰ লগত মোৰ প্ৰাণৰ সত্বা হিজন তেওঁ আছে। সৰ্বক্ষণ তেওঁ মোলৈ চাই আছে। মোক আপদ বিপদৰপৰা তেওঁ ৰক্ষা কৰিব। আজি তেওঁৰ অনুপস্থিতি মই উপলব্ধি কৰিলো। হৃদয়ৰ কথা কবলৈ, কিবা এটা গুপুত পৰামৰ্শ লবলৈ বা আলোচনা কৰিবলৈ

মানুহক মানুহ লাগে। এই ভাব অহাৰ আগমুহূৰ্ত্তত মোৰ পিঠি, বাজ হাড়, মূৰ আৰু ভৰিত কিবা এক শক্তিয়ে জোকাৰ খাই উঠিছিল। বুকুৰ ঠিক মাজত কি যেন লৰি উঠিছিল।

ইফালে সিফালে চকুফুৰাই মাৰ কমৰ ফালে চাই ভাবিলো—সীতা আৰু আৰ্শিয়ে বাৰু এই নিশাখন কি কথা পাতিছে! মা-পাপাৰ মৃত্যুৰ বিষয়ে বাৰু গভীৰ আলোচনা কৰিছেনেকি ? কিন্তু সীতাবাৰ চকুমুখত তেনে কোনো চিন নাছিল। তেওঁ আৰ্শিৰক একাজলি পানী খুৱাই পৰীক্ষা কৰাৰ কথা কৈছিল। কেনেভাৱে তেওঁ আৰ্শিৰক পৰীক্ষা কৰিছেগৈ বাৰু ? আৰ্শিয়েতো সেইজনী মই বুলিয়েই ভাবি আছে। দেখাত আমি অবিকল একে। কণ্ঠ-স্বৰটোও বাৰু একে হব পায়নে ?

লাহে লাহে মই মাৰ কমৰ ফালে আগবাঢ়িলো। মাৰ কমৰ দুৱাৰ পাৰ হৈ বাবাগুৰ মূৰ পালোগৈ। ঘূৰি আহি মাৰ কোঠাৰ দুৱাৰমুখত ৰৈ সমুখৰ বাগানলৈ চাই থাকিলো। মই এনে কৰি পহৰাদাৰ চিপাহীইঁতক বুজাব খুজিছিলো যে মোৰ কোনো উদ্দেশ্য নাই। টোপনি অহা নাই বাবেই এইদৰে ইফাল-সিফাল কৰি আছো। অৱশেষত পৰ্দাখন সামান্য আতৰাই ভিতৰলৈ চালো। এই কোঠাৰ এই পৰ্দাখন ঠিক এইদৰে আতৰাই কিছুদিনৰ আগতে সীতাবায়ে মোক এটা দৃশ্য দেখুৱাইছিল। নহলে মোৰ এই-বোৰ একো খিয়াল নাই কেনি চাব পাৰি কেনি ক'লৈ যাব পাৰি।

মই ভিতৰলৈ চাই যি দৃশ্য দেখিলো তেনে এটা দৃশ্য দেখিম বুলি আশা কৰা নাছিলো। গাৰুত মূৰ থৈ আৰ্শিৰ শুই আছে। টোপনিত নে সাৰে আছে নুবুজিলো। কোঠাত নীলা ডিম লাইটৰ পোহৰ। সীতাবা তেওঁৰ কাষত বহি তেওঁৰ মূৰত হাত-বুলাই আছে। যেন এটি সৰু শিশুক মৰমেৰে শুৱাইছে। মাজে মাজে ভলৈ হালি আৰ্শিৰৰ কপাল আৰু চকুৰ পতাত চুমা দিছে। মূৰৰ চুলিত মুখ গুজি দিছে।

তেওঁৰ আঁচল গাৰপৰা খহি আছে। তেওঁৰ বুকুত সৌন্দৰ্য্য আছে। সুন্দৰ দৃঢ় বুকুৰ গঠন। ব্লাউজৰ তলৰপৰা কঁকালৈকে সম্পূৰ্ণ উদং হৈ থকা সেই অংশৰো সৌন্দৰ্য্য অপূৰ্ব। গাত ওপৰঞ্চি মেদ সমূলি নাই। তেওঁৰ কোমল বগা মিহি সেই অংশত আৰ্শিয়ে এহাতে আকোৱালি ধৰি আছে।

এই দৃশ্য দেখি মোৰ বিৰক্তি উপজিল। খপহকৈ পৰ্দাখন এৰি দিলো। মনতে অস্ফুট স্বৰে কলো—ফুঃ এয়ে প্ৰেম। স্পৰ্শ সুখ বিচৰা প্ৰেম। আৰ্শিয়ে সীতাবাক মই বুলিয়ে ধৰি লৈছে। তাৰ মানে চিনাকী দেখা সাক্ষাৎ হোৱাৰ পাচত এয়া এই কেইদিনৰ ভিতৰত এই এলেকাত সোমাল আৰ্শিযো। তাৰ পাচত ভৱিষ্যতে বিয়া বাৰুৰ কথা—হলেও সি সম্ভৱ হব। জাত কুল মিলি আছে। দুয়োৰে সমকক্ষই। আচলতে এইবোৰ মিলাই চাই কোনোবাই কাৰোবাক হৃদয় কক্ষলৈ আহ্বান কৰিলে সেয়া কেতিয়াও প্ৰকৃত প্ৰেম হব নোৱাৰে। প্ৰেমত পৰি যদি চাৰিওফালৰপৰা বাধা নাপায়, চটফটাব লগীয়া নহয়, বহুতো কণ্টকময় পথ অতিক্ৰম কৰিবলৈ দৃঢ়তাৰে আগ বাঢ়িব লগীয়া নহয়—সেই প্ৰেমত অমৃতৰ স্বাদ ক'ত ?

আৰ্শিয়ে সীতাবাক সহজভাবে কাষত পাইছে, মৰমৰে আকোৱালি ধৰিছে, এয়া নিশ্চয় প্ৰেম নহয়।

মই মোৰ কোঠাৰফালে আগবাঢ়ি আহিলো। এজন পহৰাদাৰ আগবাঢ়ি আহি মোক সুধিলেহি—কোঠাত সন্দেহজনক কিবা দেখা গৈছেনেকি ? মই কলো—'মোৰ কোঠাত কোনোবা ওলায় বোলে।' তাকে কৈ মই আতৰি আহিলো। পহৰাদাৰজন আগবাঢ়ি আহি সুধিলে—

'কোনোবা মানে ?'

'মানে প্ৰেতাত্মা।'

মই প্ৰেতাত্মা ওলোৱাৰ কথা কোৱাৰ মানে আছে। মই

চোৰাৰ দৰে সিহঁতেও হয়তো ভিতৰলৈ জুমি চাব। ভিতৰত আশিষ আৰু সীতাবাক দেখি ধৰি লব সেয়া আমাৰ মাৰ প্ৰেতাত্মা। আশিষ শুই আছে, তেওঁৰ মুখখন নেদেখিব ভালকৈ। তেওঁক পাপা বুলি ধৰি লব নিশ্চয়। যিহেতু দুয়ো অতৃপ্ত আত্মাৰে মৰিছে। অতৃপ্ত আত্মাৰে মৰিলে বোলে আত্মা প্ৰেতাত্মা হয়।

দুৱাৰ বন্ধ কৰি মই শুই পৰিলো। দেখি অহা ধুলি-বালিবোৰ মনৰপৰা জোকাৰি গুচাবলৈ চেষ্টা কৰি মনতে মীৰা ভজন এটা গুনগুনালো। যিমান চেষ্টা কৰিলো সিমানে স্পষ্ট হৈ জিলিকি উঠিল সীতাবা আৰু আশিষৰ নিবিড় মৰমৰ সেই দৃশ্যটি। এই মুহূৰ্ত্ত এনে লাগিল—এই দৃশ্য স্বৰ্গীয় দৃশ্য। পৱিত্ৰতা নিয়ৰত তিতি থকা এপাহ কোমল শেৱালীৰ দৰে।

বেড্ চুইচটো টিপি লাইটটো জ্বলাই গাৰুৰ তলৰপৰা ঘড়ীটো উলিয়াই চালো। দুই বাজিবলৈ পোন্ধৰ মিনিট বাকী। লাইট অফ্ কৰি চকু মুদি সীতাবাৰ আগমনিলৈ প্ৰতিক্ষা কৰি ৰলো।

দুই বজাৰ লগে লগে সীতাবা আহি মোৰ বিছনাৰ সমুখত থিয় হ'লহি। সীতাবায়ে মোৰ টোপনি বুলিয়েই ধৰি ললে। তললৈ হাঁহি মোৰ কপালত চুমা দি লক মাতেৰে কলে—'তই সৌভাগ্যৱতী। সেই বুলি তোক মই ঈৰ্ষা কৰা নাই।'

বাহিৰৰ বাৰাণ্ডাত বেছি পাৱাৰৰ লাইট জ্বলি আছে। সেই লাইটৰ পোহৰ বাগৰি পৰিছেহি আমাৰ কোঠাতো। মই অনুমান কৰিলো সীতাবা অৱশ ক্লান্ত ভাৱে বিছনাত পৰিলগৈ। কি এক অসহ্য যন্ত্ৰনাত উস-আস কৰি ইবাগৰ-সিবাগৰ কৰিছে। তাৰ পাচত মূৰৰ তলৰপৰা গাৰুটো উলিয়াই বুকুত হেচি ধৰিলে। অলপ পাচত সেইটো দলিয়াই দিলে।

কিছুসময় নিতাল মাৰি থাকি আকৌ ইবাগৰ-সিবাগৰ কৰিবলৈ ধৰিলে। হঠাৎ জাপমাৰি উঠি আহি আলমাৰিটোৰ ওচৰত থিয় হ'ল। আলমাৰিৰপৰা টেবলেট এটা উলিয়াই আনি মেজৰ কাষলৈ

আছিল। পানী এগিলাচ লৈ টেবলেটটো গিলি আকৌ মোৰ ওচৰলৈ আহিল। চকুৰ ওপৰত থকা মোৰ হাতৰ ঠাৰিটো আতৰাই সক সক মাতেৰে কলে—'তোৰ বাহিৰৰ কোমল সঁজা-টোৰ তলত তই এটা শিল। তই পাগলী। তই যাক বিচাৰিছ তেওঁক বিচৰা বাবে তই অহল্যা হলি।'

সীতাৰা গৈ বিছনাত পৰিলগৈ। এইবাৰ তললৈ মুখকৰি শুই গাকত গালৰ হেচা দি নিতাল মাৰি থাকিল। মই ধৰি ললো মাজৰাতি সীতাৰায়ে টোপনিৰ টেবলেট খাই শুই পৰিছে। কিছুসময় নিশ্চল ভাবে পৰি থাকি আকৌ সীতাৰা উঠি বহিল। টোপনিয়ে মোৰ চকু টানি ধৰিছিল। তথাপি মই সীতাৰাৰ ওপৰত লক্ষ্য ৰাখিলো। মোৰ ধাৰণা সীতাৰাৰ ওপৰত লক্ষ্য ৰাখিলেই আৰ্শিষৰ ওপৰত লক্ষ্য ৰখা হব।

সীতাৰা আকৌ বিছনাৰপৰা নামিল। ছেন্দেল চোচোৰাই কোঠাৰপৰা ওলাই গ'ল। মই দুৱাৰ মুখলৈ গৈ মন কৰিলোগৈ। তেওঁ গৈ লাইব্ৰেৰী কমত সোমাল। লাইব্ৰেৰী কমৰপৰা মাৰ কমলৈ যাবপৰা দুৱাৰখন খুলি সীতাৰা সোমাই গ'ল। ময়ো হাতত সাৰে ভৰিত সাৰে আগবাঢ়ি গলো। দুৱাৰখন সামান্য খুলি মই ভিতৰলৈ মন কৰিলো। আৰ্শিষৰ সম্ভৱ টোপনি। সীতাৰা তেওঁৰ শিতানত বহিল। হাতখন তুলি লৈ হাতৰ পিঠিত চুমা দিলে। তাৰ পাচত উঠি আহি আনখন বিছনাত বাগৰি পৰিল।

মোৰ ধাৰণা হ'ল সীতাৰায়ে আৰ্শিষৰ কোনো অনিষ্ট নকৰে। তেওঁ যন্ত্ৰনাত চটফট কৰিছে। এই যন্ত্ৰনা মৰম নামৰ অগ্নিৰ দহনৰ।

মই লাহেকৈ সেই ঠাই এৰি গুচি আহিলো। মই বিছনাত পৰাৰ দহ মিনিটমানৰ পাচত আকৌ আমাৰ কোঠাৰ দুৱাৰ খোল খোৱাৰ শব্দ হ'ল। মন কৰি দেখো সীতাৰা সোমাই

আছিছে। তেওঁ অৱশ্য ভৱিষ্যতৰ যেন কোনোৰকমেহে চোচোৰাই আনিছে। তেওঁ আহি পোনেই আলমাৰীটোৰ ওচৰলৈ গ'ল আৰু এটা টেবলেট লৈ টেবুলৰ ওচৰলৈ আহিল। গিলাচটো হাতত তুলি লৈ মোৰ বিছনাৰ ফালে লক্ষ্য কৰি টেবলেটটো মুখত ললে। তাৰ পাচত নিজকে কোৱাৰ দৰে কলে—'এনেকৈ হলে মই কেনেকৈ বাচিম।' তাৰ পাচত বিছনাত বাগৰি পৰি কলে—'প্ৰভু এইবাৰ অকণমান টোপনি দিয়া।'

মই ভাবিলো দুটাকৈ টেবলেট খাইছে যেতিয়া এইবাৰ নিশ্চয় তেওঁৰ টোপনি যাব। ময়ো বাগৰ সলাই টোপনি যাবলৈ চেষ্টা কৰিলো। চিলমিল কৰে টোপনি আহিবলৈ লওঁতেই সপোনত মা-পাপাক দেখিলো। পাপা দূৰত বৈ আছে। মা পোহৰত ভাঁহি আহি আছে। ঘৰ ভৰা পোহৰৰ বন্যা। মায়ে মোৰ শিতানত থিয় হৈ কৈছেহি—'অত্যন্ত দুখৰ সাগৰ পাৰহৈ নিজৰ গৃহ-কোললৈ মই লৰি আহিলো।' তাৰ পাচত দীৰ্ঘ নিশ্বাস এৰি কলে—'ইমান দিন মই তওঁতৰ ওচৰত থাকিবলৈ সময়-সুবিধা নাপালো। এতিয়াতো মোৰ কোনো কাম নাই; মই তওঁতৰ ওচৰতে থাকিম। সীতাক মই ৰক্ষা কৰিব নোৱাৰিলো।' তাৰ পাচত ধীৰে ধীৰে মা যেন পোহৰত মিলি গ'ল। মা হৈ পৰিল জোনাকী পৰুৱাটোৰ সমান এটি নীলা পোহৰৰ বিন্দু।

মই চকুমেলি গোটেই কোঠাটোতে চকু ফুৰালো। পৰলোক মই মানো। মৃত্যুত মানুহে ইহলোকত বাসকৰাৰ উপযোগী হলে দেহটোৰপৰা ওলাই সূক্ষ্ম দেহেৰে পৰলোকলৈ যায়। মই ভাবিলো মাক প্লেন্‌চেটৰ দ্বাৰা (Planchette) মাতিম। মাক কোনে হত্যা কৰিলে সুধিম। আৰু সুধিম মায়ে পৰলোকত গৈ কৃষ্ণক দেখিছেনে? তেওঁক যদি পায় এষাৰ কথা সোধে যেন—ইহলোকত স্থুলদেহেৰে তেওঁক পাবলৈ বিচৰা সচাই পাগলামি নেকি? মীৰাবাই এই কথা সদায় কয়।

মই চকু মুদাই সীতাবাৰ কালে চাই দেখো সীতাবাৰ চকুত সেয়া চকুলো। পোহৰ পৰি সেই চকুলো তিৰ্‌বিৰাই উঠিছে। ইমান সময়ে মই তেওঁৰ টোপনি যোৱা বুলিহে ভাবিছিলো। তেওঁ মোৰ কালেই চাই আছিল। মই বিছনাৰপৰা উঠি আহি সীতাবাৰ বিছনাত বহিলোহি। সীতাবাৰ হাতখন মোৰ হাতত তুলি লৈ কলো—'সীতাবা তুমি কান্দিছা ?' হাতেৰ তলুৱাৰে চকুলো মোহাৰি সীতাবায়ে কলে—'প্ৰায়ে মই মাক সপোনত দেখো। মায়ে মোৰ মুখলৈ চাই থাকি দীৰ্ঘ নিশ্বাস এৰে আৰু মোক কয়—'মই তোৰ সৰ্বনাশ কৰিলো। মোক পাৰ যদি ক্ষমা কৰিবি।'

'সপোনত নহয়। মা সচাই আছে।' মই কলো। সীতাই কলে 'সেইবোৰ মই একো নাজানো নুবুজো। মাথোন ইমানেই জানো—কেতিয়াবা চকু মুদিলে নিশা দেখো একাজলি পোহৰ আহি খপহকৈ মোৰ বিছনাৰ কাষত পৰে। সেই পোহৰতে মিলি মা আছে। ধীৰে ধীৰে পোহৰৰ সমষ্টিৰে গঠিত দেহ ধাৰণ কৰি মায়ে কয়—'ইহলোকত এই স্থুল দেহ ভোগৰ বাবে। সৰ্ব প্ৰকাৰৰ ভোগ কৰি তৃপ্ত প্ৰাণেৰেহে এই দেহ ত্যাগ কৰিলে মুক্তি পাবি। চাবি, নিজে ভোগ কৰিবলৈ গৈ আনক আঘাত দিলে কিন্তু পাপ হব। পাপালৈ ভয় কৰিবি।' কেতিয়াবা কয়—'মোক তই ভুল বুজিলি। মই মোৰ স্বামীৰ বাধ্য আছিলো। মই যি কৰিছিলো তেওঁৰ বাবেই কৰিছিলো। স্ত্ৰীক এখন আলফুলে সাৱধানে ৰখা ভায়োলিনৰ দৰে যদি স্বামীয়ে ব্যৱহাৰ কৰে তেন্তে সেই স্ত্ৰীৰপৰা তেওঁ মধু মাথোন উপভোগ কৰিবলৈ পাব। আৰু যদি তাকেই নকৰি দলিয়াই কৰ্মটিয়াই তাঁৰ ছিণ্ডে তাত সুৰ তুলিব পাৰিনে ? তেওঁ মোৰপৰা যি সুৰ শুনিবলৈ বিচাৰিছিল মই সেই সুৰেই হৈছিলো। অপথে মোক পৰিচালিত কৰি, মোক বেসুৰা গীত কৰিয়েই তেওঁ আনন্দ উপভোগ কৰিছিল। কাৰণ তেওঁ আছিল বিকৃত মস্তিষ্কৰ। মইতো কাঠ আৰু তাঁৰৰ যন্ত্ৰ নাছিলো। মোৰ

তেওঁ মণ্ডহৰ যন্ত্ৰটোত হৃদয় আছিল। সেয়ে এসময়ত মোৰ মন স্বামীৰ কাৰ্য্যত বিতুষ্ট হৈছিল। আৰু সেই সুবিধাতে হয়তো মোৰ মনে এটি মন বিচাৰিছিল।'

সীতাবায়ে দীৰ্ঘ নিশ্বাস এৰি আকুল ভাবে সুধিলে— 'সচাই বাৰু মায়ে আহি এইবোৰ কয়হিনেকি ?'

এয়া তোমাৰ বিবেকৰ কথাহে। তুমি মাক দোষাৰোপ কৰাতো ! সেয়ে তোমাক তোমাৰ ভিতৰত থকা সত্য জনাই সত্য কথা বুজাব খোজে। আচলতে এয়া তোমাৰ চেতন-অবচেতন মনৰ দ্বন্দ্ব।

'মই এইবোৰ কি কৰি আছো ?' সীতাবায়ে প্ৰশ্ন কৰিলে।

'কোনবোৰ ?'

'তোৰ লগত অহা প্ৰিয়দৰ্শন যুৱকটিক মই কিয় ৰাখি থলো ? এই মুহূৰ্ত্তত মোৰ এনে লাগিছে তেওঁক যেন টোপ-নিৰপৰা জগাই কমগৈ—তুমি এই ঘৰৰ বিষাক্ত বায়ুৰপৰা পলোৱা। পলাই ৰক্ষা পৰা। মই জানো, এই ঘৰৰ বায়ু ময়ো বিষাক্ত কৰিছো।'

'সীতাবা ! তুমি যদি আশিষ দত্তৰ প্ৰতি তোমাৰ দুৰ্বলতা অনুভব কৰিছা বা তেওঁৰ প্ৰতি বিশেষ মৰম হৈছে তেন্তে তেওঁৰ লগত বিয়া হোৱাৰ সিদ্ধান্ত লবা।'

মোৰ কথা শুনি সীতাবায়ে সম্পূৰ্ণভাবে চকুবোৰ মেলি মোৰ মুখলৈ কিছু সময় চাই ৰ'ল। তাৰ পাচত লাহেকৈ কলে– 'মোৰ প্ৰেম ! মোৰ ভালপোৱা! মোৰ বিশেষ মৰম !!' কৈ হাঁহিবলৈ চেষ্টা কৰি আকৌ কলে—'ইয়াৰ আগতে মই দুই তিনিজনক ভাল পাইছিলো। তেওঁলোকক মই বিচাৰিছিলো। আৰু এওঁক ভাল লাগি বোৱা বাবে আতৰাবলৈ চাইছো। কোনটো সত্য ? এওঁৰ আগমনিয়ে মোৰ হৃদয়ত বেদনাৰ উদ্ৰেক কৰিলে। মোৰ মন তেওঁৰ মৰমৰ বেদনাত টন্‌টন্ কৰিছে।' কথাষাৰ কৈ সীতাবায়ে মূৰৰ তলৰপৰা গাৰুটো উলিয়াই কোঠাৰ মাজলৈ দলিয়াই দিলে। কিয় ? কিয়

এনে হবলৈ পালে !! তেওঁ যাৰ মৰমত দহন হৈছে তেওঁক বুকুত জীৱনৰ বাবে আকোৱালি যাৰ বাবে লব নোৱাৰে তেওঁলৈকে আক্ৰোশত যেন গাৰুটো দলিয়ালে। কিয়, কাৰ বাবে তেওঁ আৰ্শিৰ দত্তৰ জীৱনত সোমাই পৰিব নোৱাৰে। বাধা কোন ?

এইবাৰ সীতাবায়ে মোৰ হাতখন তুলিলৈ নিজৰ পেটৰ ওপৰত থৈ ধৰি থাকি মোৰ মুখলৈ নীৰবে চাই ৰ'ল। আমাৰ কাৰো মুখত কোনো মাত নাই। নিশাটো লাহে লাহে শেষহৈ আহিছে।

হঠাৎ মই অবাক হৈ সীতাবাৰ মুখলৈ অপলক নেত্ৰে চাই ৰওঁ। সীতাবাৰ পেটত সৰু কিবা এটা লৰিছে। মই মাত দিলো—'সীতাবা ?'

তেওঁ মোৰ হাতখন পেটৰপৰা আতৰাই দি কলে—'তইতো মাটিৰ পৃথিবীত নাথাক। তোৰ চকুত সেয়ে কোনো কথা ধৰা নপৰে। নহলে তই মোৰ চেহেৰা দেখি বুজিলিহেঁতেন মোৰ পেটত এটা অবৈধ সন্তান।'

কথা শুনি মই বহি থকাতে যেন পাথৰ হৈ গ'লো। সেপ ঢুকি মাথোন ক'লো—'সীতাবা তুমি কিয় জহন্নামে গ'লা ?'—'সেয়েতো আজি মোৰ সকলো ভদ্ৰলোকলৈ ইমান আক্ৰোশ! মই যাৰ সন্তান গৰ্ভত লৈ আছো তেওঁক মই জীৱনৰ বাবেই বিচাৰিছিলো। তেওঁক মই ইমান ভাল পাইছিলো যে তেওঁ যি বিচাৰিছিল মই তাকেই কৰিছিলো; কিন্তু তাৰ পাচত? তাৰ পাচত ?' সীতাবা বৈ গ'ল। তেওঁক উত্তেজিত হোৱা এই প্ৰথম মোৰ চকুত পৰে। তেওঁ দাঁত দুপাৰী জোৰেৰে চেপি ধৰিলে। চুলিখিনি জোৰেৰে খামুচিয়ালে। মই লাহেকৈ মাত দিলো—

'সীতাবা ?'

ধীৰে ধীৰে তেওঁ শান্ত হ'ল। লাহেকৈ ক'লে—'এওঁ এতিয়া মোক বিচাৰিলেও, মোৰ মনত এওঁৰ মৰমত জুই জ্বলিলেও মই

এওঁক গ্ৰহণ কৰিব নোৱাৰো। মই সতী লক্ষ্মী হৈ থকা নাই। মই জানো—তই ইহলোকৰ দেৱতাক নিৰিচাৰ। নহলে এই সুন্দৰৰ সুন্দৰখিনিত তই তোৰ মন প্ৰাণ ইমান দিনে স'পি দিলিহেঁতেন। তই ঠেলি থোৱা এই সুন্দৰক মই হাঁহি মুখে শিৱ-পাৰ্ব্বতি গ্ৰহণ ক্ৰিলোহেঁতেন। কিন্তু সেই ভাগ্য মোৰ নহ'ল।'

'এওঁৰ স্পষ্ট কথা, গমগমীয়া কণ্ঠ, দৃঢ় মনোবল সংযম শক্তিত মই মৰি গৈছো। মই নিবিড় ভাৱে তেওঁৰ সান্নিধ্যলৈ আহি বুজিলো—অবিচলিত মন, দৃঢ় চৰিত্ৰ, ধৈৰ্য্য সকলো গুণৰ অধিকাৰী পুৰুষ এওঁ। এনে লোকলৈ শ্ৰদ্ধা নহৈ কালৈ হব ? তেওঁক একাজলি পানী খুৱাবলৈ গৈ মই নিজে ডুবি ডুবি পানী খাইছো। মই যদি জহ্নামে নগৈ নিজৰ কক্ষতে থাকিলোহেঁতেন তেন্তে মই এই সুন্দৰক জীৱনৰ বাবে বন্ধাৰ চেষ্টা কৰিলোহেঁতেন।' চকুযোৰ মুদি সীতাবা কিছু সময় মনে মনে থাকি আকৌ ক'লে— 'হাঁহিটো তেওঁৰ বৰ পৱিত্ৰ, দাঁত ভুপাৰী কি সুন্দৰ মোহনীয়।'

সীতাবাৰ দীৰ্ঘ নিশ্বাস পৰিল। তাৰ পাচত মোৰ মুখলৈ চাই অত্যন্ত কোমল মাতেৰে ক'লে—'জহ্নামে মই নিজে যোৱা নাই, মায়ে পঠালে। মই কোনো দিন মাক ক্ষমা কৰিব নোৱাৰিম।'

'মৃত লোকক এনেকৈ গালি পাৰি কথা কয়নে ?' মই কলো।

'হাজাৰবাৰ কম। মায়ে মোক নৰকলৈ ঠেলি দিলে। মই ব্যভিচাৰিণী হ'লো। মোৰ সুন্দৰ জীৱনটো অসুন্দৰে নিৰ্ম্মম হাতেৰে চেপি মোহাৰি পেলালে। মই পঙ্গু, মলয়। মোৰ গৰ্ভত সন্তান নথকা হলেও মোৰ প্ৰিয়জনক মই আকোৱালি লব নোৱাৰিলোহেঁতেন। লোকক মই কেনেকৈ বান্ধিম ? নিজে আন এজনৰ হাতত বান্ধ খাই আছো। মোৰ মুক্তি নাই। মোৰ শান্তি ইহঁতৰ মৃত্যুত। মই যাক ভাল পাইছিলো আৰু মই যাৰ হাতত বান্ধ খাই আছো, মই ইহঁতৰ মৃত্যু কামনা কৰো।

নহলে মই পৃথিৱীত মুকলি মনে উশাহ লব নোৱাৰিম। ইহঁতো যাব। ইহঁতৰো দিন শেষ হৈ আহিছে।'

'ইস্ সীতাবা। তুমি এইবোৰ কি কৈছা? তুমি পাগলী হ'লানেকি? লোকে শুনিলে ভাবিব মা-পাপা আৰু তেওঁলোকক তুমিয়েই......'

'ময়েইতো!' মোৰ কথা সমাপ্ত কৰিবলৈ নিদি সীতাবায়ে দৃঢ় কণ্ঠেৰে ক'লে। সীতাবাৰ মুখত হাতৰ তলুৱাৰে সোপা দি ক'লো—

'তোমাক মই এইবোৰ সোধা নাই। শুনিবও নোখোজো। চুপ মাৰি শুই থাকা। তুমি জীয়াই থাকা আৰু আমাকো জীয়াই থাকিবলৈ দিয়া।'

০ ০ ০

পাচৰাতিহে টোপনি আহিছিল যদিও পুৱা চাৰি বজাত টোপনি ভাগি গ'ল। সীতাবাৰ বিছনালৈ চাই বুজিলো তেওঁৰ তেতিয়াও টোপনি অহা নাই। মই উঠি আহি তেওঁৰ ওচৰত বহি ক'লো—'ওৰে নিশা এইদৰে কটালা নিশ্চয়।'

'মই বিচৰা হীৰাডোখৰ, পোহৰৰ পিয়লাটি মই পাইছিলো। কিন্তু বৰ পলমকৈ।'

'তুমি তেওঁৰ বাবেই যদি চটফট কৰিছা, বুকু টন্ টন্ কৰিছে তেন্তে এটা কাম কৰা। তেওঁ তোমাক দেখি চিনি পোৱাৰ আগতেই তেওঁক বিদায় দিয়া। তুমি নাৰ্চিংহোম এটালৈ গৈ মুকলি হৈ আহি আকৌ যোগাযোগ কৰিবা। ইয়াৰ মাজত তেওঁ আহিলে মই তোমাৰ ভূমিকা লৈ দুই এটা দিন চলাই দিম। মাথোন তুমি কালি তেওঁক যিদৰে মৰম কৰিছিলা সেইদৰে মৰম কৰিব নোৱাৰিম। দিনৰ পোহৰত তুমি তেওঁক দেখা নিদিবা।'

'ঠিক আছে মই দেখা নিদিওঁ। কিন্তু তেওঁ যাব খুজিলে যেনেতেনে ভই ৰাখিব লাগিব।'

'আকৌ ভুল কৰিব খুজিছা কিয়? ভাল যদি বিচাৰা যিমান সোনকালে পাৰা তেওঁক যাবলৈ দিয়া।'

'নাই— থাকক তেওঁ। মই নাৰ্চিং হোম চোমলৈ নাযাওঁ। মোৰ জীৱনলৈ অহা সন্তানক মই আদৰৰে আকোৱালি লম। সি এজন শিল্পীৰ সন্তান। সিও নিশ্চয় তাৰ পিতৃৰ দৰেই হব। মই যাৰ ওচৰত বান্ধ খাই আছো তেওঁৰতো স্ৰজন শক্তি নাই। এইকথা মই মাৰ ডায়েৰীৰ পৰা গম পাইছো। মোৰ সন্তানৰ পিতৃ কোন মইহে জানো। তেওঁতো নাজানে। তেওঁ তেওঁ বুলিয়েই ভাবি আছে।'

অলপ বৈ সীতাবায়ে এইবাৰ সুধিলে—সচাই কচোন মলয়, তোৰ বাক এই নিৰ্ম্মল চৰিত্ৰৰ পুৰুষজনলৈ অকণো লোভ হোৱা নাইনে? মইতো তেওঁৰ কেৱল গলগলীয়া কণ্ঠ আৰু হাঁহিটোতে জ্বলি পুৰি মৰিছো।'

'তুমি কোৱা আন কেইজন পুৰুষৰ বাবেও তুমি নিশ্চয় এইদৰেই মৰিছিলা?'

'এজনৰ বহল বুবাহুৰ বাবে। এজনৰ তৰৰৰাই থকা আয়ত চকুযোৰৰ বাবে। আৰু এজনৰ সুন্দৰ আৰ্ট কৰা আঙুলি কেইটাৰ বাবে। এওঁলোক প্ৰত্যেককে মই স্বামীভাৱে বৰিবলৈ বিচাৰিছিলোঁ। কাৰো কাষৰপৰা মই আঁতৰা নাই। তেওঁলোকহে এক এক কাৰণত নিজে আঁতৰিলে। এক নম্বৰৰ ঘৰত আপত্তি কৰিলে। ঘৰ গাঁৱত। দুখীয়া পৰিয়াল। মই গৈ বোলে তেওঁলোকক মানুহ জ্ঞান নকৰিম। পুতেকৰ মাতৃ-ভক্তিৰ তুলনা নাই। মাকৰ কথা পেলাব নোৱাৰিলে। দুই নম্বৰ আঁতৰিল—ঘৰত সকলোৱে বিদ্ৰোহ কৰিলে—মাক চাইহে জীয়েক জাতি বুলি। মোৰ দোষ নহলে কি হব। মাৰ বোলে চলন-ফুৰণ বৰ ভাল নহয়।

সময়ত বোলে ময়ো তেনে হম। তিনি নম্বৰৰ চকুহুটা মাৰ মুখৰ পৰা নামিব নোখোজে বাবে মই অভিমানেৰে আঁতৰিছিলোঁ। সেই ছেগতে তেওঁ মাৰ হৃদয়লৈ চালে। মোৰ অসহ্য লাগিল। মই নীৰৱ হৈ গ'লোঁ। তেওঁৰেই সন্তান মোৰ গৰ্ভত। এক নম্বৰ দুই নম্বৰে বিয়া কৰালে। তেওঁলোক ভালদৰেই আছে। কিন্তু আৰু বেচিদিন নাই এওঁলোকৰ।'

মই বহি থাকিলে সীতাবা কথা কৈয়েই থাকিব। মই বহাৰপৰা উঠি কলোঁ—'তুমি দুৰণ্টা অন্ততঃ শোৱা। এইদৰে হলেতো ভাল নহব। তুমি সাৱধান হোৱা। এনেবোৰ জঘন্য চিন্তা আৰু জঘন্য কাৰ্য্যত থাকিলে শিশুটোৰ বাবে ভাল নহব। এটি কগ্ন দেহৰ, কগ্ন মনৰ সন্তানৰ মাতৃ হোৱা দুৰ্ভাগ্যও হব তোমাৰ।'

'অৱশ্যে' বুলি বাগৰ সলাই শুবলৈ লৈ সীতাবাই ক'লে—তেওঁ যাবলৈ জোৰ কৰিব। তই থাকিবলৈ জোৰ কৰিবি। যা—মোৰ টোপনি আহিলে এঘাৰ বাৰ বাজি গলেও নজগাবি।'

মই বাহিৰ ওলাই আহি মাৰ কমৰ দুৱাৰ খুলি দেখোঁ আৰ্শিষ সাৰে আছে। হাতত জ্বলা চিগাৰেট লৈ মাৰ ফটো-খনৰ ফালে চাই আছে। দুৱাৰ খোলাৰ শব্দত তেওঁ ঘূৰি চাই হাত আগবঢ়াই মাত দিলে—'আহা।'

মই গৈ আনখন বিছনাত বহাত তেওঁ কলে- 'ইয়ালৈ আহা। সেয়া তুমি আকৌ মনটো মাৰিলা। চকুৱে মুখে তোমাৰ উদাস, বিষণ্ণ ভাব।'

আৰ্শিষৰ কথাত মই সচেতন হলোঁ। অকণমান হাঁহিলোঁ, নাজানো মোৰ এই হাঁহি চকু মুখত ফুটি উঠিলনে নাই। মই সুধিলো 'আপোনাৰ বেডটি চলেনেকি?'

'নচলে' বুলি আৰ্শিষ বিছনাৰপৰা উঠি আহিল। মোৰ নিচেই কাষত বহি মোৰ হাতখন আলফুলে দাঙি লৈ সুধিলে-

তোমাৰ ইয়াত থাকিবলৈ ভয় লাগিবনেকি? তোমাক অকলে ইয়াত এৰি যাবৰ সমূলি মন যোৱা নাই।'

'ভয় লাগিছেনে নাই নাজানো। মনটো কিবা কিবা লাগিছে। এইটো কোঠা মাৰ স্মৃতিৰে ভৰা। এইখন বিছনাতে শুই শুই মায়ে কিবা কিতাপ পঢ়ি কটায়। কিতাপ পঢ়া মাৰ নিচা আছিল।'

'আকৌ মোৰ লগতে ব'লা! এইবাৰতো তোমাৰ পৰীক্ষা দিয়া নহ্‌লেই। তাৰ পাচত হোষ্টেললৈ যোৱাৰ আগতে এবাৰ আহিবা। এই নির্জনপুৰীত তুমি নিঃসঙ্গতাৰ জুইত জ্বলিবা। নিসঙ্গতা বোধৰ যন্ত্রণা অৰণ্যে মোৰ জনা নাই।'

'মই অকলে থাকিবলৈহে ভাল পাওঁ। নিঃসঙ্গতাৰ নীৰৱতাই মোৰ সঙ্গ। এই কথা ভৰা নাই। এইঘৰ ইচ্ছা কৰিলে এতিয়াই কোলাহলপূর্ণ কৰি দিব পৰা যায়। এইঘৰত কেইবাটাও শিশু আছে। বাৰ বছৰলৈকে ল'ৰা-ছোৱালীক শিশু বুলিব নোৱাৰি জানো! জীতাৰ বাৰ বছৰ। চান-চানি-নীনা তাইৰ পাচৰ। ইহঁতে এবাৰ প্রাণখুলি আনন্দেৰে সমকণ্ঠে হাঁহি দিয়ে যদি কোঠাবোৰৰ গধূৰ বতাহবোৰ পলাই লৰ নামাৰিবনে?'

'সিহঁত বর্তমান ইয়াতে আছে?' আর্শিষৰ বিস্ময়ৰ সীমা নাই। তেওঁ মোৰ মুখলৈ এনেভাৱে চাই থাকিল যেন মই বিশ্বাস কৰিব নোৱাৰা অসম্ভৱ কথা কলোঁ। আর্শিষে ক'লে— 'আশ্চর্য্য'।

'ইহঁত সকলো বর্তমান ঘৰতে আছে। সীতাবা, জয়মনি, মিনী, মালি, জয়ভদ্র, ড্রাইভাৰ, বিমল আৰু পৰনদা আছে।

'অলপ আগতে মোৰ এনে লাগিছিল এই প্রকাণ্ড ঘৰটোৰ প্রত্যেকটো কোঠাত শূন্যতা ও নীৰৱতাৰ বাস। ইয়াত থকা একমাত্র প্রাণীটি মই'। আর্শিষৰ এই কথাত মই কলোঁ—

'আপুনিতো এই ঘৰত মই থকা জানে।'

'তুমিতো কালিবেলৰা ইয়াতে আছা' বুলি আর্শিষে এহাত

নিজৰ বুকুত থৈ আনখন হাতেৰে মোক আকোৱালি ধৰিলে। মই দুৱাৰ মুখলৈ গৈ কাষোৱাক চাই অহা ছলেৰে তেওঁৰ হাতখন লাহেকৈ আঁতৰাই দুৱাৰ মুখলৈ গৈ দুৱাৰ খুলি বাহিৰলৈ চালো। তাৰ পাচত তাঁতৰ বিছনাখন পাৰি গাকদুটা থোৱা ঠাইত থৈ সেইখন বিছনাত আৰ্শিৰৰ সমুখা-সমুখিকৈ বহিলো। আৰ্শিয়ে বোলে 'তোমাৰ বাইদেৱেৰে মোৰ লগত দেখা কৰা নাই কিয় ?' 'এইঘৰৰ নিয়মেই এনে। মই আনি চিনাকী কৰি দিয়া নাই। সেয়ে অহা নাই।'

'আজি চিনাকী কৰি দিবা' আৰ্শিয়ে কলে।

'ঠিক আছে। আজি তেওঁলোকহঁতকো চিনাকী কৰি দিম। আমাৰ ঘৰৰ ল'ৰা-ছোৱালীবোৰ চাবিদিয়া পুতলা। ইয়াত এমাহ থাকিলেও নিজে আহি ইহঁত আপোনাৰ কাষ নাচাপে। কটিনমতে সিহঁতে হাত ভৰি লৰায়। মুখ চকু খোলে, বন্ধ কৰে। ইহঁতে ঠিক ছয় বজাত বিছনা এৰিব। নিজৰ নিজৰ ব্ৰাছ লৈ বাহিৰলৈ ওলাই আহিব। মুখ ধুই পঢ়াৰ মেজত বহিবগৈ। চাবি বছৰীয়া নীনা পৰ্যন্ত। তাইকো কটিনমতে চলা অভ্যাস কৰোৱা হৈছে।'

'তুমিও এনেকৈ উঠিলা ?'

'আমাকো একে শিক্ষাই দিছিল। কিন্তু পাঁচ বছৰৰপৰা মই হোষ্টেলত। ঘৰলৈ আহিলে ঘৰৰ নিয়মত চলো। সীতাৰা কিন্তু অলপ বেলেগ ধৰণৰ আছিল। মা-পাপাৰ অজ্ঞাতে নিয়ম ভঙ্গ কৰি আনন্দ পাইছিল। নিয়ম ভঙ্গ কৰিবলৈ মোকো টনা আজোৰা কৰে। মা-পাপাৰ হাক বচন মানো বাবে মোক বেজী বুলিছিল। এতিয়াও কয়—'পায় নাপায় বোৰ নিজৰ বিবেক বিবেচনাৰে চালি জাবি চাব লাগে। তাঁতৰৰ কথা বুলিয়েই যে মানিব লাগিব তাৰ কোনো মানে নাই।'

এইবাৰ আৰ্শিয়ে গহীন ভাৱে কলে—'তোমালোকৰ ঘৰৰ

লগত সম্পর্ক থকা লোক এজন এজনকৈ কোনোবাই শেষ কৰি আনিছে। মাৰ-পাপাৰো কাৰোবাৰ হাতত গ'ল। সচা কথা কবলৈ হলে তোমাক অকলে ইয়াত এৰি যাবলৈ মোৰ ভয় লাগিছে।'

'ইয়াত থাকিবলৈ অৱশ্যে মোৰো ভয় লাগিছে।'

'তেন্তে ব'লা।'

'এনেকৈতো যাব নোৱাৰি। জীতা নীনাইতৰ সু-ব্যৱস্থা কিবা এটা কৰিব লাগিব।'

'তোমালোক ল'ৰা-ছোৱালীবোৰৰ ওপৰত হত্যাকাৰীৰ চকু নাইতো ?'

'আমিনো কাক কি কৰিবলৈ গৈছো !'

'হত্যাকাৰীৰ উদ্দেশ্য বা কি ? তোমাৰ পাপাৰ এই ৰাজ-প্ৰাসাদ তুল্য ঘৰ-বাৰী, ধন-সম্পত্তিৰ লোভত কোনোবা আত্মীয়ই কিজানি তোমালোকৰ সঁচ নাইকিয়া কৰিব খুজিছে।'

'সয়ে হলে প্ৰথমেই পাপাৰ ফালৰ আত্মীয় সকলক অৰ্থাৎ পাপাৰ ভাই-ভতিজাহতঁক সন্দেহ কৰিব লাগিব। পাপাৰ বংশত এনে লোক থকা অসম্ভৱ। এই বংশৰ সকলোৱেই বিশেষ ব্যক্তি। কোনোবা সাহিত্যিক। কোনোবা নাট্যকাৰ। কোনোবা গায়ক। কোনোবা কবি। এওঁলোকৰ হাত কলম ধৰিবৰ বাবে, আন বাদ্য যন্ত্ৰ ধৰিবৰ বাবেহে। অস্ত্ৰ ধৰিবৰ বাবে নহয়। ককা-দেউতা সুন্দৰ চেতাৰবাদক আছিল। তেওঁ কবিতাও লিখিছিল। পেহীয়ে সুন্দৰ বৰগীত আৰু ভজন গায়। পেহীৰ নামতো শুনিছেই।'

'তেন্তে—?' আৰ্শিয়ে কলে।

'মইতো কাকো সন্দেহ কৰিব নোৱাৰো। আৰু এটা কথা নহয়— এনেকৈ ভাবিবলৈ হলে—আমাৰ ঘৰৰ লগত সম্পৰ্ক থকা অৰ্থাৎ মা-পাপাৰ চিনাকী বন্ধু এওঁলোকক কিয় হত্যা কৰা হৈছে !'

'সচা বন্ধু হলে এই অন্যায়ৰ প্ৰতিবাদ কৰাৰ ভয়ত। এই

হত্যাকাণ্ডৰ নায়ক এদিন নিশ্চয় ধৰা পৰিব। কিন্তু তেতিয়ালৈকে বা আৰু কেইজনৰ জীৱনৰ যৱনীকা পৰে। তোমালোক সেইজনৰ লিষ্টত নাইতো। মোৰ মাথোন এই চিন্তাই।'

'লিষ্টত আছো যদি ক'ত সাৰিম। যলৈকে যাওঁ এই মৃত্যু পাচে পাচে যাবই। আপুনি মুখ ধোৱকহি আহক' বুলি মই আৰ্শিষক বাহিৰলৈ মাতি আনিলো।

মুখ ধুই গাদি দিয়া কোমল চোফাত বহি হাতত গৰম চাহ একাপ একাপ লৈ আমি দুজনে সিজনৰ চকুলৈ চালো। এই চোৱাৰ অৰ্থ দুয়োৰো পৃথক। মই আৰ্শিষলৈ চাই বুজিবলৈ চেষ্টা কৰিলো—সীতাবা আৰু মোক লৈ তেওঁৰ একো সন্দেহ হোৱা নাইতো? কালি নিশা যদি তন্ন তন্নকৈ তেওঁ সীতাবাৰ মুখ চকু চাইছিল তেন্তে তেওঁ নিশ্চয় দেখিছিল সীতাবাৰ কপালত সেঁ'ফালে এটা সৰু মাহ আছে। ঘপহকৈ চকুত নপৰিলেও একান্ত ওচৰ চাপিলে নেদেখাৰ মানে নাই।'

আৰ্শিষে মোৰ চকু মুখলৈ চাই হয়তো বুজিবলৈ চেষ্টা কৰিছিল চকুৰ হাঁহি, মুখৰ সজীৱতা মই কিয় আকৌ হেৰুৱালো। সেয়ে মই হাঁহি এটা ওঁঠ মুখত ৰখাৰ চেষ্টা কৰিলো। ঠিক সেই সময়তে জীতা আহি বাৰাণ্ডাত থিয় হ'লহি। তাৰ পাচত হঠাৎ যেতিয়া দেখিলে বাৰাণ্ডাত এজন অচিনাকী যুৱক বহি আছে, তাই তেতিয়া ঘৰৰ ভিতৰত সোমাই যাব খুজিলে।

'এয়ে আমাৰ ঘৰৰ নিয়ম' বুলি মই জীতাক মাত দিলো—'জীতা এইফালে আহা'।

জীতা আহি মোৰ সমুখত থিয় হ'লহি। মই কলো—'এখেত কলেজ এখনৰ চাৰ। তইঁতে চাৰ বুলি মাতিবি।'

'নমস্কাৰ!' জীতাই কোমল বগা হাত দুখন যোৰ কৰি বুকুৰ ওচৰত দাঙি ধৰি নমস্কাৰ জনালে। তাৰ পাচত লাহেকৈ কলে—'মোৰ নাম অপৰাজীতা বাৰুখোৱা।' জীতাই অকণমান হাঁহিছিল

যদিও চকু মুখত হাঁহি ফুটা নাছিল।

'বহা ইয়াতে' বুলি আর্শিয়ে তেওঁৰ কাষতে চোফাত জীতাক বহিবলৈ কলে। জীতাই মোৰ চকুলৈ চালে। অৰ্থাৎ মোৰপৰা আদেশ বিচাৰিলে। মই বহিবলৈ কোৱাত বহিল যদিও যেন নিঃসঙ্কোচে বহিব পৰা নাই। এয়া তাইৰ বাৰ বছৰীয়া জীৱনত কটিনৰ কামৰপৰা প্ৰথম এখোজ ইফাল সিফাল হৈছে। তাই আজি বিছনাৰপৰাও অলপ সোনকালে নামি আহিছিল। ওলাই আহোঁতে তাইৰ হাতত টুথব্ৰাছ নাছিল। আৰ্শিয়ে তাইক দুই এটা পঢ়াৰ কথা সুধিলে। ঠিক সেই সময়ত বগা পুতলা এটা যেন নীনা বাহিৰলৈ ওলাই আহিল। তাইৰ হাতত টুথব্ৰাছ। চোতালত শালিকা এটা পৰিছিলহি। তাই সেইফালে চাই দাঁত ব্ৰাছ কৰি থাকিল। মাজতে এবাৰ চকুযুৰাই ক্ষন্তেকৰ বাবে আৰ্শিৰ ফালে চাইছিল। এজন অচিনাকী মানুহ পাচফালৰ বাৰাণ্ডাত বহিথকা দেখি তাই যেন কি বুজিবলৈ চেষ্টা কৰিলে। মই কলো—'এই-জনী নীনা! বয়স মাথোন চাৰি বছৰ। সকলোতকৈ এই সক। এই বয়সতে পিতৃ-মাতৃ দুয়োকো তাই হেৰুৱালে।'

'ছোৱালীজনী পুতলাৰ দৰে।' আৰ্শিয়ে কলে।

'পুতলাই' মই কলো—'চাবিদিয়া পুতলা। তাইক মই ওচৰলৈ নামাতিলে ওচৰলৈ নাহে। কথা নুসুধিলে কথা নকয়। মুখ ধুই পঢ়া মেজত বহিবগৈ। তাৰ পাচত পাপিৰ লগত কথা পাতিবগৈ। পাপিক কবগৈ নিশ্চয়—'পাপি মলয়াবা আহিছে। আৰু কোনোবা এজন আহিছে। সেই মানুহজনে মোলৈ কেনেকৈ যে চাইছিল।'

'পাপি কোন?' আৰ্শিয়ে সুধিলে।

'পাপি ভুটীয়া কুকুৰ এটা।'

জীতা বহাৰপৰা থিয়হৈ পুনৰ আৰ্শিক নমস্কাৰ জনাই কলে—'যাওঁ'। আজৰি যোৱা জীতাৰ কালে চাই সক মাতেৰে

আশিষে কলে --'হোৱালীজনীৰতো দেখাত স্বাস্থ্য বেয়া নহয় । কিন্তু তাই যেন নিৰ্জীৱ । তাহাঁতৰ এই বয়স প্ৰজাপতি হৈ উৰাৰ বয়স ।'

'তাই প্ৰজাপতি হৈ উৰিব পৰা নাই । তাই পাখিছিঙা প্ৰজাপতি হৈ আকাশৰ ছবি আকে মাথোন । তাই তাইৰ আকাশ বিচাৰে । ইফালে বাধা । সিফালে বাধা । আৰু নামাতিবি । তাক নামাতিবি । স্কুল পঢ়া আৰু নিজৰ নিজৰ কোঠা এয়ে তাহাঁতৰ জীৱন ।'

এৰাৰ বাজিবৰ হ'ল । এতিয়াও সীতাৰা সুঠাত মই ভাবিলো জগাই দিওঁগৈ । ৮ বাতি টোপনি নহ'ল বুলি এইদৰে গোটেই আগবেলাটো শুই থাকেনে ! গা-পা ধুই খাই বৈ ছুপৰীয়া শুলেওতো হব ।

মই তেওঁৰ বিছনাৰ ওচৰলৈ গৈ দেখো ইতিমধ্যে তেওঁ সাৰ পাইছে । মোক দেখি অকণমান হাঁহি সুধিলে—'তোৰ আলহীৰ খবৰ কি ?'

'আছে ।'

'কি কৰিছে ! যাওঁ যাওঁ লগোৱা নাইনে ?'

'বৰ্ত্তমানলৈকে যোৱাৰ কথা কোৱা নাই । পাচবেলা যোৱাৰ কথা ভাবি আছেনেকি ।'

'এতিয়া তেওঁ কত ?'

'মাৰ কমত । মাৰ এলবাম চাই আছে ।'

'নিহত হোৱা মাৰ বন্ধুকেইজন দেখি একো কোৱা নাইনে ? কাগজত তেওঁলোকৰ ফটো বাহিৰ হৈছিল । নিশ্চয় তেওঁলোকক পাইছে ।'

'এলবাম ছুখন চাবলৈ ওচৰ চপাই লওঁতেই মই আতৰি আহিলো ।'

'তই বুদ্ধিমতী ।'

'তোমাক জগাবৰ বাবেহে আহিছিলো ।'

'তেন্তে বা এতিয়া । তেওঁক সঙ্গ দেগৈ । আমাৰ ঘৰটোৰ

নীৰৱতাই গিলিব যেন। যেন উশাহ বন্ধ হোৱাৰ উপক্ৰম হয়। আৰু চা বাইদেউৰাক মাতাচোন বুলি কলে মই পেহীৰ ঘৰলৈ যোৱা বুলি কবি।'

মই কোঠাৰপৰা ওলাব খুজি চুৱাৰত হাত দিওঁতে সীতা-বায়ে মাত দি কলে—'মলয়া তই বৰ আনমনা হৈ থাক। মুখ চকু তোৰ ইমান বিষণ্ণ, উদাস। আনকি তই পিন্ধা সাজ-পোছাকো যেন বেদনাত তিতা। এনেকৈ নাথাকিবি। আৰ্শিৰক কিবা কবি। কিবা সুধিবি। তইতো কেৱল কথাৰ উত্তৰ দিয়া মানুহহে।'

০ ০ ০

মই তকৰে কৈছো –

জীতা, চান, চানি, নীনাক লৈ পাচবেলা ব'দ যোৱাৰ পাচত আৰ্শিৰ আনফালৰ 'লন'লৈ ওলাই আহিল। তেওঁলোকক আৰ্শিযে সুধিলে—'তোমালোকে কি কি খেল জানা?'

'চান, তুমি বল খেলানে?'

'নেখেলো।' চানে কলে।

'আমি একো খেলেই খেলা নাই। জীতা আৰু চানে কলে। নীনাই আৰ্শিৰৰ মুখলৈ চাই থাকি শেষত কোমল সৰু মাতটিৰে সুধিলে 'তুমি ইয়াত সদায় থাকিবা?'

'থাকিলে তুমি ভাল পাবানেকি?' আদৰেৰে আৰ্শিযে নীনাক কাষ চপাই ললে।

'মই ভাল পাম'। নীনাই আৰ্শিৰৰ মুখলৈ চাই থাকি শেষত কলে—'তুমি মলয়াবাৰ হোষ্টেলত থাকানেকি?'

'নাথাকো। মই মোৰ ঘৰত থাকো।' আৰ্শিযে নীনাৰ কপালত চুম্বনকৰি কলে। 'তোমালোকৰ ঘৰ ইয়ালৈ লৈ আহিবা।' নীনাই কলে।

জীতাই বাটৰ কালে চাই আছিল। নীনাই কৰা প্ৰশ্নত তাই আৰ্শিৰৰ খলৈ চালে। তাই যেন নীনাই থাকিবলৈ কোৱাত

ভালেই পাইছে। আৰ্শিয়ে কলে 'মই থাকিম বাক। এতিয়া তোমালোকে কিবা এটা খেলা। কি খেলিবা বাক?'

'খেলিবৰ মন যোৱা নাই।' জীতাই কলে।

'কি কৰিবৰ মন গৈছে?' আৰ্শিয়ে সুধিলে।

'কেনিবা ওলাই যাম।' জীতাই কলে।

'ওলাই যাবা বাক, তাৰ আগতে এনে এটা খেল খেলা-চোন যিটোত লৰিব নালাগে, জপিয়াব নালাগে। মই এক, দুই তিনি বুলি কোৱাৰ লগে লগে তোমালোকে কান্দিবা। যাৰ কান্দোন সচা কান্দোনৰ দৰে হয় তেওঁৱেই প্ৰাইজ পাবা। তাৰ পাচত আকৌ এক দুই তিনি বোলাৰ লগে লগে হাঁহিবা। যাৰ হাঁহি সচা হাঁহিৰ দৰে হয় সেয়ে প্ৰাইজ পাবা।'

এই হাঁহি-কান্দোনৰ খেলাত জীতাই সচাই কান্দি দিলে। আৰ্শিয়ে জীতাক ওচৰলৈ মাতি হাত এখনত ধৰি কলে—'তুমি সুন্দৰ অভিনয় কৰিলা। কন্দাত তুমি প্ৰাইজ পাবা।'

'মইতো অভিনয় কৰি কন্দা নাই' জীতাই কলে। তাৰ পাচত দীৰ্ঘ নিশ্বাস এৰি কলে—সচাকৈয়ে মোৰ খুব কান্দিবৰ মন যায় কেতিয়াবা। আপুনি মৰম কৰাৰ দৰে কোনেও আমাক মৰম নকৰে।'

হাঁহিত কোনেও প্ৰাইজ নাপালে। কোনেও হাঁহিব নাজানিলে। নীনাই একোতে যোগ দিয়া নাছিল। তাই আৰ্শিৰ মুখলৈ চাই বৈছিল। ইমানকৈ তাই কি চাইছে তাইহে জানে। আৰ্শিয়ে জীতাহঁতক কলে—'অনবৰতে তোমালোক কোঠাত সোমাই নাথাকিবা। বাহিৰলৈ ওলাই আহিবা। ওচৰত যদি তোমাৰ বান্ধবী আছে লগ কৰিবাগৈ কেতিয়াবা। তেওঁলোককো মাতি আনিবা। ইমান ডাঙৰ 'লন' ইয়াত কিমান খেল-খেলিব পাবা।'

'মোক কিজ্ৰেন বল খেলিবলৈ যাবলৈ দিবা?' চানে সুধিলে।

'যাবা।' আৰ্শিয়ে কলে.........।

ঠিক সেই সময়তে এগৰাকী বিহাৰী তিৰোতা গেট খুলি সোমাই আহিল। মানুহ গৰাকী আৰ্শিৰ কালে আগবাঢ়ি আহিল। আৰ্শিয়ে সুধিলে— 'কি হ'ল—?'

মানুহজনীৰ সাজপাৰ সাধাৰণ, কিন্তু চাফা। মূৰত তেল লৈ বেণী এডাল গুঠিছে। বেণীডাল কঁকালত ওৰণি। তাই জনালে তাই বন্ধা-বঢ়াৰ পৰা কাপোৰ ধোৱালৈকে সকলো কামেই কৰিব, কাম বিচাৰি আহিছে। মানুহজনীক ৰবলৈ কৈ আৰ্শিয়ে নীনা-হঁতক লৈ ভিতৰ সোমাই আহিল। মলয়াক মাতি দিবলৈ সীতাক কলে। মলয়া আহি সমুখত থিয় হওঁতেই কলে—'মানুহ এজনী কাম বিচাৰি আহিছে।'

'কি কাম?'

'ঘৰুৱা সকলো কামেই কৰিব বোলে।'

'মই এইবোৰ একো কব নোৱাৰো। সীতাবা [illegible] পৰামৰ্শ কৰ লাগিব।'

'কাকো কব নালাগে। মই মানুহজনী পঠাই দিওঁগৈ। এই সময়ত নতুন মানুহ ঘৰত নোলোৱাই ভাল।'

'কিয়...?'

'তোমালোকৰ ভিতৰতে কাৰোবাক সন্দেহ কৰি ভাল 'ডিটেক্‌টিভে' নানান ভেশ ধৰি আহিব পাৰে।'

আৰ্শিৰ কথাতে মলয়ে হুংকাৰ দিলে। বাহিৰৰ মানুহ তেন্তে সচাই এদিনলৈও ৰখা ভাল নহয়। সীতাবাৰ ওপৰতে নিশ্চয় চকু। মলয়ে ভাবিলে, তেওঁ সীতাক সহজ ভাবে লব পৰা নাই। তথাপি আইনে পিতৃ-মাতৃ হত্যাৰ অপৰাধত সীতাক কলঙ্কৰে সালঙ্কৃতা কৰা কথা ভাবিব নোৱাৰি। যদিও তাই সচাই মাক-দেউতাকক হত্যা কৰিছে, অসুস্থ মস্তিষ্কৰে কৰিছে। সুস্থ লোক সদায় সুন্দৰ। অসুস্থ ব্যক্তিয়েই পৃথিৱীক অসুন্দৰ কৰে,

খলা-বমাৰ সৃষ্টি কৰে। তাত নিজেও উজুটি খায় আনকো উজুটি খুৱায়। সীতাই যদি এই কাৰ্য্য কৰিছে তেন্তে তেওঁ অসুস্থ মস্তিষ্কৰ। সীতা কেনেকৈ কিয় অসুস্থ হ'ল ? তেওঁক সুন্দৰ সুস্থ কৰি তোলাহে কৰ্ত্তব্য এতিয়া। তেওঁক আজীৱন কাৰাদণ্ড দিলে প্ৰায়শ্চিত্ত কৰিবলৈ তেওঁ সুবিধা পাব ক'ত? চকুলোৰে তেওঁক ধুৱাই পৰলোকত গৈ পোৱা শাস্তিৰ পৰা তেওঁক উদ্ধাৰ কৰিব লাগিব। মলয়ে ভাবিলে আজি সকলো খুলি কবলৈ সীতাক অনুৰোধ কৰিব। সচাই যদি তেওঁ পিতৃ-মাতৃ হত্যা মহাপাপ কৰিছে তেন্তে তেওঁক কন্দুৱাব লাগিব। এই কান্দোনেই তেওঁৰ প্ৰায়শ্চিত্ত কৰিব। মানুহ-জনীক বিদায় দি জীতাইঁতক লৈ আৰ্শিৰ ওলাই গ'ল। নীনাই পাপিকো লৈ যাব খুজিছিল। মলয়ে বাধা দি কলে—

'কালিলৈ চাৰে 'জু' চাবলৈ লৈ যাম বুলি কৈছে নহয়, কালিলৈ নিবা।'

বাটত আহি নীনাই আৰ্শিষক সুধিলে— 'জু' মানে কি?

জীতাই কলে— 'আপোনাক চাৰ বুলি মাতিবৰ মন যোৱা নাই।'

'কি বুলি মাতিবা ?' আৰ্শিষে মৰমেৰে সুধিলে।

'পাপা বুলি মাতিম ?' সাত বছৰীয়া চানিয়ে কলে। অলপ বৈ চানিয়ে আকৌ কলে— 'কব্‌লৰ পাপাকে কবলক কিমান যে মৰমে কৰ। সি সদায় স্কুলত তাৰ পাপাকৰ কথা কয়। পাপাকে তাৰ লগত খেলে, বিহু নাচে। শোৱে।' চানিৰ দীৰ্ঘ নিশ্বাস পৰিল। সাত বছৰীয়া ল'ৰাটিৰ দীৰ্ঘ নিশ্বাসলৈ চাই আৰ্শিৰৰ কবৰ মন গৈছিল— 'পাপা বুলিয়েই মাতিবা। মঞো তোমাৰ লগত খেলিম, হাঁহিম, নাচিম বুলি। কিন্তু তেনেকৈ কলেনো হব কি? কালিলৈকে যাবলৈ লাগিব—এই ভাব অহাত কলে—

'ককায়েকবোৰেও ভাই-ভনীক মৰম কৰে নহয়! ককায়েক-

বায়েকহঁতে ভাই-ভনীক মৰম কৰে, ভাল পায়। তোমালোকক মলয়বায়ে জানো মৰম নকৰে?'

'সীতাবায়ে হে আমাক মৰম কৰে। আনকি জোনাকো খুব মৰম কৰে।' চান-চানি দুয়োটাই একেলগে কলে।

পাপি যেনেকৈ কুকুৰটোৰ নাম, জোনাও তেনেকৈ মেকুৰী, বান্দৰ, গৰু, চৰাই, কিহবাৰ নাম বুলিয়েই আৰ্শিযে জোনানো কোন সুসুধিলে। এইটো ঠিক, সিহঁতক মৰম কৰাৰ দৰে মৰম কৰিবলগীয়া জীৱ নিশ্চয় নহয়। সেয়ে এনেকৈ কৈছে আৰ্শিযে ভাবিলে। তাৰ পাচত কলে—

'মোক তোমালোকে দাদা বুলি মাতিবা। মই তোমালোকৰ চাকৰি কৰি দূৰত থকা দাদা। মাজে-মাজে তোমালোকৰ ওচৰলৈ আহিম।'

'মাও চাকৰি কৰিবলৈ গ'লনেকি?' নীনাই সুধিলে আৰু কলে— 'মাক বহুত মানুহে বাঁহৰ বিছনাতে শুৱাই লৈ গ'ল। কলৈ লৈ গ'ল বাৰু! মাৰ বিছনাত সীতাবায়ে বহুত ফুল দিলে। মাক বগা কাপোৰেৰে ঢাকি দিছিল। বিছনাৰ কাষত ধূপ জ্বলাই দিছিল।'

নীনাই কথাকৈ গৈছিল। জীতাই নীনাৰ মুখলৈ মাজে মাজে চাইছিল। নীনাই আকৌ সুধিলে—'মা আমাক চাবলৈ আহিবনে? ইমান দিন হ'ল কিয় অহা নাই।'

'আহিব।' আৰ্শিযে কলে। তেওঁ ভাবিলে 'মৰিল' বুলি কলে নীনাই আকৌ সুধিব 'মৰিল মানে কি? কিয় নাহে?' ইত্যাদি। তাতকৈ এনেকৈ কৈ থোৱাই ভাল। কিছুদিন পাচত পাহৰিব, মাকৰ মৃত্যু হোৱা কথা বুজিব।

'এতিয়া কিয় নাহে?' দুখেৰে নীনাই আকৌ প্ৰশ্ন কৰিলে।

'বহুত দূৰলৈ গৈছে। আহোঁতে বহুদিন লাগিব।' আৰ্শিযে কলে।

'মা আক ক'ৰপৰা আহিব? মাক জলাই দিলে। মা

ছাঁই হৈ গ'ল।' গভীৰ মাতেৰে জীতাই ক'লে। নীনাই আকৌ প্ৰশ্ন কৰিলে--

'কেলেই জ্বলাই দিলে? মাক জুয়ে পোৰা নাছিল জানো?'

'মা মৰিল বাবে পুৰি ছাঁই কৰি দিলে। মৰাৰ পাচত গাত দুখ নাপায়। নোপোৰে, গৰম নালাগে, ঠাণ্ডা নালাগে, একোৱেই নালাগে।' জীতাই নীনাক বুজাবলৈ চেষ্টা কৰিলে মৃত্যুৰ লগে লগে যে দেহ অনুভূতি বিহীন হয় এই কথা। আৰ্শিয়ে জীতাৰ মুখলৈ চালে। কি গভীৰ মাত জীতাৰ! কেনে এটা শূন্য শূন্য ভাৱেৰে কথা কৈছে।- এই প্ৰসঙ্গ তল পেলাবলৈ আৰ্শিয়ে ক'লে-

'তোমালোকে গান গোৱানে?'

'ওহোঁ! জীতাই ক'লে।'

'গান গাবৰ মন যায়নে?'

'যায়।' চানে ক'লে।

'মা কেলেই মৰিলে?' নীনাই আগৰ প্ৰসঙ্গলৈ আহি প্ৰশ্ন কৰিলে। তাই নিশ্চয় ইমান সময়ে মাকৰ কথাই ভাবি আছিলে। আৰ্শিয়ে কি সুধিছে, জীতাইঁতে কি কৈছে, সেইবোৰলৈ তাই মনেই কৰা নাছিল।

'মায়ে এইবাৰ মোক এটা ৰঙা ফ্ৰক দিব বুলি কৈছিল।' নীনাই আকৌ উৎসাহেৰে মাকৰ কথা ক'লে। নীনাই নিশ্চয় এতিয়াও মাকৰ মৃত্যু হোৱা, পুৰি ছাঁই কৰি দিয়া এইবোৰ একো বুজি পোৱা নাই। আৰ্শিয়ে কলে---

'মই তোমাক এটা ৰঙা ফ্ৰক দিম।'

'নালাগে।'

'কিয়?'

'মা-পাপাই লোকক বস্তু খুজি লবলৈ নিদিয়ে।'

'তুমিতো খোজা নাই। মইহে দিম বুলি কৈছো।'

'সুধুজিলে কি হব! তাই কৈছিল বাবেহে আপুনি দিব।' জীতাই কলে।

আৰ্শিষে ভাবিলে এই ল'ৰা-ছোৱালী কেইটাক স্বচ্ছন্দ কৰা, নিজ মনোভাব প্ৰকাশ কৰিবলৈ মনত শক্তি দিবলৈ সময় লাগিব। তেওঁ কালিলৈ পুৱা গলেগৈও আকৌ এবাৰ সোনকালে আহিব। সচাই তেওঁ নিজেও নজনাকৈ এই ল'ৰা-ছোৱালী কেই-টাৰ ৰবককাই হৈ পৰিল। তাহাঁত প্ৰত্যেকৰে চিন্তা তেওঁৰ মনলৈ আহিল। দায়িত্ব লৈ মৰমেৰে চোৱা কোনো আত্মীয় বাৰু এতিয়া-লৈকে কিয় অহা নাই? এওঁলোকৰ বংশ-পৰিয়ালৰ কোন ক'ত আছে আজি মলয়াক সুধিব লাগিব। এওঁলোক নিজে আহি নোলালেহি তেৱেঁই গৈ তেওঁলোকৰ কাৰোবাক লগ কৰিবগৈ। তেওঁ যেতিয়া নীনাহঁতৰ সহোদৰ ককাই নহয়, তেওঁৰ আন্তৰিকতাত এফালে কোনো মূল্য নাই। উপৰাচি তেওঁলোকৰ তেওঁ দায়িত্ব লব নোৱাৰে। তাতে ঘৰত আছে মলয়াৰদৰে ৰূপহী যুৱতী। সীতাও নিশ্চয় সুন্দৰী। আটাইকেইটা ল'ৰা-ছোৱালীয়েই একোপাহ ফুলৰ দৰে। মাক ধুনীয়া আছিল বাবেই ল'ৰা-ছোৱালীবোৰো ধুনীয়া হ'ল। চানৰ বৰণ মিঠা। মুখৰ গঢ় কাৰো লগত নিমিলে· যদিও তাৰো এটা বেলেগ সৌন্দৰ্য্য আছে। চকুৰ নোমবোৰ ঘোৰখোৱা। ভ্ৰু টনা টনা। ওঁঠ দুটা পাতল, ধুনীয়া। পিটিকি মোহাৰি হাতত লৈ থাকিবৰ মন যোৱা নীনাক যেন লৈ গৈ আৰ্শিষে সবিতা বৌৱেকৰ কোলাত তুলি দিবগৈ! কিন্তু তেওঁ বৰ্ত্তমান কাকো নিজ ইচ্ছাত একো কৰিব নোৱাৰে। মাক-দেউতাকক হত্যাকৰা হত্যাকাৰী নোলোৱালৈকে একো ভাবিবই নোৱাৰি। অৱশ্যে কোনোবা আত্মীয়ই আহি তেওঁৰ ওপৰত দায়িত্ব দি গ'লে তেওঁ সকলোৰে দায়িত্ব লবলৈ প্ৰস্তুত। ঘূৰি আহি আৰ্শিষে মলয়াক সুধিলে—

'তোমালোকৰ দদাই, বৰদেউতা কোনো নাইনেকি? তেওঁলোক কোন ক'ত থাকে। তেওঁলোকতো আহিব লাগিছিল।'

'কোন ক'ত থাকে মই একো নাজানো। কোনোবা

আহিছিল নেকি তাকো নাজানো ? সীতাবাক সুধিব লাগিব ।'

'সীতা আজি সুধুবিবইনেকি ?'

'ঘুবিব ।' কথাষাৰ কৈ মলয়ে ভাবিলে ঘুবিব বুলি কোৱাতকৈ সুধুবিব বুলি কোৱাই হয়তো ভাল আছিল । সীতাক তেওঁলোকৰ কোন ক'ত আছে সুধিবৰ বাবে মলয়া সীতাৰ ওচৰলৈ গ'ল । সীতা বিছনাতে পৰি আছিল । মলয়াক দেখি সুধিলে—'কি হল ? তোৰ কোৱঁৰক ৰৰকৈ বাহিৰ-ভিতৰ কৰি থাকিবলৈ নিদিবি । পুলিচ থানা, চি-আই-ডি, ডিটেক্‌টিভ সোপাৰ তেওঁৰ ওপৰত চকু পৰিব ।'

'পৰিলে কি হ'ল, তেওঁক সন্দেহ কৰাৰ কোনো স্থল নাই ।'

'স্থল সিহঁতে সন্দেহেৰে উলিয়াই লব । তোক মোক হাত কৰিবৰ বাবে, তোক মোক হাত কৰি সম্পত্তি হাত কৰিবৰ বাবে মা-পাপাক আতৰাই ললে বুলি সন্দেহ কৰিব । তাতে পাপাৰ 'ডেড্‌বডি' পোৱা গৈছিল তেওঁলোকৰ পদূলিত । এইকথাও কম কথা নহয় । অৱশ্যে সাক্ষী-প্ৰমাণ নহলে ভয় কিহৰ । সাক্ষী—প্ৰমাণ পোৱাবোৰেই শেষত ফাকুফুক্ হৈ উৰি যায় । তথাপি তাহাঁতে যে অকাই-পকাই প্ৰশ্ন কৰে, কথা কয় নগণ্য ভাৱে, এই কথা অসহ্য লাগে । তেওঁ সুধিছে আমাৰ আত্মীয়-স্বজন কোন ক'ত আছে ?'

'কোন ক'ত থাকে ময়ো ভালকৈ নাজানো ।' সীতাই ক'লে । অলপ বৈ অকমান হাঁহি আকৌ সীতাই ক'লে—কোনোবাই কোনোবাই দুঃখ প্ৰকাশ কৰি চিঠি দিছিল । আমাৰ আত্মীয়ৰ খবৰ তেওঁনো কিয় লৈছে ?'

'আমি বোৱৰ বিষয়ে আলোচনা কৰিবলৈ । তেওঁতো আমাৰ অনাত্মীয়, সেয়ে বোলে তেওঁ দায়িত্ব লব দিলেও দায়ীত্ব লব নোৱাৰে ।'

'আত্মীয় হৈ ললেই হয় দেখোন ।' সীতাই গম্ভীৰ ভাৱে ক'লে ।

'কেনেকৈ ?' মলয়ে প্ৰশ্ন কৰিলে।

'জীতা নীনাহঁতৰ ভিনীয়েক হৈ।' সীতাই কলে।

'সেয়েতো মই কৈছো—তোমাৰ যদি তেওঁক ভাল লাগিছে তেন্তে বিয়াৰ সিদ্ধান্ত লোৱা।' মলয়াই ক'লে।

'তই পাঠ্যপুথিৰ লাইনবোৰৰ বাদে আনে কোৱা, বুজোৱা কথা একো নুবুজনেকি ? কালিৰে পৰা মই তোক কি কৈ আছো। সম্ভৱ হোৱাহলে এই সুযোগ মই গ্ৰহণ কৰিলোঁহেঁতেন।'

'অসম্ভৱনো কিয় ?' আকৌ মলয়ে প্ৰশ্ন কৰিলে।

'এইবাবে' বুলি সীতাই নিজৰ পেটত হাত এখন দি কলে—'তাতে মই এজনৰ হাতত বান্ধ খাই আছো। তোক জানো কোৱা নাছিলো সেইজনে মোক জীয়াই নাৰাখিব।'

অলপ বৈ সীতাই মলয়াক ওচৰত বহুৱাই ললে। দীৰ্ঘ নিশ্বাস এৰি মলয়াৰ পিঠিত হাত ফুৰাই থাকি কলে—'তই সংসাৰত থাকি সংসাৰৰপৰা পলাই ফুৰিলেই তোৰ প্ৰিয়তমক পাবিনে? তেওঁক কাৰোবাৰ পত্নী হৈও পাব পাৰি। ৰাধাই যিদৰে পাইছিল। মীৰাবাই—তেওঁতো বিয়াত অমত হোৱা নাছিল। বিয়াৰ পাচতো মীৰাবায়ে মনোহৰ কৃষ্ণক আগৰ দৰেই বিচাৰিছিল। স্বামীয়েও সুবিধা দিছিল। অৱশেষত তেওঁতে বিলীনো হ'ল। এই সুন্দৰেও নিশ্চয় তই তোৰ প্ৰিয়তমক বিচৰা কাৰ্য্যত বাধা নিদিব। তই যদি কৱ মই তেওঁৰ লগত এই বিষয়ে কথা হম।'

'নালাগে।' মলয়াই শান্তভাবে কলে; অলপ বৈ কি ভাবি আকৌ ক'লে— 'এয়া মোৰ মনৰ ওপৰত নিৰ্ভৰ কৰা কথা। তুমি কলেইতো মই মানিব নোৱাৰিম।'

'তইতো সদায় ডাঙৰৰ কথা মানি আহিছ? দহ মিনিটৰ হলেও মই তোতকৈ ডাঙৰ। তাতে মই তোৰ হিতাকাঙ্ক্ষী।'

'মই মোৰ মনৰ এই দিশটো কাৰো পৰিচালনাত পৰিচালিত হবলৈ এৰি দিব নোৱাৰো' মলয়াৰ কথাত দৃঢ়তাৰ সুৰ।

কোঠাৰপৰা ওলাই আহিবলৈ লৈ মলয়ে ছুৱাৰ মুখৰপৰা সীতাক সুধিলে—

'তুমি অহা নহাৰ বিষয়ে সুধিলে কি বুলি কম ?'

'নাহে বুলিয়েই কবি।'

মলয়া ওলাই যোৱাৰ পাচত পৱন আহি সীতাক জনালেহি পুলিচ ইন্সপেক্টৰ দাস আহিছে। সীতা বিছনাতে উঠি বহিল তেওঁ চিন্তাত পৰিল। ড্ৰইংৰুম বা লাইব্ৰেৰী ৰুমত গৈ তেওঁক লগ কৰিবগৈ নোৱাৰে। সেয়ে হলে হঠাৎ আহি আৰ্শিৰে সীতাক দেখিবহি পাৰে। মলয়াক মাতি আৰ্শিখন উঠি আহিবলৈ নিদিবলৈ কব পৰা বায়! কিন্তু তেওঁ ঘপহ্‌কৈ উঠি আহিলে মলয়ে হাতত ধৰি টান মাৰি ওচৰত বহুৱাই নলব। তাইৰপৰা এনে আশা কৰাই ভুল। সেয়ে পৱনক কলে—

'মোৰ অসুখ, শুই আছো বুলি ইয়ালৈকে মাতি আনা।'

'তেওঁৰ লগত আৰু এজন মানুহ আহিছে।'

'কোন তেওঁ ?'

'নাজানো কোন। কিন্তু মানুহজনৰ যে চকুকেইটা কেনেকুৱা। হাড় মাংস ফুটাই চকুদুটাৰ দৃষ্টি যেন বুকুৰ ভিতৰত পৰেগৈ।'

'সেইকেইটা তেতিয়াহলে এক্সৰে মেচিন। পাৰে যদি মোৰ মনৰ ছবিখন তোলক মাতি আনাগৈ।'

ইন্সপেক্টৰ দাসে সীতাৰ লগত মানুহজনৰ চিনাকী কৰি দি কৈছিল— 'এখেত হল মুকুট বৰুৱা। খুৰাদেৱেৰে এখেতৰ হাতত এখন চিঠি দি পঠাইছে।'

চিঠিখন পঢ়ি সীতাই লাহেকৈ কলে–'মই কেনেকৈ জানিম এইখনযে খুড়াৰ চিঠি ?'

'তেখেতৰ নাম চহী আছে।'

'এইটো যে খুৰাৰে চহী মই কেনেকৈ কম।'

'তাৰ মানে—?' ইন্সপেক্টৰ দাসে কলে।

'খুৰাই মোলৈ কাহানিও চিঠি দিয়া নাছিল। খুৰাৰ আখৰৰ লগতো মোৰ পৰিচয় নাই। তেখেতৰ মন গৈছে পৃথিবীৰ যি কোনো ঠাইৰপৰা ডিটেক্টিভ্ আনিব পাৰে। কিন্তু মই ইয়াত কোনো মানুহ থাকি লোৱাটো পছন্দ নকৰো। ভাল হোটেল এখনত উঠকগৈ, টকা মই খৰচ কৰিম।'

'হব বাৰু।' লাহেকৈ মুকুট বৰুৱাই ক'লে। সীতাৰ এনে লাগিল মানুহজনৰ চকুহুটাই ইমান সময়ে সীতাৰ মনৰ কোঠালি চাৰিটাত ভুমুকি মাৰি ওলাই আহিছে।

খুৰাকে পঠোৱাৰ সুবিধা লৈ মানুহজনে সীতাৰ মুখলৈ চাই কলে-আপোনাৰ মাকক দেখাৰ সৌভাগ্য নহ'ল। খুৰাদেৱেৰ হুতঁৰপৰা জানিলো, তেখেঁত দেখাত যিমান সুন্দৰ আছিল হৃদয়খনো আছিল তেনে মধুৰ। আৰু এটা কথা তেখেতে কৈছিল—সময়ত বোলে আপোনালোকৰ মাকলৈ ঈৰ্ষা হৈছিল।'

'কেতিয়াও নহয়। মা সুন্দৰী আছিল বাবে মই গৌৰব কৰিছিলো। মায়ে সুন্দৰভাবে সাজ-পোছাক কৰি কেনিবা ওলাই যাবলৈ ললে মই মাক এপাহ ফুল আনি দিওঁ। মায়ে ফুলপাহ খোপাত গুজি লয়। ফুলপাহে মাৰ সৌন্দৰ্য্য বঢ়াই তোলে।'

মানুহজনে আৰু বহুতো ইটো সিটো কথা কৈছিল। তেওঁৰ কথাৰ পাকত সীতাৰ মনৰ বন্ধ দুৱাৰ খিৰিকাবোৰ খোলখোৱাৰ উপক্ৰম হয়। কিন্তু লগে লগে সচেতন হৈ মৃদু ভাবে অকণমান হাঁহে।

সীতাৰ ভাই-ভনীবোৰ চোৱাৰ হেপাহৰ নামত এটি এটিকৈ তাহঁতকো মতাই আনি দুই এটা কথা পাতিলে। তাহঁতৰপৰা তেওঁ একো মা-মছলা নাপালে। সিহঁতে কটিনৰ কাম কেইটাৰ বাদে জানেই বা কি? বুজেই বা কি?

সীতাই মাজতে এবাৰ বিছনাৰপৰা নামি বেৰৰ বুটাম

এটা টিপিলে। অলপ পাচতে কোঠালৈ পৱন সোমাই আহিল। সীতাই পৱনক তুকাপ চাহৰ কথা কলে। সিফালে চাহ প্ৰস্তুত হৈয়েই আছিল নেকি !

অলপ পাচতে মিনীয়ে ট্ৰে এখনত তুকাপ চাহ লৈ আহিল।

'এওঁ তোমাৰ ভনীয়েৰ মলয়া নেকি?' ইন্সপেক্টৰ দাসে সুধিলে।

'নহয়। কৈছোৱেইতো তাই কেনিবা ওলাই গৈছে। এই হ'ল মিনী।'

'কি হয় আপোনালোকৰ?

'সম্বন্ধত একো নহয়।'

'আপোনাৰ বান্ধবী? ফুৰিবলৈ আহিছে।'

'এই ইয়াতে থাকে।'

'ইয়াতে থাকে মানে?'

'ইয়াতে থকা মানে বুজিবলৈ বৰ টান পাইছে যে? তাই সকবেপৰা আমাৰ ঘৰতে আছে।'

'আগতে যে পোৱা নাছিলো। মাৰৰ দুৰ্ঘটনাৰ সময়ত ইয়াত নাছিলনেকি?'

'নাছিল, সেই সময়ত বান্ধবী এজনীৰ ঘৰলৈ গৈছিল।'

'এওঁক কিছু কথা সুধিব লাগিব। কালিলৈ আহিম' বুলি ইন্সপেক্টৰ দাস আৰু মানুহজন যাবলৈ প্ৰস্তুত হ'ল। মানুহজনে কলে 'ইয়াত কিছুদিন থাকিম যেতিয়া মাজে সময়ে আপোনালোকৰ খবৰ নললে খুৰাদেৱেৰে বৰ বেয়া পাব।'

'আহিব।' লাহেকৈ সীতাই কলে।

বাটলৈ ওলাই মুকুট বৰুৱাই ইন্সপেক্টৰ দাসক কলে-'ছোৱালী-জনীৰ আগবঢ়া অৱস্থাটো বুজিলেনে?'

'কলৈ আগবঢ়া?' দাসে সুধিলে।

'দেখি নুবুজিলে? কলিং বেল টিপিবলৈ উঠোতে মোৰ চকুত পৰিল।'

'কি চকুত পৰিল ?'

'মাতৃ হবলৈ আগবঢ়া অৱস্থাটো। যেইহওক তেওঁৰ সেই দাতাজন এতিয়া প্ৰথমে বাহিৰ কৰিব লাগিব। আৰু এওঁলোকৰ ঘৰটোও দেখিছো বেছ ৰহস্যময়। আমাক ভিতৰলৈ নিওঁতে কেইটা কোঠা পাৰ হৈ কেনি গ'লো বাৰু! আৰু আহোঁতে কেনি আহিলো বাৰু! প্ৰত্যেকটো কোঠাৰেই দুৱাৰ-খিৰিকী বন্ধ। গম্‌গমীয়া বায়ুৰ মাজত যেন ঘৰটো বুৰ গৈ আছে। ইমান সময় থাকিলো কেনিও ক'ৰোপৰা অহা শব্দ এটাও কাণত নপৰিল। কালি পৰহিৰ ভিতৰত হঠাৎ গৈ ঘৰটো তন্ন তন্নকৈ চাব লাগিব। 'ইন্সপেক্টৰ দাসে কৈছিল—ছোৱালীজনীৰ ব্ৰেইনটোতো ভীষণ। য'তে কথাৰ জটিলতাই দেখা দিয়ে সেই ডোখৰতে এনে এটা ভীষণ হাঁহি মাৰে যে, কি সোধা হৈছিল, কি উত্তৰ দিছে সকলো খেলি-মেলি লাগি যায়।'

আৰ্শিয়ে মলয়াৰ মুখে শুনিলে- তেওঁলোকৰ দাদায়েকে ভাতৃ হত্যাৰ হত্যাকাৰীক উলিয়াবলৈ এজন ডিটেক্টিভ নিয়োগ কৰিছে আৰু সেই ডিটেক্টিভক ঘৰতে ৰাখিবলৈ সীতাৰৈ' এখন চিঠি দিছিল। আৰ্শিৰে মলয়াক কলে দদায়েকে পঠোৱা মানুহজনৰ লগত তেওঁক চিনাকী কৰি দিব লাগিছিল। আৰ্শিয়ে সুধিলে 'তুমিতো মোৰ ওচৰতে আছিলা। তেওঁ কাৰ লগত কথা হৈছিল।'

'মইতো এইবোৰ কথা একো বুজি নাপাওঁ। ভাবিবও নোৱাৰো। কালিৰেপৰা কিমান যে শুনা নাই— চি-বি-আই, অমুকে হেপাহৰে কেচটো হাতত লৈছে। প্ৰখ্যাত ডিটেক্টিভ অমুকা উপৰাচি আগবাঢ়ি আহিছে। এচ, আই, বি, ৰঙাটুপিৰ ৰঙাটুপিৰ ওপৰৱালা এইবোৰতো আছেই। পৱনেই সীতাবাৰ চিঠিখন পঢ়িলে। সীতাবা নহলে, কাৰোবাৰ লগত কথা হবলৈ হলে পৱনেই কথা হয়।'

'পৱনেই লোকৰ চিঠি খোলে!'

'এইখনতো তেনে গুপুলিবলগীয়া চিঠি নহয়।'

'মানুহজনক মোক লগ কৰি নিদি বেয়া কৰিলে।'

'তেওঁ আকৌ আহিব।'

'কিন্তু কাইলৈতো মই যামগৈ। যোৱাৰ আগতে সীতা নাহিবই নেকি বাৰু?'

নিশা তেতিয়া আঠমান বাজিছিল। দিনটো বতৰটো গোমা কৰি আছিল। এই সময়ত খুব জোৰেৰে বৰষুণ নামিল। পৰনক বিশেষ প্ৰয়োজন এটাত সীতাই এঠাইলৈ পঠাইছিল। পৰন একেবাৰে তিতি আহিল। সীতাই ক'লে—

'বৰষুণ এৰাবলৈ বাট নাচালা কিয়? নহলে কাৰোবাৰপৰা ছাতি এটা ল'ব লাগিছিল। এই সময়ত তোমাৰ অসুখ-বিসুখ হলে মই মৰি যাম।'

বন্ধ ঘৰৰ বাহিৰৰ বাৰাণ্ডাত জোৰেৰে পানীৰ ছাট্ পৰিছে। বতাহ আৰু পানীয়ে বাৰে বাৰে বন্ধ দুৱাৰ-খিৰিকীৰ আয়নাত আঘাত কৰিছে। ইযাৰ মাজতে মলয়াই শুনিবলৈ পালে দুৱাৰত কোনোবাই টোকৰ দিছে। ভিতৰফালৰ দুৱাৰত টোকৰ পৰিছে যেতিয়া ঘৰৰে কোনোবা বুলি মলয়ে কলে—'ইয়েচ'। লগে লগে দুৱাৰ ঠেলি নীনা সোমাই আহিল। মলয়াই সুধিলে—

'কি হল?' আৰ্শিয়ে সোঁহাতখন আগবঢাই দি মাতিলে 'আহা'। নীনাই আহি আৰ্শিয়ে আগবঢ়াই দিয়া হাতখনত ধৰি অনুনয়ৰ সুৰত কলে 'তুমি মনে মনে শুচি নাযাবা। কালিলৈ আমি 'জু' (Zoo) চাবলৈ যাম নহয়। তাত কি দেখিম!'

'বাঘ, ভালুক, সিংহ, হাতী, পহু, চৰাই, সাপ, বান্দৰ এইবোৰ দেখিবা।'

"মানুহ দেখিমনে নেদেখিম!' নীনাই প্ৰশ্ন কৰিলে। 'জু'ত বাৰু মাক দেখিমনে!'

নীনাৰ এই কথাৰ আৰ্শিয়ে কি উত্তৰ দিব ভাবি নাপাই কলে-'তোমাৰ চোলাটো তিতিলে, বৰষুণৰ পানী পৰিল নহয়নে।'

নীনায়ো আর্শিৰৰ এই কথাৰ কোনো উত্তৰ নিদিলে। অপ-লক নেত্ৰে মাকৰ ফটোখনলৈ নীনাই নীৰৱে চাই ৰ'ল। আর্শিয়ে মনতে নিজকে কলে— ভগবানে পাতি থোৱা চিৰিয়াখানাইতো এই পৃথিৱীখন। কিমান বিধৰ যে মানুহ নাই ইয়াত। জীৱৰ শ্ৰেষ্ঠ মানুহতো সকলো মানুহ নহয়। মানুহ নামৰ এই জীৱবিধৰ ভিতৰত বাঘ, সিংহ, সাপ, শিয়াল, বান্দৰ, পছু সকলো আছে।

আর্শিয়ে নীনাক ওচৰত বহুৱাই লৈ সুধিলে 'তুমি ভাত খালা?'

'আঠ বজা নাই। আঠবজাত খাম।' নীনাই উত্তৰ দিলে। আর্শিয়ে নীনাৰ লগত কথা পাতিবলৈ লোৱা সুবিধাতে মলয়া বাহিৰলৈ ওলাই গ'ল। নীনাই আর্শিৰক কলে—

'তোমাক মলয়বায়ে মৰম কৰে। আমাক সীতাবায়ে বেছি মৰম কৰে। মলয়বায়ে আমি শুবলৈ লওঁতে চুমা নিদিয়ে। সীতা-বায়ে কিন্তু সদায় আমাক চুমা দিয়ে। তোমাকো দিব চাবা।'

'সীতাবা নাই নহয়, থকা হলে দিলেহেঁতেন কিজানি।'

'আছেতো সীতাবা! নাই বুলি কোনে কৈছে? মানুহ আহিলে সীতাবা পাকঘৰত থাকে। কিবা কিবি ৰান্ধে। মিনীবায়ে বৰ জলা দিয়ে। কোনেও খাব নোৱাৰে।'

ভাত খাবলৈ লৈ আর্শিয়ে দেখিলে সকলো ব্যঞ্জন তৃপ্তিদায়ক হৈছে। ওপৰঞ্চি জলা মছলা এসোপা ক'তো নাই। মনে মনে তেওঁ ভাবিলে নীনা সৰু ছোৱালী তাই সত্য। তাইতো এই ঘৰৰ ৰহস্যৰ মেৰপাকবোৰ বুজি নাপায়। সেয়ে যি দেখিছে তাকেই কৈছে। সীতা নিশ্চয় পাকঘৰত সোমাই আছিল। সেয়ে গোটেই সন্ধ্যাটো মলয়া তেওঁৰ কাষত থাকি তেওঁক ভিতৰত আবদ্ধ কৰি ৰাখিলে। নহলে তেওঁ বাহিৰৰ বাৰাণ্ডাতেই হলেও বহিলগৈহেঁতেন। বাৰাণ্ডাত বহা হলে সীতাক নিশ্চয় চকুত পৰিলহেঁতেন। যদিও মলয়া তেওঁৰ ওচৰত বহি আছিল বাধ্য হৈ বহি থকাৰ দৰে আছিল। নিশ্চয় সীতাৰ আদেশতে তেওঁক মলয়ে কোঠাত আবদ্ধকৈ ৰাখিছিল।

আৰ্শিযে মলয়াৰ অনুপস্থিতিত মলয়াক বুজিবলৈ চেষ্টা কৰিলে, মলয়ো নিশ্চয় এই হত্যাকাণ্ডৰ লগত জড়িত। বায়েকক মলয়ে কালিয়ে তেওঁৰ লগত চিনাকী কৰি দিব পাৰিলেহেঁতেন! কিন্তু নিদিলে। কিয় নিদিলে? হয়তো চকুৰ চিনাকী কৰি দিয়াৰ পৰা কিবা বিপদৰ সম্ভাবনা আছে। দুই এটা কথা কৈ নীনা ওলাই যোৱাৰ পাচত দুৱাৰত শব্দ হোৱা শুনি আৰ্শিযে আহি দুৱাৰ খুলি দেখে চান-চানি। জীতা নীনা দুৱাৰ মুখত থিয় হৈ আছে। আৰ্শিযে 'আহা' বুলি মাত দিওঁতে জীতাই কলে—

আমি এতিয়া শুবলৈ যাম। সেয়ে আপোনাক- 'গুড্ নাইট' জনাবলৈ আহিছো—গুড্ নাইট।"

জীতাৰ লগে লগে গো/ ইকেইটা ল'ৰা-ছোৱালীয়ে 'গুডনাইট' বুলি কৈ লাহেকৈ ঘূৰি খোজ দিলে। নীনাই আৰ্শিযক কলে— 'তুমি বহাচোন।' 'কিয় মা?' বুলি মাটিতে বহি আৰ্শিযে নীনাক আদৰেৰে আকোৱালি ললে। নীনাই আৰ্শিযৰ গালত চুমা দি কলে-

'মই শুবলৈ যাওঁতে পাপাক সদায় চুমা দিওঁ।'

o o o

ভাত খাবলৈ বহি মলয়ে সীতাক কলে—'তুমি যে আক কি? ইমতক মাছ খাবলৈ কিয় দিলা? কেইটামান দিন ঘৰলৈ মাছ মাংস নানিলে নহ'লহেঁতেন?'

'আলহীক নিৰামিষ খুৱাম কিয়?' সীতাই কথাষাৰ কৈ কেনে এটা সুৰৰে আকৌ কলে 'আক ইহঁতিয়েই বা কাৰ বাবে ব্ৰত দিব! মাৰ বাবে ব্ৰত দিয়া হৈ গল।'

'কিয় পাপাৰ বাবে?'

'পাপাৰ বাবে!!'

সীতাই মলয়াৰ মুখলৈ চাই অবুজ ধৰণৰ হাঁহিৰে কলে— 'ইহঁতৰ পাপাক যোৱা এমাহ হ'ল। তোৰ মোৰ পাপা এতিয়াও জীৱিত। তইতো এইঘৰৰ অৰ্থাৎ মাৰ ইতিহাস নাজান। পাচত বুজাই কম। এতিয়া মাথোন শুন, যদি তোৰ বিশ্বাস হোৱা নাই

কালিলৈ নিশা তোৰ লগত পাপাৰ সাক্ষাৎ কৰাই দিম।'

মলয়া অবাকৰপৰা ক্ৰমে অবাক হৈ গৈ আছে। তেওঁ সীতাৰ মুখলৈ অপলক নেত্ৰে চাই ৰ'ল। সীতাই কোৱা কথাবোৰ বুজাৰ বাবে নহয়। সীতাকো মলয়াৰ অচিনাকী অচিনাকী লাগিছে।

সীতা মলয়াৰ ওচৰ চাপি আহিল। মলয়াৰ গাত ধৰি জোকাৰি দি কলে—'এই! পাথৰ হৈ গলিনেকি? যি খাব খাই উঠি যা। নিশা বাৰ বজালৈকে আলহী থকা কমত থাকিবি। তাৰ পিচত নিজৰ বিছনালৈ আহিবি।'

সীতাই পাকঘৰৰ পৰা আহি দেখে মলয়া নিজৰ বিছনাত পৰি আছে। তেওঁ মলয়াক লাহেকৈ শোৱাৰপৰা বহুৱাই দি কলে-- 'লক্ষী ভণ্টি মোৰ! তই সেই কমৰ আনখন বিছনাত পৰি থাকগৈ। মাথোন তেওঁৰ চকুৰ আগত থাকগৈ।'

'কিয়?'

'মোক প্ৰশ্ন নকৰিবি। তইঁতৰ ভালৰ বাবেই কৈছো। মোক হেকুৱাব খোজ যদি বেলেগ কথা।'

এনেকৈ কোৱা বাবেই হওক বা প্ৰশ্ন নকৰিবি বুলি কোৱা বাবেই হওক মলয়ে আৰু এটা মাতো নামাতিলে। সীতাই মলয়াক কলে—'মোৰ উদ্দেশ্যত ব্যাঘাত নজন্মাবি, আহ।' মলয়াক তুলি আনি আয়নাৰ ওচৰত বহুৱাই দি কলে---'দেখাত তোৰ আলহী-জন বৰ মধুৰ। তোৰ কৃষ্ণৰ দৰেই ছুইও। তই পাথৰ কৃষ্ণৰ ধ্যানত থাকোতে পাথৰ হৈ গলি বাবে পৃথিবীৰ এই মধুবোৰত তোৰ চকু নপৰে! লোভ নজন্মে।'

কথা কৈ কৈ সীতাই মলয়াৰ গাত গন্ধ স্প্ৰে কৰি দিলে, মুখত পাউদাৰ অকণ সানি দি কলে---'প্ৰসাধন অকণ কৰিলে তোৰ মনৰ শুদ্ধতা নষ্ট নহয়।'

সীতাৰ কথা অমান্য কৰিবৰ মলয়াৰ সাহ নহ'ল। কিয়নো

সীতাৰ কথামতেই মলয়া চলিছে এই কথাত মলয়া নিজে অবাক হৈছে। নিজকে অস্ফুট কণ্ঠৰে মলয়ে প্ৰশ্ন কৰিলে---'মই কেৱল সীতাবাৰ আদেশ মানি আশিষৰ ওচৰলৈ আহিছোঁনে ? নে আন এক শক্তিয়ে মোক টানিছে !!'

মলয়াৰ মাকৰ বেড্‌ৰুমত সোমাই দেখে আশিষ তাত নাই। খিৰিকীৰে ইফালে সিফালে চাই দেখে আগফালৰ বাৰাণ্ডাত তেওঁ। নিশা পহৰাত থকা পহৰাদাৰ এজনৰ লগত কিবা কথা পাতি আছে। মলয়া আহি ডাঙৰ বিছনাখনত ক্লান্তভাৱে পৰি ৰ'ল। আজি মলয়াৰ দেহ-মন দুয়োটাই ক্লান্ত। অলপ আগতে সীতাই কোৱা মাৰাত্মক কথাটোৰ বিষয়ে ভাবিবৰ মন যোৱা নাই। মাথোন অস্ফুট কণ্ঠেৰে নিজকে প্ৰশ্ন কৰিলে--আমি যাক পাপা বুলি মাতিছিলো তেওঁ বাৰু তেওঁৰ চৰম দুৰ্ভাগ্যৰ বিষয়ে জানিছিল নেকি ? প্ৰথমে হয়তো নাজানিছিল। পাচত যেতিয়া এই মাৰাত্মক সত্যটো তেওঁ আবিষ্কাৰ কৰে বা এই সত্য প্ৰকাশ পাই যায়, তেতিয়া তেওঁৰ মনৰ অৱস্থা বাৰু কেনে হৈছিল। বিশ্বাসঘাটকী ব্যভিচাৰিণী স্ত্ৰীক সহ্য কৰা সম্ভৱ নহৈছিল। তেওঁ ভাবিছিল সন্মানৰ ওখ জীৱন ও সম্ৰাজ্ঞীৰ দৰে আৰামত থাকিবৰ বাবেই এই ব্যভিচাৰিণীয়ে তেওঁক স্বামীৰ পদবীত ব্যৱহৃত কৰিছিল। অদমনীয় খং উত্তেজনাত হয়তো তেৱেঁই স্ত্ৰীক হত্যা কৰে। লগতে হত্যা কৰে স্ত্ৰীৰ বন্ধুইতকো।

এনেকৈ ভাবি মলয়াই আকৌ, ভাবিলে তেন্তে সীতাই দুৰ্ঘটনাৰ পাচত ৰিভলভাৰটো লৈ ক'ৰপৰা আহিছিল ! হয়তো মাকক হত্যা কৰা সীতাই আছিল। পাপাকৰ হাতৰপৰা ৰিভলভাৰটো কাঢ়ি লৈ নিজৰ ৰুমলৈ লৰি গৈছিল। পাচত যেতিয়া ক্ষন্তেক আগতে ঘটা ঘটনাৰ বাবে সচেতন হয়, আকৌ লৰি বাহিৰলৈ আহিছিল। হয়তো তেওঁৰ উদ্দেশ্য আছিল মাকক হত্যা কৰা-জনৰ ওপৰত প্ৰতিশোধ লোৱা।

মলয়ে মনত পেলাবলৈ চেষ্টা কৰে কিমান সময় বাক তেওঁ মাকৰ মৃত্যুস্থলত নিশ্চলভাৱে থিয় হৈ আছিল। মাকে ক্ষতস্থানত তেজৰ সোঁত হাতেৰে হেঁচি ধৰিছিল। নিশ্চিত মৃত্যুৰপৰা ৰক্ষা পাবলৈ মূৰটো এবাৰ জোৰেৰে জোকাৰিছিল। গাল-চকুত তেজেৰে ৰাঙলি হোৱা হাতেৰে কি যেন বিচাৰিছিল। চকুযোৰ অসহায়ভাৱে মেলি ওচৰত থিয় হৈ থকা মলয়াৰ মুখলৈ চাই অস্ফুট কণ্ঠেৰে যেন প্ৰশ্ন কৰিছিল—তই? তই এয়া কি কৰিলি? মোৰ দোষ কি! মাকৰ সেই সময়ৰ চকুৰ কাতৰ দৃষ্টিৰ ভাষা যেন মলয়ে আজিহে বুজিব পাৰে। মাকৰ শৰীৰত মৃত্যুৰ চেঁচা পৰশে হাত বুলাই অনা সময়ত মাকে ওচৰত মাথোন তেওঁকহে দেখিছিল। হঠাৎ হোষ্টেলৰপৰা ঘৰলৈ অহাৰ কাৰণ এয়ে বুলি মাকে ধৰি লৈছিল। তেওঁতো মাকক নকলে—'মা মই তোমাক হত্যাকৰা নাই। তুমি ভুল বুজিছা।'

এই কথা মলয়ে মাকক কব খুজিও কব নোৱাৰিলে। আকস্মিক ভাবে দেখা মাকৰ মৃত্যুৰ ছবিয়ে মলয়ৰ বাকৰোধ কৰি দিছিল। মলয়ে চকুমুদি বিছনাত পৰি থাকি ঘটনাটো মনতে ৰোমন্থন কৰি চালে।

স্ত্ৰীৰ চৰিত্ৰত সন্দেহ কৰি, অৰ্থাৎ স্ত্ৰীৰ ব্যভিচাৰৰ বিষয়ে বুজি 'ঘৰত নাথাকো' বুলি কাম দেখুৱাই কেনিবা ওলাই গৈছিল। কোনোবা সময়ত আহি চোৰৰ দৰে সোমাই স্ত্ৰীৰ লীলা-খেলাখন চাইছিল। তাৰ পাচত হাতত বিভলভাৰ লৈ প্ৰতীক্ষাত বৈছিল। সেইজন পাৰহৈ যোৱাৰ পাচতে স্ত্ৰীৰ ওপৰত চৰম প্ৰতিশোধ ললে।

সীতাই বাৰু কেনেকৈ গম পাইছিল এনে এটা ঘটনা ঘটিব বুলি! হয়তো সীতাই একেবাৰেই নাজানিছিল। যিদৰে ৰাতিপুৱাৰৰ সময়ত মাক আৰু সেই মানুহজন পৃথক হৈছিল—সেইদৰে সীতা-পৱনেও এজন আনজনৰ ওচৰৰপৰা আঁতৰিছিল।

নিশাটো সীতাই পৰনৰ কমত কটাইছিল নিশ্চয়। ওলাই আহি হঠাৎ এই হত্যাকাণ্ড হয়তো দেখা পাইছিল। সীতাই নিশ্চয় সেয়ে পাপাকক হত্যা কৰিলে। যিজন মানুহ তেওঁৰ জন্মদাতা নহয় বুলি তেওঁ ইমান নিশ্চিত সেইজনক নিজৰ মাতৃক হত্যা কৰাৰ পাচত কিয় জীয়াই ৰাখিব !!

কোনোবা সময়ত মলয়াৰ চিলমিল কৰে টোপনি আহিছিল। মলয়াই সেই টোপনিতে এটা সুন্দৰ সপোন দেখিলে। আৰ্শিষ ধীৰে ধীৰে কৃষ্ণলৈ ৰূপান্তৰিত হৈছে আৰু কৃষ্ণ লাহে লাহে আৰ্শিষলৈ ৰূপান্তৰিত হ'ল। বৰণ-মালা লৈ তেওঁ দুয়োলৈকে চাই থমকি ৰ'ল। আৰ্শিষ কৃষ্ণই কৈছে--মই তোমাৰ। কৃষ্ণ আৰ্শিষে কৈছে-- 'মইহে তোমাৰ।' তাৰ পাচত দুয়োজন মিলি এজন হ'ল। তেওঁৰ সমুখত এটি মধুৰ হাঁহিৰে আৰ্শিষ থিয় হৈ আছে। দিগন্তৰপৰা এটি কণ্ঠস্বৰ ভাহি অহা মলয়াই শুনিবলৈ পালে। কণ্ঠস্বৰ যিফালৰ পৰা আহিছে সেইফালে চাই মলয়াই দেখে কৃষ্ণই তেওঁক কৈছে--'আৰ্শিষ সৎ; সুন্দৰ। সেই সুন্দৰেই মই। এওঁৰ মাজেৰেই তুমি মোক পাবা।'

ঠিক সেই সময়তে মলয়াৰ টোপনি ভাগি গ'ল। চকুত এতিয়াও স্বপ্নৰ জাল। ততাতৈয়াকৈ তেওঁ বিছনাত বহি দিলে। তেওঁৰ মুখত অপৰাধী অপৰাধী ভাব। ওচৰতে বহি পৰা আৰ্শিষক কলে--'মোৰ টোপনি আহিছিল।'

'যোৱা শুই থাকাগৈ।' অলপ বৈ আৰ্শিষে কলে--'আজি মোৰ কেনেবা কেনেবা লগা নাই। এই কোঠাৰ বাহিৰ ভিতৰৰ লগত মোৰ পৰিচয় হ'ল।'

মলয়াই আৰ্শিষৰ মুখলৈ চাই সপোনটোৰ অৰ্থ উলিয়াবলৈ চেষ্টা কৰিছিল। আৰ্শিষে কোৱা কথালৈ তেওঁ মন কৰা নাছিল। আৰ্শিষে আকৌ কলে--

'যোৱা নিশাও তুমি ভালকৈ শোৱা নাই। শুই থাকাগৈ যোৱা।'

'মই ইয়াতে থাকিম । আপোনাক অকলে নেৰো ।' মলয়াই কলে ।

'বাহিৰত ওৰেৰাতি পহৰাদাৰ সজাগ থাকে । মোৰ কোনো বিপদ নহয় । তোমাক অত্যন্ত ক্লান্ত দেখাইছে । যোৱা, নিজৰ বিছনাত শুই পৰাগৈ । ইয়াত জানো ভাল টোপনি আহিব ? যদি আহে ইয়াত শুলেও শোৱা ।'

মলয়া অলপ সময় মনে মনে থাকিল ; তাৰ পাচত কোমল স্বৰে সুধিলে---'মই এটা ভজন গাম—যদিহে আপুনি কয় । মই ভজনটো শেষ কৰালৈকে আপোনাৰ নিশ্চয় টোপনি আহিব । আপুনি শুই পৰক ।'

বিছনাত আশিষ ঢলি পৰিল । ওচৰতে বহি থকা উদাস মনৰ মলয়াৰ হাত এখন তুলি লৈ নিজৰ বুকুৰ ওপৰত ধৰি থাকিল । মলয়াই এবাৰ আশিষৰ মুখলৈ চাই দৃষ্টি ঘূৰাই সমুখৰ বেৰলৈ চাই ৰ'ল । তেওঁৰ দৃষ্টি ধীৰে ধীৰে শূন্য হ'ল । সমুখৰ বেৰখন, কোঠাৰ নীলা কোমল পোহৰ এইবোৰ একো নাই তেওঁৰ দৃষ্টিত । এই শূন্যতাত কল্পনাৰে কৃষ্ণৰ ছবি এখন আঁকি গাই গ'ল--

'তুলসীও তুলিলো চন্দনো পিহিলো
মই থলো থূৰি ভৰাই,
কৃষ্ণৰ মুখে চাই পিন্ধাব নাপালো
কৃষ্ণ কোন বনে যায় ।

ইমানলৈকে গাই থমকি মলয়া বৈ গ'ল । চকু ঘূৰাই আশিষৰ মুখলৈ চালে । আশিষে তন্ময় হৈ মলয়াৰ মুখলৈ চাই আছিল । তেওঁৰ দৃষ্টি মুগ্ধ ।

'আপুনি টোপনি যোৱা নাই ?' মলয়াই প্ৰশ্ন কৰিলে ।

'তোমাৰ কণ্ঠৰ আৰু হৃদয়ৰ অমৃত পান নকৰি মই শুই পৰিব পাৰোনে ?'

আৰ্শিষৰ দীৰ্ঘ নিশ্বাস পৰিল। তেওঁ লাহে লাহে আকৌ কলে "এইদৰে যদি ওৰে নিশা তুমি মোৰ কাষত বহি গীত গোৱা…… !'

'এয়াতো গীত নহয়— প্ৰথমে মীৰা ভজন এটা গাব খুজিছিলো ; কিন্তু আজি মোৰ গাবৰ মন গৈছে—

'একদিনা আমাৰ কৃষ্ণ মূৰুলী বজাই
যমুনাক পাগল কৰি বোৱালে উজাই।
আৰু কি খেলিব খেলা যমুনাৰ জলে
আৰু কি বজাব বাঁহী কদমৰ তলে।'

'মলয়, লয় !' আৰ্শিষে পুৰুষ গম্ভীৰ মাতেৰে মাত দিলে।

'ও' মলয়ে সন্মিধান দিলে ।

'তোমাৰ মনটো সময়ত ক'লৈ উৰা মাৰে! তুমি ক'ত থাকাগৈ! কালি নিশাতো তোমাক ইমান বিষণ্ণ দেখা নাছিলো।'

মলয়ে আৰ্শিষৰ এই কথাৰ উত্তৰত অকণমান হাঁহি ফুটাবলৈ চেষ্টা কৰি কলে 'মই ইয়াতে আছো।'

'অসম্ভৱ, অবাস্তৱ কিছু কল্পনা লৈ তুমি মিছাই কষ্ট পাইছা। তুমি যাক বিচাৰিছা তেওঁতো তোমাক বিচাৰি নাহে। পৱিত্ৰ মুক্তাত্মাবিলাকেই পৃথিবীৰ গন্ধ আৰু সংসৰ্গ ভাল নাপায়। তেনে স্থলত ………। 'মোক বিচাৰি তেওঁ নাহে মই জানো। মইহে তেওঁক বিছাৰিছো।'

'তুমি অস্বাভাৱিক।'

'যি কয় আপুনি। কোনে বুজিব মোৰ বুকুৰ ভিতৰত কি হৈছে।'

'এয়া বাস্তৱ। ইয়াত তোমাৰ এই আশা বা কল্পনা অৰ্থহীন। বৰ্ত্তমানৰ বাস্তৱক গ্ৰহণ কৰি যোৱাৰ চেষ্টা কৰিবা।'

'মইতো কল্পনাত বৰ্ত্তমান ভবিষ্যত একো পাহৰি যোৱা

নাই। মই খাইছো, শুইছো, পঢ়িছো। ভবিষ্যতৰ স্বপ্ন আঁকিছো।

'ভবিষ্যতে তেওঁক পোৱাৰ স্বপ্ন নিশ্চয়।'

'নহয়। ভবিষ্যতে মই ডাক্তৰ হ'ম। এয়া মোৰ সৰুকালৰ আশা।'

'ভাল কথা। ভৱিষ্যতে নিশ্চয় তোমাৰ তেওঁক পাবলৈ বিচৰা অস্বাভাৱিক মনটো ধীৰে ধীৰে ইয়াৰ মাজতে হেৰাই যাব।'

'নাযায়। কিয়নো তেওঁ মোৰ সত্তাৰ লক্ষ্য।'

আৰ্শিযে সুন্দৰকৈ অকণমান হাঁহিলে। এই হাঁহিৰ ধ্বনিয়ে বন্ধ কোঠাটোত যেন মিঠা মিঠা কৱিতাৰ ছন্দ সিঁচি দিলে। তেওঁৰ কণ্ঠৰ শব্দ-ধ্বনিয়ে মলয়াৰ বুকুৰ কোনোবাখিনিত মৃদু ভাৱে আঘাত কৰিলে। মিঠা কষ্টদায়ক এনে অনুভূতি এই প্ৰথম তেওঁ উপলব্ধি কৰিলে। বুকুৰ সোঁমাজত যেন কি এটি লৰি উঠিল। আৰ্শিযে মলয়াৰ মুখলৈ চাই অকণমান হাঁহিলে। তাৰ পাচত চকুমুদি সৰু সৰু মাতেৰে জীবনানন্দ দাসৰ কৱিতাৰ কেইটামান শাৰী গুণগুণালে—

'হাজাৰ বছৰ ধৰে আমি পথ হাটিতেছি পৃথিবীৰ পথে,
সিংহল সমুদ্ৰ থেকে নিশীৰ্থেৰ অন্ধকাৰে মালয় সাগৰে।'

চকু মেলি আৰ্শিযে মলয়াৰ মুখলৈ চালে। মলয়াৰ হাত এখন বুকুৰ ওপৰত তুলি ধৰি থাকি আকৌ আগৰ দৰেই গাই গ'ল-

'অনেক ঘুৰেছি আমি, বিম্বিসাৰ অশোকেৰ ধূসৰ জগতে
সেখানে ছিলাম আমি আৰো দূৰ অন্ধকাৰে বিদৰ্ভ নগৰে।'

চকু মুদি থাকিয়েই আৰ্শিযে হাঁহিলে। ছন্দ ছটিওৱা এই হাঁহিটি মলয়াৰ বৰ অৰ্থপূৰ্ণ যেন লাগিল। কিন্তু এই হাঁহিৰ অৰ্থ কি নুবুজিলে। তেওঁ মাথোন নীৰবে আৰ্শিযৰ মুখলৈ চাই থাকিল। আৰ্শিযে এইবাৰ দীৰ্ঘ নিশ্বাস এৰি গালে—

'আমি ক্লান্ত প্ৰাণ এক, চাৰদিকে জীবনেৰ সমুদ্ৰ সফেন
আমাৰে দুদণ্ড শান্তি দিয়েছিল, নাটোৰেৰ বনলতা সেন।'

চকু মেলি আৰ্শিষে মলয়াৰ মুখলৈ চাই কলে 'মোৰ টোপনি আহিলেই তুমি উঠি যাবা। বৰষুণ আকৌ আৰম্ভ হৈছে নহয়!'

'এইটো আহাৰ মাহ। অবিশ্ৰান্ত ভাবে বৰষুণ দি থাকিবও পাৰে।'

'কালিলৈ পুৰা মই যামগৈ।'

'তেন্তে এতিয়া কথা নাপাতি শুই থাকক।'

'তুমি এইদৰে বহি থাকিলে শুব নোৱাৰিম।'

'যদি শুই থাকো!'

মলয়াৰ এই প্ৰশ্নত আৰ্শিষে আকৌ সেই হাঁহিটি মাৰিলে। যি হাঁহিত আৰ্শিষৰ মনৰ গভীৰতা ফুটি উঠে। মলয়াৰ বুকুত ফুলি উঠিব খোজে হাজাৰ পাহ চম্পা। হাজাৰ পাহ চম্পাফুলৰ ভৰতে মলয়াৰ বুকুত মিঠা এটি কষ্ট অনুভৱ হয়। আৰ্শিষৰ হাঁহিলে ওলাই পৰা ধুনীয়া দাঁত তুপাৰিলৈ মলয়াই চাই ৰয়। তাৰ পাচত আৰ্শিষক কলে—'মই ইয়াতে পৰি আছো। মোৰ যদি টোপনি আহে আপোনাৰ যদি টোপনি নাহে মোক ঠিক বাৰ বজাত জগাই দিব।'

'ইমান কাঁটাই কাঁটাই কিয়?'

'আপুনি কৌতুহল দমাব নোৱাৰে।'

'সোধাবাবে বেয়া পালা!'

'সেই কথা নহয়। কিন্তু এনেকৈ কৌতুহল দমাব নোৱাৰা প্ৰশ্ন কৰা কথা মোৰ ভাল নালাগে।'

'আনকতো এনেকৈ নোসোধো, তোমাকহে সুধিছো।'

'বাৰ বজাত দৰব এটা খাব লাগিব।'

'খুব টান ৰোগী নহ'লে নিশা দৰব মুখুৱাই বোলে।'

'সেইবোৰ মই নাজানো। চাৰি বজাত খোৱা হ'ল। আঠ ঘণ্টাৰ অন্তৰে অন্তৰে খাবলৈ কৈছে সেইমতে নিশা বাৰ বজাত আকৌ খাব লাগে।'

আৰ্শিয়ে মন কৰে মলয়ে বিৰক্তি অনুভৱ কৰিছে। কিন্তু কি কথাত তেওঁ বিৰক্ত হৈছে বুজিব নোৱাৰিলে। মলয়ে এইবাৰ আৰ্শিৰ মুখলৈ চাই কোমলভাৱে অকণমান হাঁহিলে। তাৰ পাচত তেওঁৰপৰা কিছু ব্যৱধান ৰাখি ঢলি পৰিল। মলয়াৰ চকু টোপনিয়ে টানি ধৰিছে। আনখন বিছনাত গৈ শুবলৈ লৈও তালৈ উঠি নগ'ল। কাৰণ তেওঁৰ টোপনি গ'লে আৰ্শিয়ে উঠি গৈ বাৰ বজাত জগাই নিদিবগৈও পাৰে। উঠি যাবলৈ হয়তো এলাহ কৰিব।

আৰ্শিৰ শোৱাৰপৰা বিছনাতে উঠি বহিল। গাৰুটো কোলাৰ ওপৰলৈ তুলি ললে। তাৰ পাচত সেই গাৰুত দুয়োখন হাতৰ কিলাকুটিৰ ভৰ দি দুই হাতৰ তলুৱাত গাল থৈ মলয়াৰ বিষাদ ক্লান্ত মুখলৈ চাই ৰ'ল। মনতে তেওঁ ক'লে—অস্বাভাৱিক। কিছু কল্পনাত সুস্থ মানুহে নিজক অসুখী কৰি নাৰাখে। তেওঁ হাতত পিন্ধি থকা ঘড়ীটোলৈ চালে? এঘাৰ বাজিবলৈ পাঁচ মিনিট বাকী। এঘণ্টা মলয়া তেওঁৰ বিছনাত শুই থাকিব। টোপনিত পৰি থকা মলয়াৰ মুখত চকু থৈ আৰ্শিৰ এনে লাগিল—ছোৱালীজনী অনবৰতে বিষণ্ণতাত ক্লান্ত হৈ থাকে। সেয়ে তেওঁক অপূৰ্ব দীপ্তিৰ যেন লাগিছে। যোৱা নিশা চঞ্চল মনৰ হাঁহি মুখৰ মলয়াকো ভাল লাগিছিল। সেই ভাল লগা অৱশ্যে বেলেগ ধৰণৰ আছিল। বাৰে বাৰে তেওঁৰ কামনা হৈছিল এই সৌন্দৰ্য্যক পাবলৈ। আবেগ উত্তেজনাৰে বুকুত চেপি ধৰিবলৈ। তেওঁৰ টোপনি যোৱা বুলি ভুল কৰি মলয়াই তেওঁৰ চকু আৰু কপালত চুম্বন কৰিছিল। সেই সময়ত তেওঁ মধুৰ যি যন্ত্ৰণা পাইছিল এই যন্ত্ৰণাত নিজক শান্ত কৰি ৰখা বৰ সহজ কথা নহয়। সেই সময়ত তেওঁৰ এনে লাগিছিল—বুকুৰ উত্তেজনাৰে মলয়াক দুবাহুৰ মাজত যেন নিঃশেষ কৰি দিব। কিন্তু তেওঁ তেনে কৰিব নোৱাৰে। তেওঁৰ শিক্ষা-দীক্ষা দৃঢ়-চৰিত্ৰ, ধৈৰ্য্য-শক্তি সকলো খন্তেকীয়া উত্তেজনাত উটাই দি মলয়াৰ ওচৰত সাধাৰণ হৈ যাব নোৱাৰে। সেয়ে

বৰ কষ্টেৰে তেওঁ টোপনিত থকাৰ দৰে নিঃসাৰ ভাৱে পৰি আছিল। মলয়াই লাহেকৈ গাকত তেওঁৰ মুৰটো ভালকৈ দি হাতত পিন্ধি থকা ঘড়ীটো চাইছিল। তাৰ পাচত পুনৰ তেওঁৰ বন্ধ চকুৰ পতাত ওঁঠৰ পৰশ দি তভাতৈয়াকৈ কোঠাৰপৰা ওলাই গ'ল।

আজি এই নিশা তেওঁৰ কাষত নিৰ্ভয়ে টোপনিত বিভোৰ হৈ থকা মলয়াৰ মুখলৈ চাই থাকি আৰ্শিষে ভাবিলে—যোৱা নিশা মলয়াই যি কৰিছিল আজি যদি তেওঁ তাকে কৰে! কথাষাৰ ভবাৰ লগে লগে মলয়াৰ চকুৰ বন্ধ-পতাত তেওঁৰ হাতৰ পৰশ দিলে। এই আলফুলীয়া পৰশত মলয়া জাপমাৰি উঠি বহিল। গাৰ চাদৰৰ আঁচলটো টানি ধৰিলে। ভয়-আতঙ্কত বিহ্বল হৈ পৰা মলয়াৰ মুখলৈ চাই আৰ্শিষে ক'লে—'তুমি যেন মোক চিনিব পৰা নাই? তোমাৰ চকুত এনে ভাব—মই যেন মাৰাত্মক কিবা।'

কোঠাৰ বেছি পাৱাৰৰ লাইটটো আৰ্শিষে অন কৰি দি মলয়াৰ ওচৰলৈ ঘুৰি আহিল। মলয়ে তেতিয়াও আতঙ্কিতভাবে আৰ্শিষলৈ চাই আছিল। তেওঁৰ উশাহ ঘন হৈছিল; আৰ্শিষে অপৰাধী অপৰাধী ভাবেৰে ক'লে—

'মইতো তোমাক অন্যায় ব্যৱহাৰ বা খঙত উত্তেজিত হ'ব লগীয়া একো কৰা নাই।'

মলয়ে তেতিয়াও আৰ্শিষলৈ আগৰ দৰেই চাই আছে। আৰ্শিষে কি কৈছে সেই কথা তেওঁৰ কাণত পৰিলেও একো বুজি পোৱা নাই। আৰ্শিষে পুনৰ মলয়াক এহাতে আকোৱালি ধৰি ক'লে—মইতো তোমাক তোমাৰ বিছনাত গৈ শুবলৈ কৈছিলো। তুমি জীৱন্ত সৌন্দৰ্য্য। তুমি যৌৱন। তুমি অপূৰ্ব্ব এক নাৰী। মই এজন সুস্থ যুৱক। অৰ্থাৎ পুৰুষ। মোৰ কাষত নিবিড়ভাৱে তুমি শুই আছা। তুমি যেন মোৰ যুগ-যুগৰ, জন্ম-জন্মান্তৰৰ আত্মীয়। যুগে যুগে জনমে জনমে আমি যেন ইজনে সিজনৰ কাষত এইদৰেই আছো। তোমাৰ মৰমতে মই তোমাক স্পৰ্শ কৰিছিলো। ইয়াত

ইমান উত্তেজিত আতঙ্কিত হ'বলগীয়া কি আছে ?'

সেপ ঢুকি লাহে লাহে মলয়ে ক'লে—'মোৰ এনে লাগিছিল যেন প্ৰকাণ্ড এটা সৰ্পই মোক গ্ৰাস কৰিব খুজিছে। মই জাপমাৰি বহিলো। লৰমাৰি পলাব খুজিও পলাব পৰা নাছিলো। হাত, ভৰি, জিভা সকলো অচল হৈ পৰিছিল। মই টোপনিত থাকিলে মোক স্পৰ্শ নকৰিব।'

কথাষাৰ কৈ মলয়াই অৱশভাবে আকৌ বিছনাত ঢলি পৰিল। তাৰ পাচত সুধিলে--'সময় বাৰু কিমান হ'ল! বাৰ বাজিল নেকি?'

'নাই বজা। আকৌ যদি তোমাৰ টোপনি আহে তোমাক কেনেকৈ জগাম ?'

'মোৰ নাম ধৰি মাতিলেই মই সাৰ পাওঁ। বৰ বেছিকৈ মোক মাতিবও নালাগে।'

'তেন্তে শুই থাকা' বুলি মলয়াৰ কাষৰপৰা আশিষ আঁতৰি আহিল। খিৰিকী এখনৰ কাষত বৈ পৰ্দা কোঁচাই বাহিৰলৈ চালে। বৰষুণ এৰিছে যদিও কিন্‌কিন্‌কৈ বৰষুণ পৰি আছে। ঘৰৰ কাষৰ এই শূন্য বাগানখন সুন্দৰ পৰিপাটি। সমুখৰ বাগানত বাৰাণ্ডাত জ্বলি থকা লাইটৰ পোহৰ পৰি আছে। এইফালে সিমান পোহৰ নাই যদিও বিশেষ আন্ধাৰো নহয়। খিৰিকীৰ কাষৰপৰা আশিষ ঘূৰি আহি দেখে মলয়া শুইছে। খন্তেক বিছনাৰ কাষত থিয় হৈ টোপনিত নিমগ্ন মলয়াৰ মুখলৈ তেওঁ চাই ৰ'ল। আশিষৰ এনে লাগিল ছোৱালীজনীক টোপনিতকৈ ক্লান্তিয়েহে হেঁচি ধৰিছে। কোঠাটোৰ চাৰিওফালে তেওঁ এনেয়ে এবাৰ চকু ফুৰালে। তাৰ পাচত কোঁচাই থৈ অহা পৰ্দাখন মেলি থৈ আহিলগৈ। হাতৰ ঘড়ীটোলৈ চাই এইবাৰ তেওঁ লাহেকৈ কোঠাৰপৰা বাহিৰ ওলাই গ'ল। দিনত তেওঁ ভালকৈ চাই থৈছে কোনখন দুৱাৰেদি কেনি ক'লৈ ওলাব-সোমাব পাৰি। তেওঁ গৈ পাচফালে বাৰাণ্ডাত ওলালগৈ। বাৰাণ্ডাৰ এমূৰে পৰনৰ কোঠা। তেওঁ

পৱনৰ কোঠাৰ ফালে খোজ দিলে। বন্ধ দুৱাৰখন লাহেকৈ ঠেলি দিওঁতেই খোলখাই গ'ল। দুৱাৰ খোলাৰ লগে লগে বাহিৰৰ অলপ পোহৰ আন্ধাৰ কোঠালৈ সোমাই আহিল। এই সামান্য পোহৰতে তেওঁ দেখিবলৈ পালে পৱনৰ বিছনাত পৱন নাই। দিনত তেওঁ এবাৰ এই কোঠালৈ আহিছিল। সুন্দৰ পৰিপাটি ভাবে সজোৱা কোঠাটোৰ পালেংখনৰ ওপৰত পায়জামা গুৰুচাৰ্ট পৰিহিত পৱনক শুই থকা দেখি তেওঁ ভাবিছিল মলয়াহঁতৰ নিশ্চয় কোনোবা আত্মীয়। পৱনে চকু মুদি পৰি আছিল। তেওঁৰ টোপনি বুলি আৰ্শিযে ঘূৰি খোজ দিওঁতেই পৱনে মাত দিলে—

'এইফালে আহক।'

'মোক মাতিছে ?' আৰ্শিযে ঘূৰি পৱনলৈ চাই সুধিলে। পৱনে আদেশৰ সুৰত কলে—

'সৌ চকীখনতে বহক।'

'মই আপোনাক চিনি পোৱা নাই। আপুনি····· ?' আৰ্শিযে কলে।

'মই এই ঘৰৰ। তাৰমানে মই সীতা-মলয়াহঁতৰ গাৰ্জেন, নাম মৃত্তপৱন।'

'বেয়া নাপাব। মোকতো কোনেও আপোনাৰ লগত পৰিচয় কৰি দিয়া নাছিল।' কোমলভাৱে আৰ্শিযে কথাষাৰ কৈ তীক্ষ্ণভাবে পৱনক লক্ষ্য কৰিলে। পৱনৰ চেহেৰাটি ফিল্মিৰ হিৰো হিৰো লগা। গাৰ গঠন দৃঢ়। যাক কব পাৰি পুৰুষ কঠিন চেহেৰা। এয়ে পুৰুষৰ সৌন্দৰ্য্য। 'পৱনে কলে—

'ইয়াত কোনেও কাৰো কথা প্ৰয়োজন নহলে নকয়। খোজ দিয়া কথা কোৱা সকলো সীমাৰ ভিতৰত।'

ইয়াৰ পাচত কথাৰ সুৰ বদলাই পৱনে আৰ্শিযক সুধিলে—তেওঁ পাষাণ·হৈ পৰা মলয়াৰ মনটি লৰাব পাৰিছেনে ? মলয়াৰ বুকুৰ পাথৰ টুকুৰা তেওঁ লৰাবলৈ নিশ্চয় চেষ্টা কৰিছে। পৱনৰ

এই কথাৰ উত্তৰত লাহেকৈ আৰ্শিষে জনালে তেওঁ কিয় তেনেকৈ মন লবাবলৈ চেষ্টা কৰিব। মানুহে মানুহৰ মনৰ বতৰা পোৱা বৰ সহজ কথা নহয়। সৌ সিদিনাৰ চিনাকী মলয়াৰ বিষয়ে তেওঁ জানেইবা কি ?

আৰ্শিষে পাচত মলয়াৰপৰা জানিছিল মৃত্যুপৱন তেওঁলোকৰ ঘৰৰ বাহিৰা ল'ৰাহে। কোনোবাই সুধিলে নাম মৃত্যুপৱন বুলি কলেও তেওঁক সকলোৱে পৱন বুলিহে মাতে। ক'ৰ ল'ৰা, কেতিয়া কেনেকৈ আহি এই ঘৰৰ ল'ৰা হ'লহি তেওঁ ভালকৈ নাজানে। মাথোন ইমানেই জানে—সৰুৰে পৰা এইঘৰতে আছে।

উটি আহি নিৰাপদ স্থান পোৱাত বৈ যোৱা অচিন অজান ল'ৰাজন আজি এই ঘৰৰ ল'ৰা-ছোৱালীহঁতৰ গাৰ্জেন হ'ল। তেওঁৰ হুকুমত এই ল'ৰা-ছোৱালীকেইটা উঠা-বহা কৰিব লাগিব। কথাটো আৰ্শিষৰ সমূলি ভাল নালাগিল।

এতিয়া এই নিশা পৱনৰ কোঠাত ভৰি দিয়াৰ লগে লগে আৰ্শিষৰ বুকুখন ঘপহকৈ অকণমান কঁপিছিল। তেওঁৰ ভাব হ'ল এওঁৱেই নিশ্চয় মলয়াহঁতৰ মাক-দেউতাকক আঁতৰালে। আঁতৰোৱাৰ উদ্দেশ্য এওঁলোকৰ গাৰ্জেন হোৱা। লগতে মাক-দেউতাকৰ বন্ধু বান্ধৱকো আঁতৰাইছে। তেতিয়াহে তেওঁৱেই এই লোভনীয় ৰাজ্য-খনৰ একমাত্ৰ সম্ৰাট হৈ বহিব পাৰিব। মলয়াহঁতৰ আত্মীয়-কুটুম্ব থাকিও নথকা। এই কথা নিশ্চয় পৱনে খুব বঢ়িয়াকৈ জানে। এতিয়া পৱনে নিশ্চয় তেওঁকো দূৰ কৰাৰ কথা ভাবিছে। এই ভাব অহাৰ লগে লগে কোঠাৰপৰা ওলাই আহিব খুজি দেখে দুৱাৰ মুখত কোনোবা এজন থিয় হৈ আছে। বেৰৰ কোন ঠাইত লাইটৰ 'চুইচ' আছে দিনতে আৰ্শিষে দেখিছিল। আন্ধাৰতে খেপিয়াই সেয়ে তেওঁ লাইটটো 'অন' কৰি দিবলৈ সক্ষম হ'ল। লাইট 'অন' কৰাৰ লগে লগে পৱন ভিতৰ সোমাই আহিল। দুৱাৰৰ হুকটো লগাই দি আৰ্শিষৰ সমুখত থিয় হৈ সুধিলে—

'এই নিশাখন আপুনি ইয়াত ?'

'কালিলৈ পুৱা মই যামগৈ । এওঁলোকৰ আত্মীয়-স্বজন কোন ক'ত আছে আপোনাৰপৰা জানিবলৈ আহিছিলো ।'

'অন্তৰৰে শুভকামনা কৰাজনেই আত্মীয় বুলি মই ভাবো। এই হিচাপে মই আৰু আপুনি এওঁলোকৰ আত্মীয় ।' পৰনে কলে। তাৰ পাচত অলপ ৰৈ সৰু সৰু মাতেৰে কলে—'আপুনি এই সময়ত বাহিৰা মানুহ ঘৰৰ কামত নিয়োগ কৰা কথাত আপত্তি কৰিছিল। আপুনি হয়তো ভাবিছে হত্যাকাৰী হয়তো এই ল'ৰা-ছোৱালীকেইটাৰ ভিতৰৰে কোনোবা। ভাল ডিটেক্‌টিভে পালে ধৰা পেলাবলৈ কেইপৰ । দোষী হলেও, খুনী হলেও এওঁলোকৰ কাকো আপুনি ফাঁচী কাঠত ওলমা সহ্য কৰিব নোৱাৰিব ।'

আৰ্শিযে পৰনে কি কৈছে তালৈ মন নকৰি পৰনৰ সাজ-পোছাক আৰু পৰনৰ চকুলৈহে লক্ষ্য কৰিছিল। পৰনৰ পেন্ট-চাৰ্ট যোৰ আছিল ডাঠ ৰঙৰ । চকুৰ দৃষ্টি যেন বৰ সচেতন। তেওঁৰ মূৰত আৰু গালত বৰষুণৰ টোপাল। জোতাযোৰ তিতা। জোতাত ৰঙা মাটিৰ দাগ্। পিন্ধা কাপোৰ যোৰ তিতা নাই। ইয়াৰপৰা তেওঁ বুজিব পাৰিলে পৰন কেনিবা ৰেইণ কোট পিন্ধি ওলাই গৈছিল। সমুখৰ বাটে নিশ্চয় যোৱা নাই। সমুখৰ বাট পদূলিলৈকে পকা। হয়তো তেওঁ যি ঠাইৰপৰা আহিছে সেই ঠাইৰ বা সেই ঠাইলৈ যোৱা পথৰ বোকা এয়া।

'আপুনি শোৱক' বুলি কৈ লৰালৰিকৈ আৰ্শিয বাহিৰলৈ ওলাই আহিল। মনতে তেওঁ ক'লে কালিলৈ শুনিম অমুকক অমুক ঠাইত এনে অৱস্থাত পোৱা গৈছে। এই নিহত ব্যক্তিজন ৰাজখোৱা পৰিয়ালৰ লগত এসময়ত (বা বৰ্তমান) বিশেষ ঘনিষ্ঠতা থকা।

জপাই খোৱা ছুৱাৰখন লাহেকৈ ঠেলি আৰ্শিয কোঠাত

সোমালহি। তেতিয়াও কোঠাত উজ্জ্বল পোহৰ। মলয়া ওলাই যোৱাৰ পাচত হে আৰ্শিযে বেছি পাৱাৰৰ এইটো লাইট 'অফ' কৰিব। তেওঁ ভাবিছিল উজ্জ্বল পোহৰ নহলে মলয়ে হঠাৎ হয়তো আকৌ তেওঁক সাপ যেন দেখিব।

মলয়াৰ বিছনাৰ কাষত বৈ তেওঁ হাতৰ ঘড়ীটোলৈ চালে, বাৰ বাজি পাঁচ মিনিট গ'ল। ঠিক বাৰ বজাত মলয়াক জগাই দিবলৈ কৈছিল। ওচৰত বহি তেওঁ লাহেকৈ মাত দিলে—

'মলয় ?'

'লয় ?'

মলয়াৰ দেহৰপৰা অহা এটি সুগন্ধই বৈ বৈ আৰ্শিৰ চাৰিওফালে ঘূৰি আমনি কৰিবলৈ ধৰিলে। এই সুগন্ধ···এই নিশা আৰু যৌৱনৰ দীপ্তিত উজ্জ্বলি থকা এই সৌন্দৰ্য্যই তেওঁৰ দৃঢ়তা মনোবল ভাঙি দিব যেন! চকুযোৰ জোৰেৰে মুদি নিজৰো অজ্ঞাতে তেওঁ কৈ উঠিল—

'উস্'

চকুমেলি দেখে অবাক বিস্ময়ভাৰে মলয়াই তেওঁৰ মুখলৈ চাই আছে। তেওঁ মলয়াৰ মুখলৈ চোৱাত মলয়াই সুধিলে –

'কি হ'ল আপোনাৰ ?'

'তুমি বাৰ বজাত জগাই দিবলৈ কৈছিলা।'

'উস্ বুলি কৈছিল যে ?'

'এইবোৰ তুমি নুবুজা' বুলি আৰ্শিযে তেওঁৰ বিশেষ হাঁহিটি মাৰি কলে—

'যোৱা দৰব খোৱাগৈ।'

'ইমান সময় আপুনি বহি আছিল······?'

'নাই, মই বাহিৰত এপাক মাৰি আহিলোঁ।'।

'বাহিৰত পাক মাৰি আহিবলৈ যে গৈছিল পহৰাদাৰে আন কোনোবা বুলি আপোনাৰ ওপৰলৈ গুলী চলোৱাহেঁতেন ? খুব মজা হ'লহেঁতেনেকি ?'

কথা কেইটা কৈ মলয়ে দীৰ্ঘ নিশ্বাস এৰি লাহেকৈ ক'লে—
'উঠিবৰ মন যোৱা নাই।'

উঠিবৰ মন যোৱা নাই বুলি ক'লে যদিও খপহ্‌কৈ উঠি বহিল আৰু এষাৰো কথা নোকোৱাকৈ বাহিৰ ওলাই গ'ল।

এইবাৰ আৰ্শিযে শুবলৈ সাজু হৈ সৰু বিছনাখনলৈ আহি বিছনাত দীঘল দি পৰিল। চকুযোৰ মুদি তেওঁ বুজিবলৈ চেষ্টা কৰিলে মলয়া বাৰু আকৌ আহিবনেকি? মনতে তেওঁ ক'লে নাহিলেই ভাল হয়। মলয়াক বৰ পৰিশ্ৰান্ত দেখাইছে। তেওঁ ভালকৈ শুই লোৱা ভাল।

ভগৱানক উদ্দেশ্য কৰি শেষত আৰ্শিযে ক'লে—মলয়া পৱিত্ৰ এপাহ পদ্ম যেন। তোমাৰ প্ৰেম পোৱাৰ, তোমাক বিচৰাৰ যোগ্যতা তেওঁৰ আছে।

হঠাৎ আৰ্শিৰ গাত চেঁচা পৰশ এটি পৰাৰ দৰে লাগিল। তৎক্ষণাত তেওঁ চকুযোৰ মেলি কোঠাটোৰ চাৰিওফালে চকু ফুৰালে। ভয় কৰিবলগীয়া একো নাই বুলি নিজক নিজে কৈ আছে যদিও কোঠাটোৰ নীৰৱতা আৰু গধুৰ ভাৱে তেওঁৰ মনটো কেনেবা কৰি দিলে। চেঁচা বতাহ এছাটি যেন বন্ধ কোঠাটোত আৱদ্ধ হৈ ইফালে সিফালে চালে-বেৰে কোবাই ফুৰিছে। আলমাৰীটোৰ দুৱাৰখন যেন এইমাত্ৰ কোনে খুলিছিল। আলমাৰীটোৰ ওপৰত সেইখন মলয়াৰ মাকৰ কম বয়সৰ ফটো সজাই থোৱা আছে। ফটোখনত অৰা বকুলফুলৰ মালাদাল শুকান। মলয়াৰ মাকৰ ফটোখন মলয়াৰ ফটো যেন লাগিছে। শুকান মালাধাৰে যেন আৰ্শিক কৈছে মলয়া মৃত। মলয়াৰ ৰূপ যৌৱন পানী আৰু মাটিৰ।

আৰ্শিৰ বিছনাৰপৰা উঠি আহিল। আলমাৰীটোৰ সমুখত থিয় হৈ কিছুসময় অপলক নেত্ৰে সন্ধ্যা ৰাজখোৱাৰ ফটোখনলৈ চাই থাকিল। তাৰ পাচত লাহেকৈ আলমাৰীটো খুলিলে। খোলা আলমাৰীটোৰ ভিতৰলৈ চাই ভাবিলে—কি মন কৰি বাৰু

তেওঁ আলমাৰীটো খুলিছিল? আলমাৰীটোৰ ভিতৰত এইবোৰ নিশ্চয় সন্ধ্যা ৰাজখোৱাৰ কাপোৰ। এইকেইটা এইফালে বিলাতী মদৰ বটল। এইবোৰ দেখো মৰহা ফুলৰ পাপৰি। পাপৰি সৰি পৰা ফুলৰ ঠাৰি। এইফুলবোৰ বাৰু এখেতে কিয় এইদৰে গোটাই থৈছিল। হয়তো উপহাৰ পোৱা ফুল। হয়তো পূজাৰ নিৰ্মালি।

আলমাৰীটো বন্ধ কৰি ঘূৰিবলৈ লৈ দেখে তেওঁৰ পাচফালে মলয়া ৰৈ আছে। চকু-মুখত মিঠা হাঁহি এটি ওপঙি ফুৰিছে। তেওঁ আৰ্শিষৰ হাতত ধৰি ক'লে—

'আহা শোৱাহি। এই নিশাখন কিয় এইদৰে অশান্ত প্ৰাণ এটাৰে বাহিৰ ভিতৰ ঘূৰি ফুৰিছা।'

আৰ্শিষে সীতাৰ-মুখলৈ চালে। সীতাই মৃদুভাৱে হাঁহিলে। কেনে যে হাঁহিটো? সকলো আহ্বান আছে যেন এই হাঁহিত। আৰ্শিষক ডাঙৰ বিছনাখনলৈ ঠেলা মাৰি দি হাঁহি উঠিলে। সঙ্গী-তৰ কোনো এটি বাদ্যযন্ত্ৰত বাজি উঠা যেন এটি সঙ্গীত, এনে লাগিল সীতাৰ হাঁহিৰ শব্দধ্বনি। সীতাই ওচৰতে বহি সুধিলে :

'দুখ পালে?' নিজৰ প্ৰশ্নৰ নিজেই উত্তৰ দি সীতাই এইবাৰ ক'লে—

'দুখ নাই পোৱা নিশ্চয়। ডানল'পিল'ৰ এই বিছনাত লাহেকৈ বহি লাহেকৈ শুই একো সুখ নাই।' কথাষাৰ কৈ আৰ্শিষৰ মুখ মূৰ সীতাই জোৰেৰে সাৱটি ধৰিলে। জোৰেৰে আৰু জোৰেৰে ক্ৰমাত গাৰ সকলো শক্তিৰে এইদৰে তেওঁ আৰ্শিষক অদমনীয় উত্তেজনাৰে চেপি ধৰি যেন হত্যা কৰিব? আৰ্শিষে নিজক মুক্ত কৰি সীতাৰ মুখলৈ চাই মাত দিলে—

'মলয়—লয়?'

সীতাই হাঁহিলে। জলতৰঙ্গ বাজি উঠা হাঁহিটি মাৰি তেওঁ আৰ্শিষৰ মুখলৈ চাই ৰ'ল। তাৰ পাচত আৰ্শিষৰ কপালত পৰি থকা চুলিখিনিত হাত দিলে। মূৰৰ চুলিখিনি হাতেৰে অসংযত

কৰি দি মূৰত চুমা দিলে। চকুত চুমা দিলে। তাৰ পাচত আৰ্শিৰ গাল-মুখ নিজৰ গালেৰে হেচি ধৰি ক'লে—"সীমাৰ সিপাৰেহে তৃপ্তি।'

'নয় ?' আৰ্শিয়ে সীতাৰ চকুলৈ চাই থাকি বুজিবলৈ চেষ্টা কৰিলে ইমান কম সময়ৰ ভিতৰত ছোৱালীজনীৰ এই পৰিবৰ্তন সম্ভৱ কেনেকৈ। তেওঁতো দৰৱ খাবলৈ উঠি গৈছিল। দৰৱৰেই প্ৰতিক্ৰিয়া নেকি? তেনে কি দৰব হ্ব পাৰে বাৰু? সিবিধকে দৰব বুলিছিলনেকি? সিবিধৰনো ইমান গুণ, ইমান শক্তিনে?

সীতাই আৰ্শিৰ চকুত চুমা দি ক'লে—'তুমি ইমান অবাক হৈছা কিয়? মই কৰা মৰমৰ উৎপাতত নহয়? তুমি পাথৰ হৈ আছা নেকি?'

'নাই হোৱা।'

'কাঠ এদালৰ দৰে তুমি যেন নিৰ্জীৱ।'

আৰ্শিয়ে সীতাৰ মুখত কিবা গন্ধ পোৱা যায়নেকি বুজিবলৈ চেষ্টা কৰিলে? সীতাই ক'লে—'মই কিবা খাইছোনেকি তুমি সন্দেহ কৰিছা। একো খোৱা নাই। এই নিশা মই নিশাৰ অনুভূতিত। মোৰ জীৱন এতিয়া স্বপ্নৰ সাগৰত। মই তৃপ্তি বিচাৰি এতিয়া সীমাৰ সীপাৰে যাবলৈ প্ৰস্তুত।'

কথাষাৰ কৈয়েই সীতাই আকৌ আৰ্শিক সাৱটি ধৰিলে। সীতাৰ কোমল দেহৰ কষ্টদায়ক মিঠা পৰশত আৰ্শিষ বিচলিত হৈ পৰিল। সীতাৰ চকুত আহ্বান। প্ৰাণত সীমাৰ সিপাৰলৈ তেওঁক লৈ যোৱাৰ আশা। সীতাৰ দেহত এটি মিঠা গন্ধ। এই উত্তাপক আৰ্শিয়ে নামানি নোৱাৰিলে। তেওঁৰ পুৰুষ শক্তিৰে সীতাক দুবাহুৰ মাজত ধৰি গাল, ওঁঠ, চকু, কপালত অজস্ৰ চুম্বন দি তেওঁ সীতাক এৰি দি সীতাৰ ওচৰৰপৰা আঁতৰি গ'ল। দূৰৰ পৰা তেওঁ মাথোন ক'লে—

'মই তোমাৰ ওচৰত হাৰি গ'লো। তোমাৰ ওচৰত মই আৰু আগৰ দৰে তোমাৰ শ্ৰদ্ধাৰ হৈ থাকিব নোৱাৰিম।'

সীতা লাহেকৈ আৰ্শিষৰ কাষ চাপি গ'ল। তাৰ পাচত গধুৰ কণ্ঠেৰে ক'লে—'মই এতিয়া নিশাৰ অনুভূতিৰপৰা বহুত দূৰত। এই মুহূৰ্ত্তত মই সীমাৰ সীপাৰত তৃপ্তি বিচাৰি যোৱা কথা ভাবিব পৰা নাই।' কথা কেইষাৰ কৈ আৰ্শিষৰ চুলিত হাত ফুৰাই দি ক'লে—'তোমাক মই মাৰাত্মকভাৱে ভাল পাই পেলালো। সেয়ে মই তোমাক ঠগিব নোৱাৰিলো। মই এই মুহূৰ্ত্তত তোমাৰ বাবে মহান কিবা এটা কৰিম যেন! কিন্তু কি কৰিম? মই এই অনুভূতিতে সত্য প্ৰকাশকে কৰো—তুমি ভুল কৰিছা। মই তোমাৰ মৰমৰ—'লয়' 'মলয়' নহওঁ। মই সীতা, মোক ভালকৈ চোৱাচোন।' আৰ্শিষৰ মুখৰ কাষত মুখ ৰাখি সীতাই আকৌ ক'লে—'চোৱা। ভালকৈ চোৱা। মলয়া আৰু মোৰ একেখন মুখ হলেও চকুযোৰতো সম্পূৰ্ণ বেলেগ। মোৰ চকু দেখি তুমি অবাক হৈছিলা। কিন্তু মই যে তোমাৰ 'লয়' নহওঁ এই কথা ধৰিব নোৱাৰিলা। যোৱা নিশা মই তোমাৰ কাষত আছিলো। তোমাৰ 'লয়ে' তোমাক এইদৰে মৰম নকৰে। তাই বৰ পৱিত্ৰ।'

আৰ্শিষে কি কব কি মাতিব ভাবি নাপাই অবাক হৈ সীতাৰ মুখলৈ মাথোন চাই ৰ'ল। সীতা এইবাৰ বিছনাৰপৰা উঠি দুৱাৰৰ ফালে আগবাঢ়ি গ'ল। আৰ্শিষে বুজিলে সত্য প্ৰকাশ কৰিলে যেতিয়া এইখেলাও ইমানতে শেষ। সীতা আৰু তেওঁৰ ওচৰলৈ নাহে। সেয়ে তেওঁ উঠি গৈ হাতত ধৰি সীতাক ঘূৰাই আনিলে! বিছনাত নিজেও বহি সীতাক কাষত বহুৱাই ললে। কিছু সময় মনে মনে থাকি তেওঁ ক'লে—

'মলয়া, সীতা, তুমি যিয়েই নোহোৱা মই তোমাৰ বাবেই বাট চাই আছিলো। মুখ চকুত দুষ্টামিৰ কিন্তু পৱিত্ৰ হাঁহি লৈ তুমি মোলৈ জীৱন লৈ আহিছিলা।

আৰ্শিষৰ কথা শুনি সীতাই দুই হাতেৰে নিজৰ মুখ ঢাকি ধৰি ক'লে—'মই তোমাৰ জীৱন হব নোৱাৰিলো।' সীতা উচুপি উঠিল। আৰ্শিষে ক'লে—'তোমাক মলয়া বুলি ভুল কৰিলো যদিও এই ভুল মৌ সনা ভুল। ইয়াত আক্ষেপ কৰিবলগীয়া নাই।'

'তোমাৰ মৌ সনা ভুল তোমাৰ বাবেও বিহ হ'ল মোৰ বাবেও। শেষত যে এনে হ'ব মই ভাবিব পৰা নাছিলো। মই তোমাক হৃদয়েৰে ভাল পাওঁ। মই তোমাক আৰু কষ্ট দিব নোৱাৰোঁ।' সীতাই চকুদুটা হাতৰ তলুৱাৰে ঢাকি ধৰি ক'লে।

—'তুমি এইবোৰ কি কৈছা? মই তোমাক বিচৰা বা তুমি মোক জীৱনৰ বাবে বিচৰাত কোনো ফালৰপৰাতো বাধা নাই। একে ধৰ্ম্ম, একে কুল।'

সেইবোৰ মই নাই ভবা। জাত, কুল, ধৰ্ম্ম মিলাই এজনে আনজনক বিচৰাটো প্ৰকৃত প্ৰেম বুলিব পাৰি জানো? তোমাৰ মোৰ মাজত শিলৰ দেৱাল থকা হলেও মই প্ৰাণ দি হলেও সেই দেৱাল ভাঙিলোহেঁতেন। কিন্তু এতিয়া মই তোমাৰ কাষলৈ যোৱা পথ বিচৰা কথা ভাবিবও নোৱাৰো।'

'কিয়?'

'মোৰ সেই ইতিহাস তুমি নালাগে শুনিব।'

তিতা চকু আৰু শুকান ওঁঠেৰে সীতাই অকণমান হাঁহিলে। তাৰ পাচত ক'লে—'আচলতে এই খেলা ভগৱানে খেলা খেলহে। আমি দুজনী যমজ হলো বুলিনো বাৰু সমানে শকত, সমানে ওখ হব লাগেনে? খীণালেও সমানে খীণাওঁ। শকত হলেও সমানে শকত হওঁ। আনকি কণ্ঠস্বৰ পৰ্য্যন্ত একে।'

আৰ্শিষৰ বিস্ময়ৰ ভাব আঁতৰিছে। তেওঁ এতিয়াও সীতাৰ মুখলৈ চাই আছে। সীতাই হাঁহিবলৈ চেষ্টা কৰিলে। সীতাৰ এই হাঁহি গাল মুখত ঢৌ খেলি নগ'ল। আৰ্শিষে সীতাক আলফুলে আকোৱালি লৈ ক'লে—'এয়া সজ্ঞানে ইচ্ছাকৃত-

ভাৱে মই সীতাক বুকুলৈ চপাই লৈছো। এয়া ভুল নহয়।'

সীতা কিছু সময় নীৰৱে আৰ্শিষৰ বাহুৰ মাজত সোমাই থাকিল। তাৰ পাচত ক'লে—

'মই নিজকে যিমান ভাল পাওঁ মলয়াকো সিমানেই ভাল পাওঁ। মই বুজিছো তুমি তাইৰ মন জয় কৰিব পাৰিবা। তাই তোমাৰ দ্বাৰাই স্বাভাৱিক হ'ব। এই বাবেই মই আৰু তোমাৰ মৰমত ডুব নিদিওঁ।'

আৰ্শিষৰ বাহুৰ মাজৰপৰা ওলাই সীতা উঠি যাব খুজিলে, আৰ্শিষে তেওঁক উঠিবলৈ নিদি ক'লে—

'ওৰে নিশা তুমি আজি মোৰ কাষত থাকা। কালি নিশা বাৰ বজাত আহি দুই বজাত গুচি গৈছিলা। আজি দিনটো দূৰত আছিলা। নিশা এডোখৰত দেখা দিছাহি। মই তোমাৰ চকুত জীৱনৰ গীত শুনিছিলো।'

আৰ্শিষৰ দীৰ্ঘ নিশ্বাস পৰিল। দুঃখৰ। শোকৰ নহয়। এক মহা সমস্যা সমাধান হোৱাত তেওঁৰ পাতল পাতল লাগিছে। সীতাই কলে—

'তোমাৰ প্ৰেম গ্ৰহণ কৰাৰ যোগ্যতা মই হেৰুৱাই থৈছোঁ। তোমাৰ বুকুভৰা এই মৰম পোৱাৰ যোগ্য মলয়াহে। তাই পৱিত্ৰ। তাই সতী লক্ষ্মী। তাইক যি লাভ কৰিব তেওঁ হ'ব সৌভাগ্যৱান। তেওঁৰ জীৱনত উন্নতি হ'ব। স্বাস্থ্য সুন্দৰ হ'ব। জীৱন মধুৰ হ'ব আৰু তোমাক যি পাব তেওঁও হ'ব পুণ্যৱতী সতী। সৌভাগ্যৱতী। তেওঁৰ মুখ বুকু হাঁহিৰে ভৰি থাকিব। তেওঁ হ'ব পাৰিব মৰমিয়াল এগৰাকী গৃহলক্ষ্মী। মই সেই সৌভাগ্য নিজে হেৰুৱাই আহিলোঁ।'

'সীতা তুমি মনে মনে থাকা। মই আৰু তোমাৰপৰা এনে ধৰণৰ একো শুনিব নোখোজো।'

'এয়া নিশাৰ অনুভূতি, এয়া অনুভূতিত দেখা স্বপ্ন। বাস্তৱ

ৰৰ নিষ্ঠুৰ। নিষ্ঠুৰ বাস্তৱত মই অসতী। মই কলঙ্কিনী যদিও মোৰ কলঙ্ক এতিয়াও গোপনে আছে। প্ৰকাশ পাবলৈ আৰু বেছি দিন নাই।'

'তুমি এইবোৰ কি কৈছা?'

'বুজা নাই? মোৰ গৰ্ভত…!'

'আস! নকবা।' আৰ্শিষে সীতাক কথাষাৰ সমাপ্ত কৰিবলৈ নিদিলে। সীতাৰ মুখলৈ চাই থাকি লাহেকৈ তেওঁ কলে—

'তোমাৰ গৰ্ভৰ এই সন্তানৰ পিতৃ কোন মোক কোনো দিন নজনাবা। আজিৰ যুগত এই সমস্যাতো কোনো সমস্যাও নহয়।'

এইবাৰ সীতাই হাঁহিলে। করুণ বিষণ্ণ হাঁহি। তাৰ পাচত কলে—মই তোমাৰ বাবে অন্তৰ-দাহত মৰিলেও তোমাক বিচাৰিব নোৱাৰোঁ। বিচাৰিব পৰা হ'লে অৱশ্যে এই কথা ভাবিলোহেঁতেন। তুমি নিজক মোৰ ওচৰত দান দিলেও এই দান মই গ্ৰহণ কৰিব নোৱাৰো। ইয়াত মোৰ জীৱনৰ প্ৰশ্ন আছে। মই যদি তোমাক বিচাৰো তেন্তে অতি সোনকালেই ৰাজখোৱা পৰিয়ালৰ প্ৰথম সন্তানটিও, অৰ্থাৎ মই নিহত হোৱা বাতৰি ৰাইজে আমোদ আহ্লাদেৰে পঢ়িবলৈ পাব। কাগজে কাগজে মোৰ ছবি বাহিৰ হ'ব। তলত বা ওপৰত লিখা থাকিব 'এওঁৰ মৃত দেহ অমুক সময়ত, অমুক ঠাইত অমুক অৱস্থাত অমুকে আবিষ্কাৰ কৰে।'

'তাৰ মানে?' আৰ্শিষে ব্যগ্ৰভাৱে প্ৰশ্ন কৰিলে—'তাৰ মানে তোমাৰ পিতৃ-মাতৃক কোনে হত্যা কৰিলে তুমি জানা?'

'কেৱল সেয়ে নহয়, মই আৰু বহু কথা জানো। যি কথা মই প্ৰকাশ নকৰিলে চিৰ দিন অপ্ৰকাশিত ৰহস্য হৈয়েই ৰ'ব। মই যদি কওঁ মোৰদ্বাৰাই এই হত্যাকাণ্ডবোৰ ঘটিছে, বিশ্বাস নকৰিবা জানো?'

আৰ্শিষৰ মনত পৰিল সীতাৰ দেউতাক মৃত্যুৰ মুখত পৰাৰ সময়ৰ কথা। তেওঁলোকৰ পদূলিত দেউতাকৰ পাচফালে দেখা

ছোৱালীজনী মলয়া বুলি তেওঁ ভুল কৰিছিল। সেয়া আছিল সীতা। আশিষৰ বাহুবন্ধন লাহে লাহে ঢিলা হৈ আহিল। সীতা আঁতৰি দূৰত বহিলহি। সীতাৰো সেই মুহূৰ্তত কাৰো বুকুৰ অমৃত গ্ৰহণ কৰাৰ বাসনা নাছিল। কিছুসময় আশিষে সীতাৰ মুখলৈ চাই থাকি কলে—

'অসম্ভৱ।'

'কি অসম্ভৱ?' সীতাই প্ৰশ্ন কৰিলে।

'তুমি, তোমাৰ দৰে এজনী মধুৰ ছোৱালীয়ে নৰহত্যা কৰা কথা, ভাবিব পাৰিনে? তুমি যেন সুৰাৰ এটি অফুৰন্ত পাত্ৰ। এই পাত্ৰটিৰপৰা তুমি যেন সকলোকে জীৱন ছটিয়াই যোৰা। আনক আনন্দ অৰ্থাৎ জীৱন দিয়াই তোমাৰ ধৰ্ম।'

আশিষৰ কথা শুনি সীতাই অকণমান হাঁহিলে। করুণ বিষণ্ণ সেই হাঁহি, যেন কান্দোনৰ উচুপনিহে। আশিষৰ হাত এখন তুলি লৈ হাতৰ পিঠিত চুমা দি তেওঁ কলে—'তুমি ঠিকেই ধৰিছা। মই আহিছিলো মানুহক মৰম দিবলৈ। এনে স্থলত মই জীৱন লৈছো। যি আনক মৰম দিয়ে তেওঁ আনৰপৰাও মৰম বিচাৰে মনে মনে। মনে মনে মৰম বিচাৰোঁতেই খেলি-মেলি লাগি গ'ল।

—তুমি পণ্ডিত মানুহ। তোমাক আৰু কি বুজাম, অসম্ভৱ কথাও সময়ত সম্ভৱ হয়। সেয়া সময়ে পৰিস্থিতিয়ে সম্ভৱ কৰায়। ধৰা মোৰ ক্ষেত্ৰতো সেয়ে হ'ল। মই ইচ্ছাকৃতভাৱে মানুহক মৰম কৰাৰ বাদে একোৱেই কৰা নাই।'

দীৰ্ঘ নিশ্বাস এৰি সীতাই হাঁহিলে। এই হাঁহিৰে যেন তেওঁ অপ্ৰিয় প্ৰসঙ্গৰপৰা দূৰ হৈ আহিব। লাহেকৈ বিছনাত ঢলি পৰি কলে—'মই ইয়াতে শুই থাকো। তুমিও শুই থাকা। দেখিবা আমি মাজত ব্যৱধান ৰাখি শুব পাৰিম। তোমাৰ মন আৰু স্পৰ্শকাতৰ হৈ নুঠে। ইতিমধ্যে তোমাৰ মনো নিশ্চয় এই

অধ্যায়ত সোমাই পৰিছে। মই সুন্দৰী হ'লেও, মই যুৱতী হ'লেও, মই উত্তাপ হ'লেও—মই যে জঘন্য। জঘন্য কিবা পাবলৈ কাহানিও কাৰো প্ৰাণ ব্যাকুল নহয়। সেয়ে তুমি তোমাৰ কাষত মই থাকিলেও তোমাৰ শৰীৰত অজস্ৰ পকৰা পিপৰাৰ দংশন অনুভৱ নকৰা। মোৰ কথা অৱশ্যে বেলেগ। যোৱা নিশাৰপৰাই মই হৃদয়ত মহা-শূন্যতা উপলব্ধি কৰিছো। ভাগৰ লাগিছে। অদ্ভুত এক ভাগৰ! অসহ্য হলেও উপায় নাই। বহু দিনৰ আগতেই মোক বিষাক্ত পতঙ্গই দংশন কৰিলে। সেই দংশনত এতিয়াহে মই ছটফট কৰিছোঁ। তুমি যদি শুনিব খোজা কালিলৈ পুৰা মই সকলো কম। সকলো শুনি তুমি মোৰ বিচাৰ কৰিবা। মই যদি দোষী হওঁ তেন্তে মোক পুলিচৰ হাতত তুলি দিবা। টোপনিয়ে মোৰ চকু টানি ধৰিছে। শোওঁদেই—গুড্ নাইট।'

গুড্ নাইট জনাই বিছনাৰ একাষত সীতা শুই পৰিল। অলপ পাচতে টোপনিও আহিল। আৰ্শিয়ে গাৰুৰতলত ভৰাই থোৱা ঘড়ীটো উলিয়াই চালে, দুই বাজিল। ঘড়ীটো এইবাৰ গাৰু-তলত নভৰাই হাতত পিন্ধি ললে। বাকী নিশা তেওঁ কেনেকৈ কটাব ভাবিলে। ৰাতিটো শেষ হলেই তেওঁ এই ঘৰ এৰিব বুলি—তেওঁ দৃঢ় সঙ্কল্প হ'ল। মাকলৈ মনত পৰিল। মাকে বাৰে বাৰে কৈছিল লোকৰ বিপদ নিজৰ ডিঙিত কিয় আঁৰি লব লাগে। ছোৱালীজনী অকলে টেক্সিত যাবলৈ সাহ কৰিছে যাওকগৈ।'

মাকৰ হাক-বচন নমনাৰ পোতক তেওঁ এয়া হাতে হাতে পালে। এই নিশাখন তেওঁ নিশ্চিন্তে অকণমান শুবলৈ পোৱা নাই। তেওঁৰ কাষত এজনী মাৰাত্মক গাভৰুৱে বিষাক্ত নিশ্বাস এৰি শুই আছে।

আৰ্শিয়ে সীতাৰ মুখলৈ চালে। সীতাৰ মুখত চকু পৰাৰ লগে লগে তেওঁৰ এনে লাগিল যেন তেওঁৰ ভুল হৈছে। সীতাৰ মুখ, চকু ক'তোৱেই অপবিত্ৰতাৰ ছাঁ নাই। যেন সীতা পবিত্ৰ এপাহ পূজাৰ নিৰ্মালি, এনে লাগিল অৰ্শিৰৰ। আৰ্শিয়ে

ভাবিলে সঁচাই সুন্দৰ। এই ছোৱালীজনী অসভ্য হৈ থকা হলে মুখখন পৱিত্ৰ এপাহ ফুলৰ দৰে নালাগিলহেঁতেন। সেয়ে কেতিয়াবা নিখুঁট সুন্দৰ-সুন্দৰীকো ভাল নালাগে। আনহাতে চকু, নাক, মুখত খুঁট থকাজনকো সময়ত সুন্দৰ দেখায়। মধুৰ মধুৰ লাগে।

এইদৰে ভবাৰ লগে লগে তেওঁৰ মনত পৰিল পদূলিত জ্বলি থকা লাইটৰ পোহৰত সিদিনা তেওঁ দেউতাকৰ পাচফালে সীতাক স্পষ্ট দেখা পাইছিল। চলিপৰা দেউতাকৰ ওচৰত বহি কি উলিয়াই লৈছিল।

আৰ্শিষৰ এনে লাগিল—এই কোঠাটোৰ বায়ুৱে যেন তেওঁৰ লগত বিদ্ৰোহিতা কৰিছে। তেওঁ উশাহ পোৱা নাই।ততাতৈয়াকৈ বিছনাৰপৰা নামি তেওঁ বাহিৰলৈ ওলাই গ'ল।

ছাদলৈ বুলি উঠি গৈ খট্‌খটিৰ মাজ পাওঁতে শুনিবলৈ পালে ছাদৰ ওপৰত সেয়া মলয়ে ভজন গাইছে। কৃষ্ণ-প্ৰেমত অন্ধ ছোৱালীজনীয়ে নিশাৰ অনুভূতিৰে কৃষ্ণক কাষত বিচাৰিছে। প্ৰিয়তমৰ অনুপস্থিতিত তেওঁৰ প্ৰাণ আকুল হৈ পৰিছে।

ছাদৰ এমূৰে থকা কোঠাটো তেওঁলোকৰ গোসাঁই ঘৰ। আৰ্শিষে ভাবিলে এই গোসাঁই ঘৰেতে বহি নিশ্চয় মলয়ে দৰদী কণ্ঠৰ ভজনৰ মাধ্যমেৰে প্ৰিয়তমক আহ্বান কৰিছে।

শব্দ নকৰাকৈ সাৱধানে খোজ পেলাই আৰ্শিষ ওপৰলৈ উঠি গ'ল। তেওঁ ধাৰণা কৰা মতে মলয়ে গোসাঁই ঘৰত বহি প্ৰিয়তমক বিচৰা নাই। মলয়া ছাদৰ একাষত থিয় হৈ আছে।

বতাহ বৰষুণ এৰাৰ পাচত শান্ত আকাশ। শান্ত বায়ু। মলয়াৰ বুকুও যেন গভীৰ শান্ত এনে লাগিল মলয়াৰ কণ্ঠস্বৰত। আৰ্শিষ গৈ ওচৰত থিয় হ'ল। মলয়ে তেওঁৰ কাষত কোনোবা থিয় হোৱা গম পাইছিল নে নাই বুজা নগ'ল। হয়তো গম পায়ো সেইকালে ভ্ৰূক্ষেপ নকৰিলে। আগৰ দৰেই কিছুসময়

বৈ থাকি আৰ্শিৰৰ কাণে ঘূৰি মাত দিলে—'আপুনি শোৱা নাই ? মোক দেখি অবাক হৈছে নহয় ? কোঠাত নিশ্চয় আপুনি অকলে থকা নাছিল। নিশ্চিন্তে শুই থাকিব পাৰিলেহেঁতেন।'

মলয়াৰ কথাৰ কোনো উত্তৰ নিদি আৰ্শিযে নীৰৱে মলয়াৰ মুখলৈ চাই ৰ'ল। ছাদৰ আনটো মূৰত জ্বলি থকা লাইটটোৰ পোহৰত আৰ্শিযে মলয়াৰ চকুত চকুপানীৰ চিন্থ দেখে। তেওঁ কান্দিছিল। সেয়ে তেওঁ আহি কাষত ৰোৱা গম পায়ো লগে লগে ঘূৰি চোৱা নাছিল। আৰ্শিযে মলয়াৰ চকুলৈ চাই থাকি কলে—

'মলয় ! এটা-কথা সুধিম, সচা উত্তৰ দিবা ?'

'সোধক।'

'মই জানো তোমালোকৰ ওচৰত কিবা অপৰাধ কৰিছিলো !'

'কিয় এই প্ৰশ্ন কৰিছে?'

'মোক লৈ কিয় খেলিলা।'

'মই নাই খেলা।'

'বাইদেৱেৰাৰ খেলত সহায় কৰিলা ?'

'বাধ্য হৈছিলো। কালিলৈ পুৱা মই আপোনাক সকলো কম বুলি দৃঢ় হৈছিলো।'

'সীতায়ো কৈছে পুৱা সকলো কব। তুমিও ভাবিছা। কিন্তু মই আৰু কাৰো কোনো কথা শুনিবলৈ প্ৰস্তুত নহওঁ। ৰাতি পুৱালেই মই যামগৈ। মাথোন দুঃখ বৈ যাব নীনা উঠালৈ মই অপেক্ষা কৰিব নোৱাৰিম।'

'সীতাবায়ে নিশ্চয় তেৱেঁই মা-পাপাক হত্যা কৰাৰ কথা কৈছে। শুনিয়েই আপুনি বিশ্বাস কৰিলে। হয়তো সেয়ে আপুনি এনেকৈ যোৱাৰ কথা কৈছে। সীতাবায়ে পৃথিৱীৰ ওপৰত অভিমান কৰিছে। জীৱনৰ ওপৰত প্ৰতিশোধ লব খুজিছে। সীতাবাৰ দৰে এখন হৃদয় আৰু আপুনি ক'তো নাপাব। নিজে নিঃশেষ

হৈ আনক প্ৰাণ দিব পৰা বিধৰ তেওঁ। আপুনি অন্ততঃ বুজিব লাগিছিল।'

মলয়ে কোৱা কথাকে আৰ্শিৰ হৃদয়েও বাৰে বাৰে কৈছে। তথাপি তেওঁ তেওঁৰ হৃদয়ৰ কথা মানি লব পৰা নাই। তেওঁ নিজ চকুৰে সিদিনা সীতাক ঘটনা স্থলিত দেখিছিল। এই কথা তেওঁ মলয়াক কোৱাত মলয়ে কলে—'সীতাবা পাপাৰ পাচতে মটৰৰপৰা নামিছিল। মটৰত আৰু তিনিজন লোক আছিল। ক'ৰপৰা কেনেকৈ গুলী পৰিলহি পাপাৰ গাত সীতাবায়ে বুজিব নোৱাৰিলে। সীতাবা বিবুদ্ধি হ'ল। ঘপহকৈ পাপাক নিচিনিবৰ বাবে পকে-টত থকা কাগজ-পত্ৰ আৰু আঙঠিটো খুলি মটৰত উঠিলহি। সীতাবায়ে অৱশ্যে জানে কাৰদ্বাৰা এই কাৰ্য্য হৈছে। কিন্তু তেওঁ নকয়। সেয়ে মই কৈছো সীতাবা নিজে নিঃশেষ হৈ আনক জীৱন দিয়া বিধৰ।'

অবাক হৈ আৰ্শিৰে মলয়াৰ মুখলৈ চাই থাকি সীতাৰ কথা শুনিলে। তাৰ পাচত দীৰ্ঘ নিশ্বাস এৰিলে দুখৰ, শোকৰ নহয়। স্বস্তিৰ নিশ্বাস। এতিয়াহে তেওঁৰ মনৰ আকাশত ডাৱৰ ফালি ৰ'দ এচেৰেঙাই দেখা দিলে। কিন্তু ক্ষন্তেকলৈ। অলপ পাচতে ভাব হ'ল মলায় বৰ সৰল; একা বেকা কথা একো বুজি নাপায়। সীতাই এনেকৈ সাজি গল্প কৈছে নিশ্চয়। আৰু তাকে মলয়ে বিশ্বাস কৰিছে। তেওঁ ভাবিলে এই হত্যাকাণ্ডৰ নায়ক বা নায়িকা যেয়েই নহওঁক লাগিলে, তেওঁক সেই কথা নালাগে। পুৱাই তেওঁ যাবগৈ এয়ে তেওঁৰ কৰিবলগীয়া কাম। এনেকৈ ভাবি মলয়াক কলে,

'তুমি ভিতৰলৈ নোযোৱা জানো? প্ৰতিনিশা তোমালোকে এইদৰে টোপনি ক্ষতি কৰি কেনেকৈ ইমান সুন্দৰ স্বাস্থ্যৰে আছা?'

'প্ৰতিনিশা কিয় টোপনি ক্ষতি কৰিম! আজি মোৰ মনটো কেনে যে লাগিছিল! সেয়ে টোপনি অহা নাছিল। মোৰ এনে লাগিছিল মোৰ যেন ভুল হৈছে। মই যেন ক'ৰবাৰ

পৰা ক'ৰবালৈ গৈছো। মোৰ অজ্ঞাতে মই যেন ঘপহকৈ কোনোবা-খিনি পালোগৈ।'

'তুমিনো ক'ত ওলালাগৈ' ?

'আপুনিতো জানেই অলিক হলেও মই কল্পনা লৈয়েই আছিলো। মোৰ সত্বাৰ লক্ষ্য এজন আছিল। সকলোৱে কয় মই বোলে পাগলী। কিন্তু মইতো নিজক পাগলী বুলি সন্দেহ কৰা নাছিলো। মই সৰ্বক্ষণ এটি মধুৰ সুৰ শুনিবলৈ পাইছিলো। সেই সুৰেই আছিল মোৰ সঙ্গী। মোৰ পথৰ প্ৰেৰণা। মোৰ দৃঢ়তা। কিন্তু মই আজি সেই সুৰ শুনা নাই। নিজকে নিঃসঙ্গী যেন অনুভব কৰিছোঁ।'

'কিয় এনে হ'ল তুমি বাৰু অনুমান কৰিব পাৰিছানে ?'

'কিয় অনুমান কৰিব নোৱাৰিম। মই খুব বঢ়িয়াকৈ বুজিছো আপোনাৰ গভীৰ কণ্ঠই আৰু আপোনাৰ হাঁহিৰ ঝঙ্কাৰেই হ'ল মোৰ সৰ্বনাশৰ মূল। মই অহৰহ শুনি থকা সুৰটিৰ পৰিবৰ্ত্তে শুনিছো কেৱল আপোনৰ হাঁহিৰ সুৰৰ ঝঙ্কাৰ। চকু মুদিলেই দেখো অপোনাৰ হাঁহিলে ওলাই পৰা দাঁতৰ সৌন্দৰ্য্য। সেয়ে মই মোৰ সত্বাক সুধিবলৈ বিচাৰিছিলো এয়া কি হৈছে ? তেওঁ মোৰদ্বাৰা কি কৰিবলৈ বিচাৰিছে।'

আগবাঢ়ি অহা পদধ্বনি শুনি মলয়া বৈ দিলে। আৰ্শিষে পাচলৈ ঘূৰি চালে। চেন্দেলৰ চটপ চটপ শব্দ কৰি সীতা তেওঁ-লোকৰ ফালে আগবাঢ়ি আহিছে। সীতা আহি আৰ্শিষৰ হাত এখন তুলি লৈ কলে—

'এই নিশাখন এই পাগলীজনীক কিয় আমনি কৰিছাহি ? এই এইদৰে প্ৰায়েই আহি এইৰ প্ৰিয়তমক লগ কৰেহি !'

কথাষাৰ কৈ সীতাই আৰ্শিষৰ বুকুৰ ঠিক মাজত চুম্বন কৰি কলে—'মই হলে বাস্তব। সমুখত পোৱা এই অমৃত সৰোবৰত জাপ দি নপৰি কল্পনাৰে অমৃত নিবিচাৰো। যি অমৃতৰ স্বাদ কাৰো

ভাগ্যত নিমিলে। যাক আমি দেখা নাই, মাথোন আছে বুলি শুনিছো তেওঁক বিচাৰি এই পাগলীয়ে সুন্দৰ ৰূপ-যৌৱন-জীৱন সকলো অহল্যা কৰি থৈছে।'

সীতাই আকৌ আৰ্শিষৰ বুকুত চুম্বন কৰিলে। আৰ্শিষৰ এনে লাগিল তেওঁক এই দুই কন্যাই অকাই-পকাই মেৰিয়াবলৈ অভিসন্ধিহে কৰিছে। সমুখত প্ৰতিমাৰ দৰে এটি সৌম্য মূৰ্তি। এই মূৰ্তি বোলে পাথৰ হৈ আছে। কিন্তু অলপ আগতে এই পাথৰে প্ৰাণ পোৱাৰ ৰতৰা জনাব খুজিছিল। কব খুজিছিল 'মই দেৱতাৰ অভিশাপত শিল হৈ আছিলো। তুমি ৰামচন্দ্ৰই আহি মোৰ বুকু গছকি মোক প্ৰাণ দিলা'। পাষাণ প্ৰতিমাই প্ৰাণ পোৱা মধুৰ ক্ষণটি উপভোগ কৰিবলৈ তেওঁ মুগ্ধ নয়নে প্ৰতিমালৈ চাই আছিল। ঠিক সেই সময়তে সীতাই আহি সচেতন কৰি যেন কলেহি তুমি অন্যায় কৰিছা। মই ইফালে মোৰ হৃদয়খন পূজাৰ নৈবেদ্য কৰি তোমাৰ অপেক্ষাত বহি আছো। ইফালে তুমি আহি আনৰ মন হৰণ কৰাৰ চেষ্টা কৰিছা। তুমি নিষ্ঠুৰ, তুমি পাষাণ। তোমাৰ দৃঢ়তা নাই।

সীতাই আৰ্শিষৰ হাতত ধৰি কলে—'ব'লা শোওঁগৈ। কোঠাৰ ভিতৰত সোমাই সীতাই আৰ্শিষৰ হাতখন এৰি দি কলে—'মলয়াক এপালি দৰৰ দি আহিলো। মই যেতিয়া তোমাৰ বুকুত চুমা দিওঁ তুমি তেতিয়া তাইৰ মুখলৈ মন কৰিছিলানে? অসহ্য এক যন্ত্ৰনা যেন তাই দমন কৰিবলৈ চেষ্টা কৰিছিল। তাই জ্বলিবৰ বাবেই মই তাইৰ সমুখত তেনে কৰিছিলো। এতিয়া তোমাৰ ছুটী। বাকী নিশাকণ শুই থাকা। তুমি বাহিৰলৈ ওলাই আহি ঘূৰি যোৱাত পলম কৰাত তোমাক চাবলৈ গৈছিলো। জানাইতো আমাৰ ঘৰ, জটিলতাপূৰ্ণ ঘৰ।'

কথা কেইটা কৈ সীতা সৰু বিছানাখনত ঢলি পৰিল। তাৰ পাচত অৰ্শিষলৈ চাই ধুনীয়াকৈ হাঁহি কলে—'মলয়া আৰু মোৰ মাজত

পাৰ্থক্য ইমানেই—মোৰ দেহটো অপৱিত্ৰ, তাই কিন্তু পৱিত্ৰ। তোমাক পোৱাৰ যোগ্যতা তাইৰ আছে। তাই তোমাক পালেও ময়ো পোৱা হ'ব। তুমি পাৰিলে তাইক সুস্থ কৰি তোলা।'

এইবাৰ সীতাই বাগৰ সলাই আৰ্শিষৰ ফালে পিঠি দি কলে—'সিখন বিছনাত শুই পৰা লক্ষ্মীটি। মোৰ টোপনি আহিছে।' তাৰ পাচত অস্ফুট কণ্ঠেৰে ভগবানক উদ্দেশ্য কৰি কলে—মোক বচোৱা। অকণমান মোক টোপনি দিয়া।'

০ ০ ০

পুৱা ব্ৰেকফষ্টে কৰি আৰ্শিষ যাবলৈ সাজু হ'ল। নীনাই শুই উঠাৰপৰাই আৰ্শিষৰ কাষে কাষে ফুৰিছে। তাই বৈ বৈ মাজে মাজে একেষাৰ কথাকে মাথোন কৈ আছে—'তুমি নাযাবা।'

আৰ্শিষেও' নাযাওঁ' বুলিয়েই কৈ আছে। জীতাও ওচৰ চাপি আহিল। নীনাই 'নাযাবা' বুলি কোৱা শুনি কলে—'তুমি নাযা-বালৈ কলেই নাযাবনে? এওঁনো আমাৰ কি হয়! এওঁৰ মা আছে, পাপা আছে। এওঁক ইয়াত থাকিবলৈ কিয় দিব!'

জীতাৰ মুখত এনে কথা শুনি অৰ্শিষে জীতাৰ মুখলৈ চাই ৰ'ল। এই সুৰে এনেকৈ কিয় কৈছে বুজিব নোৱাৰি সুধিলে—'এনেকৈ কিয় কৈছা? মইতো কৈছোৱেই মই তোমালোকৰ দাদা।'

'আমাৰ ঘৰলৈ অহা সকলোকে কোনোবাই মাৰিছে। তেওঁ-লোকে আপোনাকো মাৰি পেলাব, সেই কাৰণে কৈছো। নীনা দাদাক যাবলৈ দে।'

নীনাই জীতাৰ কথাৰ একো অৰ্থ বুজি পোৱা নাছিল। সেয়ে ক'লে—'মই যাবলৈ নিদিওঁ।' নীনাৰ মুখলৈ চাই আৰ্শিষে ক'লে—'বাৰু নাযাওঁ।'

আৰ্শিষে নাযাওঁ বুলি কোৱাৰ লগে লগে নীনাই আনন্দতে জপিয়াই দিলে। হাঁহি এটিৰে ক'লে—'বাঃ কি মজা।'

'তাৰমানে তুমি দাদা মৰিলে ভাল পোৱা?' জীতাই

ক'লে। এই কথাৰো নীনাই একো অৰ্থ নুবুজিলে। অলপ বৈ আৰ্শিষক ক'লে—'আমি আজি 'জু' চাবলৈ যাম নহয় ?'

ঠিক সেই সময়তে কোঠালৈ মলয়া সোমাই আহিল। মলয়াক দেখি নীনা জীতা হুয়ো আঁতৰি গ'ল। মলয়ে আৰ্শিষৰ হাতত বন্ধ খাম এটা তুলি দিলেহি। আৰ্শিষে ক'ৰবাৰপৰা অহা কিবা চিঠি বুলি খামটো ইফাল সিফাল কৰি নাম ঠিকনা চালে। একো নেদেখি ক'লে—'কি আছে ইয়াত ?'

'টকা অলপ আছে। মোক আপোনালোকৰ ঘৰত কেইবা-খনো শাড়ী কিনি দিছিল আৰু আমি অহা টেক্সিৰ খৰচো দিছিল। কিমান খৰচ হ'ল নাজানো।'

খামটো খুলি আৰ্শিষে টকাখিনি চালে। কেইবাখনো শ-টকীয়া নোট। টকাখিনি আকৌ লেফেফাটোত ভৰাই মলয়াৰ হাতত লেফেফাটো গুজি দি ক'লে—'থাককচোন এতিয়া।'

'থাককচোন এতিয়া মানে ? মইতো আপোনাৰ লগত কোনো যোগাযোগ নাৰাখোঁ।'

'কিয় ?'

'সেই কথা মই আপোনাক বুজাই কব নোৱাৰিম।'

আৰ্শিষে মলয়াৰ চকুলৈ চালে। মলয়ে তত্তাতৈয়াকৈ তললৈ চকু নমালে। তললৈ মুখ কৰি ক'লে—

'কালিলৈ মানে মই হোষ্টেললৈ যামগৈ। মা-পাপাৰ বাবে শ্ৰাদ্ধ আদি একোৱেই কৰা নহ'ল। ভাবিছিলো এইবিলাক কৰি তাৰ পাচতেই যাম।'

'এইফালে চোৱাচোন,' আৰ্শিষে মলয়াক চকু তুলিবলৈ এনেকৈ ক'লে।

'কি ?' চকু তুলি আৰ্শিষৰ চকুলৈ চাই মলয়ে সুধিলে। আৰ্শিষে মলয়াৰ চকুত ঈৰ্ষাৰ জুই বিচাৰিলে। কিন্তু তেওঁ মলয়াৰ চকু-মুখত ঈৰ্ষাৰ জুইৰ সামান্য ফিৰিঙটি এটাৰ চিনুও নেদেখিলে।

এইবাৰ মলয়ে লৰা-লৰিকৈ চকু নমোৱা নাছিল। তেওঁ যেন চকুৰ গভীৰ গভীৰতাৰে আৰ্শিৰৰ বুকুৰ গভীৰতালৈ লক্ষ্য কৰিছে। আৰ্শিয়ে ক'লে—

'তুমি আমাৰপৰা আঁতৰিব খুজিলেইতো আমি তোমাৰ পৰা নাতৰো। মাধুৰী বৌয়ে তোমাক বচাবলৈ এসোপামান মিছা কথা কৈছিল। বিচাৰত সাক্ষী দিব লাগিব। কাছাৰীলৈ যাব লাগিব।'

'তেখেতৰ তুলনা নাই। তেখেত মহান। আপোনাৰ ছুয়োগৰাকী নবৌ সঁচা মানুহ। তেখেতসকলৰ ওচৰত মই চিৰদিন কৃতজ্ঞ হৈ ৰম।'

তাৰ পাচত অলপ বৈ হঠাতে সুধিলে—'সীতাবাক বাক বচাব পৰা যাবনে ?'

'তুমিয়েই ক'লা সীতা বেলেগ জীৱ। যি জীৱনে আনক জীৱন দিবলৈ নিঃশেষ হৈ যাব পাৰে। এনে স্থলত কেনেকৈ সীতাক বচাব পৰা যাবনে ? ইয়াৰ অৰ্থ হ'ল সীতাও এই হত্যাকাণ্ডবোৰৰ লগত জড়িত আছে।'

'মোৰ সন্দেহ হয়। সীতাবাক বৰ ৰহস্যময়ী যেন লাগিছে। সেয়ে কৈছো। দৃঢ়তাৰে সীতাৰ বিষয়ে মই এষাৰ কথাই ক'ব পাৰো, সীতাবা বৰ কোমল হৃদয়ৰ। তেওঁৰ ব্যৱহাৰ মধুৰ।'

কোঠাৰ দুৱাৰ খোলা দেখি দুয়ো সেইফালে চাই দেখে হাতত কেইপাহমান গোলাপ লৈ সীতা সোমাই আহিছে। দুয়ো-লৈকে চাই দুষ্টালিৰ হাঁহি এটি মাৰিলে। তাৰ পাচত গোলাপ কেইপাহ আলমাৰীৰ ওপৰত থকা মাকৰ ফটোৰ তলত দি হাত যোৰ কৰি নীৰৱে থিয় হৈ থাকিল।

মাকৰ ফটোখনলৈ চাই থাকি সীতাই দীৰ্ঘ নিশ্বাস এৰিলে। কঁপি কঁপি ওলোৱা এই দীৰ্ঘ নিশ্বাসে মলয়া আৰু আৰ্শিৰক স্পৰ্শ কৰি লাহেকৈ কোঠাৰ বায়ুৰ লগত মিলি গ'ল।

সীতাই মলয়াৰ ওচৰলৈ আহি ক'লে—'মলয়, কালি নিশা অহা ভদ্ৰলোকজন আহিছে। মইতো কালি তেওঁৰ লগত হোৱা 'ডাইলগ'বোৰ ভোক কৈছিলোঁৱেই। মোৰ ভূমিকা লৈ এইবাৰ তই দেখা দেগৈ লক্ষ্মী ভণ্টিজনী। মোৰ বৰ ভাগৰ লাগিছে। তোৰ কথা সুধিব। তই কবি আজি পাচবেলা বা কালিলৈ আহিব বুলি। ইন্সপেক্টৰ দাসে মিনীক কিবা সুধিব পাৰে তেৱেঁা আহিছে। মুকুট বৰুৱাই নিশ্চয় কোঠাবোৰ চাব খুজিব। প্ৰথমে পৱনৰ কোঠাটো দেখুৱাই পাচত আমাৰটোলৈ যাবি। সিফালৰপৰা এইফালে আহি থাকিবি। ইতিমধ্যে আমি গৈ পৱনৰ কোঠাত বহিমগৈ।'

মলয়া ওলাই যোৱাৰ পাচত আৰ্শিষে সীতাক ক'লে—

'মানুহজনক মই লগ কৰিম।'

'বাদ দিয়া। তেওঁক লগ কৰি কি পাবা? তাতোকৈ কোৱাচোন কুঁৱৰীৰ লগত মুখা-মুখি হৈ নিশ্চয় হৃদয় দিয়া-লোৱা কৰা হৈছিল।'

'তুমিওতো এতিয়া মুখা-মুখিকৈ বহিছা? এয়া তেন্তে আমাৰ হৃদয় দিয়া-লোৱা হৈছে?'

'মই দিব পাৰো। লব নোৱাৰোঁ। দিয়াত তৃপ্তি আছে। চকুলোও আছে।'

সীতাই কোনো হাঁহি উঠা কথা কোৱা নাছিল। কিন্তু সীতাৰ কথাত আৰ্শিষে ধুনীয়াকৈ হাঁহিলে। বন্ধ কোঠাৰ বায়ুত কল্লোলে প্ৰাণ ছটিয়ালে। সীতাই নীৰৱে আৰ্শিষৰ মুখলৈ চাই ৰ'ল। আৰ্শিষৰ হাঁহিৰ ধ্বনিয়ে সীতাৰ প্ৰাণত শৰ বৰ্ষণ কৰে। সীতা যেন আৰ্শিষৰ মৰমতে মৰি যাব। সীতাৰ আকৌ দীৰ্ঘ নিশ্বাস পৰিল। এই নিশ্বাস মৰমে গধুৰ কৰা বুকুৰ নিশ্বাস। সৰু বুকুখনে মৰমৰ বোজা বব নোৱাৰি নিশ্বাস অলপ এৰি দিছে। সীতাই সুধিলে।

'হাঁহিছিলা যে?'

'এনেয়ে।' আৰ্শিষে কলে—

'এনেকৈ কোনে হাঁহে'—বুলি সীতাই ধুনীয়াকৈ হাঁহিলে। আৰ্শিষে একো নামাতি সীতালৈ চাই ৰ'ল। তেওঁৰ এনে লাগিল —সীতা অপূৰ্ব সুন্দৰী। এনে ৰূপ তেওঁ আগেয়ে কেতিয়াও দেখা নাছিল। সীতাই ক'লে—

'আজি মই তোমাক আমাৰ ঘৰৰ ইতিহাস কোৱাৰ কথা। মুকুট আৰু ইন্সপেক্টৰ দাস যোৱাৰ পাচত কবলৈ বহিম।'

'মই এতিয়া যাম। নীনাৰপৰা বিপদ হৈছে। তাই চুপৰীয়া শোৱেনে বাৰু ?'

'সেই ছেগতে পলাবা ? সেইটো নহব। সকলোকে মাত লগাই যাব লাগিব। তাতে এতিয়াৰপৰা কলেও চুপৰীয়ালৈকে মোৰ কথা আধা কোৱাই নহব। মোক জানিবৰ তোমাৰ ইচ্ছা হোৱা নাইনে ?'

'নহয়, মই যাবই লাগিব। অহা টেক্সিতে ঘূৰি যোৱাৰ কথা। আজি তিনিদিন হ'ল। আজিও যদি নাযাওঁ ঘৰৰ গোটেই সোপাই মোক বিচাৰি এইডোখৰ ওলাবহি।'

'মই তাৰ ব্যৱস্থা কৰিছো। তোমালোকৰ ঘৰলৈ ট্ৰাঙ্ককল বুক কৰিছো। লাইন পালে সকলোৰে লগত কথা হবা। কবা তুমি অন্ততঃ আৰু দুদিন থাকিবা।'

'আৰু দুদিন ?'

'ভয় খাইছা ? মৃত্যুলৈ নে ? টোপনি ক্ষতিলৈ নে ? আমি দুজনীক লৈ হোৱা সমস্যাই আৰু পাক খোৱালৈ ?'

'তোমালোক দুজনীৰ সমস্যা মানে ?'

'তোমাৰ হৃদয়ে যে দুয়োজনীকে বিচাৰিছে ? তুমি কাক জীৱন-সঙ্গী কৰিবা ?'

আৰ্শিষে এইবাৰ সীতাৰ কথাৰ একো উত্তৰ নিদি অপলক নেত্ৰে সীতাৰ চকুলৈ চাই ৰ'ল। এয়া যে সচাই তেওঁৰ অবচেতন মনৰ কথা, সীতাই বাৰু ইমান বঢ়িয়াকৈ কেনেকৈ বুজিলে!! তেওঁলৈ তেনেকৈ চাই থকাত সীতাই ক'লে—

'তুমি যি ভাবা নাভাবা মোক নালাগে। তুমি মোক নিবিচাৰিলেও মই মুকলি হৈ থকা হলে কৌশলেৰে তোমাৰ ভিত্তিত ওলমিলো হেঁতেন। তুমি বৰ মধুৰ ?'

'মুকলি হৈ থকা নাই বাবেই এনেকৈ কৈছা ?'

'অৱশ্যে হয়। তেতিয়া মুখৰে সহজভাৱে নকৈ চকুৰে ক'লোহেঁতেন।'

তাৰ পাচত অলপ সময় মনে মনে থাকি সীতাই কথাৰ সুৰ বদলাই ক'লে—'আমাৰ ঘৰৰ লগত ঘনিষ্ঠতা থকা এজনৰ যোৱা নিশা মৃত্যু হৈছে।'

'নিশা এঘাৰ-বাৰ বজাৰ ভিতৰত, নহয়নে ?'

'তোমাক কোনে ক'লে ? মলয়ে বোধহয় কথাটো এতিয়াহে তেওঁলোকৰ মুখে শুনিব। জীতাই ক'লেহি নিশ্চয়। তাই এইবোৰ খবৰ আগ্ৰহেৰে শুনিবলৈ লৈছে।'

'তোমাক কোনে ক'লে ?' আৰ্শিষে সীতাক প্ৰশ্ন কৰিলে।

'কথাটো গোটেইখন ফুটি ফাটি গৈছে। পৱন বজাৰলৈ যাওঁতে শুনি আহিছে।'

'তোমালোকৰ লগত ঘনিষ্ঠ সম্পৰ্ক হোৱা বুলি নিশ্চয় ইতিমধ্যে মোৰ নামটোও হত্যাকাৰীৰ লিষ্টত উঠিল।'

আৰ্শিষে এনেকৈ কোৱাত সীতাই আবেগেৰে আৰ্শিষক বাহুৰ মাজত ভৰাই কপালত চুম্বন কৰি ক'লে—

'তোমাক আমি বলিৰ বাবে প্ৰস্তুত কৰা নাই। প্ৰয়োজন হ'লে তোমাৰ বাবে মই মোৰ জীৱন আগ কৰিম। তেনেকৈ নকবা। বিশেষ কাৰণ নহলে এনেকৈ কোনো মৃত্যুৰ মুখত নপৰে।'

'তুমি তেন্তে বিশেষ কথাবোৰ নিশ্চয় জানা ?'

'মৃত্যুৰ মুখত পৰাবোৰৰ কথা সচাই মই জানো। জানো বাবেই কৈছোঁ। এই কথাকে মই তোমাক কম। অপযশে দুৰ্নামে

গিলি খোৱা ঘৰখনত তোমাক আবদ্ধকৈ ৰখাৰ চেষ্টা নকৰোঁ। যি কথা তোমাক কব খুজিছোঁ, সেই কথা আনক কোৱা কথা নহয়। তোমাৰ লগত আমাৰ সম্পৰ্কই বা কি? তথাপি তোমাক সকলো কবৰ মন গৈছে। মই জানো এই কাহিনী শুনি মোক শ্ৰদ্ধা কৰিবলগীয়া সহানুভূতি বা করুণাৰে চাবলগীয়া একো নাপাবা। তথাপি কম। আপোনভাৱে কোৱাৰ আনন্দতে কম। মই তোমাক নাজানি সুবুজি আমাৰ ইতিহাস কলে, তুমি যে মোৰ মনত বিশেষ স্থান ল'লা এই কথাই প্ৰমাণ নকৰিবনে। তুমি প্ৰয়োজন বোধ কৰিলে পাচত মোক ফাঁচী কাঠলৈ ঠেলি দিবা বা আজীৱনৰ বাবে লোৰ গেটৰ ভিতৰলৈ ঠেলি দিবা।

মোৰ এনে লাগিছে, মলয়ে যাক মন-প্ৰাণ সঁপি বহি আছে তেওঁ তাহাঁতৰ মঙ্গলৰ বাবে তাহাঁতৰ মাজলৈ তোমাক পঠাই দিছে। মোৰপৰা তাহাঁতৰ অপকাৰৰ বাদে আৰু কি হব!!'

সীতাৰ চকুৰপৰা চকুলো বৈ অহাৰ উপক্ৰম হ'ল। আশিষৰ ওচৰৰপৰা আঁতৰি 'এক মিনিট দেই' বুলি দুৱাৰৰ ফালে আগ বাঢ়িল। দুৱাৰ খুলি তেওঁ বাহিৰ ওলাই গ'ল।

অলপ পাচতে সীতা আকৌ ভিতৰলৈ সোমাই আহিল। হয়তো দুৱাৰৰ সিপাৰে বৈ চকুদুটা ভালকৈ মোহাৰি ললে। বুকুৰ পৰা উজাই অহা শোকখিনি আকৌ বুকুলৈ ঠেলি ভৰাই ললে। এইবাৰ আহি আশিষৰ পিঠিত গালৰ ভেজা দি কৈ গ'ল—'পৱনৰ নামত বেঙ্কত কিছু টকা আছে। তুমি তেওঁক বুদ্ধি সন্ধি কৰি টকা কড়ি দি ক'ৰবালৈ পঠাই দিবা। ইহঁতে যেন তেওঁৰ ছাঁটোও আৰু নেদেখে। এবাৰ মানুহৰ তেজৰ সোৱাদ পোৱা বাঘে বোলে মানুহৰ তেজ বিচাৰে।'

'সীতু তুমি এইবোৰ কি কৈছা?' সীতাক সমুখলৈ আনিবলৈ চেষ্টা কৰি আশিষে ক'লে। সীতাই তেওঁৰ মুখৰ আগলৈ মুখ নানি তেওঁৰ পিঠিত মূৰ থৈ কৈ গ'ল—

'সেইবুলি মই তোমাক বুজাব খোজা নাই এই হত্যাকাণ্ডবোৰৰ লগত পৰন জড়িত আছে বুলি। পৰনে যদি কিবা কৰিছেও মোৰ বাবেই কৰিছে। মোৰ বাবে তেওঁ ফেঁটী সাপৰ মুখৰ আগত হাত আগবঢ়াই দিব পাৰে। তেওঁ মোক ইমানেই ভাল পায়। তেওঁৰ মোৰ প্ৰতি থকা এই মাৰাত্মক ভালপোৱাৰ খবৰ মই নোপোৱা হলেই ভাল আছিল। তুমিও যদি এইদৰে কেতিয়াবা কাৰোবাক মৰি যাব পৰাকৈ ভালপোৱা এইকথা তেওঁৰ আগত প্ৰকাশ নকৰিবা। প্ৰমাণো নিদিবা।

পৰনক বাহিৰা মানুহ হিচাবে মাইঁতে ৰখা নাছিল। ঘৰৰ ল'ৰা কৰি লোৱাৰো সন্মান দিয়া নাছিল। কিন্তু ডাঙৰ বুলি আমি তেওঁক সন্মান কৰাটো মায়ে বিচাৰিছিল। সেয়ে ভাই-ভনীবোৰে তেওঁৰ কথা মতে চলে। মোৰ মৰমৰ ভাই-ভনীবোৰ সম্পূৰ্ণভাৱে তেওঁৰ হাতত পৰি যোৱাটো মই নিবিচাৰোঁ। কাৰণ মায়ে তেওঁক বিশ্বাস কৰিছিল। সেই বিশ্বাস তেওঁ ৰক্ষা নকৰিলে। এনে মানুহক আৰু বিশ্বাস কৰা উচিত নহয়। ইহঁতে নিজ স্বাৰ্থত সকলো কৰিব পাৰে।

*   *   *

তৰুৱে কৈছোঁ—

মলয়ে ইন্সপেক্টৰ দাস আৰু মুকুট বৰুৱাক বহিবলৈ কৈ কলে—'মিনীক মাতি দিওঁনেকি—?'

'মাতা।' দাসে কলে।

'ঘপহকৈ কিয় আপুনি মোক তুমি সম্বোধন কৰিলে—?' যাবলৈ লৈ থমকি বৈ যোৱা মলয়ে প্ৰশ্ন কৰিলে। 'কাক তুমি বোলা উচিত কাক আপুনি বোলা উচিত এইবোৰ যদি খেলি মেলি হয় ইংৰাজীত কথা হব। তাততো 'ইউ' শব্দটোৰ বাদে আন সম্বোধন নাই।

ৰজাকো তেওঁলোকে 'ইউ' বোলে, ভিক্ষাৰীকো বোলে। সাধুকো বোলে, গুণ্ডাকো বোলে।'

মলয়াৰ কথা আৰু কথাৰ সুৰ শুনি তেওঁলোকে ইজনে সিজনৰ মুখলৈ চালে। মুকুটে কলে—'সৰু ছোৱালী বুলিহে—'

'আপোনালোকৰ বয়সৰ এগৰাকী মাইকী মানুহে তুমি বোলাত আপত্তি নাই। কিন্তু আপোনালোকৰ ক্ষেত্ৰত বেলেগ কথা।'

'এনেকৈ ভবাৰ মানে—?'

'মানুহজনৰ ভদ্ৰতাবোধ নাই যেন লাগে।' এনেকৈ কৈ আকৌ অন্য সুৰেৰে কলে—'আপোনালোকৰ লগত কাজিয়া কৰোঁ বুলি মই এনেকৈ কোৱা নাই, মাথোন শুনি থওক—পুলিচৰ মানুহ মোৰ চকুত কুটা। এওঁলোকে নম্ৰতা ভদ্ৰতা পুৰি খাই পুলিচত সোমায়হি। এওঁলোকৰ ল'ৰা-ছোৱালীবোৰৰ প্ৰতিও আনৰ বৰ ভাল ভাব নাথাকে। বাদ দিয়ক এই প্ৰসঙ্গ। আমাৰ বাবাও পুলিচৰ মানুহ আছিল। আমিও পুলিচৰে সন্তান। মই মিনীক মাতি দিছো,' বুলি মলয়া কোঠাৰপৰা ওলাই গ'ল। মিনী যেন দুৱাৰৰ সিপাৰেই সাজু আছিল। লগে লগে মিনীক লৈ মলয়া আকৌ কোঠাত সোমালহি। তাৰ পাচত কলে—

'এৱেঁই মিনী। ভাল নাম মিন্ময়ী লাহন।' তাৰ পাচত মিনীক কলে—'মিনী তোমাক এখেতসকলে কিবা সুধিব। সঠিক সঠিক উত্তৰ দিবা।'

দাসইঁতৰ ফালে চাই আকৌ মলয়ে কলে—'নিশ্চয় এতিয়া ইয়াত মোৰ একো কাম নাই—?'

'সদ্যহতে নাই।'

'তেন্তে মই গৈছোঁ'—বুলি মলয়া ওলাই গ'ল। দাসে মিনীক সুধিলে—

'তোমাৰ নাম—?'

'মোৰ নাম মিনী !' অলপ দূৰৰ চোফাখনত বহি মিনীয়ে উত্তৰ দিলে ।

'কিমান দিন আছা ইয়াত—?'

'বহুত দিনৰপৰা ।'

'বছৰ মাহ কব নোৱাৰিবানেকি—?'

'কোন চন কোন তাৰিখত মই ইয়ালৈ আহিছোঁ, লিখি ৰখা নাছিলোঁ ।'

'সৰুৰেপৰা আছা ?'

'হয় ইয়াতে ডাঙৰ হৈছোঁ ।'

'মা-দেউতাৰা ক'ত ?'

'মা-দেউতা আছেনে নাই, আছে যদি ক'ত আছে, মই একোৱেই নাজানো ।'

'কিয়—?'

'মই বান পানীত উটি অহা ছোৱালী । কোনোবাই পালে । কোনোবাই বচালে—তাৰ পাচত ইখন সিখন কৰিব পৰা হওঁতে ইয়াত থৈ গ'ল । তেতিয়াৰপৰা ইয়াত আছোঁ ।'

'তুমি ইয়াত সুন্দৰভাৱে আছা, নহয়নে ?'

'এইটোনো কি কথা সুধিছে ?'

'তোমাৰ হাতত হাতঘড়ী । গাত সুন্দৰ দামী শাড়ী । ঘৰৰ ছোৱালীৰ দৰে আছা ।'

'ইয়াত থকা সকলোৱেই ঘৰ বুলিয়েই আছে । মইতো মোৰ আন ঘৰৰ কথাও নাজানো ।'

'তোমাৰ সকলোতকৈ কাক বেচি ভাল লাগে ?'

'সকলোকে ।'

'তথাপি ! ঘৰৰ গৃহিনীক নিশ্চয় বেচি ভাল পাইছিলা । তেওঁ তোমাক নিজৰ ছোৱালীৰ দৰে ৰাখিছিল । বাহিৰা ছোৱালী ৰখাৰ দৰে ৰখা হলে তুমিও বাহিৰা ছোৱালী ভাবেৰেই থাকিলাহেঁতেন' ।

মিনীয়ে এইবাৰ একো উত্তৰ নিদিলে। তাৰ পাচত মুকুট বৰুৱাই কলে—'পৰনটো কথাই বতৰাই ভদ্ৰলোক। মাৰ্জ্জিত। পঢ়া-শুনা নজনা অশিক্ষিত ল'ৰা বুলি কবলৈ বেয়াই লাগে। দেখাতো সুন্দৰ। এওঁৰ ভিতৰুৱা স্বভাৱটিও নিশ্চয় সুন্দৰ! কি কোৱা?'

'মানে—' মিনীয়ে প্ৰশ্ন কৰিলে।

'মানুহৰ আচল চৰিত্ৰ অন্ধকাৰত লুকাই থাকে।' মুকুট বৰুৱাই কলে।

'তাৰ মানে—?' মিনীয়ে আকৌ প্ৰশ্ন কৰিলে।

'তাৰ মানে কায়িক ৰূপটোৱেইতো আচল ৰূপ নহয়, মই এই কথা কৈছোঁ।'

'জানো আপুনি এইবোৰ কি কৈছে?' মিনীয়ে কলে।

'সি বাৰু কেতিয়াবা তোমাক টুকুৰিয়াই চাইছেনে?'

'কিয় টুকুৰিয়াই চাব? আপুনি কি বোৰ সুধিছে?'

'তুমি দেখনীয়াৰ গাভৰু। পৰন ধুনীয়া স্বাস্থ্যবান ডেকা। এজন আনজনৰ প্ৰতি আকৰ্ষণ হোৱা প্ৰকৃতিৰ কথা। স্বাভাৱিক ধৰ্ম।'

কথাষাৰ কৈ ঘপহকৈ কথাৰ সুৰ বদলাই তেওঁ আন প্ৰসঙ্গলৈ আহি সুধিলে—'বাইদেৱেৰাৰ—মানে এই ঘৰৰ গৃহিনীক তুমি বাইদেউ বুলি নোকোৱা জানো। তেখেতৰ আলহী আহিলে ভাত-চাহৰ সোধ-পোচ তুমিয়েই নকৰা জানো? তোমাক দেখাই শুনাই এই ঘৰৰ ছোৱালী বুলি কলেহে শুৱায়।'

'তেখেতৰ আলহী আহিলে তেখেতসকলৰ খোৱা-শোৱা একোতে মই নাথাকোঁ। ভাত-চাহ বাইদেৱেই পৰিবেশন কৰে। আমি দাইনিং টেবুলত য'ত যি লাগে মাথোন সজাই দিওঁ।'

'তেখেতসকলৰ ওচৰলৈ অহা লোকসকল বেছ পদমৰ্য্যাদা-বোধ সম্পন্ন নিশ্চয়। নিশ্চয় তেখেতসকলৰ সমকক্ষ। কেইজনতো নিহত হ'ল। বাকী সকলো নিশ্চয়········ ···।'

'এই কথা আধা কোৱাকৈ এৰি আকৌ মুকুটে সুধিলে—

'তেওঁলোক কোন কোন বাক্ত বেচি উদ্ধত ধৰণৰ ?'

'মই এইবোৰ কেনেকৈ জানিম। আমি তেওঁলোকৰ ছাঁটোও নেদেখোঁ।'

'কিয় নেদেখা ? তেওঁলোকতো দিনে দুপৰেও আহে।'

'হলেও। আমি য'ৰ মানুহ তাত থাকোঁ। আমাৰ নিয়ম নাই। অভ্যাসো নাই ঘৰটোৰ ইফালে সিফালে অকাৰণত ঘূৰি ফুৰাৰ। কোন ক'ত আহে তেওঁলোকেও ইটো কোঠা সিটো কোঠা ভুমুকিয়াই চাই নুফুৰে। আগফালে পাচফালে ওলাই টহল নিদিয়ে।'

'তাৰ মানে এইঘৰৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা লোককো তোমালোকে দেখিলে চিনি নোপোৱা ?'

দুৱাৰত মৃদু টোকৰ পৰিছিল। তেওঁলোকে মিনীলৈ চালে। মিনীয়ে কলে—'সন্তৰ সীতা।'

লগে লগে দুৱাৰ খুলি মলয়া সোমাই আহিল। তেওঁৰ হাতত সৰু বটা এটা। মুকুটৰ ফালে বটাটো আগবঢ়াই দি কলে—

'তামোল খাওক, আৰু এইখন ৰাখক।'

মুকুটে চেক্‌খন তুলিলৈ চাওঁতে মলয়াই কলে—'সদ্যহতে নিশ্চয় ইয়াৰে কাম চলিব ? আপুনি যদি এই কাম সম্পূৰ্ণ কৰে আৰু কৃতকাৰ্য্য হয় তেন্তে আপোনাক আৰু কিছু 'এডিচনেল ফিজ' দিব পাৰিলে ভাল পাম।'

'ধন্যবাদ'। মুকুটে কলে। তাৰ পাঁচত পাচ হাজাৰ টকাৰ চেকখন জেপত ভৰাই থৈ কলে—

'বহক।'

'আপোনালোকৰ জানো মিনীৰ লগত কথা শেষ হ'ল ? হ'ল যদি ভালেই। ইফালে নীনাই মিনীলৈ বাট চাই আছে।'

'কি কৰিবলৈ বাট চাই আছে ?'

'দহ বজাত তাই গা-ধুই ভাত খায়। খাবৰ শুবৰ সময়ত তাই মিনীক বিচাৰে।' হাতৰ ঘড়ীটোলৈ চাই মলয়ে আকৌ কলে—'কেই মিনিটমান আছে। তাইৰ লগত কথা হওক ইমান সময়ে, মই পাচত আহিম।' কৈয়েই মলয়া ওলাই গ'ল।

মুকুটে মিনীক কলে—'মলয়া বোলে পাগলী ছোৱালী। হয়নে? মইতো খুড়াকৰ ঘৰত তেনেকৈ শুনিছোঁ।'

'কিয় তেওঁক এনেকৈ কলে?'

'তেওঁ বোলে ধুনীয়াকৈ সাজ-পোছাক কৰি ফুল-চন্দন লৈ পুৱা-গধূলি কোঠাত দুৱাৰ মাৰি সোমাই থাকে।'

'কোঠাৰিনো দুৱাৰ কোন সময়ত খোলা থাকে! আৰু ফুল এই ঘৰৰ কোনে নিপিন্ধে? সীতাৰ বেনীতো ফুলৰ মালা থাকে। কোঠাত কিছু সময় নিৰলে থাকি তেওঁ ঈশ্বৰ কৃষ্ণৰ সতে মনৰ যোগাযোগ কৰে। তাৰ পাচত যেতিয়া কোঠাৰ দুৱাৰ খুলি ওলাই আহে তেওঁক তেতিয়া এপাহ পদ্মফুলৰ দৰে লাগে। তেওঁক দেখিলে পৱিত্ৰ কিবা এটাৰ স্পৰ্শ পোৱাৰ দৰে লাগে।'

'স্বাভাৱিক লোকেনো তেনেকৈ ভগৱানক বিচাৰেনে?'

'নামঘৰত মাহ প্ৰসাদ লৈ গোপিনীসকলে কৃষ্ণৰ ৰূপ গুণ, লীলা-খেলাহে সুৰ লগাই গায়। বৃন্দাবনত ৰাধা-কৃষ্ণই ৰাস ক্ৰীড়া কৰা, কৃষ্ণই গোপীৰ বস্ত্ৰহৰণ কৰা, মহাপ্ৰলয়ত হাতত গোবৰ্দ্ধন পৰ্বত ধৰি থাকি ভক্তক বচোৱা—এইবোৰ গুণ-গান কৰি তেওঁৰ কল্পিত ৰূপ এটি আঁকি তেওঁক পাবলৈকে বিচাৰে। আৰু এওঁ যেতিয়া কোঠাত দুৱাৰ মাৰি চকুমুদি তেওঁৰ ছবি এখন চাই ৰয়, তেওঁকেই বিচাৰে, দুয়োটা একেই কথা। দহ বাজিল নিশ্চয়?' মিনীয়ে সুধিলে।

'তোমালোক সকলো এই ঘৰত কাটাই কাটাই চলা ঘড়ী হৈ গ'লা। পুৰা দহ বাজিল।'

'আপুনি কোৱা কথাই সত্য। আমি প্ৰত্যেকেই নিয়মৰ

ঘড়ী হৈ আছোঁ। সময়ত ভোক লাগে। সময়ত টোপনি আহে। সময়ত টোপনি ভাগে। সীতাৰ অৱস্থা কোনো ঠিক নাই।'

'আগৰেপৰাই সীতা এনেনে?'

'নহয়। আজি চাৰি পাচ মাহমান আগৰপৰা। আগেয়ে অলপ ইফাল সিফাল হলেও তেৱেঁ। নিয়মতে আছিল; ধৰক দহ পাঁচ মিনিট ইফাল সিফাল হোৱা ঘড়ী।'

'তুমি যোৱা, সীতাক কোৱাগৈ আমি যাওঁ।'

মিনী গুলাই যোৱাৰ অলপ পাচতে মলয়া আহিল। তেওঁলোকৰ সমুখৰ চোফাখনত বহি কলে—'অত্যন্ত ক্ষীণ এটি অনুমানো বাক কৰিব পৰা নাইনে, যাক কেন্দ্ৰ কৰি কিবা এটা সিদ্ধান্ত কৰিব পৰা যায়?'

'আপোনাক এটা কথা সোধোঁ—ইয়াক কেন্দ্ৰ কৰিয়েই হয়তো আচল কথা উলিয়াব পৰা যাব। আপোনাৰ মাকৰ মানে মিচেছ্ বাজখোৱাৰ ইল্লিগ্যাল ভোগত ৰুচি থকা বুলি কোনোৱে কয়। আৰু যি কৰে নিজৰ ঘৰতেই কৰে। আপোনাৰ দেউতাকে স্ত্ৰীক ইমানেই ভাল পাইছিল যে সেয়ে কোনো কথাত কোনো দিন সন্দেহো কৰা নাছিল।'

এই কথা শুনি মলয়াৰ মনটো কেনেকুৱাযে হৈ গ'ল। হুচকু মুদি কেইমাহমানৰ আগৰ সেই ৰাতিৰ স্মৃতি-সমুদ্ৰত ডুব দিলে। সীতাই কৈছিল আচলতে মাকক লৈ পাপাকেহে ভোগ কৰিছে। কুমুদ বাজখোৱা হ'ল বিশেষ ধৰণৰ ৰোগী। এই ৰোগীয়ে নিজৰ স্ত্ৰীক আনে ভোগ কৰাতে চৰম তৃপ্তি পায়। এইবোৰ মলয়ে একো বুজি নাপায়। সীতাই বুজাই কৈছিল।

মলয়ে তেওঁলোকৰ কথাৰ উত্তৰ নিদি অন্য কথা উলিয়াই দুয়োকো উদ্দেশ্য কৰি সুধিলে—'আপোনালোকে হিপ্নোটিজম বিশ্বাস কৰেনে?'

'অলপ অলপ বিশ্বাস কৰোঁ।'

'আপোনালোকে বিশ্বাস কৰেনে তেনেকৈ অভিভূত ব্যক্তিৰ দ্বাৰা যি খুচি তাকে কৰি লোৱা হয় ।'

'কোনো কাম কৰাই লোৱা সম্ভৱো হব পাৰে। ঠিক নাজানো। কিন্তু কিয় ? এই ভাৱেই আপোনাৰ মা-দেউতাকক খুন কৰা হ'ল বুলি ভাবিবলৈওতো সুবিধা লাগিব। কিবা সন্দেহ থাকিলে খুলি কব। আপোনালোকৰ ঘৰততো বিভিন্ন জাতিৰ বাহিৰা মানুহ আছে।'

অলপ দ্বিধাজড়িত কণ্ঠেৰে মলয়ে কলে—'মই কাকো সন্দেহ কৰিব নাজানো। এইবোৰ কথাত ক্ষীণ অনুমান এটাও যদি কৰিব পাৰিলে হেঁতেন !'

কিছু সময় কাৰো মুখত মাত নাই। তাৰ পাচত মলয়েই প্ৰথমে দাসৰ ফালে চাই কথা ক'লে –'যদিও মই জানো আপুনি পুলিচ অফিচাৰ, তবুও আপোনাৰ এই টুপী, এই পোছাকক বাদ দি আপোনাক আমাৰ ব্যক্তিগত কথাৰ এষাৰ কথাই কব খোজোঁ, আমাৰ মায়ে পাপাক অত্যন্ত ভাল পাইছিল। এই কথা আপোনাক কোৱাৰ গূঢ় কাৰণ আছে। আপুনি এই কথাকে কেন্দ্ৰ কৰি কিবা মীমাংসালৈ অহাৰ আশাত কৈছোঁ।'

'তাৰ মানে মোক প্ৰাইভেট চোৰাংচোৱাৰ দৰে তদন্ত কৰিবলৈ কৈছে ?'

'এড্জ্যাক্টলি ! কাৰণ আপুনি ব্যক্তিগতভাৱে তদন্ত কৰিলে এনে কিছু সুবিধা পাব যে কোনো পুলিচৰ উচ্চপদস্থ অফিচাৰৰ পক্ষে সি সম্ভৱ নহব। থানা, কাছাৰী, পুলিচৰ আগত নিজৰ সৰ্বনাশৰ সম্ভাৱনা থাকিলেও কিছু কথা আমি প্ৰকাশ কৰিব নোৱাৰোঁ। ভাল, নমস্কাৰ ! আপোনালোক যাবলৈ উঠিছিল নহয়' -বুলি মলয়া বহাৰপৰা উঠি মুকুট বৰুৱা আৰু ইন্সপেক্টৰ দাসক বিদায় সম্ভাষণ জনালে।

থিয় হৈ নমস্কাৰ জনোৱা মলয়াক মুকুটে তন্ন-তন্নকৈ চাইছিল।

বেছ স্বাস্থ্যৱান চেহেৰা। চকুত উদাস কবিৰ দৃষ্টি। গভীৰ সন্ধানী চকুযোৰ আশ্চৰ্য্য শীতল। মুহূৰ্ততে যেন মুকুটৰ কেনে-কুৱা গোলমাল হৈ গ'ল। পৃথিৱীত এই ৰূপ কোনোবা ছোৱালীৰ থকা যেন কল্পনাই কৰিব পৰা নাযায়। এই পুৱা এই দুটি শীতল চকুৰ ফালে চাই মুকুটে স্বস্তিৰ নিশ্বাস পেলালে। এই ঘৰত হোৱা হত্যাকাণ্ডৰ অনুসন্ধানৰ বাবে যেন তেওঁ অহা নাছিল। এই চকুযোৰৰ গভীৰতা জুখিবৰ বাবেহে আহিছিল। আৰু পৃথিৱীৰ আন এটা দিশৰ দৰ্শন লভিবলৈ। যি পৃথিৱীত বন্দুক, বোমা বা কোনো অস্ত্ৰ নাই। যি পৃথিৱীত মাথোন চৰাই আৰু ফুল। মানুহবোৰ ক্ষমা, দয়া আৰু মৰমৰ একোটা একোটা সমষ্টি মাথোন। এই পৃথিৱীত কাছাৰী, পুলিচ, উকীল, চোৰাং-চোৱা বিভাগ একোৱেই নাই। তাত আছে মাথোন এযোৰ গভীৰ চকু। কোনোবাই কিবা অন্যায় বা ভুল কৰিলে এইযোৰ চকুৰ সমুখত নিজৰ দোষ প্ৰকাশ কৰি নিদিয়ালৈকে শাস্তি নাপায়।

বাটত আহি মুকুটে ইন্সপেক্টৰ দাসক ক'লে—'মই বৰ আচ-ৰিত মানিলোঁ। মোৰ জীৱনত কোনো দিন ভুল হোৱা নাছিল। মোৰ চকুদুটা এক্সৰে চকু বুলিতো আপোনালোকেই কয়। মই এই দুটা চকুৰে কালি তেওঁৰ গাত গৰ্ভধাৰণৰ লক্ষণ স্পষ্ট দেখি-ছিলোঁ। আৰু সম্মোহনী শক্তি থকা চকুদুটায়ো বিজুলী খেলি খেলি যেন মোক কৈছিল—ময়ো সংযোগ আছোঁ। কিন্তু মোক ধৰিবলৈ কাৰো সাধ্য নাই। নিশা হয়তো ছোৱালীজনীয়ে মাদক দ্ৰব্য কিবা খায়। তাৰ জ্বালতে চকু জিলিকে, মুখ-চকুত হাঁহি ওপচি ফুৰে।'

'কিন্তু আনটো কথা? সেইটোতো মদৰ জালত জিলিকা কথা নহয়।'

'ভগৱানে জানে।' মুকুটে ক'লে।

'কালি আপুনি ভুল দেখিলে।'

'আজিলৈ চাই মই মানি লৈছোঁ। নহলে নিশাৰ ভিতৰতে কিবা এটা কৰিলে। কিন্তু চকুমোৰ দেখিতো ছোৱালীজনীক তেনেকৈ ভাবিব পৰা নাই।' মুকুট বৰুৱাই ক'লে। তাৰ পাচত লাহেকৈ ক'লে—

'কিন্তু এইটো ঠিক, ৰহস্যৰ সূত্ৰদাল এই ঘৰৰপৰাই আৰম্ভ। ইয়াতে সূত্ৰৰ গুৰিডাল বিচাৰি চাব লাগিব। মিনীয়েতো কলেই সীতা অনিয়মৰ ঘড়ী হোৱা চাৰি পাঁচ মাহমান হ'ল। মিচেছ্‌ ৰাজখোৱাৰ গৰ্ভত আছিল চাৰিমহীয়া সন্তান। ইয়াতেই কিবা পোৱা যাব। কিন্তু সীতা ছোৱালীজনী বৰ স্নিগ্ধ কোমল। ইয়াতে গোলমাল লাগি যাব খোজে। চকুযোৰ অদ্ভুত শীতল। যাক কব পৰা যায় মুক্তিত নিস্পৃহ চকু।'

*

মই সীতাই কৈছো—

বৰ সুন্দৰভাৱে সময় গৈছিল মোৰ। মই মোক লৈয়েই ব্যস্ত আছিলোঁ। সৰু সৰু কথাত সৰু সৰু ফাঁকি দি আনন্দ পাইছিলোঁ। মায়ে চানাচুৰৱালাৰ পৰা চানাচুৰ কিনি খাবলৈ নিদিয়ে। মই যদি ছাদত উঠি মিনীৰ লগত খেলি থাকোঁতে হঠাৎ চানাচুৰৱালা বা টৌফ্টিআলাটোক দেখা পাওঁ মিনীৰ লগত বাজী মাৰোঁ। মায়ে নেদেখাকৈ মাৰ ৰুমত সোমাই মাৰ 'ভেনিটি বেগৰ' পৰা পইচা চুৰ কৰি চানাচুৰ কিনি আনো। দাৰোৱানে গেটৰ বাহিৰলৈ যোৱাত বাধা দি নিজে কিনি দিয়ে। ছাদত উঠি মই আৰু মিনীয়ে আনন্দ মনে খাওঁগৈ। বৰ মজা লাগে। যেন চোৰ-পুলিচ খেলহে।

মায়ে আৰু এটা কথাত সতৰ্ক দৃষ্টি দিছিল—বাহিৰা মানুহৰ লগত অপ্ৰয়োজনীয় কথা কোৱা নিষেধাজ্ঞা। সেয়ে মই স্কুলত সুবিধা পালেই চৌকীদাৰৰ ছোৱালীজনীৰ লগত কথা পাতিছিলো।

ভাত খোৱাৰপৰা আমি পৃথক বিছনাত শোৱালৈকে নানান কথা পাতোঁ। সুবিধা পালেই চৌকীদাৰৰ ঘৰত সোমাওঁগৈ। পানী এগিলাচ খুজি পাকঘৰলৈকে যাওঁ। ভিতৰৰ কোঠাত দামী সুন্দৰ পালেং নাই। খাট এখনত কিবা কাপোৰ দুখনমান একাষত জপা থাকে। ৰচী এডালত কিছুমান ফটা মলিয়ন কাপোৰ ওঁৰা থাকে। সেইডালে সিহঁতৰ আল্‌না। মই ভাবোঁ সচাই মায়ে কোৱাৰ দৰে ইহঁত বেলেগ মানুহ। মানুহ বহিবলৈ চোফা-চেট্ নাই। মানুহক চাহ চৰ্পত দিবলৈ ধুনীয়া আয়নাৰ গিলাচ, কাপ-প্লেট্ একো নাই। মই এদিন চৌকীদাৰণীক সুধিলো—

'বাই বিছনাত তুলি লেপ একো নাই কিয়।'

এদিন ক'লো—

'বাই তোমালোকৰ আল্‌না এদালো নাই।' আকৌ অন্য এদিন ক'লোঁ—

'বাই তুমি এই কাপোৰবোৰ যে পিন্ধা, ভাল কাপোৰ নাই? মই তোমাক মনে মনে মাৰ শাড়ী কেইখনমান আনি দিম লবা?'

শাড়ী নি চৌকীদাৰণীক দিবলৈ সুবিধা নাপালোঁ। মোৰ কিতাপ ক'ত কি লাগিব মিনীয়েহে বেগত ভৰাই দিয়ে। ড্ৰাইভাৰে স্কুলত থৈ আহে।

চৌকীদাৰৰ ছোৱালীজনী জয়মতীকে চোলা দুটামান দিম বুলি মনে মনে ঠিক কৰিলোঁ। মোৰ অগণন চোলা। তাৰ মাজৰপৰা দুই-এটা হেৰালেও কোনেও গম নাপায়। বাথৰুমত সোমাই স্কুলৰ ইউনিফৰ্মৰ তলত ধুনীয়া ফ্ৰক পিন্ধি লওঁ। চৌকীদাৰৰ ঘৰৰ ভিতৰ কোঠাত সোমাই চোলাটো খুলি দিওঁগৈ। প্ৰথম প্ৰথম জয়মতী কোনোমতেই মান্তি নহয়। শেষত মই মনত দুখ পাম বুলি মাকে ৰাখিবলৈ সন্মত হ'ল। এনেকৈ তিনিটা কি চাৰিটা চোলা দিলোঁ। কাপোৰ দিবলৈ নিব অহা

ৰাধাক কাপোৰ দিওঁতে দুই এখন শাড়ী (এতিয়াও) ঘুৰাই দিব নালাগে বুলি দি পঠাওঁ। মই এই কামবোৰ কৰি কি তৃপ্তি পাওঁ আনক বুজাব নোৱাৰোঁ।

সৰুকালৰ আন এটা কথা। মোক পঢ়ুৱাবলৈ সন্ধ্যা সময়ত ল'ৰা-মানুহ মাষ্টৰ এটি আছে। তেওঁক এদিন সুধিলোঁ—

'আপুনি নপঢ়েনেকি ?'

'পঢ়োঁ।'

'ঘৰততো পঢ়িবলৈ সময় নাপায়। সন্ধ্যা মোক পঢ়ুৱাবলৈ আহে। এনেকৈ হলেতো আপুনি পাছ কৰিব নোৱাৰিব। মোক পঢ়ুৱাবলৈ কিয় আহে ?'

এইবাৰ মোৰ কথাৰ উত্তৰ নিদি তেওঁ কলে—'তুমি অঙ্কটো বুজিলানে? নিজে এবাৰ কৰি চোৱা।'

'বুজিলোঁ, কওঁকচোন নিজে পঢ়া সময়ত কিয় আপুনি লোকক পঢ়ুৱায় ? মাযে পাপাক কওঁতে শুনিছিলোঁ আপুনি ৰাতিপুৱাও কাৰোবাক পঢ়ুৱায়।'

'মোৰ দউতা নাই, সেয়ে।'

'দেউতা নহলে বুলি নিজৰ পঢ়া নপঢ়ি ......'

'সীতা—' মোৰ কথাষাৰ সমাপ্ত কৰিবলৈ নিদি তেওঁ মাত দিলে।

'কি—'

'পঢ়া সময়ত আন কথা পাতিব নাপায়।'

'পঢ়া সময়ৰ বাদেনো কোন সময়ত সুধিম ? আপুনি মোক পঢ়ুৱাই গুচি যায়। আৰু আহিয়েই কিতাপ খুলি লয়। মই বুজিছোঁ।'

'কি বুজিছা—?

'আপোনাৰ পইচাৰ দৰকাৰ। দেউতাতো নাই। পইচানো কোনে দিব! আপুনি এটা কাম কৰিব, মোক পঢ়ুৱাবলৈ

আহোঁতে পাটিগণিত বা ইংৰাজীখন লৈ আহিব। মই নজনাবোৰ আপোনাক সুধি লম। আপুনি মনে মনে নিজৰ পঢ়া পঢ়ি থাকিব।'

'তোমাৰ পাপাই গম পালে মোক পঠাই ভাল ল'ৰা বিচাৰিব।'

'আপুনি কি কথা কৈছে? পঢ়াশুনাত মন দিয়া ল'ৰাহে ভাল ল'ৰা।'

'তোমাক নপঢ়ুৱাই নিজে পঢ়ি থাকিবলৈতো মাহে মাহে টকা দি মোক ৰখা নাই।'

এদিন মই সুধিলোঁ—'যদুদা, মায়ে আপোনাক কিমান টকা দিয়ে?' মই কথা কওঁতে তেওঁ দুৱাৰৰ ফালে চাই আছিল। সেইফালে চাই থাকিয়েই কলে—

'পঢ়াৰ সময়ত কিয় কথা পাতি থাকা? যিমানেই দিয়ে নিদিয়ে তুমি ভালকৈ পাছ কৰিব নোৱাৰিলে সেযাও বন্ধ হব।'

'মই জানো আপোনাক কিমান দিয়ে। সিদিনা মায়ে মিনীৰ হাতত আপোনালৈ টকা দি পঠাওঁতে চাইছিলোঁ। দুখন দহটকীয়া নোট আৰু এখন পাঁচটকীয়া নোট আছিল। যদুদা, মই মন দি পঢ়িম। মই ভালকৈ পাছ কৰিলে আপোনাক আৰু টকা দিব। আপুনি সচাকৈ নিজৰ কিতাপ লৈ আহিব। মনে মনে ইয়াতে পঢ়ি থাকিব। মই কাকো নকওঁ।'

পাচত সচাই মোৰ ভাব হ'ল মই মন দি পঢ়িম। পঢ়িলেই মনত ৰয়। ঠিক সেয়ে হ'ল। সেইবাৰ বছৰেকীয়া পৰীক্ষাত মই প্ৰথম হৈ প্ৰমোচন পাওঁ। যদুদায়ো সেইবাৰ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলে। তেওঁক মোমায়েকে কলেজত পঢ়ুৱাবলৈ লৈ গ'ল। যোৱাৰ আগতে মাক মাত লগাবলৈ আহিছিল। মোক মন দি পঢ়িবলৈ কওঁতে তেওঁৰ চকুযোৰ চল্‌চলীয়া হৈ পৰিছিল।

মায়ে সিদিনা তেওঁৰ লগত দুই এটা ঘৰুৱা কথা পাতি তেওঁক চাহ খাবলৈ দিছিল। যাবলৈ উঠোতে 'ৰবা' বুলি ভিতৰ

সোমাই গৈ টকা অলপ আনি তেওঁৰ হাতত দি কৈছিল—'কিতাপ-পত্ৰ কিনি লবা।'

যদুদা যোৱাৰ পাচত মই মাক সুধিছিলোঁ 'কিমান দিলা মা?' মায়ে মৃদুভাৱে ধমক দি কৈছিল—'তোমাক কিয়—?' মই অনুমানতে ধৰি ললোঁ। নিশ্চয় তিনি কি চাৰি শ হব। তিনি-চাৰি-খন শ-টকীয়া নোট দেখাৰ দৰে লাগিল।

সেইদিনা মাক মোৰ ইমান ভাল লাগিছিল যে মই সিদিনা মালীক খুজি মালৈ দুপাহ ফুল আনিছিলোঁ। আনদিনা এপাহ হে দিওঁ। মায়ে প্ৰসাধন কৰি বাহিৰলৈ ওলাই আহোঁতে মই মালৈ চাই মুগ্ধ হৈ গৈছিলোঁ। মনতে ভাবিলোঁ আমাৰ মাৰ দৰে ধুনীয়া মানুহ আৰু নাই। ফুল দুপাহ মাৰ ফালে আগবঢ়াই দিওঁতে মায়ে কলে—'দুপাহ আনিলা যে?'

মই কলোঁ—'মা তুমি খুব ভাল।'

মোৰ কথাত মায়ে দীৰ্ঘ নিশ্বাস এৰি কিছু সময় মোৰ মুখলৈ চাই ৰ'ল। তাৰ পাচত লাহেকৈ মোৰ কপালত এটা চুমা দি ততাতৈয়াকৈ মোৰ ওচৰৰপৰা আঁতৰি গ'ল। মা আঁতৰি যোৱাৰ পাচত এই প্ৰথম মোৰ কিবা যেন নাই নাই ভাব হ'ল। মাক আমি তেনেকৈ কাষত নাপাওঁৱেই। মই স্কুলৰপৰা অহাৰ পাচতে মা নিজক লৈ ব্যস্ত হয়। গা-ধোৱে, প্ৰসাধন কৰে। কোনোবা বন্ধু-বান্ধবী আহে। তেওঁলোকক লৈ মা ব্যস্ত হৈ পৰে। প্ৰায়েই পিচবেলা ওলাই যায়। চিনেমা, নহলে ক্লাবলৈ। বা পাৰ্টি আদিলৈ। নহলে উদ্দেশ্যহীন ভাৱে বাটে বাটে মটৰেৰে গৈ থাকি এসময়ত ঘূৰি আহে।

মোৰ সৰু কালৰ আন এটা কথা। এদিন স্কুলৰপৰা আহি বেগটো নোথোৱাকৈয়ে মই গৈ মাৰ ৰুমত সোমালোঁগৈ। স্কুলৰ কিবা এটা বিশেষ কথা কবলৈকে গৈছিলোঁ। মই কোঠাত সোমাই কিন্তু মাৰ দুৰৱস্থা দেখি কবলৈ লোৱা কথা পাহৰি

গলো। মোৰ বয়স তেতিয়া ছয় বছৰমান হব। স্ত্ৰী-পুৰুষৰ শাৰীৰিক সম্পৰ্কৰ বিষয়ে জনা বুজা বয়স নহয়। মাত্নহজনে মাক মাৰিছে বুলি মই ভয়তে চিঞৰি দিলো—

'মা—!'

বিছনাচাদৰখনেৰে নিজক ঢাকি ধৰি মায়ে মোলৈ চাই ফেঁাচকৈ উঠিল—'কি লাগে, যা ইয়াৰপৰা।'

মই কোঠাৰ বাহিৰলৈ আহি ভাবিলো—ভিতৰলৈ বাক মাৰ চকুত নপৰাকৈ কেনি চাব পাৰিম! কোঠাটোৰ বাহিৰ ফালে ইফালে সিফালে ঘূৰিলো। অৱশেষত আগৰফালৰ দুৱাৰৰ পৰ্দাখন সামান্য ফাক কৰি এটা চকুৰে ভিতৰলৈ জুমি দিলো।

সেই দিনাই মায়ে মোক ভবিষ্যতলৈ মায়ে নামাতিলে মাৰ কোঠাত সোমোৱাটো নিষেধ কৰি দিলে। বিশেষ জৰুৰী প্ৰয়োজন হলে দুৱাৰত শব্দ কৰিব লাগিব। ভিতৰৰপৰা মাত দিলেহে সোমাব পৰা যাব। 'মাত নিদিয়াকৈ শব্দ নকৰাকৈ এনেকৈ যাব নাপায়' মায়ে কৈছিল। কিয় এনেকৈ যাব নাপায় মই সুসুধিলো। মই ইয়াকে বুজিলো মাক আকৌ আবৰণহীন অৱস্থাত দেখিব পাৰো; সেয়ে লাজতে নাপায় বুলি কৈছে। মোৰ আগত লাজ লাগিল। মাত্নহজনৰ আগত বাৰু কিয় লাজ নালাগিল? মোৰ মনৰ প্ৰশ্ন মাক নকলো। সেই দিনাৰপৰা মোৰ প্ৰধান আৰু প্ৰথম কাম হ'ল স্কুলৰপৰা আহি পৰ্দাখন সামান্য ফাক কৰি মাৰ ৰুমলৈ জুমি চোৱা। যি আশাত এইদৰে চাওঁ সেই আশা কিন্তু কোনো দিনেই পূৰ্ণ নহ'ল। শেষত এই কাম এৰি পেলাইছিলো। সময়ত এই ঘটনাও সম্পূৰ্ণ পাহৰি গলো

কিন্তু আকৌ এদিন অপ্ৰত্যাশিতভ ।বেআন এটা ঘটনা ঘটিল। সেই ।দনা মই প্ৰথম মাৰ মাৰ খাইছিলো। সেয়ে প্ৰথম, সেয়ে শেষো।

সময় সন্ধ্যা লাগো লাগো। মই আৰু মিনী ছাদত

আছিলো। আমাৰ ঘৰলৈ এজন আলহী আহিছে। তেওঁৰ মটৰখন ফিল্ডত থাবা। মায়ে সিদিনা সোনকালে গা-ধুই সাজ পাৰ কৰিছিল। মই মালৈ ফুল এপাহ লৈ আহি মাৰ ওচৰত থিয় হৈছিলোগৈ। মায়ে মোৰ হাতৰপৰা ফুলপাহ লৈ খোপাত গুজি লৈ মুগ্ধ হৈ আয়নাত নিজৰ প্ৰতিবিম্ব চাইছিল। মই সমুখৰ-পৰা মাক চাই থাকি মুগ্ধ হৈ কৈছিলো—'মা তুমি মোতকৈ ধুনীয়া।' সেই সময়ত বগা মানেই ধুনীয়া বুলি জানিছিলো। মা আমাতকৈ উজ্জ্বল বগা আছিল। মোৰ কথা শুনি মায়ে মাথোন কলে—'তুমিও কম ধুনীয়া নোহোৱা। যোৱা এতিয়া ছাদত খেলি থাকাগৈ। আকাশত তৰা দেখা পালে দহটা তৰা লেখিছে তললৈ নামিবা।'

দহটা তৰা কিয় লেখিবলৈ কৈছিল বুজা নাছিলো। এটা দুটা তৰাতো কেতিয়াবা পোহৰ থাওঁতে নৌযাওঁতেই দেখা পায়। দহটা তৰা লেখিবলৈ নিশ্চয় অলপ অলপ আন্ধাৰ হব লাগিব।

মই মিনীৰ লগত ছাদৰ ওপৰলৈ গৈছিলো। অলপ সময় বাটলৈ চাই থাকি মই মিনীক কলো—'মা আজি ওলাই গলে ভাল আছিল। পাচতে তুমি আৰু ময়ো ওলাই গলোহেঁতেন। নীলাইঁতৰ ঘৰৰ আগৰ ফিল্ডত বোলে কেইবাজনীও ছোৱালী গোট খায়। তেওঁলোকে কুট্-কুট্ খেলে। আজি মোকো মাতিছিল। মাক সুধিলো 'নালাগে যাব' বুলি কলে।

ঠিক সেই সময়তে এখন সেউজীয়া বঙৰ ধুনীয়া মটৰ আমাৰ ফিল্ডলৈ সোমাই আহিল। আমি তললৈ চাই ৰলো। মটৰৰপৰা ধুনীয়া যুৱক এজন নামি আমাৰ ভিতৰলৈ খোজ দিলে। মিনীয়ে কলে—'হৈছে আৰু আমাৰ ওলাই যোৱা। মানুহজন যায় মানে আমাৰ শুবৰে হব। মানুহজনৰ লগত বাইদেউ ওলাই গলেই ভাল হয়। কিন্তু অলপ পাচতে যে আন্ধাৰ হব।'

অলপ ৰৈ মিনীয়ে আকৌ কলে—'তাতোকৈ কান্দিৰ দৰে

কড়িকে খেলোঁ আহা ।' আগদিনা ইমান সময়ত ছাদত কড়ি খেলিছিলো । কড়িকেইটা নি মই ড্ৰইংৰুমৰ ডাঙৰ ফুলদানীটোৰ ভিতৰত ভৰাই থৈছিলো । কড়িকেইটা আনিবলৈ মই তললৈ নামি গলো । ড্ৰইংৰুমৰ দুৱাৰ জাপখাই আছিল । দুৱাৰ খুলি মই থমকি ৰলো । আলহী ল'ৰাজন চোফাত বহি আছে । কাষতে মা । মাক তেওঁ সাৱটি ধৰি আছে । মাৰ মুখ ল'ৰাজনৰ মুখত। এইফালে মায়ে পিঠি দি থকা বাবে মোক দেখা নাছিল । ল'ৰাজনে মোক দেখা পাই তৎক্ষণাত মাক এৰি দি কি জানো কলে । মই লগে লগে দুৱাৰখন হাতৰপৰা এৰি দিলো । দুৱাৰ বন্ধ হৈ গল । মা বাহিৰলৈ ওলাই আহিল । দুৱাৰ মুখতে মোক পাই চুলিত মুঠি মাৰি ধৰি জোকাৰি দিলে । মই আস্ বুলি আৰ্ত্তনাদ কৰি উঠিলো । চুলি এৰি প্ৰচণ্ড এটা চড় সোধাই কলে—'ৰ তোক মই কি কৰো চাবি ।' পৰনক মাতি পৰনৰ ফালে মোক ঠেলামাৰি দি কলে—'এইক পাক ঘৰত বহুৱাই থোৱাগৈ । এইৰ উৎপাতত কাৰো লগত কথা পতাৰো শান্তি নাই ।'

মই অবাক । ক'তনো মই উৎপাত কৰিলো । মায়ে বা তেনেকৈ কি কথা পাতিছিল ! মই পৰনক কৈছিলো—

'মায়ে মিছাকৈ কৈছে । মই কড়ি কেইটা আনিবলৈহে ৰুমত সোমাইছিলো ।'

'তোমাৰ জীৱটো থাকি আহিলেও এইদৰে ঘপহ্‌কৈ দুৱাৰ নুখুলিবা । ভবিষ্যতলৈ মনত ৰাখিবা । তাতোকৈ মাৰৰ আলহী আহিলে তুমি মোৰ ওচৰত থাকিবা ।' পৰনে কলে ।

দুখ পোৱা গালখনত মই এতিয়াও হাত দি আছোঁ । তাকে দেখি পৰনে সুধিলে—'তোমাক মাৰিলেনেকি ?' হাতখন আঁতৰাই চাই পৰনে মাথোন কলে 'ইস্, ইস্ ।'

'পৰনদা মাৰ আলহী আহিলে মই দেখা পালে মাৰ কিয় খং উঠে ?' মই সুধিলো ।

'মাৰৰ বুকুত বহুত প্ৰেম আছে। এই প্ৰেমবোৰ অকণ অকণকৈ আৰু তাক্ ছটিয়াই নিদিলে মাৰৰ বুকুৰ বিষ হব। বিষত মাৰ চট্‌ফটাই মৰিব। তুমি দেখিলে মাৰে প্ৰেম দিয়াত দিগদাৰ হয়।'

'প্ৰেম মানে কি পৰনদা— ?'

'প্ৰেম মানে মৰম।'

'আমাক তেন্তে মায়ে প্ৰেম কিয় নিদিয়ে ?'

'এই প্ৰেম তোমালোকক দিয়া প্ৰেম নহয়। এই প্ৰেম সৰ্ব্বগুণাকৰ ধুনীয়া ডেকাইঁতক দিয়া প্ৰেম।'

'প্ৰেমবোৰ বাৰু চেণ্টৰ নিচিনানেকি ? গাত সানি দিয়ে নহয়নে ? তেওঁলোকেও মাৰ গাত প্ৰেম সানি দিয়ে। মই দেখিছো।'

মোৰ কথা শুনি পৰনে প্ৰথমে হাঁহিলে। তাৰ পাচত ঘপহ্‌কৈ গম্ভীৰ হ'ল। গহীনাই সুধিলে--'কত দেখিলা—?' 'এদিন স্কুলৰপৰা আহি মাৰ কোঠালৈ সোমাই গৈ দেখিলো।'

'ও প্ৰেমো এবিধ চেণ্টেই বুলিব পাৰি। ইয়াৰ দোষ গুণে গোটেইখন আমোল-মোলাই যায়। গুণৰ গন্ধ স্নিগ্ধ। সেয়ে তেনেকৈ বিয়পি নপৰে। দোষৰ গোন্ধ কিন্তু বৰ ভয়ঙ্কৰ। প্ৰথ্যাত মানুহৰ ক্ষেত্ৰত ই এনে হয়—'ইয়াতে মাৰিলো টিপা গড়গাঁও পালেগৈ শিপা।'

মই তকৰে কৈছো—

ইন্সপেক্টৰ দাস আৰু মুকুট বৰুৱা যোৱাৰ পাচত মলয়া আহি সীতাক কলে—'মই মুকুট বৰুৱাক চেকখন দিবলৈ যাওঁতে তেওঁলোকে মোক কিয় খুঁটি খুঁটি চাইছিল। সীতাই মলয়াৰ হাতত টান মাৰি নিজৰ ওচৰত বহুৱাই লৈ কলে, 'কালি মোক দেখি গৈছিল। মই যে সন্তান সম্ভৱা বুজি গৈছিল। আজি তোৰ শৰীৰত ক্ষুদ্ৰ চিন্‌ এটিও নাই। গাল চকুত পৰ্য্যন্ত। সেয়ে তেওঁলোক বুৰ্ব্বক হৈ গৈছে।'

সাতাৰ কথা শুনি আৰ্শিষ যেন পাথৰ হৈ গ'ল। ভনীয়েকৰ

হাতত ধৰি থাকি অকপটে নিজৰ কলঙ্কৰ বিবৰণ দিছে। সীতা সচাই অদ্ভুত! মাকৰ ব্যভিচাৰৰ বৰ্ণনা দিওঁতেও দ্বিধা সঙ্কোচ কৰা নাই। মই কথাবোৰ জানি পৰিয়ালটোক কি ভাবে লম এই কথাও গ্ৰাহ্য কৰা নাই। সীতাক দেখি এনে লাগে প্ৰাণ ভৰি যেন জীৱনৰ স্বাদ উপভোগ কৰিছে। তাৰ এক সাক্ষৰ দেহত জীৱন্ত বোজা। কাৰ ৰক্তকণা গৰ্ভত লৈ তেওঁ মাতৃ সম্ভৱা!

যদি তেওঁৰ অনুমান সচা হয় (সীতাৰ বুকুত জুই থকা), যদি সীতাৰ বুকুৰ এই জুই মুমুৱাব পৰা নাযায় তেন্তে সেই জুয়েই সীতাক পুৰি মাৰিব। সীতাৰ সৰ্ব্বনাশ হব। সীতাই হাতত জুই লৈ খেলা খেলিছে। তেওঁৰ যি চকুত সময়ত ভালপোৱা উঠলি উঠে সেই চকুত আৰ্শিষে জুইৰ ফিৰিঙতিৰ চিহ্ন দেখা পাইছে। কিন্তু পলকলৈ। সীতাও এই বিষয়ে সৰ্ব্বক্ষণ সজাগ। চকুত তেওঁৰ বুকুৰ জুইৰ চিহ্ন ফুটি উঠে বুলি সন্দেহ হলেই সীতাই আৰ্শিষলৈ চাই এটি স্নিগ্ধ হাঁহি মাৰে। এই . কথাতো আৰ্শিষ অবাক হয়। সীতাৰ চকুমুখ মুহূৰ্ত্তে মুহূৰ্ত্তে কি দৰে পৰিবৰ্তন হয়!

সীতাৰ ওচৰৰপৰা উঠি মলয়ে আৰ্শিষৰ ফালে চাই সীতাক কলে—'মই এতিয়া ভাত খাই শুমগৈ। তুমিতো কাৰো একো পৰামৰ্শ নেলোৱা। তুমি 'ডিটেক্‌টিভ' কাকো এৰা নাই। সকলোকে কি কব লগীয়া আছে কৈ পৰামৰ্শ লব পাৰা।'

'ময়ো তাকেই ভাবো' আৰ্শিষে কলে। তাৰ পাচত সীতাক কলে—'গোপনীয়তাৰ প্ৰতিশ্ৰুতি দিছো।'

আৰ্শিষৰ কথা শুনি সীতাই শব্দ কৰি অকণমান হাঁহিলে। জলতৰঙ্গ বাজি উঠা এটি বিশেষ হাঁহি। তাৰ পাচত কলে—'গোপনীয়তাৰ প্ৰতিশ্ৰুতি নিদিয়াকৈয়েতো কথাৰ পাতনি মেলিলো। ভাত পানী খাই উঠাৰ পাচত মাৰ ডায়েৰীখন তোমাক দিম।

আশ্চৰ্য্য এখন ডায়েৰী। য'ত লুক্ ঢাকৰ প্ৰশ্ন নথকাকৈ মায়ে মাক ব্যক্ত কৰি গৈছে। মায়ে যেতিয়া এইদৰে মুক্তভাৱে নিজক লিপিবদ্ধ কৰিছিল, তেওঁ নাছিলনে হঠাৎ যদি নিজৰ ল'ৰা, ছোৱালীৰ হাতত সেইখন পৰি যায় তেতিয়া কি হব? মায়ে ভাবিছিল মৃত্যুৰ পাচত যেয়ে যেনেকৈয়ে লয় তাত মাৰ ক্ষতি নাই। সেয়ে মায়ে মাক আবৰণহীন ভাৱে আঁকি গ'ল। মই মাৰ ডায়েৰী মাৰ জীৱিত অৱস্থাতেই পঢ়িলো। মায়ে এইকথা গম পোৱা নাছিল।

দুপৰৰ আহাৰ সমাপ্ত কৰোতে এক বাজিল। দুই আঙুলিৰ মাজত জ্বলন্ত চিগাৰেট এটা লৈ ওচৰতে অ্যাশট্ৰেটো থৈ আৰ্শিষ বিছনাত পৰিলহি। তেওঁ জানে অলপ পাচতে সীতা আহিব। তেওঁ ভাবিলে সীতা এতিয়াই নাহি অলপ পলমকৈ আহিলে ভাল হয়। এই কেইৰাতি তেওঁৰ শোৱা হোৱাই নাই। চকুদুটা টোপনিয়ে টানি ধৰিছে।

সচাই চিল্‌মিল্‌কৰে টোপনি আহিছিল। মিঠা গন্ধ এটিয়েহে তেওঁক জগাই দিলে। সীতা আহি তেওঁৰ ওচৰতে বহিছেহি। সীতাৰ গাৰপৰাই এই মিঠা গন্ধটি বাহিৰ হৈ কোঠাটোত গন্ধ ছটিয়াইছে। সীতাই আৰ্শিষৰ ধুনীয়া নাকটো জোৰেৰে টানি দি আদৰ কৰি কলে—

'শুই শুই এইখন পঢ়া।' কথাষাৰ কৈ এখন পকা বন্ধা বহী আৰ্শিষৰ বুকুৰ ওপৰত থৈ কলে—'এইখনেই মাৰ ডায়েৰী। মই তিনিবাৰ পঢ়িলো। লাইনে লাইনে মনত আছে। চকুমুদি এফালৰপৰা কবিতা গোৱাৰ দৰে এই ডায়েৰীখন গাই যাব পাৰিম। কিন্তু তোমাৰ সমুখত বহি এইখনৰ কোনো কথাই মই তোমাক কব নোৱাৰিম। সেয়েহে তোমাক পঢ়িবলৈ দিছো। তুমি পঢ়া মানে মই তোমাৰ কাষতে অকণ শুই লওঁ। নিশা তুমি শুবা মই সাৰে থাকিম।